
# ডিগবৈ মহাবিদ্যালয়

# আলোচনী ২০০০-০১



সম্পাদক : ধৰণী লাহন

# ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

## চতু বিংশতিতম্ সংখ্যা

## ২০০০-০১ বৰ্ষ

ডিগবৈ মহাবিদ্যালয়
DIGBOI COLLEGE
বিদ্যা দদাতি বিনয়ং
ESTD. 1965

প্ৰতি,

শ্ৰদ্ধা আৰু আন্তৰিকতাৰে,

শ্ৰীযুত / শ্ৰীযুতা ........ লাইব্ৰেৰী ........

........ টেংগাখাত মহাবিদ্যালয় ........লৈ আগবঢ়ালোঁ ।

[illegible]

তত্বাৱধায়ক
শ্ৰী যুত পূৰ্ণানন্দ শইকীয়া

সম্পাদক
শ্ৰী ধৰণী লাহন

# উৎসৰ্গ




আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ঁস্বৰ্ণলতা গগৈ আমাৰ কাৰ্যকালৰ ভিতৰতে দুৰ্ঘটনাত পতিত হৈ ইহলীলা সম্বৰণ কৰে। তেখেতৰ উপৰিও মহাবিদ্যালয়ৰ আনদুজন কৃতি ছাত্ৰ ক্ৰমে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰ ঁঅপূৰ্ব পূজাৰী আৰু স্নাতক তৃতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰ ঁআনন্দ প্ৰকাশ সিঙে অকালতে মৃত্যুক সাৱটি লয়। তেখেত সকলৰ পবিত্ৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এই সংখ্যাৰ আলোচনীখন উৎসৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি

# ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

## ২০০০-০১ বৰ্ষ

### চতু বিংশতিতম্ সংখ্যা

# সম্পাদনা সমিতি

উপদেষ্টা
শ্ৰী মনেশ্বৰ বৰ্মন

তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰী পূৰ্ণানন্দ শইকীয়া

সম্পাদক
**শ্ৰী ধৰণী লাহন**

সম্পাদনা সহযোগী :
প্ৰবক্তা পবিত্ৰ ভৰালী
প্ৰবক্তা জয়ন্ত সন্দিকৈ


সম্পাদনাত সহযোগী বন্ধুবৰ্গ
দ্বিজু ওজা
সন্তোষ কুমাৰ
অৰূপ কলিতা
মৌচুমী কলিতা
পদ্ম বিকাশ কোঁচ
ৰবীন কোঁৱৰ
অজয় হেন্দ্ৰী
জয়ন্ত বুঢ়াগোহাঁই
দুৰ্লভ সোনোৱাল

বেটুপাতৰ শিল্পী : কিশোৰ কুমাৰ সিং
পৰিকল্পনা : সম্পাদক

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীৰ নেপথ্যত:
প্ৰকাশক : ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা
মুদ্ৰক : টাইমচ, ডিগবৈ

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰহে ধৰণী লাহনৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত ।

" শ্বহীদ প্ৰণামো তোমাক ......... "



শ্বহীদ বেদী : ডিগবৈ মহাবিদ্যালয়

# সম্পাদনা সমিতি



মনেশ্বৰ বৰ্মন
সভাপতি



প্ৰবক্তা পবিত্ৰ ভঁৰালী
সদস্য



পূৰ্ণানন্দ শইকীয়া
তত্বাবধায়ক



ধৰণী লাহন
সম্পাদক



দ্বিজু ওজা
সদস্য



সন্তোষ কুমাৰ
সদস্য



অৰূপ কলিতা
সদস্য



পদ্মবিকাশ কোঁচ
সদস্য



ৰবীন কোঁৱৰ
সদস্য



দুৰ্লভ সোনোৱাল
সদস্য



জয়ন্ত বৰগোঁহাই
সদস্য



অজয় ছেত্ৰী
সদস্য

# আশিস-অভিনন্দন বাণী

DR. NAGEN SAIKIA
[Ex Member of Parliament & Ex President of Asam Sahitya Sabha]
Sahityarathi Lakshminath Bezbaroa Professor
Department of Assamese : Dibrugarh University
Assam, India, Pin - 786 004, phone - 0373 70240
E-mail nagensaikia@lycos.com

Res ASRAYA
Jeevan Phukan Nagar
Dibrugarh Assam India
Pin - 786 003
Phone (0373) 328796

শুভেচ্ছা-সম্ভাষণ

ডিগবৈ মহাবিদ্যালয়ৰ 2000-2001 বৰ্ষৰ বাৰ্ষিক মুখপত্ৰখনি সম্প্ৰতি প্ৰকাশৰ বাবে যত্ন কৰি থকা বুলি জানি অতিশয় আনন্দিত হৈছোঁ। বিদ্যালয়ৰ মুখপত্ৰসমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশৰ এটা উৎকৃষ্ট মাধ্যম। মই আশা কৰিছোঁ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনিয়ে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অন্তৰ, চিন্তা, অভিজ্ঞতা, কল্পনা আৰু অনুভূতিৰ অভিব্যক্তি সুন্দৰ সুষমাই লৈ আলোচনীখনিৰ ৰূপত প্ৰকাশ লাভ কৰিব। যিসকল প্ৰচেষ্টাই উদ্যোগৰ মাজত লেখা দিব, সেই প্ৰচেষ্টাৰ বিষয়ে সম্পাদকক অভিনন্দন জনাই, এই আলোচনীৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

নগেন শইকীয়া
৯ মাৰ্চ 2002

# ডিগবৈ কলেজ-কোৰাচ

ৰচনা-- ডঃ কান্তেশ্বৰ ডেকা
বিমল গগৈ
সুৰ -- ডঃ কান্তেশ্বৰ ডেকা
বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।

এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ :
তথাপিও এই ছবি প্ৰাণেৰে জীয়ন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।

সূৰ্যমুখী আমাৰ এ মন,
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ, -- শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ, -- শান্তিৰ পোহৰ বিচাৰি যাওঁ ।।

মহা প্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমি বিলাওঁ

ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ-মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ -- জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ -- শান্তিৰ জোনাক বিচাৰি যাওঁ ।।

# শ্ৰদ্ধাঞ্জলি

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নির্লোভ ভাস্কর্য .........."

পৃথিৱীৰ সবাতোকৈ কঠোৰ তথা চিৰন্তন সত্যটোৱেই হৈছে 'মৃত্যু'। সৃষ্টি যিদৰে আছে, সেইদৰে আছে ধ্বংসও প্ৰতিটো সৃষ্টিয়েই ধ্বংস হয় মৃত্যুৰ ৰূপত । বিগত বছৰটোতো আমাৰ মাজৰ পৰা বহু কেইজন বিশিষ্ট ব্যক্তি চিৰদিনৰ কাৰণে আঁতৰি গ'ল । মৃত্যুক সাৱটি লোৱা এই সকল ব্যক্তি হৈছে ক্ৰমে —

* সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ক্ৰিকেট খেলুৱৈ — ডন ব্ৰেডমেন
* ইন্দো - ইংৰাজী সাহিত্যিক হিচাপে বিশ্ব সাহিত্যত সুকীয়া আসন দখল কৰা বিখ্যাত "মালগুড়ী" ছিৰিজৰ স্ৰষ্টা - আৰ. কে. নাৰায়ণ
* বিজেপি দলৰ জ্যেষ্ঠা ৰাজনীতিবিদ — বিজয় ৰাজে সিন্ধিয়া
* প্ৰাক্তন তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী - ভি. এন. গাৰগিল
* জনপ্ৰিয় কথাশিল্পী — নিৰোদ চৌধুৰী
* জিকিৰ সম্ৰাট -ৰেকিবুদ্দিন আহমেদ
* বিশিষ্ট বাঁওপন্থী নেতা — ইন্দ্ৰজিৎ গুপ্ত
* প্ৰাক্তন উপ প্ৰধান মন্ত্ৰী - দেৱীলাল
* প্ৰসিদ্ধ চলচ্চিত্ৰ অভিনেতা তথা পৰিচালক— শিৱাজী গণেশন
* ভাৰতীয় চলচ্চিত্ৰ কিম্বদন্তী পুৰুষ — অশোক কুমাৰ
* বিশিষ্ট গীতিকাৰ তথা লেখক - ফজলুল কৰিম
* অসমীয়া নাট্যজগতৰ এগৰাকী লাইখুটা স্বৰূপ ব্যক্তি, একেধাৰে নাট্যকাৰ, অভিনেতা, নাট্য সমালোচক — সত্যপ্ৰসাদ বৰুৱা ।
* অসমীয়া চলচ্চিত্ৰ জগতৰ প্ৰবীন চিত্ৰগ্ৰহণকাৰী — নলীন দুৱৰা
* আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠান 'লয়াৰ্ছ বুক ষ্টল'ৰ স্বত্বাধিকাৰী, বিশিষ্ট প্ৰকাশক, অনুবাদক -খগেন্দ্ৰ নাৰায়ন দত্ত বৰুৱা
* প্ৰাক্তন মন্ত্ৰী — গোলোক ৰাজবংশী
* এখেত সকলৰ উপৰিও বিভিন্ন দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ, সংঘাত, সংঘৰ্ষ, যান্ত্ৰিক বিজুতি আদিৰ জৰিয়তে মৃত্যুক আকোঁৱালি লোৱা জ্ঞাত - অজ্ঞাত সকলোৰে প্ৰতি নিবেদিছোঁ বেথা ভৰা অন্তৰৰ শ্ৰদ্ধাৰ অঞ্জলি —

— সম্পাদনা সমিতি

# কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ

- বিশিষ্ট সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক ড০ নগেন শইকীয়ালৈ ।
- অসম সাহিত্য সভাৰ বৰ্তমানৰ (২০০০-২০০২) সভাপতি তথা জনপ্ৰিয় গদ্য লেখক আৰু 'আমাৰ অসম' কাকতৰ সম্পাদক হোমেন বৰগোহাঞিলৈ ।
- মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি তথা আলোচনী সম্পাদনা সমিতিৰ সভাপতি মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মন আৰু উপাধ্যক্ষ শ্ৰীযুত এচ. এচ. ৰায়চৌধুৰীলৈ ।
- আলোচনী বিভাগৰ মাননীয় তত্বাবধায়ক শ্ৰীযুত পূৰ্ণানন্দ শইকীয়ালৈ ।
- বিভিন্ন বিষয়ৰ সৰস ৰচনাৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা লেখক লেখিকা সকললৈ ।
- অতিথি লেখক ইছমাইল হোছেইন, ভাস্কৰজ্যোতি গগৈ আৰু জীতেন্দ্ৰ বৰুৱালৈ ।
- আলোচনী সম্পৰ্কীয় প্ৰতিটো কামতে দিহা-পৰামৰ্শদি সহায় -সহযোগ আগবঢ়োৱা অধ্যাপক সৰ্বশ্ৰী ডি. চি. চেদাই, অচ্যুৎ শইকীয়া, মৃণাল কুমাৰ গগৈ, বিকাশ বৰুৱা, পবিত্ৰ ভঁৰালী, গৌৰী বুঢ়া গোঁহাই, জয়ন্ত সন্দিকৈ, পাৰ্থ নৰহ, জনাৰ্দন বৰা আৰু গ্ৰন্থাগাৰিক শ্ৰীযুত বৰুণ দেৱলৈ ।
- মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ জয়ন্ত শৰ্মা, বিনন্দ কুমাৰ কোঁৱৰ, গনেশ বাহাদুৰ ছেত্ৰী, পাপু গগৈ, আতিকুৰ ৰহমান আৰু কল্যাণ গগৈ লৈ ।
- এসময়ৰ সহপাঠী দিব্যজ্যোতি বৰপাত্ৰ গোহাঞি ( গুৱাহাটী বিশ্ববিদ্যালয় ) অনু পাত্ৰ (ডিব্ৰুগড় বিশ্ববিদ্যালয়), নিভা গগৈ; ৰুমী গগৈ (লখিমপুৰ বালিকা মহাবিদ্যালয়) আৰু দিগন্ত শৰ্মা (মাছখোৱা মহাবিদ্যালয়) ধেমাজিলৈ ।
- বেটুপাতৰ শিল্পী কিশোৰ কুমাৰ সিংলৈ ।
- দ্বিজু ওজা আৰু সন্তোষ কুমাৰ লৈ ।
- মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু - বান্ধৱী ক্ৰমে অজয়, পদ্ম, ৰবীন, ৰাজীব, হীৰা, অৰূপ, দুৰ্গা, নীলোৎপল,জয়ন্ত, অশ্বিণী, ফনি, বিজু, কমল, অৰুণিমা, মন্দিতা আৰু মৌচুমীলৈ ।
- 'টাইম' ছপাশালৰ স্বত্বাধিকাৰী তথা কৰ্মচাৰীবৃন্দলৈ ।
- আলোচনীখনৰ প্ৰকাশৰ সৰ্বদিশতে বিভিন্ন দিহা পৰামৰ্শ, উৎসাহ, তথা সহায়- সহযোগ আগবঢ়োৱা সকলো শুভাকাংশী ব্যক্তি আৰু সতীৰ্থলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ ।

সম্পাদনা সমিতি

" অয়ং হি কাব্য ব্যাপাৰস্য মহিমা
যৎ অৰমণীয়া অপি শোকাদয়ঃ
পদাৰ্থা আহ্লাদমলৌকিকং জনয়ন্তি ।"

-ৰস গংগাধৰ

ডিগবৈ মহাবিদ্যালয় আলোচনী

# সূচীপত্ৰ

সম্পাদকীয় ৰামধেনুৰ ৰং ----------------------------------

## || প্ৰবন্ধ সম্ভাৰ ||

বিংশ শতাব্দীৰ শেষ দশকত অসমীয়া কবিতাৰ স্বৰূপ - বৈচিত্ৰ্য..............মৃণাল কুমাৰ গগৈ ০১
আধুনিক বিশ্বসাহিত্যৰ অগ্ৰবাকী নমস্য চিন্তাবিদ আৰ্নেষ্ট হেমিংওৱে আৰু
তেওঁৰ দু:সাহসিক জীৱন.............. দ্বীজু ওজা ০৮
THE STRANGER : CAMUS' PHILOSOPHY OF THE ABSURD.............. Pabitra Bharali ১১
Importance And Relevance of Oil Conservation -
Towards Economic And Industrial Growth Of India And World - Wide. ..Mousumi Kalita. ১৪
আমাৰ আচল পৰিচয় কিহত ?..............সঞ্জনা মৌম ১৮
আইদেউ সন্দিকৈৰ জীৱনৰ এটি চমু বিৱৰণ ..............মিচ মধুমিতা চাংমাই------------------- ২০
বিশ্ববিদ্যালয়ৰ বিজ্ঞান পাঠ্যক্ৰমত জ্যোতিষৰ অন্তৰ্ভুক্তি -
আধুনিক বিজ্ঞান প্ৰযুক্তিৰ প্ৰতি চৰম উপহাস ।..............তিলক চন্দ্ৰ দত্ত । ২৩
VANDALISM OF EDUCATION TO DISSEMINATE 'HINDUTVA' ..............G. Bura Gohain ২৫
THE OIL HISTORY OF ASSAM ..............SRI NIRMAL GOGOI ২৭
টিউচন আৰু সাম্প্ৰতিক শিক্ষা.............. গিৰীশ শইকীয়া ২৯
ৰেগিং ——— এটি পৰ্য্যালোচনা .............. দুৰ্গা কোঁৱৰ ৩১
ডিগবৈৰ প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ .............. বিনন্দ কুমাৰ কোঁৱৰ ৩৩
Story of Wimbledon ..............Subhajit Debnath ৩৫
উপন্যাসিকা ঃ অশান্ত হৃদয়ৰ উৰ্মিমালা .............. অশ্বিনী শইকীয়া ৩৭
উপন্যাসিকা ঃ শেষ চিঠিখন .............. দিগন্ত বৰা ৪৯

## || গল্পৰ শৰাই ||

উকা কেনভাছৰ নুবুজা স্কেচ্.............. সন্তোষ কুমাৰ ৫৬
এমুঠি নীলা বেদনা ..............অশ্বিনী শইকীয়া ৫৯
নৱ-প্ৰভাতৰ অপেক্ষাত .............. মিচ্ মধুমিতা চাংমাই ৬১
মিলিকী বুঢ়ীৰ দুখ ..............কেশৱ গগৈ ৬৪
এক মিনিটৰ মহিমা ..............নন্দ কুমাৰ বৰা ৬৬
নৈশ প্ৰহৰী .............. লোহিত গগৈ ৬৭
জীৱন সংগ্ৰাম ---- অমিয় কুমাৰ সোনোৱাল ৬৯
শ্ৰীযুত হোমেন বৰগোহাঞিৰ স'তে অন্তৰংগ মুহূৰ্ত--- ৭২
সাক্ষাৎ গ্ৰহণত ..............মৃণাল কুমাৰ গগৈ, ধৰণী লাহন ।
অতিথি শিতান
জ্ঞানৰ বিস্তৃতি আৰু ছাত্ৰ অভিভাৱক সম্পৰ্ক..............ইছমাইল হোছেইন ৭৪
বাঁহীৰ মাতে মোক লৈ আহিছে তোমাৰ কাষলে ..............ভাস্কৰজ্যোতি গগৈ ৭৭
প্ৰেৰণাৰ মজিয়া..............জিতেন্দ্ৰ বৰুৱা ৭৮

## ।। কবিতা কুঞ্জ ।।

ৰাতিৰ অন্ধকাৰত.............. সন্তোষ কুমাৰ ৭৯
তোমালৈ এক লিপিকা.............. মৃত্যুঞ্জয়
মোৰ প্ৰেম মোৰ চোলা .............. বিজু ওজা ৮০
তিমিৰ লেখা.............. গাৰ্গী আচাৰ্য
আশা .............. হীৰা ফুকন ৮১
অথাই সাগৰ .............. দ্বীপজ্যোতি সোনোৱাল
দুঃসময় .............. খনিন সোনোৱাল ৮২
অশ্ৰুৰ ধাৰ .............. কমল কছাৰী
উৰুলি এটাৰ উচুপনিত.............. ধৰণী লাহন ৮৩
তোমাৰ ৰং .............. অজয় মৌৰ্য ৮৪
বধিৰতাৰ অনুভৱ .............. অনামিকা ৰাজ
যাঁও ব'লা কাৰগিললৈ .............. হৰিকান্ত চেতিয়া ৮৫
বাঁহীৰ সুৰ .............. পদ্মা ছেত্ৰী ।
Just for You .............. Dipanwita Baruah ৮৬
TIME IS PRECIOUS.............. Krishna Row
MY FIRST LOVE .............. Jaynath Singh. ৮৭
LIFE .............. Pranami Saikia
अंहम गँरु त्याग.............. अजय छेत्री ৮৮
भूल.............. अमीर राणा
आधा दर्जन हाइकु.............. ए. शाँन्ति ৮৯
बाच्नै गाह्रो पर्‍यो.............. यादव उपाध्याय ৯০
সম্পাদকৰ নিৰ্বাচিত শিতান
মামনি ৰয়ছম গোস্বামী ঃ জীৱনপঞ্জী আৰু গ্ৰন্থপঞ্জী.............. পদ্ম বিকাশ কোঁচ ৯১
অনুভৱৰ দুটা তৰংগ .............. ধৰণী লাহন ৯৩
অধ্যক্ষলৈ মুকলি চিঠি.............. ৰাজীৱ ভট্টাচাৰ্য্য ৯৬
ছাত্ৰ একতা সভাৰ ফটো
মহাবিদ্যালয়ৰ প্ৰতিভা - ২০০০-২০০১
**SECRETARIAL REPORT** ৯৯
Result of the 36th Annual College Week Celebration 2000-2001 ১১২
Our Ex-editors ১১৫

# সম্পাদকীয়

ৰামধেনুৰ ৰং

## ১) সাহিত্য আৰু অসমীয়া সাহিত্য ঃ-

সাহিত্য হৈছে এবিধ সুকুমাৰ কলা । কোনো এটা জাতিৰ প্ৰকৃত মানসিকতা অথবা বৌদ্ধিক চিন্তা চৰ্চাৰ পৰিচয় দিব পাৰে সাহিত্যই । জাতিৰ সভ্যতা, সংস্কৃতি, অস্তিত্ব, অতীত, বৰ্তমান আদি সকলোবোৰৰে সম্ভেদ দিয়ে সাহিত্যই । সাহিত্য সৃষ্টি হয় সমাজৰ বুকুত । সমাজক কেন্দ্ৰ কৰিয়েই সাহিত্যই ইয়াৰ গঠণ প্ৰণালী নিৰ্ণয় কৰে ।

সাহিত্যৰ লগতে লেখকৰ প্ৰসংগ জড়িত হৈ আছে । সাহিত্য নিজে নিজে সৃষ্টি হোৱা এবিধ বস্তু নহয় । অৱশ্যে মৌখিক সাহিত্যৰ কথা কিছু সুকীয়া । প্ৰকৃত সাহিত্য কোনো লেখক-লেখিকাৰ অনুভৱ অথবা কল্পনাৰ ফচল । ই হৃদয়ৰ অভ্যন্তৰৰ পৰা ওলাই অহা শব্দৰ সমষ্টিও হ'ব পাৰে অথবা বাস্তৱ পৃথিৱীখনৰ বাংময় প্ৰকাশো হ'ব পাৰে । সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সাহিত্যিক সকলে দুখন জগত পায় । এখন বাস্তৱ জগত আৰু আনখন কল্পনাৰ জগত । প্ৰথমখনৰ তুলনাত দ্বিতীয়খনৰ পৰিসৰ কিছু ব্যাপক । কেৱল কল্পনাৰ যোগেদিও মানুহে মহৎ সাহিত্য সৃষ্টি কৰিব পাৰে । কিন্তু এটা কথা অৱশ্যে ঠিক যে, সাহিত্যত কল্পনাৰ লগতে বাস্তৱ অভিজ্ঞতাও মূল বস্তু । জীৱনৰ যাত্ৰা পথত নিজে বসবাস কৰা সমাজখনৰ ছবি, ইয়াৰ দোষ ত্ৰুটি আৰু ভৱিষ্যৎ যাত্ৰাৰ শুভ-ইংগিত সাহিত্যত প্ৰকাশ পাব লাগে । সম সাময়িক জন জীৱনৰ ছবি বহু সাহিত্যিকৰ বাবে লিখাৰ মূল প্ৰেৰণা । এই ক্ষেত্ৰত সাহিত্যিক সকলে কল্পনাৰ ৰাজ্যত বৰ বিশেষ ভ্ৰমি ফুৰিব নালাগে । বাস্তৱ অভিজ্ঞতাক কিছু কল্পনাৰ প্ৰলেপেৰে ৰহণ সানিলেই সি সাহিত্যত পৰিণত হয় । অৱশ্যে এই ক্ষেত্ৰত লেখক জনৰ ভাষাৰ কচৰৎ অথবা অলংকাৰ - উপমা আদি প্ৰয়োগৰ দক্ষতা থাকিব লাগিব । লিখকজনৰ চিন্তা চেতনা বিলাক অগভীৰ অথবা তৰাং হ'লে সাহিত্য সুখপাঠ্য নহ'বও পাৰে । সাহিত্য পাঠকৰ বাবে সুখপাঠ্য কৰি তোলাৰ ক্ষেত্ৰত লেখকজনৰ চিন্তা - চৰ্চা আৰু পৰ্যবেক্ষণ ক্ষমতা সু-গভীৰ হোৱা উচিত । সৰ্বসাধাৰণৰ দৃষ্টিত নপৰা অথচ সমাজৰ প্ৰয়োজনত অহা কিছুমান বিষয়ত সৌন্দৰ্য আৰূপ কৰি লেখকে সাহিত্যৰ মাজেদি তাক প্ৰকাশ কৰিব পাৰে । এই প্ৰসংগত মিল্টনৰ এষাৰ কথা অতি প্ৰণিধানযোগ্য । তেঁও কৈছিল — ""A good book is a precious life-blood of a masterspirit emblamed and treasured up on purpose to a life beyond life." অৰ্থাৎ "এখন শ্ৰেষ্ঠ গ্ৰন্থ মহৎ আত্মাৰ মহাৰ্ঘ জীৱন ৰক্ত স্বৰূপ, যাক পুৰুষৰ পিছত পুৰুষ ধৰি সংৰক্ষণ কৰা হয় ।"

সাহিত্যৰ স্বৰূপ যিয়েই নহওক ইয়াৰ এটা কেন্দ্ৰীয় লক্ষ্য আছে । সেয়া হৈছে আনন্দ প্ৰদান কৰা । এই আনন্দ কোনো সাধাৰণ আনন্দ বা ভোগ - বিলাসৰ আনন্দ নহয় । এয়া হৈছে পাঠক সমাজক দিয়া এক অলৌকিক আনন্দ । যি সাহিত্য পাঠকৰ বাবে নিৰস, সেই সাহিত্যই পাঠকৰ পৰা বিশেষ সমাদৰ নাপাবও পাৰে । সাহিত্যৰ কেন্দ্ৰীয় লক্ষ্য পূৰণৰ ক্ষেত্ৰত সফলতা অথবা বিফলতাৰ ওপৰতেই সাহিত্যৰ সাৰ্বজণীনতা নিৰ্ভৰ কৰে । সাহিত্যৰ আবেদন যদি সাৰ্বজণীন নহয়, তেনেহ'লে সেই সাহিত্য প্ৰকৃত

সাহিত্যৰ পৰা কিছু আঁতৰত থাকিব লাগিব ।

সাহিত্যৰ কেন্দ্ৰীয় বিষয় আৰু প্ৰকাশভংগী যুগ সাপেক্ষ । অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলেই সেই কথাৰ উমান পাব পাৰি । বৈষ্ণৱ যুগৰ ইশ্বৰ কেন্দ্ৰিকতা, ৰোমান্টিক যুগৰ কল্পনাপ্ৰৱনতা আৰু সাম্প্ৰতিক যুগৰ বাস্তৱ চিন্তাই আমাৰ সাহিত্যক পৰিচালিত কৰিছে । সেই অনুপাতে প্ৰতিটো যুগৰ সাহিত্যৰ প্ৰকাশ ভংগীও সুকীয়া । অতি সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত বিশ্বৰ বিভিন্ন সাহিত্যিক ধাৰা তথা চিন্তা চেতনাৰ প্ৰভাৱ স্পষ্ট হৈ পৰা দেখা গৈছে। সাম্যবাদী চেতনা অথবা মাৰ্ক্সীয় দৰ্শন, অৱস্থিতিবাদ, ফ্ৰয়েদৰ বিভিন্ন মনস্তত্ব আদি বোৰ হ'ল অতি সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত প্ৰতিফলিত হোৱা কিছুমান চিন্তা চেতনা । মানৱ জীৱনক বিভিন্ন দৃষ্টি - কোণৰ পৰা বিশ্লেষন কৰাৰ প্ৰয়াস কৰা হৈছে অতি সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত । আজিৰ সাহিত্যত আধুনিক যান্ত্ৰিক জীৱনৰো সুন্দৰ প্ৰতিফলন হয় । সামগ্ৰিক ভাৱে অসমীয়া সাহিত্যত বিশ্ব - সাহিত্যৰ বিভিন্ন চিন্তা চেতনাবোৰ কিছু পলম কৈ হ'লেও প্ৰতিফলিত হোৱাতো এটা লক্ষণীয় দিশ।

২. ***সাহিত্যৰ ভবিষ্যৎ ঃ*** - বিশ্বত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ৰমোন্নতিৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰত স্বাভাৱিকতেই এটা ডাঙৰ প্ৰশ্ন উত্থাপন হৈছে । সেয়া হৈছে বিজ্ঞানৰ এই জয় জয় ময় ময় যাত্ৰাপথত সাহিত্যৰ ভবিষ্যৎ কি ? বিশ্বত এতিয়া মানৱ জাতিৰ বাবে মনোৰঞ্জন তথা জ্ঞান আহৰণৰ আহিলা অলেখ । বিজ্ঞানৰ নৱ-নৱ আবিস্কাৰে মানুহক এতিয়া ইমানেই যান্ত্ৰিক কৰি তুলিছে যে, আজিৰ মানুহে ঘন্টা ঘন্টা ধৰি কিতাপ পঢ়ি সময় পাৰ কৰিব নোৱাৰে । মানুহৰ বাবে সময়ৰ এতিয়া বৰ অভাৱ । কিতাপ - পত্ৰ পঢ়ি এতিয়া আৰু মানুহে জ্ঞান অৰ্জন কৰাৰ সময় নাই । তাৰপৰিবৰ্তে তেঁওলোকে দূৰদৰ্শণৰ বিভিন্ন অনুষ্ঠান উপভোগ কৰি আজৰি সময়কন পাৰ কৰাৰ পক্ষপাতী । গতিকে স্বাভাৱিকতেই সাহিত্যৰ ভবিষ্যতক লৈ বৌদ্ধিক মহল উদ্বিগ্ন হৈ পৰিছে !

সন্দেহ নাই যে, সাহিত্য বুলি ক'লেই সি এক পঠনীয় সামগ্ৰী । অধ্যয়নৰ দ্বাৰাহে সৃষ্টিশীল সাহিত্যৰ স্বাদ পোৱা যায় । সাহিত্য যদি অধ্যয়নৰ পৰা বঞ্চিত হয়, তেনেহ'লে সাহিত্যৰ অস্তিত্বও বিলোপ হ'ব । সাম্প্ৰতিক বিশ্বত সাহিত্যৰ ক্ষেত্ৰলৈ অনেক প্ৰত্যাহ্বান আহিলেও এই কথা স্বীকাৰ কৰিব পাৰি যে, সাহিত্য অবিহনে মানৱ জীৱন নিৰস । জীৱনৰ সাৰ্থকতা উপলব্ধি কৰিবলৈ হ'লে মানুহে সাহিত্যত আশ্ৰয় ল'বই লাগিব । মানুহৰ জীৱনৰ যাত্ৰাপথত বিজ্ঞানৰ অৱদান যিমান প্ৰয়োজনীয় তাতোকৈ বেছি প্ৰয়োজনীয় সাহিত্য - সম্পদ সমূহ । মানুহৰ জ্ঞানৰ বিস্তৃতি ঘটাবলৈ হ'লে সাহিত্যইহে মূখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে । সেয়েহে পৃথিৱীত সাহিত্য সৃষ্টিৰ গতি ক্ৰমাত দ্ৰুত হ'বলৈ আৰম্ভ কৰিছে । অনেক দুৰ্যোগ অথবা অশান্তি জৰ্জৰ পৰিৱেশৰ মাজতো সাহিত্য সৃষ্টি হয় । সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত কোনো কাৰকেই প্ৰতিৱন্ধক হ'ব নোৱাৰে । মানৱ সমাজ যিমান যান্ত্ৰিক নহওক কিয়, সাহিত্যৰ ভৱিষ্যৎ সদায় উজ্জ্বল । পৃথিৱীত যিমান দিনলৈকে মানুহৰ অস্তিত্ব থাকিব, ঠিক সিমান দিনলৈকে সাহিত্যৰো সৱল অস্তিত্ব থাকিব ।

এইখিনিতে সাহিত্যৰ সপক্ষে আৰু এষাৰ মন্তব্য দিব পাৰি । পঠনীয় সামগ্ৰী হিচাপে সাহিত্যৰ স্বাদ উপভোগ কৰাৰ ক্ষেত্ৰতো ইয়াৰ এটা সুকীয়া বৈশিষ্ট্য আছে । বিজ্ঞানৰ অৱদান দূৰদৰ্শনৰ অনুষ্ঠান সমূহ উপভোগৰ সময়ত পৰিৱেশ নিঃসন্দেহে কিছু অস্বস্তিকৰ হয় । ইয়াক এজন বা দুজন মানুহে অকলে অকলে উপভোগ কৰো বুলি কৰিব নোৱাৰে । এটা অনুষ্ঠানৰ প্ৰচাৰ হোৱা লগে লগে ইয়াৰ শব্দ, সুৰ, সংগীত আদিৰ

মূৰ্চ্ছনাই চৌপাশৰ পৰিবেশটো বেলেগ কৰি পেলায় । স্বাভাৱিকতেই দূৰদৰ্শনৰ অনুষ্ঠান উপভোগৰ সময়ত পৰিয়ালৰ আটাইবোৰ মানুহেই ইয়াৰ সৈতে পৰোক্ষ অথবা প্ৰত্যক্ষ ভাৱে জড়িত হ'ব লগা হয় । কিন্তু সাহিত্য এইক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত । মানুহে সাহিত্য যেতিয়া অধ্যয়ন কৰিবলৈ লয় তেতিয়া তাত দ্বিতীয় এজন ব্যক্তিৰ হস্তক্ষেপ অথবা অসুবিধাৰ প্ৰসংগ নাহে । কিতাপ মানুহে অন্যক অসুবিধা নিদিয়াকৈ নিৰলে পঢ়িব পাৰে । কিতাপ পঢ়িলে ইয়াৰ চৌপাশৰ পৰিবেশো দূষিত নহয় । মানুহৰ নিসংগ মুহূৰ্ত্তৰ একমাত্ৰ বিশ্বস্ত সংগী হৈছে কিতাপ । সেয়ে সাহিত্যই যুগ - যুগ ধৰি মানুহক আকৰ্ষণ কৰি আহিছে । মানুহৰ সৈতে সাহিত্যৰ সম্পৰ্ক যেন স্বতঃ স্ফুৰ্ত । সাহিত্যৰ এই যাত্ৰা যে এক অৱিৰত যাত্ৰা তাত নিশ্চয় কাৰোৰে সন্দেহৰ অৱকাশ নাই ।

*৩. মহাবিদ্যালয়, মহাবিদ্যালয়ৰ পৰিবেশ আৰু জীৱনৰ সপোন সন্ধান ঃ -* উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহৰ ভিতৰত মহাবিদ্যালয়ৰ সমূহ অন্যতম । ৰাজা গোপালাচাৰী দেৱে উচ্চ শিক্ষা সম্পৰ্কে কৈছিল – " "A higher educational institution aims at raising the intellectual tone of the Society, at cultivating the public mind, at supplying true principles to popular aspirations, at giving en-Leargement and sobriety to the ides of the age, facilitating the excercise of political power and at refinning the inter course of private life." অৰ্থাৎ এটা উচ্চ শিক্ষাৰ অনুষ্ঠানৰ লক্ষ্য হৈছে সমাজৰ বৌদ্ধিক স্তৰ উৰ্দ্ধগামী কৰা, জনসাধাৰণৰ মন পথাৰ উৰ্ব্বৰা কৰা জাতিৰ ৰুচি শোধন কৰা, সৰ্ব্বাংগীন অগ্ৰগতিৰ দিশত প্ৰকৃত নিৰ্দেশনা দিয়া, লব্ধ প্ৰতিষ্ঠ ধাৰণাত ব্যাপকতা আৰু সন্মান বা নম্ৰতা প্ৰদান কৰা, ৰাজনৈতিক সফলতা প্ৰাপ্তিৰ ব্যৱস্থা কৰা আৰু সমাজৰ ব্যক্তিগত জীৱনধাৰা মাৰ্জ্জিত কৰা ।

মহাবিদ্যালয়সমূহ জ্ঞানৰ একোটাইত ভঁৰাল । শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ - ছাত্ৰী আৰু অন্যান্য আনুষংগিক উপাদান সমূহক লৈয়ে মহাবিদ্যালয়ৰ পৰিবেশ গঢ় লৈ উঠে । মহাবিদ্যালয়ত যি সকল ছাত্ৰ - ছাত্ৰীয়ে অধ্যয়ন কৰে, তেঁওলোক সাধাৰণতে যৌৱনত ভৰি দিয়া যুৱক - যুৱতী । বিভিন্ন ঠাই, পৰিবেশ আদিৰ পৰা আহি তেওঁলোক মহাবিদ্যালয় শৈক্ষিক পৰিবেশৰ সৈতে একাত্মতা গঢ়িবলৈ প্ৰয়াস কৰে । কলেজীয়া জীৱনৰ ৰঙীন সময়ৰ সুবাসত তেঁওলোকৰ জীৱন সাৰ্থক হয় ।

মহাবিদ্যালয়ত এটা সুস্থ পৰিবেশ গঢ়াৰ ক্ষেত্ৰত ইয়াত অধ্যয়ন কৰা ছাত্ৰ সমাজৰে ভূমিকা সৰ্বাধিক । কাৰণ এখন ঘৰ পিতৃ - মাতৃ সকলে যিমান ভালদৰে সুস্থিৰ কৰি ৰাখিব পাৰে, তাতোকৈ বেছি ভালদৰে সুস্থিৰ কৰি ৰাখিব পাৰে তেঁওলোকৰ সন্তান - সন্ততি সমূহে । মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ - ছাত্ৰী সকলকো আমি এখন ঘৰৰ সদস্য - সদস্যা হিচাপে অভিহিত কৰিব পাৰো । শিক্ষক - শিক্ষয়িত্ৰী সকল তেঁওলোকৰ পিতৃ - মাতৃ । পিতৃ - মাতৃৰ সতে সন্তানৰ এটা ভাল তথা আন্তৰিক সম্পৰ্ক থকাৰ দৰে শিক্ষ ক- শিক্ষয়িত্ৰী সকলৰ স'তেও ছাত্ৰ - ছাত্ৰী সকলৰ এটা মধুৰ সম্পৰ্ক থাকিব লাগে । ভৱিষ্যতৰ যাত্ৰা পথত উভয়ে - উভয়ৰ সহায়কাৰী হিচাপে আগবাঢ়ি গ'লে মহাবিদ্যালয়ৰ পৰিবেশ সুস্থিৰ হয় । এই ক্ষেত্ৰত অধ্যক্ষ জনৰ কৰিব লগা কাম বহুত থাকে । তেখেত হৈছে মহাবিদ্যালয় এখনৰ মুৰব্বী । অধ্যক্ষ জনৰ ব্যক্তিত্বৰ ওপৰতেই মহাবিদ্যালয়খনৰ সামগ্ৰিক স্বৰূপ নিৰ্ভৰ কৰে । আজিকালি অৱশ্যে ৰাজনৈতিক হস্তক্ষেপৰ লগে লগে মহাবিদ্যালয় সমূহৰ শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰো অভিযোগ উঠিছে । এই ক্ষেত্ৰত আমাৰ ক'ব লগা হ'ল — কিছুমান ব্যক্তিগত স্বাৰ্থৰ খাতিৰত ৰাজহুৱা স্বাৰ্থৰ

ওপৰত আঘাত সনাটো কোনো বিবেকবান মানুহৰে মানৱীয় কৰ্ম নহয় । পৃথিৱীত মানুহ হিচাপে জীয়াই থকা প্ৰতিজন সচেতন নাগৰিকেই এই কথা মুকলিকৈ স্বীকাৰ কৰিব যে — আমি প্ৰকৃততেই এখন সুস্থিৰ সমাজত জীয়াই থাকিব বিচাৰো । আমাৰ ভৱিষ্যতৰ এই সুস্থিৰ সমাজখন গঠনত মূখ্য ভুমিকা গ্ৰহণ কৰিব পাৰিব মহাবিদ্যালয় সমূহে । কাৰণ মহাবিদ্যালয় সমূহ কেৱল জ্ঞানৰ মন্দিৰেই নহয়, মানুহ গঢ়াৰ কমাৰশালো ।

মহাবিদ্যালয় সমূহত মহাজীৱনৰ সন্ধান কৰে ছাত্ৰ আৰু শিক্ষক উভয়ে । পূৰ্বতেই উল্লেখ কৰা হৈছে যে ছাত্ৰ - ছাত্ৰী সকলৰ কলেজীয়া জীৱন এটা ৰঙীন জীৱন । ইয়াত সপোনৰ সুছবি থাকে আৰু থাকে বাস্তৱ জীৱনৰ ৰেঙনি । বাস্তৱক জয় কৰিবলৈ হ'লে ছাত্ৰ - ছাত্ৰী সকলে জীৱনত বহুতো ঘাত - প্ৰতিঘাত অতিক্ৰম কৰিব লাগিব । জীৱনলৈ অহা সংঘাতক যদি ছাত্ৰ - ছাত্ৰী সকলে 'চেলেঞ্জ' হিচাপে গ্ৰহণ কৰিব নোৱাৰে, তেনেহ'লে তেওঁলোকৰ জীৱন সাৰ্থক নহয় ।

মহাবিদ্যালয় এখনত জীৱনৰ সপোন সন্ধান হয় সকলোৰে । শিক্ষক সকলে নিজৰ জ্ঞানৰ গভীৰতা বৃদ্ধি কৰি সপোন সন্ধান কৰাৰ বিপৰীতে ছাত্ৰ- ছাত্ৰী সকলে জীৱন গঢ়াৰ পনেৰে সপোন সন্ধান কৰিব পাৰে । ছাত্ৰ সমাজৰ পিতৃ - মাতৃ সকলৰ সপোনবোৰো ইয়াৰ স'তে সংপৃক্ত । তেওঁলোকেও ভাবে যে, তেওঁলোকৰ সন্তানে উচ্চ শিক্ষা গ্ৰহণ কৰি নিজৰ জীৱনটো গঢ়ি তুলিব পাৰিব । নিৰক্ষৰ পিতৃ -মাতৃ সকলৰো উচ্চ শিক্ষাৰ প্ৰতি এক গভীৰ শ্ৰদ্ধা আছে । ৰাজা গোপালাচাৰীৰ মন্তব্যৰ প্ৰতি যি সকল ছাত্ৰ - ছাত্ৰী সচেতন তেওঁলোকে নিশ্চয় 'কলেজ - লাইফ'ত কেতিয়াও নিজকে ফাঁকি দিব নোৱাৰে । কলেজত পঢ়া দিন কেইটাতে ছাত্ৰ - ছাত্ৰী সকলে নিজক গঢ়ি তোলাৰ সপোন বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলে পাছৰ জীৱনত দুৰ্ভোগ ভুগিব লগীয়া হয় ।

মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ- ছাত্ৰী সকলে নিজকে উপযুক্ত নাগৰিক বুলি জ্ঞান কৰা উচিত । নিজৰ জ্ঞানৰ বিস্তৃতিৰেই তেওঁলোকে নিজৰ পৰিচয় দিয়াৰ প্ৰয়াস কৰিব লাগে। তেনে কৰিলে জীৱনৰ সপোন সন্ধানৰ পথ সাৰ্থক হয় ।

***৪. একবিংশ শতিকাৰ ছাত্ৰ ঃ-*** এইখিনিতে আজিৰ একবিংশ শতিকাৰ আমাৰ অসমৰ ছাত্ৰ সমাজৰ ছবিখনৰ বিষয়ে কিছু কথা উনুকিয়াব পাৰি । বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়-জয় ময়-ময় এই শতিকাটোত আমাৰ ছাত্ৰ সমাজৰ মাজত উশৃংখলতাই চুড়ান্ত সীমা অতিক্ৰম কৰিছে । আজিৰ বহু সংখ্যক ছাত্ৰ - ছাত্ৰীৰ মাজত নৈতিকতাৰ অভাৱ । জীৱনক কেৱল উপভোগৰ দৃষ্টিৰে চোৱা এই সকল ছাত্ৰ - ছাত্ৰীক আমি পুনৰ নিজৰ প্ৰকৃত পথলৈ উভতি আহিবলৈ অনুৰোধ জনাইছোঁ । আমি প্ৰত্যেকেই এই কথা জনা উচিত যে, ছাত্ৰ মানে উশৃংখলতাৰ কোনো প্ৰতীক নহয়; ছাত্ৰ হৈছে দেশৰ ধৰণী । ভৱিষ্যতৰ সমাজখনৰ আচল স্বৰূপ জিলিকাই তোলাৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰে ভূমিকা বেছি । ছাত্ৰ সমাজৰ দায়িত্ব নিজৰ ব্যক্তিগত জীৱনৰ পৰা আৰম্ভ কৰি পৰিয়াল, সমাজ তথা দেশ আদি সকলোলৈকে বিস্তৃত ।

একবিংশ শতিকাৰ ছাত্ৰ সমাজে বাৰু এই কথাষাৰ বুজিবলৈ চেষ্টা কৰিবনে ?

***৫. ডিগবৈ, ডিগবৈ মহাবিদ্যালয় আৰু সাহিত্য সৃষ্টিৰ পৰিবেশ ঃ-***

অসমৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত তৈল নগৰী ডিগবৈ । শতাব্দী প্ৰাচীন এই চহৰখনৰ পুৰণি উচ্চ শিক্ষাৰ অনুষ্ঠান আমাৰ মহাবিদ্যালয়খন । ৰজ্বাহপ্ত চনত প্ৰতিষ্ঠা লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ বুকুয়েদি ইতিমধ্যে ছ টা বসন্ত পাৰ হৈ গৈছে । এই সুদীৰ্ঘ সময় ছোৱাত মহাবিদ্যালয়খনে ডিগবৈৰ সমাজ জীৱনত কি এক বলিষ্ঠ প্ৰভাৱ বিস্তাৰ

ৰামধেনুৰ ৰং

কৰিব পাৰিলে; সেয়া এতিয়া বিচাৰ্যৰ বিষয় হোৱা উচিত । ঔদ্যোগিক চহৰ হিচাপে ডিগবৈৰ শৈক্ষিক আৰু সামাজিক পৰিবেশ অন্যান্য ঠাইৰ তুলনাত কিছু সুকীয়া যেন অনুভৱ হয় ।ইয়াত অৰ্থনৈতিক বিকাশ যিমান সম্ভৱ, বৌদ্ধিক বিকাশ সিমান সম্ভৱ নহয় । উদ্যোগে মানুহৰ চিন্তা - চেতনাক ক্ষণে ক্ষণে আলোড়িত কৰি ৰাখে । ঔদ্যোগিক চহৰসমূহত সমাজৰ অধিকাংশ মানুহৰে জীৱন মূলতঃ অৰ্থসৰ্বস্ব হৈ পৰা দেখা যায় । আমাৰ ডিগবৈ চহৰখনতে ইয়াৰ ক্ষীন প্ৰভাৱ পৰিছে বুলি ক'লে হয়তো অত্যুক্তি কৰা নহয় । নতুন প্ৰজন্মৰ ভৱিষ্যত সম্পৰ্কে উদাসীন হৈ পৰা কিছু অভিভাৱক - অভিভাৱকৰ ভুলৰ বাবেই ডিগবৈ মহাবিদ্যালয়ে যে নিজৰ চহৰখনত শৈক্ষিক পৰিবেশটো শক্তিশালী কৰি তুলিব পৰা নাই - সেই কথা প্ৰতিজন সচেতন নাগৰিকেই এতিয়া স্বীকাৰ কৰিব ।

ডিগবৈ মহাবিদ্যালয়ত অধ্যয়নৰ এটা ভাল পৰিবেশ আছে । সম্পূৰ্ণ নিৰ্জন পৰিবেশত অৱস্থিত আমাৰ মহাবিদ্যালয়খনলৈ অসমৰ উপৰিও অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ - ছাত্ৰীয়ে পঢ়িবলৈ আহে । বিভিন্ন ভাষা -ভাষী ছাত্ৰ-ছাত্ৰীৰ মিলন - ভূমি এই ডিগবৈ মহাবিদ্যালয় । মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ সম্পৰ্কে আমাৰ কিছু কব লগা আছে । আমাৰ মহাবিদ্যালয়ত বাণিজ্য, ক'লা আৰু বিজ্ঞান - এই তিনিওটা শাখাকে ই অন্তৰ্ভুক্ত কৰা হৈছে ।সেই হিচাপত মহাবিদ্যালয়খনৰ ছাত্ৰ - ছাত্ৰীৰ সংখ্যাও কিছু বেছি । ছাত্ৰ - ছাত্ৰী সকলৰ অধ্যয়নৰ প্ৰতি থকা উদাসীনতাই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ কিছু দুৰ্বল কৰি পেলাইছে । আমাৰ মহাবিদ্যালয়ত ক'লা আৰু বাণিজ্য শাখাত ফলাফল আশাপ্ৰদ নহয় । বিজ্ঞান শাখাত কোনো বছৰত কিছু ছাত্ৰ- ছাত্ৰীয়ে ভাল ফল প্ৰদৰ্শন কৰে যদিও, সেয়াই পৰ্য্যাপ্ত বুলি কব নোৱাৰি । এখন মহাবিদ্যালয়ত অধ্যায়ন কৰা ছাত্ৰ - ছাত্ৰীসকলৰ মাজত যি প্ৰতিযোগিতামুলক মনোভাৱ থকা বাঞ্চনীয়, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকলৰ মাজত এই মনোভাৱৰ অভাৱ ঘটিছে । কলেজত পঢ়াটো ছাত্ৰ - ছাত্ৰী সকলে যি দিনাখনলৈকে এক ' Fashion' হিচাপে গ্ৰহণ কৰি থাকিব , সেই দিনাখনলৈকে মহাবিদ্যালয়ত পৰীক্ষাৰ ফলাফলো আশানুৰূপ নহ'ব ।

মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ - ছাত্ৰী সকলে এই দিশত সচেতন হোৱা দৰকাৰ । আমাৰ মহাবিদ্যালয়ত ছাত্ৰ - ছাত্ৰী সকলৰ প্ৰতিভা বিকাশ কৰিব কাৰণে পৰ্য্যাপ্ত সুবিধা নাই । বছেৰেকত 'মহাবিদ্যালয় সপ্তাহ' টোৰ বাদে আন কোনো অনুষ্ঠানেই আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত নহয় । এখন পূৰ্ণাংগ মহাবিদ্যালয়ৰ ক্ষেত্ৰত এইটো এটা দুৰ্ভাগ্য জনক দিশ । মহাবিদ্যালয়ৰ সপ্তাহতো ছাত্ৰ - ছাত্ৰী সকলৰ সহাঁৰি ইতিবাচক নহয় । আজিৰ যুগত অধ্যয়নৰ উপৰিও অন্যান্য সকলো দিশতে ছাত্ৰ - ছাত্ৰী সকলৰ দখল নাথাকিলে ভৱিষ্যতৰ যাত্ৰাপথত কিছু হেঙাৰ সৃষ্টি হয় ।

ডিগবৈ মহাবিদ্যালয়ত সাহিত্যৰ দৃশ্যপটো একেবাৰে হতাশাজনক । অৱশ্যে শিক্ষক সকলৰ মাজত সাহিত্যিক প্ৰতিভা অলেখ আছে । কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী সকলৰ ক্ষেত্ৰত এই কথা কিছু সুকীয়া । মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ খনতে দুই এজনে গল্প - কবিতা - প্ৰৱন্ধ আদি ৰচনা কৰে যদিও; তেঁওলোকে কলম সিমানতেই সামৰে । বিশেষকৈ আজিৰ পটভূমিত যি দেখা গৈছে ডিগবৈ মহাবিদ্যালয়ে অদূৰ ভৱিষ্যতে অসমৰ বৌদ্ধিক জগতলৈ কোনো প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰিব নে নাই - সেয়া সন্দেহৰ বিষয় ।

সাহিত্য সৃষ্টি কৰিবৰ কাৰণে মানুহক কেৱল এটা সৃষ্টিশীল মন হ'লেই নহ'ব । অধ্যয়নৰ গভীৰতাৰ প্ৰসংগটো ইয়াৰ স'তে প্ৰথমে জড়িত হ'ব লাগিব । অসমৰ নবীন চাম

ৰামধেনুৰ ৰং

সাহিত্যিকে অধ্যয়নৰ অভাৱৰ বাবেই উপযুক্ত সাহিত্য সৃষ্টি কৰিব পৰা নাই । আমাৰ মহাবিদ্যালয়তো ছাত্ৰ - ছাত্ৰী সকলে কিতাপ - পত্ৰ আলোচনী আদি কম পৰিমানে অধ্যয়ন কৰে। পাঠ্য-পুথিগত জ্ঞানৰ মাজতে তেঁওলোকৰ অধ্যয়ন সীমাবদ্ধ । মহাবিদ্যালয়ত এটা ভাল গ্ৰন্থাগাৰ থকাৰ সত্বেও ছাত্ৰ - ছাত্ৰী সকলৰ বৌদ্ধিকতাৰ অভাৱ এটা অশুভ ইংগিত । সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত তেঁওলোকৰ নিৰৱিছিন্ন সাধনাৰ অভাৱৰ বাবেই মূৰকত গৈ মহাবিদ্যালয় চৌহদৰ পৰা এখন সৰ্বাঙ্গ - সুন্দৰ আলোচনী প্ৰকাশৰ দিশতো বাধাৰ সৃষ্টি হ'বগৈ । সেয়ে যি সকল ছাত্ৰ - ছাত্ৰীয়ে এতিয়া মহাবিদ্যালয়ৰ আলোচনীত সাহিত্য ৰচনাৰ পাতনি মেলিছে, তেঁওলোকৰ প্ৰতি আমাৰ এটা বিনম্ৰ অনুৰোধ - তেঁওলোকে অন্ততঃ কলমৰ গতি ৰুদ্ধ নকৰিব । নিজৰ চেষ্টা অব্যাহত ৰাখিলে এটা সময়ত নিশ্চয় তেঁওলোকে সফলতা অৰ্জন কৰিব পাৰিব ।

সাহিত্যৰ পথাৰত খোজ পেলাবলৈ প্ৰয়াস কৰা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ - ছাত্ৰীকে আমি আমাৰ আন্তৰিক শুভ-ইচ্ছা জ্ঞাপন কৰিছোঁ। তেঁওলোকৰ জয় যাত্ৰাই ভৱিষ্যতৰ ডিগবৈ মহাবিদ্যালয়ৰ পৰিচয় হওঁক ...................... ।

***৬) আলোচনী খনৰ আঁৰৰ কথা ঃ*** কিছু আবেগ, কিছু অনুভূতি, কিছু আক্ষেপ —

মহাবিদ্যালয়ৰ আলোচনী এখন ছাত্ৰ- ছাত্ৰী সকলৰ সাহিত্য কৰ্ষণৰ পথাৰ । ইয়াত সাহিত্যৰ বীজ অংকুৰিত হয় । ছাত্ৰ - ছাত্ৰী সকলৰ অনুভৱৰ ফচল ডাঙৰ দীঘল হয় এই পথাৰত । আমাৰ মহাবিদ্যালয়ৰ আলোচনী খনো ইয়াৰ ব্যতিক্ৰম নহয় । ছাত্ৰ - ছাত্ৰী সকলৰ সম্ভাৱনাপূৰ্ণ সাহিত্যিক জীৱনৰ ইংগিত দিয়ে মহাবিদ্যালয়ৰ আলোচনী সমূহে । শিক্ষা জীৱনতে যি সকল ছাত্ৰ ছাত্ৰীয়ে সাহিত্য সৃষ্টিৰ পাতনি মেলে, তেঁওলোকৰ সাধনা অব্যাহত থাকিলে এদিন সফল হ'বই । এই প্ৰসংগত হোমেন বৰগোহাঞিৰ এষাৰ কথা সংযোগ কৰিব পাৰি । তেঁও কৈছিল — " যি সকল মানুহে সাহিত্য চৰ্চা কৰে তেওঁলোকৰ বেছি ভাগেই ছাত্ৰ অৱস্থাতে লিখিবলৈ আৰম্ভ কৰে । এনেকুৱা কোনো লিখক বোধহয় নাই, যিজনে ছাত্ৰ অৱস্থাত সাহিত্য চৰ্চাৰ নামত এটাও শব্দ নিলিখাকৈ পিছৰ জীৱনত সাহিত্যক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে । "

ডিগবৈ মহাবিদ্যালয় আলোচনী সম্পাদক হিচাপে যেতিয়াই নিৰ্বাচিত হৈছিলোঁ, তেতিয়াই মই সপোন দেখিছিলোঁ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশৰ । বন্ধু - বান্ধৱ আৰু শিক্ষা গুৰু সকলৰ প্ৰেৰণা আৰু নিজৰ অপৈনত অভিজ্ঞতাৰে এই দিশত আগবাঢ়ি যোৱাৰ চেষ্টা কৰিছিলোঁ যদিও যাত্ৰা পথত অলেখ বাধাৰ সন্মুখীন হ'লো । এই বাধা সমূহে মোক চিৰদিন অসুখী কৰি ৰাখিব। আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হৈ পোৱা আনন্দৰ বিপৰীতে যাত্ৰা পথত পোৱা বাধা সমূহে মোৰ ভিতৰৰ মানুহটোক সম্পূৰ্ণ ৰূপে দুৰ্বল কৰি পেলালে । সেয়ে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত নিজৰ কাৰ্যকালৰ ভিতৰতেই আটাইবোৰ কাম সমাধা কৰিব নোৱাৰিলো । এইটো মোৰ জীৱনৰ বাবে এটা ডাঙৰ আক্ষেপ ।

আলোচনী সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণৰ কিছু দিনৰ পাছতেই আমাৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা - 'প্ৰজ্ঞা' । ছ তম মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা এই পত্ৰিকাখনৰ বাবে যি সকলে বিভিন্ন বিষয়ৰ সৰস লিখনি দি সহায় সহযোগ আগবঢ়ালে তেঁওলোকলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল । 'প্ৰজ্ঞা' প্ৰকাশৰ ক্ষেত্ৰত মোক বিশেষ ভাৱে সহায় সহযোগ আগবঢ়োৱা অধ্যাপক পূৰ্ণানন্দ শইকীয়া চাৰ, ছাত্ৰ বন্ধু সন্তোষ কুমাৰ আৰু দ্বিজু ওজালৈকো মোৰ কৃতজ্ঞতাৰ শৰাই

# ৰামধেনুৰ ৰং

আগবঢ়াইছোঁ ।

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ বাবে যি কেইটা বিষয় মূল প্ৰতিবন্ধক সেয়া হৈছে ক্ৰমে লিখনিৰ অভাৱ আৰু উপযুক্ত পুঁজিৰ নাটনি । মই মোৰ কাৰ্যকালত এই দুটাৰ উপৰিও আৰু বহু কেইটা দিশত অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছিলোঁ। 'প্ৰজ্ঞা' প্ৰকাশৰ কিছুদিনৰ পাছতেই আলোচনীখনৰ কাম আৰম্ভ কৰা হৈছিল যদিও, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষক গোটৰ মাজত চলা অসহযোগে মোৰ পৰিকল্পনা স্তিমিত কৰি পেলালে । ছাত্ৰ - ছাত্ৰী সকলৰ পৰা সংগ্ৰহ কৰা লিখনি সমূহ পৰীক্ষা কৰাৰ ক্ষেত্ৰত শিক্ষকৰ অভাৱ হ'ল । তত্বাৱধায়ক মহোদয়ে অসহযোগৰ কাৰণ দৰ্শাই আমাৰ স'তে আলোচনী সম্পৰ্কীয় সকলোবোৰ বিষয়ে এৰাই চলিলে । ফলত সম্পাদক হিচাপে মই দিশহাৰা হৈ পৰিলো । যি আবেগ আৰু অনুভূতিৰে আলোচনীখনৰ কাম আৰম্ভ কৰিছিলোঁ, যাত্ৰাৰ আৰম্ভণিতেই এনেধৰণৰ বাধাই মোক এক প্ৰকাৰৰ হতাশ কৰি পেলালে । সম্পূৰ্ণ তিনিটা মাহৰ মুৰত এই অসহযোগ স্থগিত ৰথাৰ পাছত হে আলোচনীখনৰ কাম আৰম্ভ কৰিব পাৰিলোঁ । যিথন আলোচনী চন্ত্ৰন্তুৰ চনৰ ডিচেম্বৰ মাহৰ ভিতৰতে প্ৰকাশ হ'ব লাগিছিল, সেইথন আলোচনীৰ কাম আৰম্ভ হ'ল ডিচেম্বৰ মাহৰ সামৰণিৰ ফালে । গতিকে মই সম্পাদক হিচাপে এক প্ৰকাৰৰ মানসিক পৰিতৃপ্তি অভাৱেৰেই আলোচনীখন প্ৰকাশ কৰিছোঁ ।

আলোচনীখনৰ বাবে উপযুক্ত লিখনিৰ অভাৱ যদিও এইবাৰ ছাত্ৰ - ছাত্ৰী সকলে কিছু চেষ্টা কৰা পৰিলক্ষিত হৈছে । অৱশ্যে এই সকল ছাত্ৰ-ছাত্ৰীৰ চিন্তা চেতনাবোৰ গতানুগতিক । একেবোৰ বিষয়ৰ ওপৰতেই মহাবিদ্যালয় আলোচনী সমূহত লিখনি প্ৰকাশ হ'লে পাঠক সমাজৰ ইয়াৰ প্ৰতি থকা আকৰ্ষনৰ পৰিমান কমি যায় । মোৰ এই আলোচনী খনৰ প্ৰায়বোৰ লিখনিৰ বিষয়বস্তুৰেই গতানুগতিক । তথাপিও ছাত্ৰ-ছাত্ৰী সকলৰ চিন্তা চেতনাই পাঠক সমাজক কিছু নব্য স্বাদ দিব পাৰিব বুলি আশা ৰাখিছোঁ ।
আলোচনীখনত ছাত্ৰ - ছাত্ৰী সকলৰ উপৰিও শিক্ষক সকলৰ লিখনিও অৰ্ন্তভূক্ত কৰা হৈছে । বিংশ শতিকাৰ শেষ দশকৰ অসমীয়া সাহিত্যৰ স্বৰূপ সম্পৰ্কীয় দুটা মান প্ৰবন্ধৰ কথা পৰিকল্পনা কৰিছিলো যদিও সেয়া সম্পূৰ্ণ নহ'ল । তথাপি প্ৰৱক্তা মৃণাল কুমাৰ গগৈ চাৰৰ এই সম্পৰ্কীয় পূৰ্ব প্ৰকাশিত প্ৰৱন্ধৰ যোগেদি বিষয় বস্তুটো পাঠক সমাজৰ আগত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে । লিখনিৰ পৰিমানৰ ওপৰত নিৰ্ভৰ কৰি এইবাৰ অসমীয়া ইংৰাজী আদি লিখনিবোৰক বেলেগে বেলেগে ভাগ কৰা নহ'ল ।

আলোচনীখনত এইবাৰ দুখন উপন্যাসিকা সংযোজন নিঃসন্দেহে ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীৰ ইতিহাসত এক ব্যতিক্ৰমী দিশ । পাঠক সমাজে এই দুখন উপন্যাসিকা পঢ়ি আনন্দ পালে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম । অন্যান্য লিখনি সমূহৰ মানদণ্ডৰ ক্ষেত্ৰথনো পাঠক সমাজেই বিচাৰ কৰিব । ছাত্ৰ - ছাত্ৰীসকলৰ অপৈনত চিন্তা চেতনাই ভৱিষ্যতৰ পথত আগবাঢ়ি যোৱাত কিমানখিনি ভূমিকা গ্ৰহণ কৰিব -তাৰ বিচাৰো পাঠক সমাজৰ ওপৰতে এৰি দিলো ।

এইবাৰৰ এই আলোচনীখনত অতিথি শিতানৰ ওপৰতো কিছু গুৰুত্ব দিয়া হৈছে । মহাবিদ্যালয়ৰ আলোচনীখন কেৱল ছাত্ৰ -ছাত্ৰী সকলৰ নিজৰ সম্পত্তি হলেও, ছাত্ৰ-ছাত্ৰী সকলক প্ৰেৰণা যোগাব পৰা লিখনিও আমি সন্ধান কৰিছিলোঁ । অসমৰ এগৰাকী প্ৰতিষ্ঠিত কবি সমালোচক ইছমাইল হোছেইনে এই সম্পৰ্কীয় এটা প্ৰৱন্ধ যোগান ধৰি আমাৰ সপোনক বাস্তৱত ৰূপায়িত কৰিলে । তেখেতলৈ আমি আলোচনী সম্পাদনা বিভাগৰ তৰফৰ পৰা

বা ম ধে নু ৰ ৰ ং

আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ । অতিথি শিতানৰ অন্য দুগৰাকী কবি জিতেন্দ্ৰ বৰুৱা আৰু ভাস্কৰজ্যোতি গগৈ- আমাৰ ধন্যবাদৰ পাত্ৰ ।

আলোচনী এখন সময় মতে প্ৰকাশ কৰিব নোৱাৰাতো সম্পাদকৰ বাবে কিমান মানসিক অশান্তি, সেই কথা কেৱল ভুক্তভোগীজনেহে উপলব্ধি কৰিব পাৰিব। আমিও আলোচনীখন সময়মতে প্ৰকাশ কৰিব নোৱাৰাৰ বাবে নিজৰ দোষ স্বীকাৰ কৰিছোঁ । তথাপি এটা কথা কব লাগিব - আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত বিলম্ব হোৱাৰ বাবে সম্পাদক অকলে দায়ী বুলি স্বীকাৰ কৰিবলৈ মোৰ কিছু কষ্ট হৈছে ...। পুঁজিৰ নাটনি আৰু উদ্যমী মনটোক দুৰ্বল কৰি পেলোৱা কাৰক সমূহৰ বাবেই মই মোৰ গোটেই জীৱনত কিছু আক্ষেপ কঢ়িয়াই লৈ ফুৰিব লাগিব ...... ।

(৭) *মোখনি* ঃ আলোচনীখন প্ৰকাশৰ দিশত মোক বহুতে বহুত ধৰণেৰে সহায় সহযোগ আগবঢ়ালে । সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবী আৰু শিক্ষাগুৰুলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে ।

আলোচনী সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰি, আটাইবোৰ কাম সমাধা কৰাৰ পাছত এতিয়া সম্পাদকীয় স্তম্ভৰ মোখনি মাৰিবলৈ গৈ কিছু বিমোৰত পৰিছোঁ । সফলতা -বিফলতাৰ আলি দোমোজাত থকা সৰকা হৈছোঁ নিজে । নিজৰ অপৈনত অভিজ্ঞতাৰ ফল আলোচনীখনৰ এই সংখ্যাটো । ইয়াৰ বিচাৰ পাঠক সমাজৰ ওপৰতে এৰি দিছোঁ । পাঠক সমাজে সম্পূৰ্ণ নিৰপেক্ষ ভাৱে ইয়াৰ ওপৰত মতামত আগবঢ়ালে কৃতাৰ্থ হ'ম ।

ডিগবৈ মহাবিদ্যালয় আলোচনীখন এইবাৰৰ এই সংখ্যাটো চতুৰ্বিংশতিতম্ সংখ্যা । অৰ্থাৎ ইয়াৰ পৰৱৰ্তী সংখ্যাটোৱেই পচিঁশ বছৰীয়া ৰূপালী জয়ন্তী সংখ্যা । আমাৰ ডিগবৈ মহাবিদ্যালয়ৰ প্ৰথম আলোচনী প্ৰকাশ হৈছিল বত্ৰাজ্জ্জ চনত । শ্ৰীডম্বৰু শইকীয়াৰ সম্পাদনাত প্ৰকাশিত এই আলোচনীখনেই এতিয়া পঁচিশ বছৰীয়া হ'বলৈ আগবাঢ়িছে । ৰূপালী জয়ন্তী বৰ্ষৰ আলোচনী সম্পাদকে এটা সুকীয়া সুবিধা গ্ৰহণ কৰিব পাৰে । আলোচনীখনৰ এটা সৰ্বজন স্বীকৃত নাম যাতে ৰূপালী জয়ন্তী বৰ্ষৰ পৰাই আৰম্ভ হয়, তাৰ বাবে নতুন সম্পাদকলৈ অনুৰোধ জনালো ।

সম্পাদকীয় স্তম্ভত কেইবাটাও বিষয়ৰ ওপৰত পৃথকে পৃথকে আলোচনা দাঙি ধৰা হৈছে । প্ৰতিটো বিষয়ৰে একোটা হঁত সুকীয়া গুৰুত্ব আছে । বিষয় সমূহৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলেও কিছু গুৰুত্ব প্ৰদান কৰিব বুলি আশা ৰাখিলো ।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সম্পাদকীয় স্তম্ভৰ মোখনি মাৰিছোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয় ।
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ।

*ধৰণী লাহন ।*

# প্ৰবন্ধ সম্ভাৰ

প্ৰবন্ধ গদ্য - পদ্য উভয়তে ৰচিত হ'ব পাৰে, যদিও গদ্যই ইয়াৰ সাধাৰণ বাহন । অন্যান্য সাহিত্যৰ দৰে প্ৰবন্ধৰ উদ্দেশ্যও পঢ়ুৱৈৰ মনত সৌন্দৰ্যৰ সৃষ্টি কৰি আনন্দ দান কৰা । ই পঢ়ুৱৈৰ বুদ্ধি তীক্ষ্ণতৰ, দৃষ্টি প্ৰখৰতৰ আৰু জ্ঞানৰ পৰিধি প্ৰশস্ততৰ কৰি তোলে । আনহাতে ই বিষয়বস্তুৰ ওপৰত কৌতুকৰ বোল সানি অৱনৰ্ণীয় সুষমা দান কৰে ।

উৎস : - সাহিত্য বিচাৰ
ৰামমল ঠাকুৰীয়া

বিংশ শতাব্দীৰ শেষ দশকত

# অসমীয়া কবিতাৰ স্বৰূপ - বৈচিত্ৰ্য

মৃণাল কুমাৰ গগৈ

(১)

অসমীয়া ভাষাৰ উদ্ভৱৰ কালেই অসমীয়া লিখিত কবিতাৰ জন্ম ইতিহাস । অৰ্থাৎ চৰ্যাপদৰ জন্মৰ সময় খ্ৰীঃ ৮ম ১০ম শতিকাৰ বুলি ধৰি ল'লে অসমীয়া কবিতাৰ আয়ুস হয়গৈ প্ৰায় এহেজাৰ বছৰ । এই এহেজাৰ বছৰৰ ভিতৰত অসমীয়া কবিতাৰ বৈচিত্ৰ্য চকুত লগা বিধৰ নহয় । কাৰণ ইমান দীৰ্ঘ সময় পৰিক্ৰমাৰ ভিতৰত পৃথিবীৰ কিছুমান উল্লেখযোগ্য ভাষাই বিষয় বস্তুৰ ক্ষেত্ৰত যেনে বৈচিত্ৰ্য-সিদ্ধি লাভ কৰিছে, তেনে সিদ্ধি অসমীয়া কবিতাত হোৱা নাই । ই কেৱল অসমীয়া ভাষাৰ কাব্য-ইতিহাসৰো দুৰ্বলতা নহয়, সমগ্ৰ ভাৰতীয় আঞ্চলিক ভাষাৰ কাব্য-ইতিহাসৰো বিশেষ দুৰ্বলতা । কিন্তু এনে সামগ্ৰিক বিষয় দুৰ্বলতা থকা সত্বেও অসমীয়া কবিতাৰ বিষয়কেন্দ্ৰিক আয়তন আৰু স্বৰূপ- বৈচিএ্য ভাৰতীয় অন্য আঞ্চলিক ভাষাৰ তুলনাত ঢেৰ বৈশিষ্ট্যপূৰ্ণ । বৈশিষ্ট্যপূৰ্ণ এই কাৰণেই যে ইয়াত যদিও ভাৰতীয় আৰ্য্য অসমীয়া ভাষাৰে কাব্য-চৰ্চা সম্ভৱ হৈছে, তথাপি ইয়াৰ পটভূমি আৰু পাৰিপাৰ্শ্বিক অৱস্থা নিঃসন্দেহে আৰ্যভিন্ন মূলজ । আধুনিক ভাৰতৰ আন কোনো আঞ্চলিক ভাষাৰ চৌপাশে অসমৰ দৰে ইমানবোৰ আৰ্য্যভিন্ন ভাষাৰ প্ৰাচুৰ্য্য নাই । যাৰ বাবে কেৱল অসমীয়া কবিতাৰ ভাষাৰীতিতে নহয়, আনকি বিষয় বস্তুৰ ক্ষেএতো সম্পূৰ্ণ ৰূপে আৰ্যভিন্ন উপাদানৰ প্ৰভাৱ সংলগ্ন হৈ পৰিছে ।

ভগৱান আৰু মানুহ অৰ্থাৎ ঐশিক আৰু ঐহিক - এই দুটা বিষয়ৰ বাহিৰে অসমীয়া কবিতাত আন কোনো নতুন কথা নাই । ঐশিক বিষয়কেন্দ্ৰিক কবিতাসমূহত যেনেকৈ বিভিন্ন দেৱ-দেৱীৰ বন্দনা সম্ভৱ হৈছে, তেনেকৈ ঐহিক বিষয়কেন্দ্ৰিক কবিতাগুচ্ছত কেৱল মানুহৰ বিষয়ে আলোচনা হৈছে যদিও মানৱমনৰ চৈতন্যত উদয় হোৱা নানান ভাৱনা-দুৰ্ভাৱনাৰউল্লেখ লক্ষণীয় । ১৮৮৯ চনত আৰম্ভ হোৱা অসমীয়া ৰোমান্টিক কবিতাত হয়তো মানুহৰ কল্পনা প্ৰৱণতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল, কিন্তু ১৯৪০ চনত আৰম্ভ হোৱা অসমীয়া আধুনিক কবিতাৰ কল্পনা প্ৰৱণতাৰ ওপৰত গুৰুত্ব দিয়ো বাস্তৱৰ সৈতে মানুহক মুখামুখি হ'বলৈ বাধ্য কৰাইছিল । কল্পনা অবিহনে কবিতা অসম্ভৱ । এইটো উল্লেখযোগ্য যে আধুনিক কবিতা কেতিয়াও ৰোমান্টিক কবিতাৰ বিৰুদ্ধাচৰণ নহয়, বৰং আধুনিক কবিতাৰ এক বিশেষ উল্লেখনীয় স্তৰহে ৰোমান্টিক কবিতা । সেইকাৰণে জ্যোতিপ্ৰসাদ আগৰৱালা, দেৱকান্ত বৰুৱা, ধীৰেন্দ্ৰ নাথ দও, হেম বৰুৱা আদি কেইবাজনো কবিৰ কবিতাত ৰোমান্টিক আৰু আধুনিক উপাদান সনা-পোটোকাকৈ থকা পৰিলক্ষিত হয় ।

*কল্পনা অবিহনে কবিতা অসম্ভৱ । এইটো উল্লেখযোগ্য যে আধুনিক কবিতা কেতিয়াও ৰোমান্টিক কবিতাৰ বিৰুদ্ধাচৰণ নহয়, বৰং আধুনিক কবিতাৰ এক বিশেষ উল্লেখনীয় স্তৰহে ৰোমান্টিক কবিতা ।*

ইংৰাজী কবিতাৰ পটভূমিত ৰোমান্টিকতা আৰু আধুনিকতাৰ পাৰ্থক্য স্পষ্ট । ইংৰাজী বা পাশ্চাত্য ভাৱধাৰাৰ দ্বাৰা অসমীয়া ঐহিক কবিতা আমদানি হ'লেও কিন্তু ৰোমান্টিক আৰু আধুনিকতাৰ সীমাৰেখা ডাল জলজল পট্‌পট্‌কৈ আঙুলিয়াই দেখুৱাব নোৱাৰি । বৃটিছ ঔপনিবেশিক শক্তিয়ে ভাৰতত যেনেকৈ আধুনিকতাৰ বীজ সিঁচি থৈ গ'ল তেনেকৈ সাহিত্যত সমসাময়িক ৰূপে সেই বীজ সিঁচি দিব নোৱাৰিলে । ভগৱৎমুখী ভাৰতীয় মানুহে ৰোমান্টিক কবিতা লিখিলেও সম্পূৰ্ণৰূপে ৰোমান্টিকতাৰ বুকুত বিলীন হৈ যোৱা নাছিল । তেনেকৈ আধুনিক কবিতাৰ ৰচনাৰীতি আৰু ভঙ্গীত ৰোমান্টিক উপাদান ইমান বেছি যে কোনো কবিকে ৰোমান্টিকতাৰ ডেওনা পাৰ হোৱা বুলি

পোনপটীয়াকৈ আঙুলিয়াই দেখুৱাব নোৱাৰি । এনে বিচাৰত সত্তৰ দশকৰ পিছত অসমীয়া সাহিত্যত যি কবিতা ৰচিত হ'ব লাগিছিল, সি বহুপৰিমাণে আধুনিকতাৰ জপনা চেৰাই যোৱা বিধৰ ।

*ষাঠীৰ দশকত আৰম্ভ হোৱা ৰাজ্য ভাষা আন্দোলনে অসমৰ জাতীয় জীৱনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলালে । ১৯৬২ চনত চীনৰ লগত আৰু ১৯৬৫ চনত পাকিস্তানৰ লগত হোৱা ভাৰতৰ যুদ্ধই অসমত ব্যাপক পৰিমাণে বামপন্থী চিন্তাধাৰাৰ সূচনা কৰিলে ।*

ওপৰৰ কথাকেইটা বিশেষ কাৰণত ক'ব লগীয়া হ'ল । বিংশ শতাব্দীৰ শেষ দশকৰ আধুনিক অসমীয়া কবিতাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ আধুনিকতাৰ আপেক্ষিক গুণসমূহৰ সীমাবদ্ধতাৰ গুৰুত্বৰ প্ৰশ্নটো উত্থাপিত হৈছে । যিবিলাক গুণৰ ওপৰত ভিত্তি কৰি বিংশ শতাব্দীৰ ছল্লিশ দশকত প্ৰকাশক্ষম অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিত বৰুৱা, আদি কবিক আধুনিক অসমীয়া কবি বোলা হ'ল, সেই একেই গুণাগুণৰ কাৰণেই শেষ দশকতো কাপ পূৰ্ণোদ্যমে অব্যাহত ৰখা সমীৰ তাঁতী, অনুভৱ তুলসী, নীলিম কুমাৰ, জীৱন নৰহ আদি কবিক আধুনিক কবি বুলিব পৰা যায়নে নেযায় ? ছল্লিশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক প্ৰেক্ষাপটৰ লগত শেষ দশকৰ অসম তথা ভাৰতৰ পটভূমি একেনে ? জীৱনক গ্ৰহণ কৰিবলৈ যাওঁতে আজিৰ কবিয়ে কেনেকৈ গুৰুত্ব দিয়ে, তাৰ ওপৰতহে আধুনিক কবিতাৰ বিচাৰ সম্ভৱ ।

*মানুহে ভাবিছিল, স্বাধীনতাৰ পিছত শান্তি হ'ব । নামত ভাৰতে স্বাধীনতা পালে, কিন্তু শান্তিৰ সলনি অশান্তিৰ প্ৰাদুৰ্ভাৱ বেছি পৰিমাণে হ'বলৈ ধৰিলে । দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতাই সকলোকে ভৱাই তুলিলে । ৰাজনীতি জগতত ক্ষমতাৰ প্ৰতি লালসা, বিচ্ছিন্নতাবাদী মনোভাৱ আদিয়ে দকৈ শিপালে ।*

(২)

স্বাধীনতাৰ পাছত অসমীয়া সমাজৰ দ্ৰুত পৰিবৰ্তন সম্ভৱ হয় । এই পৰিবৰ্তন পাশ্চাত্য প্ৰভাৱৰ ফল হ'লেও অসমীয়া সংস্কৃতিৰ লগত ইয়াৰ এক ওত:প্ৰোত সম্পৰ্ক আছে । ৰাজনৈতিক, অৰ্থনৈতিক, ন্যায়িকভাৱে অসমীয়া মানুহৰ পৰিবৰ্তন হ'লেও কিন্তু নিজা সংস্কৃতি ৰক্ষা কৰাৰ এক বিৰল মানসিকতা মানুহৰ মনত দকৈ শিপাই থাকিল । শিক্ষা প্ৰতিষ্ঠান, চৰকাৰী - বেচৰকাৰী, অফিচ-আদালতত কাম কৰিবলৈ গাঁওৰ পৰা নগৰলৈ ব্যক্তি আমদানী হ'লেও তেওঁলোকে পাশ্চাত্যদৃষ্টি ত্যাগ নকৰিলে । চহৰ আৰু গাঁও উভয়তে মানুহৰ মূল্যবোধৰ ভীষণ পৰিবৰ্তন হ'ল । সমূহীয়া মনোবৃত্তিৰ সলনি মানুহে ব্যক্তিগত স্বাৰ্থৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা গ'ল । আহোম যুগৰ ৰাজতন্ত্ৰ আৰু ঐতিহ্যপূৰ্ণ ভাৱো বিলোপ হ'ল । ধৰ্মচিন্তাতকৈ মানুহে অৰ্থচিন্তাত বেছি গুৰুত্ব দিলে । লগে লগে ৰাজনৈতিক, সামূহিক, শৈক্ষিক আদি সকলো দিশতে এক প্ৰতিযোগিতামূলক পৰিবেশৰ সৃষ্টি হ'ল । উদ্যোগীকৰণ হ'ল, মানুহ শিক্ষিত হ'ল, কিন্তু মানুহৰ মাজত আগৰ মৰম - প্ৰীতিৰ মাত্ৰা কমিল । নৈতিক জীৱনৰ অৱক্ষয় ঘটিল ।

উল্লিখিত এই সমাজখনৰ ছবি হেম বৰুৱা, নৱকান্ত বৰুৱা, নীলমণি ফুকন আদি কেইজনমান কবিৰ কবিতাত বৰ প্ৰকট আৰু বিচিত্ৰ ৰূপে প্ৰতিফলিত হ'ল । অসমীয়া কবিতাৰ যিটো ধাৰাৰ শেষ প্ৰতিনিধি ৰূপে হৰেকৃষ্ণ ডেকা, ৰবীন্দ্ৰ সৰকাৰ, আনিছ উজ জামান আদিক দেখুৱাব পাৰি । কিন্তু বিংশ শতাব্দীৰ শেষ দশকৰ কবিতা এওঁলোকৰ লগত সম্পূৰ্ণৰূপে নিমিলে । যি প্ৰেক্ষাপটত তেওঁলোকে কাব্য-চৰ্চা আৰম্ভ কৰিছিল, সেই পটভূমি এতিয়া নাই । এই অগ্ৰজ কবিসকলৰ ৰচনাৰ উৎস অৱক্ষয়ী সমাজ আৰু এলিয়ট, লৰ্কা, জীৱনানন্দ আদিৰ পৰোক্ষ প্ৰভাৱ । কিন্তু বিংশ শতাব্দীৰ শেষ বা একবিংশ শতাব্দীৰ আৰম্ভণিত আমি তেনে ধৰণৰ কবিতা দেখিবলৈ পাওঁ নে?

মানুহে ভাবিছিল, স্বাধীনতাৰ পিছত শান্তি হ'ব । নামত ভাৰতে স্বাধীনতা পালে, কিন্তু শান্তিৰ সলনি অশান্তিৰ প্ৰাদুৰ্ভাৱ বেছি পৰিমাণে হ'বলৈ ধৰিলে । দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতাই সকলোকে ভৱাই তুলিলে । ৰাজনীতি জগতত ক্ষমতাৰ প্ৰতি লালসা, বিচ্ছিন্নতাবাদী মনোভাৱ আদিয়ে দকৈ শিপালে । মানুহে নিজৰ স্বাৰ্থৰ কাৰণে, সহজলভ্য ধন উপাৰ্জনৰ কাৰণে নানান অসৎ পথ অৱলম্বন কৰিলে । এনে অধোগতিৰ মাত্ৰা সত্তৰ দশকৰ পৰা ক্ৰমান্বয়ে বেছি হ'বলৈ ধৰিলে ।

স্বাধীনতাৰ পিছতেই অসম খাদ্য সংকটত পৰে । খাদ্য পৰিস্থিতিক লৈ ওপজা অসন্তোসৰ লগে লগে অসমত কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে এটা বিৰূপ মনোভাৱৰ সৃষ্টি হ'ল আৰু সেই ভাৱ প্ৰবলভাৱে দৃষ্টিগোচৰ হ'ল ১৯৫৭ চনৰ তেল শোধানাগাৰ

আন্দোলনত। পিছত ইয়াৰ পৰা আঞ্চলিকতাবাদৰো জন্ম হয়।

ষাঠীৰ দশকত আৰম্ভ হোৱা ৰাজ্য ভাষা আন্দোলনে অসমৰ জাতীয় জীৱনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলালে । ১৯৬২ চনত চীনৰ লগত আৰু ১৯৬৫ চনত পাকিস্তানৰ লগত হোৱা ভাৰতৰ যুদ্ধই অসমত ব্যাপক পৰিমাণে বামপন্থী চিন্তাধাৰাৰ সূচনা কৰিলে । ১৯৭২ চনত সূচনা হোৱা অসমীয়া ভাষা শিক্ষাৰ মাধ্যম আন্দোলন সমগ্ৰ ৰাজ্যতে মানুহৰ মনত ঐতিহ্য সচেতন মনোভাৱ পুনৰবাৰ জাগ্ৰত কৰি দিলে আৰু কোনো কোনো ঠাইত ৰক্তাক্ত পৰিবেশৰো সৃষ্টি হ'ল । অসমীয়া ভাষাৰ প্ৰতি প্ৰদৰ্শিত এনে মানসিকতাই নানান ইতিবাচক দিশৰ লগতে নেতিবাচক দিশৰো সূচনা কৰিলে । নেতিবাচক দিশৰ ভিতৰত উল্লেখনীয় যে অসমৰ আন আন জনগোষ্ঠীৰ নিজৰ ভাষা - সংস্কৃতিৰ প্ৰতি সজাগ হ'ল । বিংশ শতাব্দীৰ অন্তিম দশকত অসমৰ বিভিন্ন জনগোষ্ঠীয়ে স্বতন্ত্ৰবাদৰ দাবীত সোচ্চাৰ হৈ পৰা দেখা গৈছে । "অসম চুক্তি"ৰ অসফলতা, কেন্দ্ৰৰ অমনোযোগিতা আৰু ওপৰোক্ত কাৰণ সমূহৰ ওপৰত ভিত্তি কৰিয়েই অসমত শতিকাৰ শেষত গঢ় লৈ উঠিল বিভিন্ন উগ্ৰপন্থী সংগঠন । তদুপৰি সত্তৰ দশকৰ শেষৰ পৰাই অসমৰ জাতীয় স্বাৰ্থৰ কাৰণে এচাম নতুন পুৰুষে আৰম্ভ কৰিলে বিদেশী বহিস্কাৰ আন্দোলন । অৱশ্যে ইয়াৰে এচামে আন্দোলনৰ ন্যাৰ্যতা স্বীকাৰ কৰিলে আৰু আন এচামে আন্দোলনৰ ন্যায্যতা চলা অন্যায়, অনীতি, ভণ্ডামীৰ বিৰুদ্ধে প্ৰতিবাদ প্ৰদৰ্শন কৰিলে ।

(৩)

১৯৬০ চনৰ পৰা ২০০০ চনলৈ অসমৰ ৰাজনীতিত যি দ্ৰুত পৰিৱৰ্তন হ'ল, তেনে ক্ষীপ্ৰ স্থুল পৰিৱৰ্তন অসমৰ ইতিহাসত কেতিয়াও হোৱা নাই । আনকি দুখনকৈ বিশ্বযুদ্ধ হোৱা স্বত্তেও ছল্লিশ দশকত অসমত মূল্য বোধক পৰিবৰ্তন ইমান খৰতকীয়াকৈ সম্ভৱ হোৱা নাছিল । কাজেই অসমীয়া কবিতাৰ স্বৰূপ-বৈচিত্ৰ্য দিনক - দিনে বাঢ়ি অহা পৰিলক্ষিত হৈছে । এই সময় ছোৱাৰ কবিতাত সঘনাই প্ৰতিফলিত হোৱা কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ।

(১) সামাজিক অসমতাৰ ফলত সৃষ্টি হোৱা নৈৰাশ্যবোধ
(২) নিসঙ্গতাৰ মাজেদি জীৱনৰ অৰ্থৰ সন্ধান
(৩) ঐতিহ্যবোধ আৰু ঐতিহ্যচেতনা
(৪) জনজাতীয় জীৱনৰ প্ৰতিফলন
(৫) আকাংক্ষিত ৰূপ দৰ্শনৰ যোগেদি মহাজীৱনৰ ৰূপৰ সন্ধান
(৬) অৱচেতন মনৰ উদঘাটন
(৭) লোকজীৱনৰ পুনৰ্বিচাৰৰ প্ৰচেষ্টা
(৮) বহিৰ্জগতৰ প্ৰতি বিশেষ দৃষ্টি আকৰ্ষণ
(৯) চিত্ৰকল্পভিত্তিক আংগিকৰ সূচনা

বিংশ শতাব্দীৰ শেষ দশকতো কাপ অব্যাহত ৰখা কবিসকলৰ কবিতা বিচাৰ কৰিলে, প্ৰথম তিনিটা বৈশিষ্ট্য অৰ্থাৎ সামাজিক অসমতাৰ ফলত সৃষ্টি হোৱা নৈৰাশ্যবোধ, নিসঙ্গতাৰ মাজেদি জীৱনৰ অৰ্থৰ সন্ধান আৰু ঐতিহ্যচেতনা প্ৰায় সকলো কবিৰ কবিতাতে প্ৰতিভাত হোৱা দেখা যায় । জনজাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখা যায় বিশেষকৈ সমীৰ তাঁতী, সনন্ত তাঁতী, জীৱন নৰহ আদিৰ কবিতাত । লুটফা হানুম ছেলিমা বেগম, অনুভৱ তুলসী আৰু অনুপমা বসুমতাৰীৰ কবিতাত আকাংক্ষিতৰ ৰূপ দৰ্শনৰ যোগেদি মহাজীৱন আৰু জগতৰ ৰূপৰ সন্ধান কৰা পৰিলক্ষিত হয় । নানান লোক-উপাদানৰ জৰিয়তে অৱচেতন মনৰ দিগন্ত উন্মোচন কৰাত অগ্ৰণী ভূমিকা লৈছে বিশেষকৈ ছৈয়দ আব্দুল হালিম আৰু অনুভৱ তুলসীয়ে । লোক জীৱনৰ পূৰ্ণবিচাৰ আৰু ঈপ্সিতৰ ৰূপ বৰ্ণনাত জীৱনৰ সন্ধান কৰিছে, ৰফিকুল হুচেইন, কবীন ফুকন, বিপুলজ্যোতি শইকীয়া, উদয় কুমাৰ শৰ্মা, চেনীৰাম গগৈ, প্ৰয়াগ শইকীয়া, অজিত গগৈ, সৌৰভ শইকীয়া, প্ৰাণজিৎ বৰা আদি কবিয়ে । শতাব্দীৰ শেষত একমাত্ৰ কবি নীলিম কুমাৰে কবিতাৰ দ্বাৰা বহিৰ্জগতৰ প্ৰতি বিশেষ দৃষ্টি আকৰ্ষন কৰি অসমীয়া কবিতাৰ বিষয় বৈচিত্ৰ্যত দান কৰিছে এক অভিনৱ মাত্ৰা ।

এই সময়ৰ কবিতাৰ আংগিকত পাশ্চাত্যৰ প্ৰভাৱ কম। আজিৰ কবিতা নিঃসন্দেহে অগ্ৰজ কবি নৱকান্ত বৰুৱা, নীলমনি ফুকন আৰু হীৰেন ভট্টাচাৰ্যৰ বাটেৰে বাট বুলা কবিতা। হয়তো কোনো কোনো অনুজ কবিৰ কবিতাৰ আংগিকত তিনিওজনৰ আংগিকৰ ত্ৰিবেনী সংগম ঘটিছে। তথাপি বিপুলজ্যোতিৰ আংগিকত নৱকান্ত বৰুৱা, লুটফা আৰু জীৱন-নৰহৰ আংগিকত নীলমণি ফুকনৰ আৰু চেনীৰাম গগৈৰ আংগিকত হীৰেণ ভট্টাচাৰ্যৰ পোহৰ স্পষ্ট।

সামাজিক অসমতাৰ ফলত সৃষ্টি হোৱা দ্বন্দ্বই আজিৰ সকলো কবিকে নিৰাশ কৰিলেও বিশেষ কেইজনমান কবিৰ কবিতাতহে এনে ৰীতিয়ে সিদ্ধি লাভ কৰা দেখা যায়। কবীন ফুকন আৰু সমীৰ তাঁতীৰ কবিতাই ৰীতি-সিদ্ধি লাভ কৰাই নহয়, ইতিমধ্যে অসমীয়া কবিতাত দুটা নতুন বাট কাটি লোৱা পৰিলক্ষিত হোৱা দেখা গৈছে। ফুকনৰ কবিতাত ঐতিহ্যবোধ বেছি প্ৰকট, কিন্তু প্ৰতিবাদৰ মাত্ৰা কম; আনহাতে সমীৰ তাঁতীৰ কবিতাত প্ৰতিবাদৰ মাত্ৰা বেছি, ঐতিহ্যবোধৰ পৰিমাণ কম।

ফুকনৰ কবিতাত এলিয়টৰ ম'জেইক আংগিকৰ স্থায়ী প্ৰভাৱ পৰিছে।[২] অথচ সম্পূৰ্ণ অসমীয়া ঠাচঁত পৰিবেশিত ফুকনৰ কবিতাত বিকশিত হৈছে এটা প্ৰাণৱন্ত অসমীয়া ভাষা-

আমি মন গ'লেই গাথোঁ, মন গ'লেই ভাঙো
ক'লী ঔচ বগী ঔচ ঢেকেচ কৰোঁ
সচাঁসঁচিৰ সলনি মিছামিছিৰে খেলোঁ
তোমালোকে ডাঙৰবোৰে কি যে আৰু কৰা
মিছামিছিৰে সঁচাসঁচি মানুহকে মাৰা
ইমান অঁকৰা পাই ইমান অঁকৰা............৩

"কবি গৰাকীয়ে দুটা নতুন বস্তু দিছে - চিন্তাত মননশীলতা আৰু নিভাঁজ অসমীয়া শব্দৰ নতুন আয়তন । সোণতে সুৱগা চৰাইছে অনায়াস ছন্দৰ আকস্মিক অন্তঃমিলবোৰে ।"[4]

জয়ন্তী যুগৰ অমূল্য বৰুৱা আৰু আশীদশকৰ সমীৰ তাঁতীৰ কবিতাৰ বিষয় একে । কিন্তু অমূল্য বৰুৱাৰ কাব্যিক অসমপূৰ্ণতাই এই শতিকাৰ শেষৰ পিনে সমীৰ তাঁতীৰ কবিতাত পৰিপূৰ্ণতা লাভ কৰিছে । কেৱল ভাৰতৰে নহয়, সমগ্ৰ পৃথিৱীৰ শ্ৰমিকৰ ওপৰত চলা অত্যাচাৰৰ বিৰুদ্ধে এই কবিয়ে মুক্তকণ্ঠে প্ৰতিবাদ কৰিছে । কিন্তু কোনো কবিতাতে প্ৰতিবাদৰ কণ্ঠই শ্লোগানধৰ্মীতা লাভ কৰা নাই ।

যন্ত্ৰণা আত্মাৰ বিনাশ নহয়
জুয়ে যেনেকৈ জিভাৰে চেলেকি
জিলিকাই তোলে সোণক
আত্মাও পুৰি জিলিকি উঠে
যন্ত্ৰণাৰ জুই শিখাত

জন্মৰ পৰা মৰণলৈ যিমান দীঘল বাট
তাতোকৈ দীঘল এই পৰিৰ্বতনৰ ঋতু

সকলো হেৰুৱায়ো কিয় অধিৰ ভাৱে ৰৈ থাকে
এই বয়সত দেশে
আৰু কাক বিশেষ ভাবে লগ পোৱাৰ আশাত

তোমালোক পানী গছকি আহা
তোমালোক মৃত্যু গছকি আহা

আকাশত কি জ্বলে
নক্ষত্ৰ[5]

নিজৰ মাতৃভাষা ত্যাগ কৰি অসমীয়া ভাষাৰে কবিতা লিখা অন্য উল্লেখযোগ্য এজন কবি সনন্ত তাঁতীৰ কবিতাও বলিষ্ঠ। কিন্তু ভাষা-সন্ধানৰ মাজত দুয়োজন কবিৰ পাৰ্থক্য স্পষ্ট । সনন্ত তাঁতীৰ কবিতাৰ ভাষাত অকণো আৰ-বেৰ নাই। ক'ব লগা বক্তব্য পোণপতীয়াকৈ, স্পষ্ট ভাষাৰে নিত্য ব্যৱহৃত শব্দসম্ভাৰেৰে প্ৰকাশ কৰা দেখা যায়। সেইবুলি কবিতাৰ ভাষাত জঠৰতাও আহি পৰা নাই। দৃষ্টান্ত স্বৰূপে-

মই সপোনত গা ধুই আছিলো ।
উদং হৈ আছিলো ।
আত্মা আছিল নিৰাভৰণ
শব্দময় ।
মই স্বাধীনতাৰ বাবে উৎসুক
হৈ উঠিছিলো । [৬]

অসমত একমাত্ৰ এইটোৱে জনগোষ্ঠী আছে, যিটো জনগোষ্ঠীক এটা উদ্যোগৰ নামেৰে নামাঙ্কণ কৰা হৈছে-চাহ শ্ৰমিক। দেশৰ প্ৰতি আগবঢ়োৱা এই চাহ শ্ৰমিকৰ যান্ত্ৰণা, ত্যাগৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ চেষ্টা কৰি উল্লিখিত দুজন কবিয়ে এতিয়া দেশৰ সমগ্ৰ সৰ্বহাৰাৰ যন্ত্ৰণাৰ ওপৰত চকু দিছে। এটা অন্য জনগোষ্ঠীৰ লিখকে জাতীয় জীৱনৰ কাৰণে আগবঢ়োৱা এনে প্ৰচেষ্টাই অসমীয়া সাহিত্যৰে নহয়, সমগ্ৰ ঐতিহ্যৰ ওপৰতে পেলাইছে সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাব।

একে ক্ষেত্ৰতে উচ্চাৰণ কৰিব লাগিব মিছিং কবি জীৱন নৰহৰ নামটো। অ'মোৰ ধুনীয়া কপৌফুল[৯৪] গ্ৰন্থৰ যোগেদি মিছিং কবিতা অসমীয়ালৈ ভাবান্তৰ কৰি কবিয়ে প্ৰতীয়মান কৰিলে যে ভাব, ভাষা আৰু সুৰৰ বেলিকা মিছিং ঐঃনিতম বা কাবানৰ লগত অসমীয়া লোকগীতৰ পাৰ্থক্য নাই। এনে পাৰ্থক্যহীনতাই অসমীয়া কবিতাৰ শ্ৰীবৃদ্ধিত বিশেষ ভুমিকা গ্ৰহণ কৰিছে। তদুপৰি কবিৰ আন কিছুমান মৌলিক কবিতাতে (তুমি পকা ধানৰ দৰে গোন্ধাইছা, ৯৬) অসমৰ লোক- জীৱনৰ চিত্ৰণৰ লগতে মিছিং সমাজৰ উৎসৱ-আচাৰ, অনুষ্ঠান, ভাষাৰীতিৰো বহুল প্ৰয়োগ লক্ষণীয়। কবিৰ কবিতাত অসমৰ প্ৰকৃতিয়ে যি বিচিত্ৰ ৰূপ লাভ কৰিছে, শতিকাৰ শেষৰ আন কোনো কবিৰ কবিতাতে তেনে ৰূপ লক্ষ্য কৰা নাযায়। নীলমণি ফুকনৰ,"কাব্যৰীতিৰ প্ৰতি একান্ত আনুগত্যই নৰহৰ কবিতাকো উপভোগ্য কাব্য গুণ প্ৰদান কৰিছে আৰু তাৰ লগতে, কিছু বোধ হয় ঋণাত্মক ভাৱে, তেঁওক বিশেষ বান্ধোনৰ মাজত ৰাখি সৃষ্টিৰ সৰ্বাত্মক মুক্তভাবৰ পৰা অলপ আতৰাই ৰাখিছে ।[৭]

আধূনিক জীৱন নিসঙ্গতাৰ, নিসঙ্গতাৰ অৰ্থ আৰু মানৱ

মনৰ অৱচেতনত উদ্ভাসিত শাশ্বত মূল্যবোধৰ ছবি নানান লোক উপাদানেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে কবি অনুভৱ তুলসী, চৈয়দ আব্দুল হালিমে । ১৯৮৯ চনত প্ৰকাশিত হালিমৰ চেনিৰামৰ বায়নৰ বিশ্বৰূপ দৰ্শন নামৰ কাব্য-গ্ৰন্থই অসমীয়া কবিতা জগতলৈ নতুন সোৱাদ বোৱাই আনিলে । নানান ঐতিহাসিক চৰিত্ৰৰ লগতে কিংবদন্তী, আখ্যান আদিৰ সংযোজন হালিমৰ কবিতাত ৰূপকধৰ্মীতা বঢ়াইছে । মৰিয়ম, ইউলিছিছ, প্ৰমিথিউছ, যোচেফ আদি চৰিত্ৰৰ আধুনিক উপস্থাপনে মানুহৰ অৱচেতনক জাগ্ৰত কৰি তুলিছে । কবিয়ে পোনে পোনে বিপ্লৱ কৰিব নিবিচাৰে, কিন্তু ঐতিহ্যৰ গাত ভেজা দি মানুহ মানুহৰ দৰে জীয়াই থকাটো কামনা কৰে। অৱশ্যে দুই এটা কবিতাৰ জটিল উপস্থাপনে পঢ়ুৱৈক উজুতি খুৱাব পাৰে।

জাপানী হাইকু আৰু উৰ্দু কবিতাৰ আৰ্হিৰে ৰচনা কৰা নাজমা (৮৫) সংকলনৰ যোগেদি অসমীয়া কাব্য-সাহিত্যত আত্মপ্ৰকাশ কৰা অনুভৱ তুলসী একক নাম। প্ৰথম সংকলনৰ সন্তীয়া ব্যঞ্জনৰ সলনি শতিকাৰ শেষত দোৰোণ পুল (৯৬) আৰু জলমগ্ন দৃশ্যাৱলী (৯৬) নামৰ দুখন অনবদ্য সংকলনৰ যোগেদি কবি গৰাকীয়ে অসমীয়া কবিতালৈ আগবঢ়াইছে এক অভিনৱ আয়তন। কবিয়ে নিজই কৈছে, "নিৰন্তৰ লিখি যাব খোজোঁ। আন্ধাৰৰ অতলৰ পৰা বুটলি আনিব খোজোঁ শব্দ। শব্দৰ হাতে হাতে দিব খোজো এগছিকৈ বন্তি।" [৮] মানুহৰ আত্মাৰতলিৰ পৰা আহৰিত চৈতন্য, যি চৈতন্যৰ কৰ্ষণেই হ'ব পাৰে মহাদৰ্শন, সেই দৰ্শনৰ প্ৰয়োগ ঘটিছে তুলসীৰ কবিতাত। অসমীয়া কবিতাত অগ্ৰজ কবি অজিৎ বৰুৱাই অন্য আংগিকেৰে এই দৰ্শনৰ প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰিছিল। যিটো প্ৰকাশ কৰিবলৈ যাওঁতে তুলসীয়ে অসমীয়া অন্তৰ্লীন নিৰবচ্ছিন্ন লোক জীৱনৰ পৰা সমল আহৰণ কৰিব লগা হৈছে আৰু তাৰ ফলতে জন্ম হৈছে অসমীয়া কবিতাৰ এক নতুন ভাষা। সপোন-দিঠক, আশা-নিৰাশা, শূণ্যতা-অস্থিৰতা, আবেগ- উষ্ণতা, বিহুলতা-ভ্ৰান্তি, তৃষা, অনন্ত সম্ভাৱনা আদি আধুনিক মানুহৰ চিৰন্তন অনুভূতি বিলাকৰ সূক্ষ্ম চিত্ৰন তুলসীৰ কবিতাত সম্ভৱ হৈ উঠিছে। আধুনিক মননৰ এইবোৰ কথা প্ৰকাশ কৰোঁতে কবিয়ে ব্যক্তিগত আৰু সাৰ্বজনীন প্ৰতীকৰ ব্যৱহাৰ কৰাৰ উপৰিও কিছুমান লোক কথাও সংযোগ কৰিছে। এটা কথা উল্লেখনীয় যে কবিৰ ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰে কোনো কোনো কবিতালৈ জটিলতা আনিছে। উদাহৰণ স্বৰূপে 'ৰা দেৱতাৰ প্ৰতি' [৯] কবিতাত ব্যৱহৃত প্ৰতীক।

আধুনিক অসমীয়া কবিতাৰ অগ্ৰণী হোতা নৱকান্ত বৰুৱাৰ আশীৰ্বাদ শিৰত লৈ ১৯৮৯ চনতে অসমীয়া কাব্য জগতত সগৌৰৱে প্ৰৱেশ কৰা বিপুলজ্যোতি শইকীয়া এই শতিকাৰ শেষৰ পিনে এটা স্তিমিত নাম। প্ৰথম সংকলনৰ পিছতো কবিৰ কবিতা পুথি (পাহৰণিৰ নৈ,৯৭) প্ৰকাশ পাইছে যদিও প্ৰথম স্তৰৰ কবিতাত প্ৰকাশ পোৱা ভাষাৰ সাৱলীলতা, ধাৰাল ব্যঞ্জনাময় শব্দ- নিৰ্বাচন আৰু বিষয়ৰ বিশালতা ক্ৰমে হেৰাই যোৱাৰ উপক্ৰম হৈছে। হ'লেও সেই বিশেষ সংকলন খনৰ যোগেদিয়ে কবি অসমীয়া কাব্য ইতিহাসত অমৰ হৈ থাকিব এই কাৰণেই যে তাত প্ৰচলিত ভাষা-প্ৰচেষ্টা আগতে অসমীয়া সাহিত্যত নাছিল আৰু আজি পৰিমিত তেনে ৰীতি কোনেও সৃষ্টি কৰিব পৰা নাই। ঐহিক প্ৰেম, দেশপ্ৰেমৰ মাজত বিলীন কৰি মহৎজীৱনৰ সন্ধান কৰিছে এই গৰাকী কবিয়ে। দৃষ্টান্ত স্বৰূপে, [১০]

(ক) যি হাতেৰে মই ফুল ছিঙো,
সেই হাতেৰেই স্পৰ্শ কৰোঁ নাৰীৰ ভূগোল।
(ঐহিক প্ৰেম)

(খ) তোমাৰ অসুখৰ বাতৰি পাই দৌৰি আহিছোঁ আই
(দেশপ্ৰম)

(গ) চেতনাৰ সুবিশাল সমূদ্ৰৰ ভিতৰতে সংশয়ৰ
শামুক ভাঙা
হতাশ নহ'বা ঃ মুকুতাৰ সন্ধানত ব্ৰতী হওঁক তোমাৰ
অনন্ত প্ৰতিভা
(মহাজীৱন সন্ধান)

শইকীয়াৰ কবিতাত নদী-নৈ প্ৰতীকৰ সঘন ব্যৱহাৰ মন কৰিবলগীয়া। এই প্ৰতীকে নাৰী, প্ৰেম, গতিশীলতা অতীত আৰু সত্যৰ অভিব্যঞ্জনাৰ নিৰ্দেশ কৰিছে। অৱশ্যে শব্দ-দুৰ্বলতা কবিৰ অগ্ৰগতিৰ কাৰণে ক্ষতিকৰ। শতিকাৰ শেষৰ অন্য এক বলিষ্ঠ কণ্ঠ কবি নীলিম কুমাৰ। বঙ্গীয় কবি সুনীল বঙ্গোপাধ্যায়, শক্তি চট্টোপাধ্যায় গোস্বামীৰ দৰে বিষয়-বৈচিত্ৰ্য প্ৰকাশত সফল হৈছে এইজন কবি। অসমীয়া কবিতালৈ ধীৰে ধীৰে বৈ অনাবিষয়ৰ ব্যাপকতাৰ কাৰণেই কবি নীলিম কুমাৰে ইতিমধ্যে নিজৰ বাট কাটি ল'ব পাৰিছে। প্ৰকাশ ভঙ্গীৰ সৰলতা কবিৰ বিশেষ গুণ। কবিৰ কবিতাত গাঁও অনুপস্থিত বুলি ক'ব পাৰি । আধুনিক জীৱনৰ সদা প্ৰয়োজনীয় অথচ অদৃষ্টি গোচৰ কিছুমান বিষয় বা মুহূৰ্তক লৈ কবিয়ে সৃষ্টি কৰিছে কিছুমান অপূৰ্ব কবিতা। ইতিমধ্যে প্ৰকাশিত সাতখন কবিতা পুথিৰ ভিতৰত কেইটামান উৎকৃষ্ট কবিতা হ'ল । শৈশৱ, গুৱাহাটী, ক'তবাৰ তুলি ললো তোমাক(পানীতটো টৌবোৰ মাছ,৯১), আইতা, শেলুবৈ গ'ধূলি,

পিতা, বিপদজনক ঘটনাবোৰ (শেলুবৈ গ'ধূলি)' ৯৩ স্বপ্নৰ ৰেলগাড়ী, আচিনাৰ অসুখ (স্বপ্নৰ ৰেলগাড়ী,৯২); কবি যায় ফুটপাথেৰে, দীৰ্ঘেশ্বৰী, আলনা ধুনীয়া তিৰোতাবোৰ আৰু অন্য কবিতা, ২০০০) আৰু অপ্ৰজনন (টোপনিৰ বাগিচা) । নাটকীয় চৰিত্ৰ সৃষ্টি আৰু দৃশ্যমান চিত্ৰকল্পৰ প্ৰয়োগ কবিৰ কবিতাৰ আন এক বিশেষত্ব । অৱশ্যে কোনো কোনো কবিতাৰ ভাৱভাষাৰ পুনৰুক্তি ঘটিছে । ই কবিৰ দুৰ্বলতা । এটা উদাহৰণ দিয়া হ'ল -

(ক) চুলিক জুই লগাই
মই জোৰ হৈ ভ্ৰমি ফুৰিছোঁ ৰাতি[১১]
(খ) নিজৰ চুলিতে জুই লগাই জুমুৰি হওঁ ।[১২]

চহৰীয়া আৰু গাঁৱলীয়া জীৱনৰ দ্বন্দ্ব-দ্বিধা, যিটো আধুনিকতাৰ বিশেষ লক্ষণ - সেই লক্ষণ বিকশি উঠিছে শতিকাৰ একেবাৰে শেষৰ (৯৮) কবি সৌৰভ শইকীয়াৰ কবিতাত অন্য এক প্ৰকৰণেৰে । কবিৰ ভাষাৰীতিয়ো কাল চেতনাৰ দ্বন্দ্ব বৰ্তমান । তেওঁৰ কবিতাত ঐতিহ্যবোধৰ লগতে যান্ত্ৰিক সভ্যতাৰ নেতিবাচক দিশৰো ইংগিত পোৱা যায় । এনে বিষয় বস্তুৰ প্ৰকাশত ইতিমধ্যে অগ্ৰজ কবি নৱকান্ত বৰুৱা সফল হৈছে । কবিৰ আটাইতকৈ স্মৰ্তব্য গুণটো হৈছে, প্ৰাচীন লোকগীত আৰু ছন্দৰ সুৰ আধুনিক কবিতাত সন্নিবেশ কৰাটো । যিটো কাম বৰুৱাই দুই এটা কবিতাত কৰিছিল । তলত দুলড়ী ছন্দৰ তিনিটা উদাহৰণ দিলেই কথাটো ওলাই পৰিব ।

(ক) মই দুৰাচাৰ কেৱল তোমাৰ
অপৰাধী নাৰায়ণ । (মাধৱদেৱ)
(খ) উষাৰ পোহৰ স'তে এটিবাৰ
চকুৰ পাপৰি মেলা; (নৱকান্ত বৰুৱা)
(গ) টৌ ৰাশি ৰাশি কাঁচি চিকিমিকি
কি ক'ম মই ভৰিছে হৃদয়
অনন্ত শালিধন হাঁহিছে ঘনে
সোণালী সৌৰভ লৰিছে পমে ।[১৩]

ওপৰৰ প্ৰথম দুটা উদাহৰণ ৬-৬-৮ মাত্ৰাৰ । কিন্তু শেষৰ আলোচ্য কবিৰ কবিতাত এই মাত্ৰা খৰ্ব কৰা দেখা যায় । প্ৰথম স্তৱকত ৬-৬ মাত্ৰা লক্ষণীয় হ'লেও বাকীবোৰ স্তৱকে এই নিয়ম মাত্ৰা মানি চলা নাই । কবিতাৰ চিনাকি ছন্দই মুক্ত কণ্ঠে পঢ়ুৱৈক আহ্বান কৰি অন্য এটা ছন্দসজ্জালৈ লৈ যাব পৰাতেই আধুনিক কবিতাৰ ক্ষেত্ৰত আংগিকৰ অন্য এক বৈশিষ্ট্য ফুটি উঠিছে । আন এটা বিশেষ কবিতা "প্ৰথম প্ৰহৰ"ত মুক্তক ছন্দৰ লগে লগে অসমীয়া বিয়ানামৰ সুৰ সংযোজিত হৈছে । দ্ৰষ্টব্য ঃ

শিৰৰ সোণোৱালী শিখাৰে ঘাম সেন্দুৰৰ আমদালি
তলেৰে
ঐ ৰাম বেলি আহি হ'বহে থিয় হে
আই মোৰ চামৰ পীৰাখনি
আই মোৰ দিয়া যতন কৰি
আই মোৰ চকু চাটে মাৰি ধৰে হে ।[১৪]

শইকীয়াৰ কবিতাৰো দুৰ্বলতা ধৰা পৰে কোনো কোনো বাক্যৰ পুনৰুক্তিত ।

(৪)

ওপৰত বিংশ শতাব্দীৰ শেষ দশকৰ মাথোন কেইজনমান কবিৰ কবিতাৰহে সামান্য আলোচনা কৰা হৈছে । সেইবুলি এইটো নুবুজায় যে অসমীয়া কাব্য-জগতত আৰু সম্ভাৱনাপূৰ্ণ কবি নাই ; নিশ্চয় আছে । কেইজনমান গুৰুত্বপূৰ্ণ কবিৰ কবিতাৰ বিষয়ে এই কাৰণেই আলোচনা কৰা নাই যে তেওঁলোকৰ কাব্য - জিজ্ঞাসা ছল্লিশ দশকৰ পিছত গতিশীল আধুনিক ধাৰাটোৰ সমপৰ্যায়ৰ । তেওঁলোকৰ নাম ইতিমধ্যে উল্লেখ কৰি অহা হৈছে । তদুপৰি কিছু কবিয়ে শতিকাৰ শেষ দশকত তেনেই সীমিত কবিতা লিখিলেও ইতিমধ্যে তেওঁলোকে এটা বাটৰ সন্ধান দিব পাৰিছে কাৰণে তেওঁলোকৰ কাব্য-সাধনাৰ আলোচনা প্ৰয়োজনীয় বুলি ভবা হৈছে । কবীন ফুকন আৰু চৈয়দ আব্দুল হালিমৰ কথা এই ক্ষেত্ৰত ক'ব পাৰি । আন কথাত শেষ দশকৰ কবিতাৰ বেলিকা একবিংশ শতাব্দীৰ আৰম্ভণিৰ কবিতাৰ আলোচনাও প্ৰয়োজনীয় কাৰণে দুখনমান শতিকাতোৰ সংকলনৰ প্ৰসঙ্গ উল্লেখ কৰা হৈছে । কাৰণ তেওঁলোকৰ কাব্য-সাধনা প্ৰাণ পাই উঠিছিল শতিকাৰ শেষত ।

কিছুমান ভীষণ সম্ভাৱনাপূৰ্ণ কবিয়ে কবিতা লিখিবলৈ এৰি দিয়াটো অসমীয়া কবিতাৰ কাৰণে আন্ধাৰ দিশ । ৰফিকুল হুচেইনৰ শৰবিদ্ধ আকাশৰ অনিৰ্বচনীয় প্ৰকৰণ - বৈচিত্ৰ্যই শতিকাৰ শেষত পঢ়ুৱৈক মুগ্ধ কৰিছিল। অসমীয়া আধুনিক কবিতাত এতিয়াও নৱ-নৱ পৰীক্ষা-নিৰীক্ষা চলি আছে । ইতিমধ্যে পঢ়ুৱৈৰ পৰিচিত হৈ পৰা কৰবী ডেকা হাজৰিকা, কৌস্তুভমণি শইকীয়া, অতনু ভট্টাচাৰ্য, ৰাজীৱ ভট্টাচাৰ্য, সুমিত্ৰা গোস্বামী, ৰাজীৱ বৰুৱা, শ্বৰিফা খাতুন চৌধুৰী, মদন শৰ্মা, অৰ্চনা পূজাৰী, ভুপেন দাস, জ্ঞান পূজাৰী, কিশোৰ ভট্টাচাৰ্য, মনজিত সিং, যতীন মিপুন, খনীন দাস, মৃদুল বৰুৱা, এম্ কামালুদ্দিন আহমেদ, পুঞ্জন বৰুৱা, বিদ্যুৎ বিকাশ ভুঞা, ৰঘুনাথ কাগ্যুং, হৰেন গগৈ,

অমৃত বসুমতাৰী, কুশল দত্ত, মৃণাল কুমাৰ গগৈ, পংকজ গোবিন্দ মেধি, হেমাঙ্গ কুমাৰ দত্ত, প্রণৱ কুমাৰ বৰ্মন, কমল কুমাৰ মেধি আদি কবিৰ কবিতাত উজ্জ্বল সম্ভাৱনা দেখা গৈছে ।

বিংশ শতাব্দীৰ শেষ দশকৰ অসমীয়া কবিতা চল্লিশ দশকৰ অসমীয়া কবিতাৰ লগত সম্পূৰ্ণৰূপে নিমিলে বা একেবাৰে পৃথক ৰূপেও তাক প্রতিষ্ঠিত কৰিব নোৱাৰি । ইংৰাজী উত্তৰ ৰোমান্টিকবাদী কবিতাৰ উপৰিও উত্তৰ আধুনিকতাবাদী সুৰৰ অনুকৰণ ইয়াত শুনা যায় । হয়তো "ই এক ধৰণৰ উত্তৰ - আধুনিক ৰোমান্টিকতা" ।১৫

পৰিশেষত প্রদীপ আচাৰ্যৰ মন্তব্যৰে প্রবন্ধটিৰ মোখনি মৰা হৈছে- "Recent Assamese poetry refueses stubbornly to be marginalized. The poets have readily emerged from the shell of quietism, a regionalist equivalent of the earlier escapism. The poetry ever participates in the current of history. This participation sidesteps totalizing structure and ideologies. The poets themselves do not admit of any easy categorization, but each of them, while living out of his separateness, is found to respond to a consequences of violence leading to the proliferation of elegiac responses and aim impersonal, long, narratives." ১৬

পাদটীকা ঃ

১। কিশোৰ ভট্টাচাৰ্য ঃ স্বাধীনতা..... বৌদ্ধিক পটভূমি অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) সম্পাঃ হোমেন বৰগোহাঞি (৯৩), পৃ. ২৬৭

২। প্রদীপ আচাৰ্য ঃ অসমীয়া কবিতাৰ কুৰিটা বছৰ, পূৰ্বোক্ত গ্রন্থ, পৃ. ৩৭৮

৩। কবীন ফুকন ঃ কোনে কয় নুপুৰাই আউসীৰ ৰাতি (১৯৯২), পৃ. ৬

৪। মহেন্দ্র বৰা ঃ দৈনক জনমভূমি, ১৯ মে', ১৯৯১

৫। সমীৰ তাঁতী ঃ সেউজীয়া উৎসৱ (১৯৯৩), পৃ. ২৬

৬। সনন্ত তাঁতী ঃ টোপনীতো কেতিয়াবা বাৰিষা আহে (১৯৯৭), পৃ. ৮

৭। কবীন ফুকন ঃ "দুজন নবীন কবিৰ কবিতা", কবিতাৰ জুটি বিচাৰ (১৯৯৬), পৃ. ১৫৩

৮। অনুভৱ তুলসী ঃ জলমগ্ন দৃশ্যাৱলী (১৯৯৬), পৃ. ৮

৯। অনুভৱ তুলসী ঃ দোৱোণ ফুল (১৯৯৬) পৃ. ৩৮

১০। বিপুলজ্যোতি শইকীয়া ঃ মহাকাব্যৰ প্রথম পাত (১৯৮৯), পৃ. ৪০.১.১৬

১১। নীলিম কুমাৰ ঃ শেলুৰৈ গধুলি (১৯৯৬) পৃ. ৩৬

১২। নীলিম কুমাৰ ঃ ধুনীয়া তিৰোতাবোৰ (২০০০), পৃ. ২৫

১৩। সৌৰভ শইকীয়া ঃ সৰাপাতৰ ভায়'লিন (২০০০), পৃ. ১

১৪। পূৰ্বোক্ত গ্রন্থ ঃ পৃ. ২

১৫। আনন্দ বৰমুদৈ ঃ অতি সাম্প্রতি কবিতাৰ সন্দৰ্ভত, চিন্তা আৰু চিন্তা (যোৰহাট, ১৯৯৫) পৃ. ১৩৪

১৬। Prdip Acharya : The Renaissainace of Elegy : Assamesse poetry,1975 - 1995 Indian Literature, 177 Jan - Feb' 97 P.7

## মুখ্য গ্রন্থপঞ্জী

গ্রন্থ ঃ

বৰগোহাঞি, হোমেন (সম্পা) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) এবিলাক, গুৰা, ১৯৩

ফুকন, কবীন ঃ কবিতাৰ জুতি বিচাৰ, লয়াৰ্চ, গুৱাহাটী - ১, ১৯৯৬

বৰমুদৈ, আনন্দ ঃ আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ, সাহিত্য সভা, ১৯৯৭-৯৮

ডেকা, হৰেকৃষ্ণ ঃ আধুনিকতাবাদ আৰু অন্যান্য প্রবন্ধ, ১৯৯৮

বৰা, মৃদুল (সম্পা) চিন্তা আৰু চিন্তা, যোৰহাট কেন্দ্রীয় মহাবিদ্যালয়, ১৯৯৫

পত্রিকা ঃ Indian Literature : Sahitya Akadimi, 177 - Jan - Feb, 97 Vol. XL No - 1

সুত্রধাৰ ঃ ১-১৫ এপ্রিল, ১৯৯১

প্রকাশ ঃ আগষ্ট - অক্টোবৰ ১৯৯৪

গৰীয়সী ঃ ডিচেম্বৰ ১৯৯৭

(পূৰ্ব প্রকাশ ঃ অসম সাহিত্য সভা পত্রিকা মে, ২০০০ সংখ্যা)

*লেখক অসমীয়া বিভাগৰ প্রবক্তা*

আধুনিক বিশ্বসাহিত্যৰ এগৰাকী নমস্য চিন্তাবিদ

# আৰ্নেষ্ট হেমিংওৱে আৰু তেওঁৰ দুঃসাহসিক জীৱন

দ্বীজু ওজা

কোনো মুহূৰ্ততে হতাশাত পিছলি নপৰা আৰ্নেষ্ট হেমিংওৱে আছিল এনে এক প্ৰাণশক্তিৰ অধিকাৰী, যাৰ দৰ্শন আছিল যে মানুহ ধ্বংস হৈ যাব পাৰে তথাপিও পৰাজিত হ'ব নোৱাৰে । এই জন লেখকে আমেৰিকাৰ সাহিত্যলৈ একধৰণৰ সজীৱতা আনিছিল । হেমিংওৱেক বিংশ শতাব্দীৰ সাহিত্যৰ এক বৈপৰীত্যৰ সমাহাৰ বুলি কব পাৰি । কাৰন জীৱনবোধৰ প্ৰাচুৰ্যৰ মাজতো তেওঁ অহৰহ মৃত্যুৰ চিন্তাতো ভাৰাক্ৰান্ত হৈ থাকিছিল, ইফালে দুৰ্যোগ-দুৰ্ঘটনাৰ প্ৰতিও তেওঁৰ এক অহেতুক প্ৰীতি আছিল । এক কথাত কবলৈ হ'লে হেমিংওৱেৰ সাহিত্যিক অৱদান সমূহ হ'ল তেওঁৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ লিখিত ৰূপহে । যিকোনো দুঃসাহসিক কামৰ বাবেই হেমিংওৱে সদৰ্পে ওলাই গৈছিল আৰু এনেকুৱা দুঃসাহসিক ঘটনাবোৰৰ আলমতে তেওঁ লিখি উলিয়াইছিল বিশ্বখ্যাত উপন্যাস আৰু গল্পবোৰ ।

**'A man can be destroyed but not defeated'**

১৮৯৯ চনৰ জুলাই মাহত হেমিংওৱেৰ জন্ম হৈছিল আমেৰিকাৰ চিকাগো চহৰৰ ইলিনয় ওক পাৰ্ক নামে এখন সৰু ঠাইত। তেওঁৰ সম্পূৰ্ণ নাম আছিল আৰ্নেষ্ট মিল্লাৰ হেমিংওৱে । হেমিংওৱেৰ দেউতাক ক্লেৰেন্স হেমিংওৱে আছিল এজন চিকিৎসক আৰু মাক গ্ৰেচ হেমিংওৱে আছিল সংগীতানুৰাগী আৰু চিত্ৰশিল্পী। মাকে পুতেকক তেওঁৰ দৰেই এজন সংগীতজ্ঞ হোৱাটো বিচাৰিছিল । দেউতাকে কিন্তু তেওঁৰ দহ বছৰ হওঁতে হাতত মানুহ এজনৰ সমান ডাঙৰ বন্দুক এটা তুলি দিছিল। মাক বাপেকৰ ভিন্ন ৰুচিৰ টনা আজোৰাৰ পৰা ওলাই হেমিংওৱে কিন্তু বিখ্যাত হৈ উঠিল ইংৰাজী সাহিত্যৰ এক কিংবদন্তীৰূপেহে ।

হেমিংওৱেৰ স্কুলীয়া জীৱন নিৰবছিন্ন আছিল । পোন্ধৰ বছৰ বয়স হওঁতে তেওঁ ঘৰৰ পৰা পলাই গৈছিল । অৱশ্যে তাৰ পিছত ঘৰলৈ উভতিও আহিছিল আৰু ১৯১৭ চনত স্কুলৰ শেষ পৰীক্ষাটো পাছ কৰিছিল । ১৯ বছৰ বয়সতে শিক্ষা জীৱন শেষ কৰি তেওঁ 'কেনছাছ চিটি ষ্টাৰ' নামৰ কাকত এখনৰ সাংবাদিক হিচাপে নিয়োজিত হ'ল। ১৯১৪-১৫ চনত প্ৰথম বিশ্বযুদ্ধৰ সময়ত হেমিংওৱে সাংবাদিকৰ কাম এৰি ইটালীত যুদ্ধভূমিৰ পদাতিক বাহিনীৰ এম্বুলেঞ্চ ড্ৰাইভাৰ হল। প্ৰথম মহাসমৰত তেনেদৰে যোগ দিয়া হেমিংওৱে ইমান বেয়াকৈ শত্ৰুৰ গুলীত আহত হৈছিল যে মৰণৰ দিনলৈকে তেওঁৰ ভৰিত দুশ টুকুৰা বন্দুকৰ অংশ সোমায়ে থাকিল । অৱশ্যে যুদ্ধত্ব বীৰত্ব চিন স্বৰূপে তেওঁ কেবাটাও পদকো লাভ কৰিছিল। সৰ্বশৰীৰত গুলীৰ আঘাত লৈ তেওঁ ইটালীৰ পৰা নিজৰ দেশলৈ উভতি আহিল । ১৯২০ চনত হেমিংওৱে আকৌ সাংবাদিক হিচাপে তুৰস্কলৈ গ'ল ।

এইসময়তে তেওঁ হেডলি ৰিচাৰ্ডচনক বিয়া কৰালে। কিছুদিন সাংবাদিকতা কৰাৰ পিছত সেই পেচা এৰি দি ১৯২১ চনত

তেওঁ পেৰিছত স্থায়ীভাবে থাকিবলৈ ল'লে। ১৯৩৬ চনত স্পেইনত গৃহযুদ্ধ আৰম্ভ হৈছিল। হেমিংওৱে আকৌ সেই যুদ্ধভূমিৰ মাজে মাজে সাংবাদিক হিচাপে মৃত্যুৰ সতে মুখামুখি হৈ হেমিংওৱেই যি দুঃসাহসিক জীৱন অতিবাহিত কৰিলে তাৰ মাজতে কিন্তু তেওঁ সাহিত্য চৰ্চাও সমান্তৰাল ভাৱে কৰি গৈছিল। সেই সময়ৰ বিখ্যাত লেখক গাট্রুড ষ্টেইন, এজৰা পাউনড আৰু শ্বেৰউড এণ্ডাৰছন আদিৰ সতেও হেমিংওৱেৰ পৰিচয় ঘটিছিল ।

আৰ্নেষ্ট হেমিংওৱে চৌৰিশ বছৰ বয়স হওঁতে সাংবাদিকতা বাদ দি লেখক হোৱাৰ মন মেলিছিল আৰু Three Stories and Ten Poem's নামৰ তেওঁৰ প্ৰথম গ্ৰন্থখন বৰ নিঃকিনভাবে উলিয়াইছিল ১৯২৩ চনতে তেওঁৰ দ্বিতীয় গ্ৰন্থ In Our Times ওলাইছিল যিখনে তেওঁৰ মৌলিকতা আৰু এজন শক্তিশালী লেখক হোৱাৰ পূৰ্বাভাষ দিছিল । যুদ্ধৰ সময়ৰ নানা বিভীষিকা ভৰা চিত্ৰৰে সমুজ্জল কিতাপখনত কিন্তু অতীত জীৱনৰ নানা স্মৃতি সনা মধুৰ চিত্ৰও অংকিত হৈছিল । ইয়াৰ পিছত প্ৰকাশিত হৈছিল Torrents of Spring যাৰ বিষয়বস্তু আছিল আগৰ দৰেই জীৱনৰ নিষ্ঠুৰতা আৰু প্ৰতাৰণা । ইয়াৰ পিছতে তেঁও লিখি উলিয়াছিল The Sun Also Rises । প্ৰথম বিশ্বযুদ্ধ বিভীষিকাময় পৰিস্থিতিত হতাশাগ্ৰস্ত হৈ পৰা যুৱক যুৱতীৰ প্ৰাণত আশাবাদৰ জন্ম দি জীৱনমুখী কৰাৰ উদ্দেশ্যেই এই গ্ৰন্থখন লিখি উলিয়াছিল ।

ইয়াৰ পিছত হেমিংওৱে আমেৰিকালৈ উভতি আহিছিল । এই সময়ত তেওঁ মাছ মৰাতো পাকৈত হৈ উঠিছিল । ইতিমধ্য তেওৰঁ Man Without Woman বুলি কিতাপ এখন উলিয়াইছিল আৰু ১৯২৯ চনত তেঁও A Farewell to Arms নামৰ উপন্যাসখন লিখি উলিয়াছিল । যুদ্ধৰ পৰা পলায়ন কৰি নিজস্ব শান্তিৰ জগৎ এখন সৃষ্টি কৰিবলৈ গৈ ব্যৰ্থ হোৱা প্ৰেমিক প্ৰেমিকাৰ সেই পৰিণতিৰ দ্বাৰা হেমিংওৱেই যুদ্ধৰ বীভৎসতা সত্বেও সেই পলায়নবাদী মনোভাবো যে ঠিক সমৰ্থনযোগ্য নহয় তাকেই যেন এই উপন্যাসখনত বুজাব খুজিছে। হেমিংওৱেৰ ৰচনাত মৃত্যুৱে প্ৰধান অংশ লৈছে বুলি কলে ভুল কৰা নহব আৰু তেওঁৰ সাহিত্যৰীতিক যেন মৃত্যুসাহিত্য ৰীতি আখ্যা দিব পাৰি। ইয়াৰ পিছৰ উপন্যাস Death in the Afternoon ৰো মূল ভাবটো এয়েই ।

তেওঁৰ আন দুখন গ্ৰন্থ Winner Take Nothing আৰু The Green Hills of Africa ৰ প্ৰধান উপজীব্য হল ধ্বংস । ইয়াত ষাঁড়ৰ লগত যুদ্ধৰে পৰা আৰম্ভ কৰি বৃহৎ চিকাৰলৈকে বিভিন্ন অভিযানৰ বৰ্ণনা আছে । To Have and Have not নামৰ উপন্যাসখনৰো কাহিনী মৃত্যু আৰু সেই কাহিনী নানান ধ্বংসলীলাৰ মাজেৰে আগবাঢ়িছে ।

ইয়াৰ পিছৰ লেখনিত তেওঁৰ মৃত্যুৰ আকাংক্ষাৰ লগতে মানৱজাতিৰ উদ্ধাৰৰ ক্ষীন আশাৰ সুৰ এটাও ধ্বনিত হৈছিল । উদাহৰণ স্বৰূপে তেওঁৰ The Fifth column নাটক খনৰ উল্লেখ কৰিব পাৰি। ইয়াৰ পিছত ১৯৩৮ চনত এই নাটকখন আৰু গল্প কিছুমান লৈ তেওঁ The Fifth column and the First Forty Nine Stories নামেৰে সংকলন এখন উলিয়াইছিল । ইয়াত সন্নিবিষ্ট কেতবোৰ গল্প সেই সময়ৰ অতি বিখ্যাত গল্প । এইবোৰত হেমিংওৱেৰ মৃত্যু ইচ্ছা প্ৰতিভাত হ'লেও জীৱনৰ ওপৰত আস্থাৰো কিছু প্ৰকাশ ঘটিছিল ।


একচল্লিশ বছৰ হওঁতে হেমিংওৱেই তেওঁৰ জীৱনৰ দীৰ্ঘতম আৰু বহুতৰ মতে মহত্তম গ্ৰন্থ For whom The Bells Tolls নামৰ উপন্যাসখন লিখিছিল । (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই এইখন উপন্যাস অসমীয়ালৈ অনুবাদ কৰিছে "দেব দুন্দুভি বাজে কাৰ বাবে" নাম দি ), হেমিংওৱেই যে মৃত্যু আৰু জীৱনৰ নতুনকৈ বিচাৰি পোৱা অৰ্থৰ সংগতি দেখুৱাব পৰা বিষয়বস্তু এটাৰ সন্ধানত আছিল, সেই কথা এই উপন্যাস খনতেই প্ৰতিপন্ন হয় । স্পেইনৰ লয়েলিষ্টসকল আৰু ফেচিষ্টসকলৰ মাজৰ যুদ্ধতে তেওঁ এই কাহিনীৰ সূত্ৰ বিচাৰি পাইছিল । এই গ্ৰন্থত মৃত্যু সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী পূৰ্বতকৈ সলনি হৈছিল অৰ্থাৎ মৃত্যুক তেওঁ সুস্থভাবে ভাবে গ্ৰহন কৰিব পাৰিছিল ।

*সাগৰৰ মাজত গৈ মাছ ধৰাৰ কাহিনীৰে সন্নিবিষ্ট The Old Man and the Sea নামৰ এখন উপন্যাস লিখি উলিয়াইছিল । এই উপন্যাসখনতো তেওঁ মানুহক প্ৰকৃতিৰ বিপৰীতে থিয় কৰাইছিল, লগতে দেখুৱাইছিল ধ্বংসৰ শক্তি আৰু জীয়াই থকা শক্তিবোৰৰ পৰস্পৰৰ মাজত থকা এক ভয়ংকৰ আত্মীয়তাকো । এই উপন্যাসখনৰ বাবে ১৯৫৪ চনত হেমিংওৱে সাহিত্যৰ নবেল বটা লাভ কৰিছিল ।*

যতেই সাহস আৰু বীৰত্বৰ সমাবেশ ঘটিছে তাতেই উপস্থিত হৈছে হেমিংওৱে আৰু তেনে দুঃসাহসিক কাৰ্যৰ বাস্তৱ অভিজ্ঞতা লিপিবদ্ধ কৰি সৃষ্টি কৰিছে একোখন বিশ্বখ্যাত উপন্যাসৰ । যুদ্ধভূমিত ঘূৰি পকি যুদ্ধ সম্পৰ্কে লিখা একাধিক উপন্যাসৰ দৰে হেমিংওৱেই লিখি উলিয়াইছিল সাগৰত মাছ ধৰা মাছমৰীয়াৰ জীৱনৰ ওপৰত, অসীম বীৰত্ব আৰু দুৰ্জেয় আশাবাদৰ সাক্ষৰ বহন কৰা যুগজয়ী লেখনি । সাগৰৰ মাজত গৈ মাছ ধৰাৰ কাহিনীৰে সন্নিবিষ্ট The Old Man and the Sea নামৰ এখন উপন্যাস লিখি উলিয়াইছিল । এই উপন্যাসখনতো তেওঁ মানুহক প্ৰকৃতিৰ বিপৰীতে থিয় কৰাইছিল, লগতে দেখুৱাইছিল ধ্বংসৰ শক্তি আৰু জীয়াই থকা শক্তিবোৰৰ পৰস্পৰৰ মাজত থকা এক ভয়ংকৰ আত্মীয়তাকো । এই উপন্যাসখনৰ বাবে ১৯৫৪ চনত হেমিংওৱে সাহিত্যৰ নবেল বটাঁ লাভ কৰিছিল ।

আৰ্নেষ্ট হেমিংওৱেৰ মৃত্যু হৈছিল তেওঁৰ জীৱন যাপন প্ৰণালী সতে বজিতা খুৱাই - অৰ্থাৎ ভয়ংকৰ ভাৱে কিছুদিনৰ পৰা তেওঁ উদগ্ৰ স্নায়ুৰোগ আৰু জণ্ডিছ ৰোগত ভূগি আছিল আৰু মিন্নেছোটাৰ ৰচেষ্টাৰৰ মেয়ো ক্লিনিকত কেইবামাহো থাকিব লগীয়া হৈছিল । সমগ্ৰ জীৱনত পৰাজিত হোৱাৰ গ্লানি ল'ব নোখোজা হেমিংওৱেই শেষ বয়সত বাৰ্দ্ধক্যৰ কবলত শয্যাশায়ী, হৈ নাথাকি ১৯৬১ চনৰ জুলাই মাহৰ ২ তাৰিখে ইডাহোত থকা কেট্চাম নামৰ চহৰত নিজা বাসভৱনত হেমিংওৱেই নিজৰ বন্দুকৰ গুলীৰে আত্মহত্যা কৰি নিজ জীৱনৰ সামৰণি মাৰে।

লেখক স্নাতক তৃতীয় বৰ্ষ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ ।



# THE STRANGER : CAMUS' PHILOSOPHY OF THE ABSURD

Pabitra Bharali.
Lecturer Dept, of English

*"I was a stranger, and ye took me in ".*

*(The Bible : Matthew : xxv - 35 )*

Yes, Albert Camus (1913- ' 60 ), one of the youngest Nobel laureates, is a kind of stranger - a strange person for his philosophy of the absurd ; and we took him, or, he came to be taken, as one of the greatest writers of the 20th century. When he died on the fourth January, 1960, undergoing an automobile - accident and his injured body was taken out of the broken car , a railway ticket was discovered in his pocket for the same journey. This faithfully represents his philosophy of life that, life is absurd.

Camus is often bracketed for publicity purposes with Simone de Beauvoir and Jean Paul Sartre as an existentialist. All these three French writers possess a certain kind of Philosophy which they project in plays and novels . They view each man as an isolated being cast ignominiously into an alien universe possessing no inherent human truth, value or meaning ; represent life as nothingness from the alpha to the omega and just as an existence only which is both anguished and absurd. Camus holds very interesting views about "absurde" which represents an attitude towards life and death shared by many people in our times. In Le Mythe de Sisyphe (The Myth of Sisyphus ) he said -

"In a universe that is suddenly deprived of illusions and of light , man feels a stranger. He is an irremediable exile..... The divorce between man and his life, the actor and his setting , truly constitutes the feeling of Absurdity".

This forms Camus' professed philosophy. In dealing with such a writer, it is quite natural to look first at the quality of the thought in the novel or the play, taking thought in its widest sense of a total attitude. Camus' rapid rise to celebrity between 1942 and 1945 is unparalleled in the history of French literature. " The Stranger" or The Out sider ( the first is US verson, the second is British verson of L'Etranger) "The Myth of Sisyphus" (Le Mythe de Sisyphe); the two plays - " Caligula" and " The Misunderstanding (Le Malentendu ), together with his " Combat" editorials started his career in meteoric fashion. With the publication of " The Rebel "(L. Homme Revolte , 1951 ), Camus touched off one of the major controversies of the time , at least among western European intellectuals. He struggled against the temptation to yield to the febrile activity in Paris. As Camus says , " Each artist preserves deep down a unique spring which throughout his life, feeds what he is and what he says. I know that , for me, this spring is in the world of poverty and light I lived in for a long time". Even when he was crowned with Nobel laureateship is 1957 for "his important literary production, which with clear sighted earnesthess illuminates the problem of the human conscience of the time, Camus never allowed himself to forget that he had once been a lonely child, defenseless against himself and against a paradoxical and often shockingly

brutal world. Thus Camus, like Meursault in his "The Stranger ", is a man perpetually estranged in the world. And this sense of the absurd is central to his novels and plays. Camus, -"The Stranger " was intended as a vehicle for his philosophy of the absurdity of life.

When Camus' " The Stranger" appeared in 1942, it appeared as a stranger. It is said that 'novel' itself is a strange type and latest (hence novel ,the new) to appear in the world of literature; and "The Stranger', from the very title to the end of the story, had something novel and strangeness about it. Almost at once, it became a classic on account of its deceptive facility , of its simplicity of vocabulary and syntax, and of the easy identification which teenager (aren't they themselves strange ?) of any land can achieve with the protagonist. The protagonist here is a new romantic hero who defies society and dies persecuted by it. And the strangeness lies in the character of the protagonist.

Camus poured his obsession with what he considered as the absurd, his rebellion against conventionality and his questioning of the bourgeois or capitalist or more generally , human justice. Because he felt personally involved in his creation, and like any creator, instilled life into the protagonist, Camus banished all sentimentality-tenderness in sexual relationship or in friendship, repentance tinged with Christian undertones etc. Again Meursault, the protagonist, in truth, is hardly a three dimensional character. He has no past, nor any link with the past. He has neither his mother's nor childhood memories , nor any memory of the race or sense of belonging to a culture. He has no interest in his work or affection for the Arabs among whom he was grown. Nor has he any 'Project' ambition or desire for the future , still less, obviously, for an after life.

The incidents of Meursault's uneventful life are few. A clerk in a small commercial firm in Algiers, he leads the drab existence of many characters in naturalist fiction. Three years ago he had put his mother into a home for the aged at Marengo for the simple reason, as he states it, that they had nothing more to say to each other. When the novel begins , his mother has just died. He attends the funeral, but is unable to shed tear or feel any emotion ; also unwilling to magnify an almost non existent feeling by translating it into words. The very next day , on his return to Algiers, he goes to a swimming pool where he meets Marie, a former typist in his office. They then go to witness a comic film in the evening and later to bed. He sees her again the following weekend and at lunch time she asks him if he loves her. The question was meaningless to him; he answers that he doubts he does. The girl would like to get married and the hero is willing, but not enthusiastic about it. Before this, Meursault had consented to assist a pimp, Raymond, in a squabble with one of his female victims. They strike up a friendship and with Marie go to a friend's bunglow on the beach. They were followed there by a group of Arabs, friends of the injured woman's brother. There is a fight, the Arab slashes Raymond, but the then they separate, Meursault takes away Raymond's revolver. Later he goes for a stroll and without thinking returns to the spot where they had met the Arabs. The sun is now at its height. The hero is blinded by perspiration and when he sees the glint of the Arab's knife, he shoots him and empties the revolver into his dead body.

All these are faithful evidences of the absurdity in the protagonist's's character leading to strangeness. While at his mother's death he should feel deeply sad and avoid other business, Meursault is doing the otherway, and yet without any sentimentality. Even, he says, he shot the Arab only being disturbed by the heat of the sun. The reader is more astonished in Meusault's reactions when the latter is thrown into jail for killing the Arab. The case might possibly have ended there with the verdict of homicide in extenuating circumstances. But the protagonist's answers to the examining magistrate shocked the latter's Christian feeling. So the magistrate extends his enquiries to the events preceding the murder. The investigators are puzzled and ill -disposed, for the 'stranger' had failed consistently to show normal social reactions. It is taken as a bad sign that he evinced no grief after his mother's death. The examining magistrate asks him if he had loved his mother. He answers very casually 'like every body else, yes' He never analysed, or could never analyse his reactions. God has never meant anything

to him. So all the happenings since his mother's death onwards take on a new meaning. This is fully brought out at the trial scene where he secures his own condemnation by sticking to what he believes to be the truth. Back in his prison cell, he becomes a little more self-aware. He concedes, when finding the whole proceedings rather ludicrous, "after all I was the criminal'. His reaction mounts to angry indignation when the chaplain visits him. He refuses to receive the consolation of religion, and assaults the chaplain. His last wish is for a huge crowd to witness his execution.

There are three arguments to be considered here; firstly, certain things usually considered important are really unimportant : the prison chaplain is unimportant to Meursault; secondly, there are certain values, but it is a matter of indifference whether we pursue or neglect them; and thirdly behind the confident affirmation there is a belief in certain positive values which remain unaffected by the inevitability of death.

But how are we to take the hero ? The public prosecutor describes him as a monster. One critic opines that the stanger himself represents the drying up of all the bourgeois source of sensation and the complete decadence of Renaissance man; he is a "poor white" ......Other critics have made a fuss over the lack of inner life displayed by the hero , while the Scrutiny critic H.A. Mason regards the lack of self conscious reflection as a device of concentration.

Meursault should be taken to be the worthy representative of a serious attitude to life. He has no illusions about romantic love ...... or about marriage. He is indifferent to travelling and living in Paris; even killing. Consequently the extra bullets he had fired into the corpse do not in his eyes require explanation . The murder inspires no regret in him. He regarded it as quite normal to forget people once they were dead.

Another question of importance is Meursault's religions belief. He does not know what sin is . The desire of an after life is unimportant for him . It is so because Meursault is the product of an author who believed that 'in its essence Christianity is a doctrine of injustice . It is founded on the sacrifice'.(The Rebel). Curiously enough Camus has not estranged himself from Christian readers. It may be due to the fact that Christian thinkers have not realized the full import of what he said about the Christian faith. Whatever may the reason be, the interesting thing is that , when Christians pick up the works of such a man as Sartre, it is largely with a mind to refute; but when they pick up the works of Camus, it is with a mind to learn. It may be that Camus is first of all a philosopher with serious moral and religions concerns, and all his literary productions serve as functions of these concerns. For the Christian ultimate character of the universe is good and in this he finds his hope and the ability to transcend and accept , to a degree the evil in the world; while for Camus, the ultimate character of the universe is evil and that consequently men are always threatened ; whatever goodness there be in life, it is in men, and this goodness is created in the struggle of men to preserve and enlarge the area of goodness. Value and truth lie within men . Men become conscious of salvation because of the threatening of the world. These are certainly some strange and interesting attitudes. The more so in his depiction of man's life as a 'trial'. In the face of the threatening character of the world, Camus calls men to revolt. And this call to revolt is nothing but a call to create, to transform the inhumanity of the world into the image of man, to humanize what is inhuman-in short, to civilize. This forms the 'new humanism' put forth by Camus- a humanism whose final and only goal is the defending of uncertain and mortal lives of men. As Camus says, "Man is that force which always ends by holding off gods and tyrants'. In the Myth of Sisyphus, Camus said,' The individual can do nothing ". and yet he can do everything. The Plague' (La Peste) reaffirms the samething on the level of 'we'. The plague calls for united action at a time when danger itself is our last refuge.

The implications of these later novels are to be met in "The stranger " itself and it continues to be one of the most Significant works in 20 th century literature for its theory of absurdity of life and rebellion against the febrile activities prevailing in society.

**Importance And Relevance of Oil Conservation**

# Towards Economic And Industrial Growth Of India And World - Wide.

- Mousumi Kalita.

"Oil is Precious, Save It". We may very often see this apparently simple message splashed across banners at various places. But it is not so simple as it sounds. Behind the message is a lurking fear that Oil reserves may run out one day. Today life is almost unimaginable without oil. No other single commodity has had such a tremendous influence on human society. Mineral oil, which passes for petrol and diesel in common parlance, has become the most important lubricant for smooth running of the nation and the individual in this economic friction led age.

Oil has shaped civilization since the ancient times. Oil is usually associated with gas in varying proportions known as gas oil ratio depending upon its chemical nature and physical condition of its occurrence like trap, depth and temperature. Pressence of gas in oil makes oil mobile and easily recoverable. There is generally a layer of gas on the top called a gas cap. The down stream products of crude oil on distillation and processing are varied and numerous. Some of the well known ones are fuel gas, petrol, domestic gas, naphtha, kerosene, diesel, fuel oil, lubricants, waxes and tar. Amongst others are fertilizers, organic chemicals, industrial chemicals, drugs, detergents, insecticides, household containers, clothes, building materials and synthetic rubber. Even proteins, an essential part of food are synthesized from oil. Without oil, ships, trains, aeroplanes and industries will come to halt. Today, we find a continuous increase in the demand for petroleum products.

Causes for increase in the demand for petroleum-products can be pointed out as below;-

***A) Areas where it is demanded.***

1) Transport sector.
2) Industry sector,
3) Agriculture
4) Domestic sector.

***B) - Rise in Population.***

- Industrial growth
- Boom in Automobile Industry (particularly two wheelers)
- Rise of Indian Middle Class.
- Emergence of consumerism.
- Modernisation of Agriculture sector.

What conservation means ?-

1. **<u>In Industry :</u>**

* Use of waste heat for generation of stream.
* Automation
* High efficiency equipment (viz. Boilers,-Furnaces)
* Productive and preventive maintenance.
* To reduce leaks in fuel oil carrying pipelines.
* Extensive use of pipeline transportation of products in petroleum sector.
* Electrical traction in railways.
* Quality of industrial fuel is also essential.

2. **<u>Agriculture</u>** :


* Proper handling of DG sets.
* Use of electricity for irrigation . etc.

3. **<u>Domestic</u>** :

* Burning less oil.
* Use of good stoves are the sure means of saving fuel. They are the devices which regulate the burning of fuel and thus release heat from burning.
* Both gas stoves and kerosene stoves should burn with neat and clean flames.
* By far, gaseous fuels such as LPG and Gobar gas are cleaner burning fuels than kerosene.
* Use pressure cooker of right size. A large sized

cooker as well as heavy vessels of thick metals consume more fuel.

The theme 'conserve petroleum for Economy and Environment' aptly highlights the objective of oil conservation. The conservation of a high value product like lubricating oil obviously becomes much more relevant in view of its impact both on economy and pollution control. It is common that the lubricating oil used in service gets consumed as a result of leaks, evaporation and turning into a waste or unusable product by contamination and degradation. The key to conservation of lubes thus lies in keeping these fundamental aspects in mind. Some of the aspects, which can be helpful in significantly reducing the lubricating oil consumption and planning for its judicious disposal after use, keeping the cost economics and environmental - imperatives in mind, are highlighted.




1. **Use the right lubricant** :- The first step for correct lubrication as well as conservation of lubricants is to ensure the selection of the right lubricant. It is advisable to seek guidance from the equipment manufacturers or the lubrication specialists of reputed oil companies for the recommendation of the correct grade, more so, to reduce the inventories and undertake rationalisation of grades for the plant.

2. **Have a Watchful eye on every drop** : It is essential for conservation of lubrication oil to make sure that every drop of oil is being efficiently and effectively used before it is drained out. It is necessary to observe and prevent oil less due to leaks, spills, overtop up or over flows, waste and misuse of oil due to the habit of neglecting the small quantities left over in the dispensing cans and containers. Steps must be taken to immediately repair or replace the cracked / broken/damaged covers, joints, gaskets, glands/ packings or seals.

3. **Ensure cleanliness of oil and Purification of lubrication system** :- Contaminants find their way into the lubricating oil system either through improper storage or use of unclean transfer vessels and oiling equipment, due to the neglect of the need for flushing of system before the first oil charge; or due to the absence /damage of the air/breather filter/strainers. It is necessary to store the products in the correct position in drums to reduce breathing of water or moisture. The ingress of external contaminants like dust, water, process fluids and wrong oil top ups, or the generation of contaminants within the equipment such as fuel dilution, fuel combustion and fuel / lube oxidation product, and wear particles etc. lead to faster deterioration of the oil and degradation of its performance. It is desirable to take precautions to ensure the cleanliness of the lubrication system not only to start with but also to maintain a close watch on the operating parameters and general operating conditions and follow the necessary maintenance schedules including timely oil top ups to prevent premature deterioration and degradation of oil. If possible, one

may consider setting up a bypass centrifuging /filtration system, if not already existing to extend the life of the oil charge.

4. **Use Multigrade Engine Oils** : With the use of multigrade engine oils, the cranking and starting of the vehicles become easier and engine warm up becomes faster especially under law ambient temperatures. This helps in both presenting the wastage of fuel and dilution of the oil charge and its contamination with the unburned /partially burnt fuel which often results from prolonged engine cranking and the need for frequent application of choke. Besides, the faster flow of oil in the lubrication system and the early establishment of oil film between the rubbing components, made possible by the multigrade oils also, reduces the wear of engine components during the starting period, when it is the highest. This further helps in reducing the contamination of the oil charge and thus preventing the deleterious effect on oil drain period.




5. **Prevent premature Oil drains** : Drain oil only when it becomes unfit for further use. Regularly monitor the condition of oil in use and avoid draining on fixed running hour/kilometer basis . Take advantage of the services offered by the oil companies for providing the analysis through their oil condition monitoring programmes.

6. **Use genuine recommended oils and spare parts**: The use of spurious spare parts and oil may both contribute to increased wear and reduced components and oil life or even serious failure/breakdown of equipment. It is advisable to consult the original equipment manufacturer or a reputed oil company for guidance and advice for the proper selection of a lubricant for the equipment and rely only on the genuine products marketed through their retail outlets / agencies.

7. **Switch over to semi - fluid grease** : There may be times when it is beneficial to switch over from oil to semi fluid grease. This approach can be helpful, if perpetual leakage problem is observed , in systems like heavy gear bon units which can neither be easily replaced nor repaired because of the imperatives of the plant operation. Nevertheless it is advisable to consult a lubrication specialist for the recommendation of a proper grade of grease for this purpose.

8. **Use high performance-energy efficient /long drain engine and Industrial oils** : High performance engine and industrial oils are fortified with additive systems which provide better protection against deposit and wear and can thus be used for longer periods than the standard oils recommended by the equipment manufacturers with the traditional drain periods. Synthetics offer further advantages in this respect in terms of reduced evaporation loss, superior oxidation thermal stability and antiwear characteristics and hence overall oil drain and overhaul periods. Several such products like servo Pride Super (for automotive diesel vehicles), servo Prime LL (for turbines) servo Synco E (for rotary compressors), etc are currently available in the standard Servo product range of Indian Oil for different applications.

9. **Investigate high lube oil spare parts consumption and component failures** : Another important step in lubricating oil conservation is to maintain regular record of consumption of lube oil and spare parts, to be able to analyses and investigate the causes of abnormal trends observed, if any.

10. **Open for the new improved technologies :** The ultimate in lube conservation are the "filled for life" or

the oil free equipment and systems. The innovative, creative and committed conservationists must remain open and keep exploring, and be ever ready to adopt the newer inventions that offer opportunities for upgradation of the existing technologies and the introduction of newer equipment, products and processes which help to conserve materials, energy and lubricants and demand fewer attention for operation and maintenance.

### *WORLD PETROLEUM SCENARIO*

Total proven Reserve =137 Billion Metric Ton
Consumption Pattern = 3000 MMT / YR
WORLD Oil CONSUMPTION =16%
(Growth between 1985 to 1995 ).
At this rate oil Reserve will be exhausted in another 45 to 50 years.

### *INDIAN PETROLEUM SCENARIO*

Proven Reserve =800 MMT
Present Production rate =35 MMT/YR
Expected Production Rate
in next five years = 40MMT/YR
At this rate OIL Reserve will last only for the next 20 years.

### *ASSAM PETROLEUM SCENARIO*

Proven Reserve =158 MMT
Present Production Rate = 5 MMT
At this rate it will last only 32 years.

### *PRODUCTION, REFINING Vs CONSUMPTION SCENARIO IN INDIA*

| Year | Domestic Production (MMT) | DEMAND (MMT) | REFINING CAPACITY |
|---|---|---|---|
| 1991-92 | 30.35 | 56.97 | 52.05 |
| 1992-93 | 26.95 | 58.90 | 52.86 |
| 1993-94 | 27.17 | 61.50 | 52.86 |
| 1994-95 | 32.24 | 67.40 | 55.50 |
| 1995-96 | 35.20 | 74.40 | 58.00 |
| 1996-97 | 36.31 | 80.90 | 61.55 |
| 2001-02 | 38.69 | 112.80 | 85.00 |
| 2007-08 | 39.61 | 155.30 | 115.00 |

### Effect on Economy (1996-97)

| Crude | MMT | Amount. Rs crore |
|---|---|---|
| | 34 | Rs 18,000.00 |
| Products | 20 | Rs 15,000.00 |
| Total | 54 | Rs 33,000.00 |

To sum up, as citizens, we all must have responsibility to save our valuable foreign exchange by saving petroleum oil and utilize the fund for eradicating poverty in the poor country. The old maxim, ***"OIL IS WHERE YOU FIND IT"*** still holds good. Preservance is what is needed here. After all, the world today runs on oil.

( Student, Dept. of English, TDC 2nd year )

# আমাৰ আচল পৰিচয় কিহত ?

সঞ্জনা মৌৰ্য

মানুহৰ আচল পৰিচয় কিহত ? মহাজাতীয়তাত নে জাতীয়তাত? আমি প্ৰজাতি, শ্ৰেণী, ভাষা, ধৰ্ম, জাতি আৰু জনজাতি ৰূপেই আমি নিজৰ পৰিচয় দিব পাৰো নে আমাৰ আচৰণত প্ৰকাশ পোৱা প্ৰেম, কৰুণা, সমতা ন্যায়, শান্তিপ্ৰিয়তা আদি মানবীয় মূল্যবোধত অথবা নিজৰ অন্তৰ্নিহিত শক্তিৰ বলেৰে আহৰণ কৰা জ্ঞান বিজ্ঞান আৰু কলা কৃষ্টিত । নিজৰ বিষয়ে মানুহৰ এই অনন্ত জিজ্ঞাসা চিৰন্তন । কেতিয়াবা বাটত, কেতিয়াবা আন ঠাইত মানুহে নিজৰ পৰিচয় বিচাৰি যায় । প্ৰয়োজন অনুসৰি মানুহৰ পৰিচয় জিজ্ঞাসাই ৰূপ লয় । কিন্তু এই পৰিচয়বোৰ সুকীয়া সুকীয়াকৈ ললে মানুহৰ খণ্ড ৰূপহে আমি দেখা পাওঁ । এই খণ্ড ৰূপবোৰত ধৰি থাকিলে মন সংৰক্ষণশীল হয় আৰু সংৰক্ষণশীলতাই মানুহ আৰু মানুহৰ মাজত বিভাজন আনি দিয়ে । এই খণ্ড ৰূপবোৰত ধৰি নাথাকি যদি আমি সেইবোৰ অতিক্ৰম কৰি মানুহৰ পূৰ্ণ আৰু অখণ্ড ৰূপ চাই প্ৰকৃত পৰিচয় লাভ কৰিব খোজো, তেন্তে আমাৰ মন হব লাগিব গতিশীল । গতিশীলতাই আমাক অজ্ঞানৰ পৰা জ্ঞান, আন্ধাৰৰ পৰা পোহৰ আৰু মৰণশীলতাৰ পৰা অমৰত্বৰ অভিমুখে গতি কৰিবলৈ শিকায় । সেইবাবে বহুতে এই গতিশীলতাতে মানুহৰ সাৰ্থক পৰিচয় দেখা পায় । মানুহৰ জ্ঞান, কৰ্ম আৰু ভাব স্থিতিশীল নহয় । খণ্ডিত অভিজ্ঞতাৰ ফলত খণ্ড জ্ঞান উপজিব পাৰে । আমাৰ বহুত জ্ঞানেই খণ্ডিত । সেইবাবে দৰ্শনৰ প্ৰয়োজন । দৰ্শনে বিভিন্ন খণ্ড জ্ঞানক একত্ৰিত কৰি এক অখণ্ড জীৱন - দৃষ্টি বা বিশ্ব - শিক্ষা প্ৰদান কৰে ।

আজি ভাৰত আৰু অসমত এনে অখণ্ড দৰ্শনৰ অভাৱ । আমাৰ সমাজবাদ আৰু মানৱতাবাদো এনে অখণ্ড দৰ্শনৰ আধাৰত প্ৰতিষ্ঠিত হোৱা নাই । সমাজবাদে শ্ৰেণীবিভেদ অন্ত পেলোৱাৰ ওপৰত জোৰ দিয়ে । এই বিভেদ অন্ত পৰিলে বাকীবোৰ বিভেদ আপোনা - আপুনি কমি যাব বা সহনীয় হৈ উঠিব বুলি সমাজবাদীসকলৰ বিশ্বাস । মানৱতাবাদৰো তেতিয়া অবাধ - স্ফুৰণ হব আৰু মনুষ্যত্বৰ বিকাশ দ্ৰুত হৈ মানুহ সম্পূৰ্ণতাৰ অভিমুখে গতি কৰিব । সমাজবাদী মানৱতাত বিশ্বাসী সকলে এই কথাত বিশ্বাস কৰে । কিন্তু কমিউনিষ্ট দেশসমূহত প্ৰজাতি, ধৰ্ম, ভাষা আদিৰ সমস্যা নাইকিয়া হৈছে বুলি কব নোৱাৰি । ছোভিয়েত ৰাছিয়াত টাটাৰ লাটভীয় আৰু কাজাখী প্ৰজাতিসকলে বিক্ষোভ প্ৰৰ্দশন কৰিছিল । চীন দেশত তিবৃতীসকলে কৰা বিক্ষোভৰ কথা আমি জানো । ছোভিয়েত ৰাছিয়াৰ পৰা ইহুদীসকলৰ ইজৰাইল গমন এটি ধৰ্মীয় সমস্যা বুলিয়েই গণ্য কৰিব লাগিব । ইংলেণ্ডত আইৰিচ আৰু স্কট প্ৰজাতিৰ সমস্যা, কানাডাত ফৰাচী ভাষা - ভাষীৰ সমস্যা , দক্ষিণ আফ্ৰিকাত বগা আৰু কলাৰ সমস্যা, শ্ৰীলংকাত তামিল সমস্যা, ফিজিত ফিজীয় আৰু ভাৰতীয়ৰ সমস্যা. এইবোৰ বিভিন্ন ধৰণৰ সমস্যাৰ উদ্ভৱ শ্ৰেণী বিভাজনত নহয়, প্ৰজাতি, ধৰ্ম, বৰ্ণ, ভাষা আদি বিভাজনৰ ভেটিত । আমাৰ ভাৰতবৰ্ষত এই বিভাজনবোৰে নানাভাৱে নানা ৰাজ্যত মূৰ তুলি উঠিছে । এই ধ্বনিবোৰৰ লক্ষ্য হ'ল নিজ পৰিচয় সাব্যস্ত কৰি জাতীয় বা মহাজাতীয় পৰিবেশত নিজৰ গোটটোৰ মানুহৰ বিকাশৰ পথ মুকলি কৰা । যিবোৰ গোট, অধৈৰ্য্য হৈ পৰিছে, সেইবোৰে ৰাজ্যৰ পৰা বা ৰাষ্ট্ৰৰ পৰা ফাটি গৈ সুকীয়া ৰাজ্য বা ৰাষ্ট্ৰ গঢ়াৰ কথা ভাবিছে । যিবোৰ গোটে ফাটি যোৱাৰ কথা ভবা নাই , সেইবোৰে নিজ নিজ পৰিচয় সাব্যস্ত কৰিবৰ বাবে যত্ন কৰিছে । এই যত্ন কেতিয়াবা বিপথে পৰিচালিত হৈছে । এনে বিপথগামী শক্তিবোৰ সাধাৰণতে সংৰক্ষণশীল হয় । তেওঁলোকে অন্যগোটৰ গতিশীল শক্তিবোৰৰ লগত একেলগ হৈ বিভিন্ন বিভাজনৰ মূলত থকা অন্যায়বোৰ গুচাবলৈ আগবাঢ়ি নাহে । ইয়াৰ একমাত্ৰ কাৰণ অন্য গোটৰ সংৰক্ষণশীল শক্তিবোৰৰ মনৰ বিভাজন গুচাবৰ বাবে আগ্ৰহৰ অভাৱ । ইয়াৰ ফলতেই

সমাজত হিন্দু মুছলমান সংঘৰ্ষ, হৰিজন নিষ্পেষন, জনজাতীয় ভাষাৰ বিকাশৰ পথত বাধা আৰু আন্তঃপ্ৰজাতীয় মনোমালিন্যৰ সৃষ্টি হৈছে । সংৰক্ষণশীল শক্তিবোৰ কেতিয়াও একগোট হ'ব নোৱাৰে । কিন্তু নিজ প্ৰভুত্ব ৰক্ষাৰ জোখাৰে তেওঁলোক এক হবলৈ সততে সাজু । ইয়াৰ ফলত ইয়াৰ দ্ৰুত যোগাযোগৰ দিনত এই শক্তিবোৰে আন দেশত থাকিও কোনো এখন ৰাষ্ট্ৰৰ ভিতৰৰ বিভাজনৰ শক্তিবোৰক উৎসাহ যোগাবলৈ কুণ্ঠিত নহয় ।

ভাৰতবৰ্ষৰ চৰকাৰ পৰিচালনা কৰে সংৰক্ষণশীল শক্তিসমূহে । এই শক্তিসমূহে সংবিধান, বৰ্তমানৰ আৰ্থ-সামাজিক অৱস্থা আৰু নিজ দলৰ একাধিপত্যত বিশ্বাস কৰে আৰু প্ৰগতিশীল পৰিবৰ্তনত বাধা আৰোপ কৰে। এইবোৰ শক্তিয়ে দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বিদ্বেষ নীতিক নিন্দা কৰে কিন্তু ভাৰতৰ অস্পৃশ্যতা নিৰ্মূলত বিশেষ একো মৌলিক পৰিবৰ্তন আনিব পৰা নাই । নিজ দেশত শ্ৰেণীবিভাজন নিৰ্মূল কৰাৰ বাবেও ইয়াৰ কোনো কাৰ্যসুচী নাই । কিন্তু পৃথিবীৰ ধনী দেশবোৰৰ আধিপত্যৰ বিৰুদ্ধে ই সততে মাত মাতি আহিছে । কিন্তু নিজৰ দেশত দুখীয়া শ্ৰেণীবোৰৰ লগত ধনী শ্ৰেণীবোৰৰ বাঢ়ি অহা ব্যৱধান নিৰ্মূলৰ বাবে তেওঁলোকৰ বিশেষ কাৰ্যসূচী নাই । ভোটদান সাধাৰণ মানুহৰ মত প্ৰকাশৰ এটি বাহন । কিন্তু নিৰ্বাচনত টকাৰ, ক্ষমতাৰ আৰু প্ৰচাৰ কাৰ্যৰ ইমান অবাধ খেলা যে ভোটাৰ সকলে বিভ্ৰান্ত হৈ জাত, ধৰ্ম, ভাষা বা জনজাতিৰ নামতহে ভোট দিয়ে । ৰাজনৈতিক চিন্তাৰ লগত যে সকলো মানুহৰ সৰ্বাংগীন উন্নতিৰ সম্পৰ্ক আছে । এই কথা আমৰ বহুতেই উপলব্ধি কৰিব নোৱাৰাত পৰিছো । ফলত সাম্প্ৰদায়িকতাবাদ, ধৰ্মবিবাদ ভাষাৰ কাজিয়া আৰু বিবিধ বিছিন্নতাৰ কবলত পৰি জাতিটোৱে জীয়াতু ভুগিছে ।

*জীৱন দৰ্শনে পূৰ্ণ মনুষ্যত্ব বিকাশৰ সুযোগ আমাক দিব লাগিব । পৰিবৰ্তনৰ পন্থা সম্পৰ্কেও ই আমাক যুগোপযোগী নিৰ্দেশ দিব পাৰিব লাগিব । এনে জীৱন দৰ্শনৰ অবিহনে নেতৃত্বৰ উত্থান অসম্ভৱ ।*

দেশত গতিশীল বিকাশৰ দৰ্শনত বিশ্বাস কৰা নতুন শক্তি এটা নোলোৱালৈকে দেশৰ ৰাইজক বিভক্ত কৰা বিবিধ বিপথগামী শক্তিবোৰক নিয়ন্ত্ৰণ কৰা টান । বিভিন্ন ৰাজ্যত আঞ্চলিক একতাৰ শক্তি কিছুমানৰ জন্ম হৈছে । এনে শক্তি অসমতো জন্ম হৈছে । এই শক্তিবোৰ এতিয়াও প্ৰতিবাদ ধৰ্মী হৈয়েই আছে । কেন্দ্ৰৰ সংৰক্ষণশীলতাৰ বিৰুদ্ধেই এই প্ৰতিবাদ । কিন্তু মহাজাতীয় আৰু জাতীয় সংহতি সাধি বিভিন্ন বিভেদবোৰৰ ধ্বংসাত্মক সম্ভাৱনা নাশ কৰা আৰু বিভেদসমূহক একতাৰ বিপুল বৈচিত্ৰ্যলৈ ৰূপান্তৰিত কৰাৰ বৈপ্লৱিক প্ৰয়াস পৰিলক্ষিত হোৱা নাই । এসময়ত কংগ্ৰেছ শক্তিটো আঞ্চলিক শক্তিবোৰৰ সমন্বয়ৰ যোগেদিয়েই গঢ় লৈ উঠিছিল । আজি এই শক্তিটোৰ সংহতি সাধিকা শক্তি লোপ পোৱাৰ দৰেই হৈছে । কাৰন যি জীৱন দৰ্শনৰ বলত ই একতাৰ শক্তি আহৰণ কৰিছিল , সেই জীৱন দৰ্শন দিছিল ঘাইকে মহাত্মা গান্ধীয়ে । সেই জীৱন দৰ্শনত কংগ্ৰেছে আজি বিশ্বাস নকৰে, ই মূলতঃ সংৰক্ষনশীল শক্তি সমূহত বিশ্বাসী ।

জীৱন দৰ্শনে পূৰ্ণ মনুষ্যত্ব বিকাশৰ সুযোগ আমাক দিব লাগিব । পৰিবৰ্তনৰ পন্থা সম্পৰ্কেও ই, আমাক যুগোপযোগী নিৰ্দেশ দিব পাৰিব লাগিব । এনে জীৱন দৰ্শনৰ অবিহনে নেতৃত্বৰ উত্থান অসম্ভৱ । সংহতি সাধণৰ বাবে এসময়ত আমাৰ দেশত ৰাজাৰামমোহন ৰায়, বিদ্যাসাগৰ, বিবেকানন্দ, তিলক, মহাত্মা গান্ধী, নেহৰু, জয়প্ৰকাশ নাৰায়ণ আদিয়ে যি সাধনা কৰিছিল, নতুন আঞ্চলিক শক্তিবোৰে তদ্ৰুপ আৰু সময়োপযোগী সাধনাত প্ৰবৃত্ত হব লাগিব । ভূকুতে কল নপকে । জ্ঞান, কৰ্ম আৰু ভাব সকলোতেই এই শক্তিবোৰ আগবঢ়া হ'ব লাগিব । নতুন যুগৰ সাহিত্য সংস্কৃতিও বিকশিত হ'ব নতুন জীৱন দৰ্শনে দিয়া আলোকৰ স্পৰ্শত ।

অসমৰ প্ৰজাতি, জাতি, ভাষা, জনজাতি আদিৰ সমস্যা সমাধানৰ পথো এই ৰাজপথেদিয়েই । সমাধানৰ কোনো চমু পথ নাই । অসমৰ ৰাইজ আৰু যুৱক শক্তিয়ে নতুন জীৱন দৰ্শনৰ সাধনা কৰক ।

লেখিকা ঃ স্নাতক দ্বিতীয় বৰ্ষ (অৰ্থনীতি বিভাগৰ) ছাত্ৰী ।

"আইদেউ সন্দিকৈৰ জীৱনৰ এটি চমু বিৱৰণ"

# "আইদেউ সন্দিকৈৰ জীৱনৰ এটি চমু বিৱৰণ"

মধুমিতা চাংমাই

অসমীয়া ৰাইজৰ মাজত আইদেউ সন্দিকৈ হৈছে এক সুপৰিচিত নাম । কলা - সংস্কৃতি জগতৰ তেখেত এগৰাকী স্বনামধন্যা ব্যক্তি । ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া কথাছবি "জয়মতীৰ নায়িকা আছিল আইদেউ ।

আইদেউ সন্দিকৈৰ জন্মৰ চন আৰু তাৰিখৰ সঠিক ৰূপ উলিয়াব পৰা নাই যদিও ১৯২০ চনৰ চ'ত মাহত তেখেতে জন্ম গ্ৰহণ কৰে বুলি ধৰা হয় । আইদেউ সন্দিকৈৰ জন্মস্থান হ'ল গোলাঘাটৰ বেতিয়নী অঞ্চলৰ সন্দিকৈ গাঁৱত । তেখেতৰ পিতৃ নীলাম্বৰ সন্দিকৈ আৰু মাতৃ মালক্ষী । আইদেউ সন্দিকৈ আছিল মাক দেউতাকৰ প্ৰথমা সন্তান । সেই সময়ত স্কুল কলেজ কম থকাৰ উপৰিও ছোৱালীসকলৰ শিক্ষা দীক্ষাত বেছি গুৰুত্ব নিদিয়াৰ বাবে আইদেউ সন্দিকৈয়ে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে ।

কিশোৰী কালৰ পৰাই আইদেউ আছিল তেনেই সহজ- সৰল স্বভাৱৰ । গাভৰু হৈ অহাৰ লগে লগে আইদেউ হৈ পৰিল সকলোৰে চকুত লগা এগৰাকী সুন্দৰী যুৱতী । ঘূৰণীয়া মুখ, লাহি কঁকাল, আঠুলৈ বৈ থকা চুলি, নীলি নয়নেৰে সকলোফালৰ পৰা তেখেত আছিল ধুনীয়া জ্যোতি প্ৰসাদৰ ভাষাত "সম্পূৰ্ণ আহোম গঢ়ী" ছোৱালী আছিল আইদেউ । এগৰাকী অসমীয়া জীয়াৰীয়ে যিবিলাক কাম জানে, সেই সকলোবোৰ কামত আছিল আইদেউ পাৰ্গত । বোৱা কটা, ৰোৱা তোলা, মাছ - মৰা আদি কামত আছিল কাঁজী । শুনিবলৈ আচৰিত যদিও আইদেউ সন্দিকৈয়ে খৰি ফলা, জেওৰা দিয়া, পাচি - খৰাহি, ডলা সজা আদি কামো কৰিছিল ।

বৰ্তমান সকলো মানুহেই অভিনয়ক সদ্‌ভাৱে গ্ৰহণ কৰে যদিও; আইদেউ সন্দিকৈৰ দিনত এই অভিনয়ক মানুহে ঘৃণাৰ দৃষ্টিৰে চাইছিল । সেই সময়ত নাচ - গান কৰি ফুৰা ছোৱালীক "ভ্ৰষ্টাচাৰী" বুলি অভিহিত কৰিছিল।

সাধাৰণতে আমাৰ জানিবলৈ ইচ্ছা হয় যে, অভিনয়ক ইমান বেয়া দৃষ্টিৰে চোৱা সত্বেও কিহে বাৰু আইদেউক এই দিশৰ বাবে প্ৰেৰণা যোগালে ? হয়তো তেখেতৰ হৃদয়ৰ মাজত লুকাই থকা দেশপ্ৰেম তথা আত্মবিশ্বাসেই আছিল ইয়াৰ প্ৰেৰণা । তেখেতে এই কাৰ্য্যৰ দ্বাৰা সেই সময়ৰ কু সংস্কাৰ সমাজৰ পৰা আঁতৰাই পেলাব বিচাৰিছিল । তেওঁ সেই কাৰ্য্যত তেতিয়া জয়ী হ'ব নোৱাৰিল যদিও, বৰ্তমান তেওঁ জয়ী ।

জ্যোতি প্ৰসাদ আগৰৱালাই অসমৰ কলা সংস্কৃতি, ঐতিহ্য আদি অসমবাসীৰ মাজত বিলাব বিচাৰি নিৰ্মাণ কৰিছিল প্ৰথম অসমীয়া কথাছবি "জয়মতী" । আহোম শাসনৰ ল'ৰা ৰজাৰ দিনত গদাধৰ সিংহৰ পত্নী জয়মতীৰ ওপৰত কৰা অত্যাচাৰৰ ওপৰতে ৰচনা কৰি উলিওৱা হৈছিল ইয়াৰ কাহিনী । টকা, পইচা তথা বিভিন্ন সমস্যাৰ উপৰিও সেই সময়ত অভিনেত্ৰী পোৱাটো আছিল মূল সমস্যা । কাৰণ কোনো ছোৱালীক এই

কামৰ বাবে অনুমতি নিদিছিল ।

জ্যোতি প্ৰসাদে অভিনেতা, অভিনেত্ৰী বিচাৰি “বাতৰি” (বাগ্মীবৰ নীলমণিফুকনৰ) আৰু “তিনিদিনীয়া”’ত বিজ্ঞাপন দিয়ে । এই বিজ্ঞাপনৰ ওপৰত বহুতো পুৰুষে আবেদন কৰে যদিও এগৰাকী মহিলাৰো আবেদন নাহিল ।

ডিম্ব গোঁহাই আছিল আইদেউৰ এগৰাকী সম্বন্ধীয় ককায়েক । তেখেতৰ জ্যোতি প্ৰসাদৰ লগত চিনা পৰিচয় আছিল । ডিম্ব আছিল এজন চতুৰ ব্যক্তি । তেখেতে এই কথাছবিত আইদেউক নায়িকা কৰি নিজে এটা চৰিত্ৰ হাত কৰিব বিচাৰিলে । সেয়ে এদিন ডিম্বই আইদেউক চাল কৰি মাকৰ সৈতে মিতিৰ খাবলৈ মাতিলে । ডিম্বই সেই সুযোগতে আইদেউৰ ফটো তুলি জ্যোতি প্ৰসাদলৈ প্ৰেৰণ কৰে । কোনো দিনে কেমেৰা দেখি নোপোৱা আইদেউৱে ফটো তুলি ৰং পাইছিল যদিও জনা নাছিল ইয়াৰ মহিমাৰ কথা । তেতিয়া আইদেউৰ বয়স আছিল মাত্ৰ তেৰ বছৰ ।

এনেদৰে সময় পাৰ হৈ থাকোতেই এদিন ডিম্বই আইদেউৰ ঘৰলৈ আহি জাহাজ চাবলৈ লগ ধৰিলে । মাকেও নিঃসংকোচে পিছদিনা ককায়েকৰ সৈতে আইদেউ আৰু ভায়েক কেশৱক পঠাই দিয়ে ।

সেই সময়ত ধনশিৰিমুখ গোলাঘাটৰ বৰ্হি বানিজ্যৰ কেন্দ্ৰ আছিল । আইদেউ আৰু ভায়েকে পাৰৰ পৰাই বৈ থকা জাহাজ এখন চালে । কিন্তু চতুৰ ডিম্বই ফুচুলাই জাহাজত উঠাই নানান বস্তু দেখুৱালে । ঠিক তেতিয়াই জাহাজখন চলিব ধৰাত আইদেউৱে জাহাজখন ৰখাই দিবলৈ অনুৰোধ কৰে । ডিম্বই অলপ পাছতে জাহাজ খন ঘুৰি আহিব বুলি ফুচলাই থয় । যথা সময়ত জাহাজ ঘাটত লাগিল । তাৰ পৰা এখন ট্ৰাক (লড়ী)ত উঠি তেওঁলোক এখন চাহ বাগিছা পাইছিল । তেতিয়ালৈকে আইদেউৱে জনা নাছিল যে ডিম্ব গোঁহাইয়ে তেওঁলোকক প্ৰৱঞ্চনা কৰিছে । তেওঁলোকে ভয়ত কান্দিবলৈ ধৰে ।

ডিম্ব গোঁহাইৰ নানা তত্ত্ব মূলক কথাৰে আইদেউক শান্ত কৰিবলৈ চেষ্টা কৰে । এহাতে আইদেউৱে মুক্ত বিহঙ্গৰ দৰে অনুভৱ কৰিলে যদিও পিছমুহূৰ্ততে শেঁতা পৰি গৈছিল । ডিম্ব গোঁহাইয়ে যেতিয়া আইদেউৰ আগত তেওঁৰ প্ৰকৃত উদ্দেশ্যৰ কথা কয়; আইদেউৰ মনত তেতিয়া জাগি উঠিল হাজাৰ প্ৰশ্ন । তেওঁক জানো ঘৰত প্ৰবেশ কৰিবলৈ দিব, সমাজে জানো স্বীকৃত দিব ? কিন্তু জ্যোতি প্ৰসাদৰ লগত পৰিচয় হোৱাৰ পাছত জ্যোতিৰ খুৰীয়েকৰ সৈতে থাকিবলৈ পাই আইদেউৰ মন কিছু শান্ত হয় । পিছত ডিম্বই দেউতাক নীলাম্বৰক মাতি আনে আইদেউৰ ওচৰলৈ । দেউতাকৰ বুজনিত আইদেউ সন্দিকৈয়ে অভিনয় কৰিবলৈ মান্তি হয় ।

প্ৰথম আইদেউৰ মুখত ৰং সানে জয়মতীৰ সহকাৰী পৰিচালক “ৰাজেন বৰুৱাই” । এটা দুটা চিত্ৰ গ্ৰহণ হৈ যোৱাৰ পাছত আৰম্ভ হৈছিল মূল অংশৰ চিত্ৰ গ্ৰহণ । এই দৃশ্যটো হ'ল জেৰেঙা পথাৰত জয়মতীক দিয়াৰ শাস্তিৰ দৃশ্য । ভোলাগুৰি বাগিছাৰ পথাৰৰ মাজত এজোপা কেঁটকোৰা গছৰ সন্মুখৰ কাঁইটবোৰ সমানকৈ কাটি জয়মতী অৰ্থাৎ আইদেউক বন্ধা হয় । জয়মতীৰ পিঠিৰ কাষত গাত কোব নপৰাকৈ বান্ধি দিছিল তামোলৰ ধকুৱা যাতে কোবোৱা শব্দ ডাঙৰ হয় । কিন্তু ভুলক্ৰমে চাওদাঙে সচাঁকৈ জয়মতীক কোবোৱাৰ দৰে কোবাবলৈ ধৰে । শেষত আইদেউৰ অৱস্থা অতি শোচনীয় হৈ পৰে আৰু যন্ত্ৰণাত চিঞৰি উঠে । চিকিৎসাৰ দ্বাৰা তেওঁ সুস্থ হৈ উঠে । এই কাৰ্য্যৰ বাবে তেওঁ কিন্তু চাউদাং ৰূপী ফনী শৰ্মাক বেয়া পোৱা নাছিল । বৰ্তমান সময়ত কোনো অভিনেতা বা অভিনেত্ৰীয়ে এনে অৱস্থা কৰিলে নিশ্চয় এৰি নিদিব । ইয়াৰ পৰা বুজিব পাৰি তেখেত কিমান সৰল মনৰ ব্যক্তি । তেওঁৰ মতে, অভিনয়ৰ বাবে বাস্তৱ ৰূপ দিবলৈ এনে হোৱাটো কোনো ডাঙৰ কথা নহয় ।

স্বাস্থ্য ভাল হৈ আৰোগ্য হোৱাত চিত্ৰগ্ৰহণৰ শেষত আইদেউ সন্দিকৈ ঘৰলৈ ঘুৰি যায় । ইয়াৰ লগে লগে আৰম্ভ হয় তেখেতৰ জীৱনৰ নিষ্ঠুৰ দিনবোৰ । বহুত দিনৰ পাছত নিজৰ পঁজালৈ উভতি অহা আইদেউক ঘৰত প্ৰবেশ কৰিবলৈ দিয়া নাছিল । কাৰণ তেখেতে এক ঘৃণনীয় কাম কৰি আহিছে । সমাজে তেওঁক স্বীকৃত দিব নোৱাৰে । তেখেতৰ ঘৰখনকো ৰাইজে এঘৰীয়া কৰে । সকলোৱে কথা শুনি মাকেও আইদেউক গোহালি ঘৰৰ কাষত এটা জুপুৰীত থাকিবলৈ দিয়ে । সমাজৰ

> *এগৰাকী অসমীয়া জীয়াৰীয়ে যিবিলাক কাম জানে, সেই সকলোবোৰ কামত আছিল আইদেউ পাৰ্গত । বোৱা কটা, বোৱা তোলা, মাছ - মৰা আদি কামত আছিল কাঁজী । শুনিবলৈ আচৰিত যদিও আইদেউ সন্দিকৈয়ে খৰি ফলা, জেওৰা দিয়া, পাচি - খৰাহি, ডলা সজা আদি কামো কৰিছিল ।*

মানুহে তেখেতক দেখিলে মুখ ঘুৰাইছিল । অতি দুখৰ বিষয় আছিল যে নৰিয়াৰ সময়ত তেখেতৰ মুখত পানী এটোপা দিবলৈ মানুহ নাছিল । মুঠতে তেখেতে এক বেদনা গধুৰ হৃদয় লৈ জীৱন কটাইছিল ।

কিন্তু লাহে লাহে শিক্ষা গ্ৰহণৰ দ্বাৰা শিক্ষিত হোৱা মানুহবোৰৰ ধাৰণা বেলেগ হয় । নানা হিন্দী ছবি তেওঁলোকে দেখিবলৈ পায় । তেওলোকে বুজি উঠিল আইদেউক তেওঁলোকে অন্যায় কৰিছে। শেষত তেওঁলোকে আইদেউক মানি ল'বলৈ বাধ্য হয় ।

প্ৰথম ভাৰতীয় সবাক চিত্ৰ "আলম আৰাই" ১৯৩১ চনৰ মাৰ্চ মাহত মুক্তি পোৱাৰ চাৰিবছৰৰ পাছত 'জয়মতী' ছবিখনে মুক্তি পায় । ১৯৩৩ চনত "চিত্ৰবন" প্ৰতিষ্ঠা কৰি "জয়মতী" উলিওৱা হৈছিল । জয়মতী কথাছবি ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাৰ বিখ্যাত "ৰাওনাক মহল"ত ৰসৰাজৰ পৌৰহিত্যত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰা হয় ।

আইদেউ সন্দিকৈয়ে আজীৱন অবিবাহিতা হৈয়ে দিন কটাইছে । নিজৰ জীৱনক ভোগ বিলাসৰ পৰা আঁতৰাই আনি অসমক উন্নতি জখলাত বগাবলৈ অৰিহনা যোগালে আইদেউ সন্দিকৈয়ে । সঁচাকৈ তেখেতৰ ত্যাগ লেখত ল'ব লগা । কিন্তু দুখৰ বিষয় তেওঁ জীৱনত "জয়মতী" কথা ছবিখন চাবলৈ নাপালে ।

বৰ্তমান তেখেতে ভতিজা সকলৰ লগতে জীৱনৰ অন্তিম ক্ষণ কেইটা কটাইছে । ১৯৮৪ চনৰ পৰা চৰকাৰে আগবঢ়োৱা শিল্পী পেন্সনৰ টকাৰে ঔষধ পাতি কিনি খায় । তেখেতৰ বৰ্তমান অৱস্থা অতি শোচনীয় হৈ পৰিছে । বিছনা খনেই হৈছে তেওঁৰ অন্তিম জীৱনৰ একমাএ লগৰী । এনে অৱস্থাত তেখেতে কোনোৱাই লগ কৰিবলৈ গ'লে সচাঁই আনন্দিত হয় ।


এনে এগৰাকী ত্যাগী শিল্পীৰ ওচৰত আমি অসমৰ লোকসকল সচাঁই ঋণী। আইদেউ সন্দিকৈৰ আহোপুৰুষাৰ্থ বলত আমি আজি ছবি জগতৰ এনে এক উন্নতি পৰ্য্যায়ত উপনীত হৈছোহি ।

শেষত জয়মতী কথাছবিৰ গীতেৰে প্ৰৱন্ধটো সামৰিছোঁ ।

"লুইতৰে পানী যাবি অ' বৈ
সন্ধিয়া লুইতৰ পানী সোনোৱালী
চহৰে নগৰে যাবি অ'বৈ
জয়াৰে কীৰিতি দেশে বিদেশে
সাগৰে নগৰে ফুৰিবি কৈ ........ ।"

বিঃদ্ৰঃ শোভন চন্দ্ৰ শইকীয়া "আইদেউ সন্দিকৈ"ৰ পুথি খনৰ সহায় লৈ প্ৰৱন্ধটো যুক্তত কৰা হ'ল ।

লেখিকা ঃ স্নাতক প্ৰথম বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰী ।



# বিশ্ববিদ্যালয়ৰ বিজ্ঞান পাঠ্যক্ৰমত জ্যোতিষৰ অন্তৰ্ভুক্তি

## -আধুনিক বিজ্ঞান প্ৰযুক্তিৰ প্ৰতি চৰম উপহাস।

তিলক চন্দ্ৰ দত্ত ।

বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ (University Grants Commission) ভাৰতবৰ্ষৰ উচ্চশিক্ষাৰ দিগ-দৰ্শক হৰ্তা-কৰ্তা স্বৰূপ এটি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান । স্বাধীনোতাৰ ভাৰতবৰ্ষত মানৱ সম্পদৰ সময়োচিত বিকাশ আৰু নিয়োগৰ দিশত নীতি নিৰ্দ্ধাৰিক ৰূপে নিয়োজিত হৈ অহা এই আয়োগে দেশৰ সামগ্ৰিক প্ৰগতিৰ বুনিয়াদ গঢ়াত এক বিশেষ ভূমিকা পালন কৰি আহিছে । আয়োগৰ সুচিন্তিত একোটা সিদ্ধান্তই যেনেদৰে দেশৰ ভৱিষ্যত জনগনৰ কল্যাণ আৰু প্ৰগতি তৰান্বিত কৰাৰ থল আছে, তেনেদৰে একোটা আবেগিক অবিবেচিত পদক্ষেপে সমাজলৈ অন্ধকাৰ বঢ়ণ কৰিও আনিব পাৰে । সম্প্ৰতি আয়োগে দেশখনৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত প্ৰাচীন ভাৰতৰ জ্যোতিষ বিদ্যা বিষয়টোকো বিজ্ঞান পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰিবলৈ সিদান্ত গ্ৰহণ কৰি কাৰ্য্যকৰীকৰণৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে । বিজ্ঞান পাঠ্যক্ৰমত জ্যোতিষ অৰ্ন্তভূক্তিৰ এই বাতৰিটোৱে দেশৰ বিজ্ঞানী মহলক যথেষ্ট বিমোৰত পেলাইছে । বিজ্ঞান হিচাবে গণ্য কৰিব পৰাকৈ জ্যোতিষৰ কোনো বৈজ্ঞানিক ভিত্তি অথবা সবল যুক্তি বিচাৰি পোৱা নাই বিজ্ঞানী সকলে । একাংশ বিজ্ঞানীয়ে সেয়ে আয়োগৰ এই প্ৰয়াসক অন্ধবিশ্বাসৰ আনুষ্ঠানিক স্বীকৃতি হিচাবে গন্য কৰি ইয়াৰ কাৰ্য্যকৰীকৰণৰ বিৰোধিতা কৰিছে । ইতিমধ্যে দেশৰ দুই শতাধিক আগশাৰী বিজ্ঞানীৰ স্বাক্ষৰ সম্বলিত স্মাৰক পত্ৰ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু মানৱ সম্পদ বিকাশ মন্ত্ৰালয়লৈ প্ৰেৰন কৰিছে ।

জ্যোতিষ বিদ্যাই যুগ যুগ ধৰি ভাৰতীয় সমাজক প্ৰভাৱিত কৰি আহিছে । এসময়ত ৰাজ সভাৰ পৰা আৰম্ভ কৰি সধাৰণ প্ৰজাঘৰলৈকে ইয়াৰ বিশাল ব্যাপ্তি ঘটিছিল আৰু আজিও তাৰ গভীৰ প্ৰভাৱৰ পৰা আমি মুক্ত হব পৰা নাই । ভাৰতৰ দৰে ইউৰোপকে ধৰি পশ্চিমীয়া দেশ সমূহতো অতীজত জ্যোতিষৰ বহল প্ৰসাৰণ ঘটিছিল । নৱজাগৰনৰ পৰৱৰ্তী কালত পশ্চিমীয়া সমাজত প্ৰাচীন ধ্যান ধাৰণাৰ আমূল পৰিবৰ্তন ঘটিল । মানুহ যুক্তিবাদী হ'ল । বিজ্ঞান মানসিকতা গঢ় লৈ উঠিল । কিন্তু ভাৰতীয় সমাজত প্ৰাচীন ধ্যান ধাৰণাৰ বিশেষ পৰিবৰ্তন নঘটিল । জ্ঞাতে - অজ্ঞাতে আজিও আমি ৰাশিচক্ৰ, ভাগ্যচক্ৰ, হস্তৰেখা বিচাৰ, তাবিজ, পাথৰ আদিৰ বশ হৈ আছো । প্ৰখ্যাত ভাৰতীয় জ্যোতি বিজ্ঞানী মেঘনাদ সাহাৰ ভাষাত - “আমাৰ দেশৰ শতকৰা ৯৯ ভাগ লোকে পঞ্জিকা আৰু জ্যোতিষ বিশ্বাস কৰে । ইউৰোপতো বিশ্বাস নকৰা নহয় । কিন্তু অনুপাত নিচেই কম । ............. আজিও পঞ্জিকাৰ দ্বাৰা তথাকথিত শুভদিন নিৰ্ধাৰন কৰা হয় । কোষ্ঠী নিমিলিলে বিবাহ নিষেধ, হাঁচি, জেঠীৰ ঠিক ঠিক শব্দ আদি অদ্ভুত চিন্তাই আজিও হিন্দু সকলক আগুৰি আছে ।

জ্যোতিষ চৰ্চাৰ ধ্বজাধাৰীসকলে জ্যোতিষক বৈজ্ঞানিক আধাৰ প্ৰদান কৰিবলৈ দৰ্শোৱা মূল যুক্তিটো হ'ল -চন্দ্ৰ, সূৰ্য্যৰ প্ৰভাৱত পৃথিবীৰ সাগৰ পৃষ্ঠত জোৱাৰ ভাটাৰ সৃষ্টি হয়, সেয়ে চন্দ্ৰ, সূৰ্য্যৰ লগতে আকাশৰ অন্যান্য গ্ৰহ নক্ষত্ৰৰ প্ৰভাৱ মানৱ শৰীৰত পৰাতো স্বাভাৱিক । কিন্তু আমোদজনক কথাটো হল- একেসময়ত একেস্থানৰ এজন লোকৰ দেহত শনিৰ, অন্য এজনৰ দেহত ৰাহুৰ প্ৰভাৱ আদি ভিন্নতাবোৰৰ সন্তোষজনক উত্তৰ তেওঁলোকৰ ওচৰত নাই।

আজিৰ জ্যোতিবিজ্ঞান (Astronomy), জীৱবিজ্ঞান (Biology), চিকিৎসা বিজ্ঞান (Medical Science) বহুখিনি আগবাঢ়ি গ'ল । পৃথিৱীকে ধৰি বিশ্বব্ৰমাণ্ডৰ ভালেমান গ্ৰহ নক্ষত্ৰৰ গঠন, প্ৰকৃতি আদিৰ বিষয়ে অথবা মানৱ অংগসংস্থাপনৰ পৰা মানৱ ক্লশলৈকে বহু নিৰ্ভৰযোগ্য তথ্য বিজ্ঞানীসকলে আহৰন কৰিবলৈ সমৰ্থ হৈছে । পৰীক্ষালব্ধ এই তথ্যবোৰৰ পৰা লক্ষ লক্ষ মাইল দূৰৈৰ আকাশৰ গ্ৰহ নক্ষত্ৰই মানুহৰ দুখ-সুখ, জন্ম-

মৃত্যু, উন্নতি-অৱনতি আদি নিয়ন্ত্ৰণ কৰিব পৰা শক্তি প্ৰতিষ্ঠা কৰিব পৰা তথ্য আজি কোপতি আহৰণ কৰিবলৈ সমৰ্থ হোৱা নাই । এই প্ৰসংগত প্ৰখ্যাত দ্যা হিউমেনিষ্ট জাৰ্ণেলৰ ১৯৭৫ চনৰ চেপ্তেম্বৰ মাহত প্ৰকাশিত ১৮৬ জন পৃথিৱীৰ মহান বিজ্ঞানীৰ স্বাক্ষৰ সম্বলিত ঘোষনা পত্ৰ খনৰ একাংশ উল্লেখযোগ্য - "গ্ৰহ নক্ষত্ৰবোৰৰ অৱস্থান পৃথিৱীৰ পৰা অতি দূৰত হোৱাৰ বাবে পৃথিবীৰ ওপৰত মহাবাৰ্ষণ বা অন্যান্য অভিঘাতজনিত যি বল বা শক্তি হয়, তাৰ পৰিমান অতি নগন্য । গতিকে জন্ম মুহূৰ্তত গ্ৰহ নক্ষত্ৰবোৰৰ আৰ্কষণ বলৰ ক্ৰিয়াই নৱজাতকৰ ভবিষ্যত নিয়ন্ত্ৰণ কৰে, এনেদৰে ভবাৰ কোনো যুক্তি নাই । বহু দূৰত থকা গ্ৰহ নক্ষত্ৰৰ অৱস্থানে কোনো বিশেষ দিন বা সময়ক কোনো বিশেষ কামৰ বাবে সুবিধাজনক কৰি তোলে বোলা ধাৰণাও সত্য নহয় ।"

প্ৰাচীন শাস্ত্ৰ, দৰ্শন হিচাবে, ইতিহাস হিচাবে চৰ্চা হোৱাত আপত্তি কৰিব লগা নাই । প্ৰাচীন শাস্ত্ৰ দৰ্শনক জোৰকৈ বিজ্ঞান পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰি মানুহৰ ভাগ্যগননা কৰিবলৈ হাজাৰ হাজাৰ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰীলোক নিয়োজিত হওঁক সেইকথা সু-শিক্ষিত, সমাজৰ কল্যাণকামী মানুহে কেতিয়াও মানি লব নোৱাৰে । আজিৰ তাৰিখত খেলখন নেখেলাকৈ ভাৰত-পাকিস্থানৰ ক্ৰিকেট মেছ খনত কাৰ জয় পৰাজয় হব কোনো জ্যোতিষীয়ে যেনেকৈ নিশ্চিতকৈ কৈ দিব নোৱাৰে একেদৰে বিশ্ববিদ্যালয় ডীগ্ৰীধাৰী জ্যোতিষী এজনৰ পৰাত ভবিষ্যতে তেনে নিশ্চিতি পোৱা যাব বুলি বিশ্বাস কৰিব নোৱাৰি । সূৰ্য্যকেন্দ্ৰিক বিশ্ব তত্বহে সত্য বুলি প্ৰতিষ্ঠা হোৱাৰ পিচতো জ্যোতিষৰ পৃথিবীকেন্দ্ৰিক বিশ্ব তত্বক দুনাই পঢ়িব লগা হোৱাটো, চন্দ্ৰ সূৰ্য্যক গ্ৰহ বুলি মানি লোৱাটো কিমান সমীচীন হ'ব ? যি বিজ্ঞানৰ সহায়ত আজিৰ মানুহে চন্দ্ৰক পৰ্য্যতন থলীত পৰিনত কৰিব খুজিছে, তাৰ পাছতো চন্দ্ৰক দেৱতা জ্ঞান কৰা জ্যোতিষক "বিজ্ঞান" বুলিয়েই পঢ়িব লগাটো অতি পৰিতাপৰ কথা । কম্পিউটাৰত কোষ্ঠী বিচাৰ কৰিলেই অথবা বিশ্ববিদ্যালয় অধ্যাপক, ডাক্তৰ, ইঞ্জিনীয়াৰে নামী দামী পাথৰ পৰিধান কৰিলেই জ্যোতিষ বিজ্ঞান হৈ নাযায় । ভিত্তিহীন অবৈজ্ঞানিক অসত্যক বিজ্ঞানৰ প্ৰলেপেৰে সত্যৰ সন্ধান কৰিবলৈ যোৱা কাৰ্য্য, ৰাগিয়াল বস্তু সেৱন কৰাটো বিপজ্জনক বুলি জনাৰ পাছতো খাই প্ৰমাণ চোৱাৰ দৰে নহবনে ? মানুহৰ অজ্ঞানতা, অশিক্ষা আৰু মনৰ দুৰ্বলতাৰ আশ্ৰয়লৈ সময়ত এই বিদ্যাই যাতে ক্ষয়ংকাৰী ৰূপ ধাৰণ কৰি সমাজলৈ অন্ধকাৰ নমাই নানে তাৰ প্ৰতিও সংশ্লিষ্ট মহলে গুৰুত্ব আৰোপ কৰাটো একান্ত প্ৰয়োজন । আজিৰ সময় বিবাহৰ ৰাশি যোৰা মিলাবৰ বাবে জ্যোতিষীৰ ওচৰলৈ যোৱাৰ সময় নহয় । এখন সুখ সমৃদ্ধিৰ ভবিষ্যত সংসাৰৰ বাবে বংশগতি পৰামৰ্শ দাতা (Genetic Councillor) অৰ পৰামৰ্শ গ্ৰহণ কৰাটোহে বিবাহোপযুক্ত যুৱক যুৱতীৰ বাবে অধিক অৰ্থবহ আৰু লাভদায়ক হব ।

লেখক ঃ- উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰৱক্তা ।

# VANDALISM OF EDUCATION TO DISSEMINATE


G. Bura Gohain
Lecturer, Department of English.

Now-a-days, in the name of science, we are witnessing a desperate effort being made by the Vajpayee govt., following a Hindutva agenda to lead us back into the middle ages, believing in middle aged theories, dealing with middle aged beliefs, although science should lead us forward. This attitude of the central govt does look similar to the attitude borne by the Talibans who were instrumental in imposing medieval practices in Afghanistan. Infact, it is quite unfortunate that the present policy makers in India are taking such fanatic steps not only in the field of education but also in the other sectors. This desperate effort to super-impose the doctrines of a particular fanatic group upon the masses of this country will inevitably lead to communal disharmony and it will not be long before people of this generation get an opportunity to have a first hand experience of the hatred and bloodshed that this nation witnessed at the time of partition.

**'HINDUTVA'**

Last year, the Human Resources Development (H.R.D) Ministry, in the name of Indianising education, announced the national curriculum frame work for schools and colleges with a distinct Hindu flavour. The proposed school and college curricula also includes the incorporation of 18 subjects mentioned in the Chandogya Upanishad, teaching yoga and yogic practices as well as Indian systems of medicines like ayurveda and unani and the introduction of vedic mathematics, astrology and palmistry. No doubt, History connects with science in many ways and much of the modern science can be traced in the vedic texts, but it does not mean that all knowledge systems dates back to the ancient period, to the vedas. One may claim that vedic mathematics is far more superior than the mathematics being taught today. But the critics of this view argue that the real mathematical advances are detached from treatises of the period after the mid first millennium A.D. The shadow of this Hindu revivalist nation of science had already fallen on the premier institutions of our country. The University Grant Commission (U.G.C) is trying to make India the world's intellectual backwater and a morass of obscurantism by introducing vedic astrology and vedic

purohitya in the college syllabus. Such a proposal was also sent to Jawaharlal Nehru University of Delhi but was firmly rejected by Harbans Mukhia, Head of the institute, who, however accepted the U.G.C's proposal to introduce a course that would make Sanskrit easy to learn and speak. D. K Banerjee, Dean of the School of Environmental Sciences, also condemned the proposal - " We are dealing with Science based on empirical conclusion and astrology, does not come under its purview. There is a basic distinction between astronomy and astrology Altogether, almost 100 scientists from premier institutions like the Indian Institute of science, Bangalore, and the Tata Institute of Fundamental Research, Mumbai - have issued a joint statement rebutting the UGC and the HRD Ministry's claims to treat astrology as science.



Equally worthnoticing is the new syllabi for school education being announced by the National Council for Educational Research and Training (NCERT). Compared to the previous syllabus, the new one seems to have been drastically pruned. There are deletion everywhere. In the upper primary stage (class vi to viii) there are three themes - people and society in the Ancient Period (class vi), People and Society in the Medieval Period (class vii) and People and society in the Modern period (class viii). Under Ancient period are listed, among others, "Beginning of Civilizations" and "Major Religions". However, nothing more is mentioned about these civilizations and religions and their nature. There is nothing about various world cultures and heritages. In class ix and x, world history and civilization are completely missing. Similarly, words such as imperialism, capitalism and revolutionary movements hardly finds a place in the curriculum. The Russian Revolution, despite it's importance in the modern history has also been deleted. The study of the cultural heritage of India in the previous syllabus of class x included the study of art and architecture from ancient to modern times but in the new syllabus the periods are not mentioned which apparently leaves room for speculations over their deletion.


The Talibans demolition of the centuries old colossal images of Buddha at Bamiya was strongly condemned by the Indian Prime Minister Atal Bihari Vajpayee as an "act of shamelessness," and that they were carried out by those "who were neither civilized nor true Muslims". Such rhetoric coming out from the mouth of a Prime Minister of a country that respected and celebrated cultural diversity and tolerance for years together, appears quite logical. But his patronage of Babri Masjid demolition by Hindu fanatics in 1992 equate him with the Talibans. Likewise, the recent decision of the govt to delete sections from history and the inclusion of vedic astrology and Karmakanda in the college syllabus has drawn many a comparison with the much - maligned Talibans.

# THE OIL HISTORY OF ASSAM

NIRMAL GOGOI

The history of the discovery of oil in Assam is more than hundred years old. It may be recalled that after the signing of the Treaty of Yandabu (1826), the administration of the Ahom Kingdom was taken over by the British. However before that in 1825 while on an expedition up the Disang river to Barhat in Sivasagar District, Captain R. Wilcox discovered oil springs and several coal beds. Between 1826 - 45 references of several oil springs were made by explorers like C.A Bruce, Major A White, Captain F. Jenkins and P.S Hanny. The existence of oil springs at Bapoo - poon (at presently Digboi) was reported in 1854 by Captain Dalton. Between 1866 - 69, drilling of several oil wells were carried out in Assam.

In the meantime, The Assam Railways and Trading Company took up the construction of railway lines in Assam. Moreover, if acquired a concession covering petroleum right over 30 square miles of Makum. It may be mentioned that Assam Railways and Trading Company used domesticated elephants for carrying equipments for the railways. An elephant working for the company went through Jungles carrying logs. When the elephant returned there was oil in its feet. Later the master of elephant followed the steps and found oil bubbles coming out of the ground. Gradually drilling for oil was started by bringing equipments which later gave birth to the first oil field in 1889 known as DIGBOI Oil Field.



However, the management of the Assam Railways and trading company could recognise that oil business was a full time business and therefore a separate organisation was essential to maintain the Digboi Oil Field. Thus a new company known as Assam Oil Company (A.O.C) was formed in 1899 to take over petroleum interest of the Assam Railways

and Trading Company. After the discovery of the Digboi oil field several oil wells were dug in the region. In the 30's much progress was made in the survey method particularly in the Seismic Method which became an effective tool for mapping out 'subsurface geology'. Thus a seismic survey was undertaken in 1938 by the A.O.C which suggested that oil could exist in the Naharkatia region. Arrangements were made for drilling activities but in the mean time World War II broke out, all works of oil exploration were suspended.

After the war, works for oil exploration could be started on the structure revealed by the 30's i.e. (1938) seismic survey at Naharkatia. A party of six members including geologists and engineers of the A.O.C came to Naharkatia and selected a site for drilling oil near the Burhi Dihing river. A small patch of land was cleared of weeds and grass and drilling for oil was started. Thus the first oil well in this region was drilled in 1953 which was also independent India's first oil well.

In the beginning, the oil company had to face much problems for transportation of drilling equipments as these had to be brought from Digboi to Naharkatia as Digboi remained the operational headquarter for oil. The equipments had to be brought by train. But the road from Digboi to Naharkatia was a circuitous route running through Tinsukia, Tingrai, Tipling and then to the Bazaar ghat of the Burhidihing river. The light items of the company were carried by boats and ferries across the river and heavier items were brought by train to the railway station of Naharkatia where these were unloaded and taken to the site by labourers.

Facing difficulties for transportation and cut down commuting from Digboi, the oil company thought of setting up camps near the oil field which could be used as temporary local headquarter. Therefore, the company had negotiations with Tankeshwar Baruah of Tipling from whom it bought more than 30 bighas land and built a temporary camp and office to operate the oil field at Naharkatia which later came to be known as the "Boruah Camp" Around 1954 the company decided to construct a road through the thick jungle of Dihing Reserve to link the Baruah camp with Digboi which would replace the twice as long poor quality road via Tinsukia. With massive effort the road was carved out and a vital link between Digboi and Naharkatia was established.

After the success of Naharkatia oil field arrangements were made for a detailed survey of the whole area. The survey area was extended upto Moran situated about 30 k.m south west direction of Naharkatia. A well was drilled at Moran successfully and was declared as an oil producing area in 1956. When both the official proved to be encouraging enough for oil producing, the A.O.C thought of building a township and an oil industry. Search for land was made and after much negotiation, land was obtained from Zaloni Tea company and a portion from the state Govt in Sarupathar, Bongaigaon in 1958. After acquiring land, the oil company planned for construction of the township. It was a bush country and the township had to grow out of nothing. Arrangement had to be made for streets, drainage system, administrative, industrial market etc. and other community facilities.

The first work begun was the clearance of forests for which some labourers of Naga tribe were first engaged. After clearance of forests construction work began in 1959. It could be mentioned that one of the planners of the township was Dr. N.K.A lrye who was also the general manager of the Assam Railways and Trading Company. He was helped by Edwin Hawkins. The township was carved out of the jungle and other community facilities came up gradually.

**(With the help of several magazines and books)**

**Student , H.S. 2nd Yr. Commerce**

# টিউচন আৰু সাম্প্ৰতিক শিক্ষা

গিৰীশ শইকীয়া

সাম্প্ৰতিক কালত শিক্ষা জগতত কৰবাত কিবা আউল লাগিছে । কাৰণ টিউচনৰ বাহিৰে ছাত্ৰসকলে শিক্ষালাভৰ বিষয়ে ভাবিবই নোৱাৰে । কেৱল ছাত্ৰ নহয়, টিউচনৰ ভূতে ছাত্ৰ - শিক্ষক উভয়কে লম্ভিছে । স্কুল কলেজত এড্‌মিছন লোৱাৰ দিনৰ পৰাই টিউচনৰ চিন্তা চৰ্চা আৰু টিউচন মাষ্টৰৰ অনুসন্ধান চলে । শইকীয়া চাৰে ভাল বুজায়, কিন্তু নোট নিদিয়ে, ডেকা চাৰে বুজাইও দিয়ে নোটো দিয়ে । ফাইনেল পৰীক্ষালৈ চাৰি - পাঁচ মাহ থাকোতে টিউচনৰ হৈ চৈ বৰকৈ বাঢ়ে । ছাত্ৰই টিউচনক অগ্ৰাধিকাৰ বুলি ধৰি লৈ নিজস্ব চিন্তা চৰ্চাৰ কথা পাহৰি যায় । Self-help বোলা আত্মবিশ্বাসকণ আশ্ৰয়হীন হৈ কৰবালৈ গুচি যায় । গতিকে আজিৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু আবেগ, অনুভৱক অতীতৰ শৈক্ষিক পৰিবেশৰ বন্ধনীৰ মাজত থৈ আলোচনা কৰিব পৰা নাযায় ।

আগৰ স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ কিয়দাংশই কেৱল অংকতেই টিউচন লৈছিল । মুষ্টিমেয় মেধাৱী ছাত্ৰৰ বাহিৰে প্ৰায় ভাগেই অংক বিষয়টোক বাঘ যেন দেখিছিল । অংকত টিউচন লোৱা ছাত্ৰ আকৌ দুই ধৰণৰ । এটা ভাগ নিশ্চিতভাৱে মেধাৱী পৰীক্ষাতো ভাল কৰিব সন্দেহ নাই । কৰবাত কিবা অলপ দুৰ্বলতা থাকি গৈছে তাকে দূৰ কৰাৰ বাবে, নাইবা লেটাৰ পোৱাৰ আশাৰে টিউচন লৈছিল লাভবানো হৈছিল । আন কিছুমান অংকত গজমূৰ্খ কেৱল ৩০ শতাংশ লাগে, কানে কান মাৰিহে পাছ কৰিব খোজে । এইসকলক কেৱল ভাটো শিক্ষাহে লাগে । অংকৰ বাহিৰে টিউচন লোৱা দ্বিতীয় বিষয়টো হল ইংৰাজী............... ইংৰাজীতো সেইধৰণে দুই ধৰণৰ ছাত্ৰ টিউচন প্ৰয়াসী মেধাৱী আৰু ৩০ ৰ আশাধৰী । ইংৰাজীত বেছি ভাগৰে ৩০ ৰ ওপৰতহে নজৰ । আগতে ছাত্ৰবিলাকে কেৱল অংক আৰু ইংৰাজী বিষয়তহে টিউচন লৈছিল । আজি কালি দেখোন আটাইবোৰ বিষয়তে টিউচন নললে নচলে । টিউচন এটা আধুনিক চখ; এবিধ নয়া দৌৰ ।

আগতে তেনেকৈ পইচাৰ বিনিময়ত টিউচন নাছিল । শিক্ষকসকলে স্কুলৰ ফলাফলৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিহে বিনা পইচাৰে কোচিং ক্লাছ লৈছিল । অংক আৰু ইংৰাজী শিক্ষক সকলে হোষ্টেলত থকা ছাত্ৰসকলক টিউচন কৰিছিল। ক্লাছৰ বাহিৰে আজৰি সময়ৰ সদব্যৱহাৰৰ কাৰণেও হোষ্টেলৰ ছাত্ৰক অতিৰিক্তভাৱে পঢ়ুৱাই দিছিল । শিক্ষাদানৰ কি অপূৰ্ব আনন্দ । ছাত্ৰ-ছাত্ৰীক সম্পদ হিচাপে জ্ঞান কৰিছিল অনুষ্ঠানৰ প্ৰতি দেশৰ প্ৰতি এটা আপোন ভাব আছিল বুলিহে এই ধৰণৰ নিঃস্বাৰ্থ সেৱা আগবঢ়াইছিল। স্কুলৰ ভাল ৰিজাল্ট হলে গৰ্ব অনুভৱ কৰিছিল বেছিকৈ গৰ্ব অনুভৱ কৰিছিল হেডমাষ্টৰসকলে । বেছি ভাগ হেডমাষ্টৰ অংক আৰু ইংৰাজীৰ শিক্ষক আছিল । ছাত্ৰ ছাত্ৰীৰ মনত তেওঁলোক বাঘ যেন । তেওঁলোকৰ পোহৰতে ছাত্ৰ বিলাকে বাট দেখা পাইছিল ।

দিনকাল সলনি হ'ল । আজিৰ পৰিবেশ এনেকুৱা হৈছে



যে ছাত্ৰ এজনে Private টিউচন নললে শিক্ষা সম্পূৰ্ণ নহয়েই । আনকি নিজৰ মাতৃভাষাতো আজিকালি টিউচন লগা হৈছে । টিউচনৰ জৰিয়তে ছাত্ৰৰ জ্ঞান অৰ্জনৰ পথ আৰু শিক্ষকৰ বাহিৰা উপাৰ্জনৰ পথ মুকলি হৈছে । এতিয়া টিউচনেই মুখ্য, আনুষ্ঠানিক পাঠদান গৌণ হৈ উঠিছে । পুৱাৰে পৰা গধূলিলৈকে

ছাত্রৰ জিৰণি নাই, শিক্ষকৰো উশাহ লোৱাৰ অৱকাশ নাই । ছাত্রৰ কিছুমানে দুই-তিনিটা বিষয়ত টিউচন লৈছে, আন কিছুমানে সকলো বিষয়ত । যোৱাবাৰ মেট্রিকত ষ্টেণ্ড কৰা অমূক ল'ৰাজনে বোলে সকলো বিষয়তে টিউচন লৈছিল ৰিজাল্টো ভাল কৰিছিল । আপুনি পুৱা ৰাস্তালৈ ওলালে দেখা পাব দুই চাৰিটা ঘৰৰ সম্মুখত জোতা আৰু চাইকেলৰ সংখ্যা বেছি, জানিব যে সেইখন ঘৰতে টিউচন চলিছে । বহুতো শিক্ষকে টিউচনৰ বাবে নিজৰ বাসগৃহ সংলগ্ন টিউচন কোঠালি এটা বনাই লৈছে ক্লাছৰুমৰ নিচিনাকৈ । তাতো বেঞ্চ, Desk, ব্লেকবোর্ড আদি সকলো ব্যৱস্থা থাকে । ক্লাছৰুম আৰু টিউচন ৰুমৰ পাৰ্থক্য এইখিনিতে যে টিউচনত ঘন্টা নপৰে । পিৰিয়ডবোৰ ৪০ মিনটৰ নহয়, এঘন্টাৰ। কাটাই কাটাই এঘন্টা । টিউচন মাষ্টৰৰ ঘড়ীৰ কাটাঁটো আগফালে দৌৰিয়ে থাকে । প্রতিটো সমস্যাৰ ওপৰত আলোকপাত হয়, প্রশ্ন বাছি দিয়া হয় । প্রতিটো প্রশ্নৰ লগত পৰীক্ষাত অহা নহাৰ কথা জড়িত । কথাই কথাই টিউচন মাষ্টৰে কয় যোৱা পৰীক্ষাত মই বাচি দিয়া প্রশ্নবোৰ প্রায় আহিছে বুজিচা । টিউচন মাষ্টৰৰ বুকুখন আঠ চেন্টিমিটাৰ ও ফুলি উঠে । ছাত্রৰ মুখত তৃপ্তিৰ তৰাফুলীয়া হাঁহি । পৰীক্ষাত আহিব পাৰে, বাছি বাছি তেনে কেইটা অধ্যায়ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয় । বাকী বোৰ অধ্যায় অবহেলিত হৈ তেনেই অন্ধকাৰত থাকি যায় । জ্ঞানৰ বেহাৰ দ্বাৰা উপাৰ্জন আজিকালি এইদৰেই চলিছে ।

জ্ঞানাৰ্জনৰ পথ বন্ধ কৰি থৈ পৰীক্ষালৈ চমু পথ এটি মুকলি কৰি দিয়ে টিউচন মাষ্টৰে । সেই কোৱাভাতুৰীয়া আলিয়েদি বাট বুলিলে হেনো পাছ সুনিশ্চিত । টিউচন মাষ্টৰে দিয়া নোটৰ বহী হাতত আছে যেতিয়া Notes short cut to examination হব পাৰে, short cut to knowledge হব পাৰে জানো ? নোট পাগল আজিৰ ছাত্রই এইবোৰ কথা নুবুজে । তাৰ মানে এনে শিক্ষাৰ মূল্যায়ন আৰু জ্ঞানাৰ্জন পৰীক্ষা সৰ্বস্ব । সেই কাৰণে চাৰ্টিফিকেট আজি জ্ঞানৰ পৰিমাপক বা প্রমাণ পত্র হব নোৱাৰে ।

পুৱাৰেপৰা দলে দলে ছাত্র ছাত্রী গৈয়েই থাকে । আজিৰ স্কুল কলেজৰ শিক্ষকে পাঠদান কৰিবলৈ নাযায়, কিন্তু টিউচন খতি নকৰে । নৈব নৈব চ । কাৰণ টিউচনত প্রচুৰ টকা । কিছুমান শিক্ষকৰ উক্তি-টিউচন নকৰিলে এইখিনি দৰমহাৰ পইচাৰে সংসাৰখন চলাওঁ কেনেকৈ । তেল নিমখৰ দাম জুই ছাই ।

অংক, ইংৰাজী বিজ্ঞান সমাজবিজ্ঞান, হিন্দী আনকি মাতৃভাষা কোনো এটি বিষয়ে টিউচনৰ পৰিধিৰ বাহিৰত নহয় । শিক্ষাৰ খৰচ বহুগুণ বাঢ়িছে । টিউচন ফিজ বছৰি ৫০ টকাকৈ বাঢ়ি থাকে । ইফালে দুখীয়া লৰা ছোৱালী হতঁৰ ন যথৌ ন তস্থৌ অৱস্থা । এনে শিক্ষা ধনীৰ বাবেহে, দুখীয়াৰ বাবে ই এটি বিলাস মাত্র । দুখীয়াই স্কুল কলেজত পঢ়িব পাৰে, কিন্তু ভাল ৰিজাল্ট আশা কৰিব নোৱাৰে । ভাল ৰিজাল্টৰ বাবে টকা খৰচ কৰিব লাগে, মানে টিউচন । টিউচনে শিক্ষা জগতখন গিলি পেলাইছে ।

শ্রেনী কোঠাত পাঠদান এতিয়া এটি গুৰুত্বহীন প্রক্রিয়া, তাৰ গাম্ভীৰ্য্য আৰু মাদকতা এতিয়া আৰু নাই । শিক্ষকে এতিয়া শিক্ষিকতা উপভোগ নকৰে । A teacher's best work is done in the class room — এইবোৰ আপ্তবাক্য অচল । এইবোৰ তেনেই অকাৰ্যকৰী হৈ পৰিছে । ভাল শিক্ষক এতিয়া পাবলৈ টান, শিক্ষা দানত আগ্রহী অলপসংখ্যক যি আছে তেওঁলোক অৰ্থশাস্ত্রৰ গ্রেচাম ল'ৰ কবলত পৰিছে । শিক্ষকে এতিয়া দেশসেৱাৰ পৰিবৰ্তে আত্ম সেৱা কৰে । টিউচনমগ্ন শিক্ষক ছাত্র এতিয়া দেশৰ বাবে মানৱসম্পদ নহয় মানৱ সমস্যাহে । এই সমস্ত ছাএ আৰু শিক্ষকৰ পৰা দেশে কি আশা কৰিব পাৰে? বাট হেৰুৱাই পেলাই বহুদূৰ আহিলো । এই অৱস্থাৰ পৰা আৰু ঘূৰি যাব নোৱাৰিম নে? এহো বাহ্য। আচল কথাটো এনেকুৱা ঃ-

ধনী মানুহজনে তেওঁৰ একমাত্র ল'ৰাটোক সকলো বিষয়তে একোজনকৈ টিউচন মাষ্টৰ ৰাখি টিউচন দিয়াইছিল। ইমান টিউচন দিয়া সত্বেও ল'ৰাজন বাৰে বাৰে ফেইল কৰাত মানুহজনৰ বৰ খং উঠিল । লৰাটোক তিৰস্কাৰ কৰি কলে মই তোমাক প্রতিটো বিষয়ত এজন এজনকৈ টিউচন মাষ্টৰ দি সহায় কৰিলোঁ, তুমি কিয় ফেইল কৰিলা ? লৰাটোৱে তলমূৰ কৰি কলে - 'দেউতা মই সকলো বিষয়তো পাছ কৰিছো, মাত্র এগ্রিগেট ফেইল হলো । ধনী মানুহজনৰ খং মূৰৰ চুলিৰ আগ পালেগৈ । তুমি মোক সেইটো কিয় আগৰে পৰা কোৱা নাছিলা যে মই এগ্রিগেট বিষয়ত দুৰ্বল, মোক টিউচন লাগে ? মই তোমাৰ বাবে এগ্রিগেটৰ টিউচনৰো ব্যৱস্থা কৰিলোহেঁতেন ।

লেখক ঃ উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা) শাখাৰ ছাত্র ।

# ৰেগিং

## এটি পৰ্য্যালোচনা

দুৰ্গা কোঁৱৰ

'ৰেগিং' শব্দটো শুনিলে আমাৰ মনত কি ভাৱ উদয় হয় বাৰু? ৰেগিং শব্দটোৰ অৰ্থ কি ? ইয়াৰ অৰ্থ হ'ল চিনাক্তকৰণ । এই ৰেগিং শব্দটো প্ৰকৃততে ইংৰাজী শব্দ। অভিধানিক অৰ্থত 'ৰেগ' (Rag) শব্দই 'টিজ',(Tease) 'টৰমেণ্ট' ( Torment ) 'টু প্লে-প্ৰেকটিকেল জোকচ' (To play Practical jokes ) ইত্যাদি বুজায় । প্ৰকৃতাৰ্থত মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত 'টু প্লে প্ৰেকটিকেল জোকচ' এই অৰ্থত নবাগত সকলক পুৰণি চামৰ লগত চিনাকি কৰি দিয়া, তেওঁলোকৰ মনৰ জঠৰতা আতঁৰ কৰি আৰু 'টু ফিল ফ্ৰি এণ্ড চিকিউৰদ' প্ৰভৃতিৰ শুভ উদ্দেশ্যত ৰেগিংৰ প্ৰচলন হৈছিল । পিছে বৰ্ত্তমান সময়ত অসমৰ বিভিন্ন কলেজৰ যুব ছাত্ৰ সকলৰ অপৰাধ প্ৰৱণতাই সমাজৰ সচেতন লোক সকলক ভবাই তুলিছে আৰু ৰেগিঙে এচাম নতুন ছাত্ৰ-ছাত্ৰীক অন্ধকাৰ জগতলৈ ঠেলি দিছে।

> শিক্ষা ব্যৱস্থাত ৰেগিং প্ৰথাই এক ভয়াবহ পৰিবেশৰ সৃষ্টি কৰি সকলোকে চিন্তাত পেলোৱাত হতাশ হৈছো । বৰ্তমান এই প্ৰথা ব্যাধিৰ ৰূপত প্ৰকট হৈ শিক্ষা ব্যৱস্থাক পংগু কৰাৰ ক্ষেত্ৰত অৰিহনা যোগাইছে ।

আজি প্ৰায় কেইবছৰ মানৰ আগৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে আমাৰ অসমত বিশেষকৈ কলেজবোৰত, হোষ্টেল বোৰত ইয়াৰ বহুল প্ৰচলন হবলৈ ধৰিছে । তদুপৰি আমাৰ অসমৰ ইঞ্জিনিয়াৰিং কলেজ, টেকনিকেল ইনষ্টিটিউশ্বন, এগ্ৰিকালচাৰ ইউনিভাৰচিটি আদি কেইখন মান লেখত লবলগীয়া ইনষ্টিটিউশ্বনত ইয়াৰ জনপ্ৰিয়তা অধিক । বৰ্ত্তমান মাধ্যমিক স্কুল বিলাকতো ইয়াৰ প্ৰভাৱ পৰিছে ।

কলেজত নাম লগোৱাৰ লগে লগে নতুন ছাত্ৰ-ছাত্ৰীৰ মনত ভয়াবহ ভাৱ এটা আহি পৰে । যাৰ ফলস্বৰূপে বহুতো ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰো ওৰ পৰাৰ আশংকাও দেখা গৈছে । এই ৰেগিং নামৰ সামাজিক ব্যাধিটোৱে আজিৰ শৈক্ষিক পৰিবেশটোকে অতি বেয়া ধৰণে আঘাত হানিছে । তদুপৰি ই এটা বাধ্যতামূলক ব্যৱস্থা হিচাপে পৰিগনিত হৈছে । এচাম উচ্ছৃংখল যুৱক-যুৱতীয়ে ইয়াক গ্ৰহণ কৰি নতুন ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত উৎপীড়ন চলোৱাটো অতি দুভাৰ্গ্যৰ কথা । বহুতো ছাত্ৰ-ছাত্ৰীৰ মনৰ আশা-আকাংক্ষাত ই চুৰমাৰ কৰিছে । ৰেগিংৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হৈছেনে লাভ হৈছে সেইটো আমাৰ সকলোৰে বিচাৰ্য্য বিষয় হিচাপে পৰিগণিত হৈছে ।

পাশ্চাত্যৰ দেশবোৰত ৰেগিং মানে এক চিনাকি পৰ্ব । কোনো এখন শিক্ষানুষ্ঠানত নতুনকৈ ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ, সৈতে জেষ্ঠ সকলৰ লগত চিনাকী কৰি দিয়া পৰ্বকেই ৰেগিং বোলা হয় । কিন্তু বৰ্ত্তমান সমগ্ৰ ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠানতেই ৰেগিং এক ভয়ংকৰ সামাজিক প্ৰথাৰ দৰে হৈ পৰিছে । বহুতে ইয়াক এক ব্যাধিৰ লগত তুলনা কৰিছে যাৰ বিষ ক্ৰিয়াই শৈক্ষিক পৰিবেশ কলুষিত কৰি তুলিছে । আন কিছুমানে ৰেগিঙক এক ধৰণৰ নাৎছিবাদ বুলিও ক'ব খোজে । এখন শিক্ষানুষ্ঠানক এক সুস্থ বাতাবৰণ আৰু উপযুক্ত শৈক্ষিক পৰিবেশ গঢ়ি তোলাত আৰু তাক অটুট ৰখাত শিক্ষানুষ্ঠানৰ মুৰব্বী, শিক্ষক - শিক্ষয়ত্ৰী, ছাত্ৰ - ছাত্ৰী, অভিভাৱক আদি সকলোৰে প্ৰায় সমানে দায়িত্ব আছে । দোষীক উপযুক্ত শাস্তি দিয়াটো একান্ত প্ৰয়োজন । অৱশ্যে এই ক্ষেত্ৰত ছাত্ৰ - ছাত্ৰী ভুক্ত ভোগী সকলৰ লগতে ছাত্ৰ ইউনিয়ন বোৰেও নিৰ্ভীক ভাৱে কৰ্তৃপক্ষক যথেষ্ট সহায় কৰিব লাগিব । কৰ্তৃপক্ষই এই

ক্ষেত্ৰত কোনো শিথিলতা দেখুৱাব নালাগিব । প্ৰয়োজন সাপেক্ষে অভিভাৱক স্থানীয় প্ৰশাসক তথা আৰক্ষীৰ সহায়ো ল'ব পাৰে । অন্যথাই ৰেগিংৰ কু-প্ৰভাৱে আমাৰ ভৱিষ্যৎ নাগৰিক তথা বংশধৰ সকলৰ অপূৰণীয় ক্ষতি সাধন কৰিব আৰু আমি এক অন্ধকাৰ ভৱিষ্যতৰ ফালে অগ্ৰসৰ হ'বলৈ বাধ্য হ'ম ।

ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ বাবে আমাৰ দেশত পশ্চিমীয়া আৰ্হিৰ শিক্ষানুষ্ঠান সমূহে গঢ়লৈ উঠাৰ পিছত অৱধাৰিত ভাৱে সিবিলাকলৈকো পশ্চিমৰ 'কাল্‌চাৰ' আমদানিৰ বেলিকা সাধাৰণতে যিটো ঘটে ৰেগিংক বেলিকাত তাৰ ব্যতিক্ৰম নঘটিল। অৰ্থাৎ পশ্চিমৰ অভ্যাস বা আচৰণ নীতি অনুকৰণ কৰোঁতে সিবিলাকৰ ভাল দিশটোতকৈ বেয়া দিশটোয়েহে আমাৰ বেছিকৈ আকৃষ্ট কৰিলে । কোৱা বাহুল্য যে পৃথিৱীৰ উন্নত দেশ সমূহত ৰেগিং আজিও এক আমোদজনক সৃষ্টিশীল অনুষ্ঠান যিটোৱে শিক্ষানুষ্ঠানৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰসকলৰ মাজত পাৰস্পৰিক বুজাবুজি সহযোগিতা আৰু সৌহাৰ্দ্য গঢ়ি তোলাত অৰিহনা যোগোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন গঠনমূলক কাম কাজৰ প্ৰতিও উদ্দীপনা যোগায় । প্ৰথম অৱস্থাত আমাৰ দেশতো ৰেগিংৰ তেনে এক ইতিবাচক ভূমিকাই আছিল যদিও সাম্প্ৰতিক কালত ইয়াৰ চৰিত্ৰ এনে কদৰ্য আৰু ভয়াবহ হৈ পৰিছে যে ইয়াক সকলোৱে এক সামাজিক ব্যাধিৰূপে চিহ্নিত কৰিবলৈ লৈছে । ৰেগিংৰ চৰিত্ৰ এনে হোৱাটেৱে আমাৰ যুৱক যুৱতী সকলৰ অসুস্থ ৰুচিবোধ তথা বিকৃত মানসিকতাৰে প্ৰতিফলন ঘটায় । যি সকলে প্ৰথমে নিজকে সঁচা অৰ্থত নৈতিকতা, নিয়মানুবৰ্তিতা সুস্থ ৰুচিবোধৰ প্ৰতীক হিচাপে গঢ়ি তুলিব পাৰিব তেওঁলোকেহে অন্যৰ ৰুচি বিকৃতিৰ বিৰুদ্ধে থিয় দিব পাৰিব আৰু ৰেগিঙক এক আমোদজনক অনুষ্ঠানৰূপে গঢ় দিয়াৰ বাস্তৱ পদক্ষেপ গ্ৰহণ কৰাত সফল হ'ব পাৰিব । শিক্ষকসকলৰ বন্ধুত্ব পূৰ্ণ সহযোগিতাই এই ক্ষেত্ৰত যথেষ্ট বৰঙনি যোগাব পাৰে । সেয়ে হ'লেও মূল দায়িত্বটো ছাত্ৰ সমাজৰ অগ্ৰণী অংশৰ নেতৃত্ব দিবলৈ আগবাঢ়ি অহা ছাত্ৰ সকল যদি নিজেই অসুস্থ মানসিকতা আৰু বিকৃত ৰুচি বোধৰ বাহক হ'ব লগা হয় তেতিয়া হ'লে তাতকৈ ভয়ানক কথা একোৱেই হ'ব নোৱাৰে । সেয়েহে অপ্ৰিয় হ'লেও ক'বই লাগিব যে যেতিয়ালৈকে ছাত্ৰ, সমাজৰ নেতৃ স্থানীয় সকলে নিজকে আদৰ্শগত ভাৱে সুস্থ সবল কৰি তুলিব নোৱাৰিব তেতিয়ালৈকে অন্য কোনো ব্যৱস্থাৰেই ৰেগিংৰ দৰে ব্যাধিৰ নিৰাময় সম্ভৱ নহয় ।

ৰেগিং শিক্ষানুষ্ঠানৰ পৰা নিৰ্মূল কৰিবলৈ হ'লে সংশ্লিষ্ট অনুষ্ঠানৰ মুৰব্বী জন যথেষ্ট কঠোৰ হ'ব লাগিব । সহকাৰী সকলেও মুৰব্বীজনক সহায় কৰিব লাগে । বহুতো শিক্ষকৰ নিস্ক্ৰিয় মনোভাৱত উৎসাহিত হৈ কিছুমান যুৱকে নিজৰ নীচ মনোবৃত্তি চৰিতাৰ্থ কৰিবলৈ সুযোগ পায় । শিক্ষকৰ ভাৱমূৰ্ত্তীয়ে ছাত্ৰ-ছাত্ৰীক সৰ্তক হ'বলৈ ইন্ধন যোগায় । সকলোৱে বাবে এইটো এটা প্ৰত্যক্ষ অভিজ্ঞতা যে শিক্ষানুষ্ঠানৰ যিজন কাৰা শিক্ষক বা শিক্ষয়ত্ৰী তেওঁৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী সকলে যি কোনো নিয়ম বৰ্হিভুৰ্ত কাম কৰিবলৈ ভয় কৰে ।

শিক্ষা ব্যৱস্থাত ৰেগিং প্ৰথাই এক ভয়াবহ পৰিবেশৰ সৃষ্টি কৰি সকলোকে চিন্তাত পেলোৱাত হতাশ হৈছো । বৰ্তমান এই প্ৰথা ব্যাধিৰ ৰূপত প্ৰকট হৈ শিক্ষা ব্যৱস্থাক পংগু কৰাৰ ক্ষেত্ৰত অৰিহনা যোগাইছে । ৰেগিং প্ৰথাৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কত আলোচনা কৰাৰ আগতে চিন্তা কৰিছো যি সকলে ৰেগিং কৰে তেওঁলোকে ৰেগিংৰ অৰ্থই নাজানে যেন লাগে । ৰেগিং প্ৰকৃতাৰ্থত নবাগত আৰু পুৰণি চামৰ মাজত ভাতৃত্ব সুলভ মনোবৃতি আৰু সৌহাদ্য গঢ়ি তোলাৰ মাধ্যম । এই ব্যৱস্থাৰ মাজেদি নতুন সকলক অনুষ্ঠানটোৰ প্ৰতি শ্ৰদ্ধা ভক্তি দায়িবদ্ধতা আদি বহুবোৰ পৰিবেশ গঢ়ি তোলা হয় । কিন্তু বৰ্ত্তমানে ৰেগিং কৰা সকলে ৰেগিংৰ নামত চূড়ান্ত উদ্ভণ্ডালিহে প্ৰদৰ্শন কৰিছে । সিবিলাকৰ পৰা তেওঁলোকৰ বিকৃত ৰুচিবোধৰ আৰু সংস্কৃতিহীন মনৰ পৰিচয় ফুটে উঠে । এনে ধৰণৰ চিন্তা ধাৰা দূৰ কৰাৰ বাবে আমি সকলোৱে চেষ্টা কৰাটো প্ৰয়েজনীয় হৈছে ।

প্ৰতিকাৰৰ উপায় হিচাপে প্ৰথমে ক'ব পাৰি সৰ্ব সাধাৰণক এই সম্পৰ্কে সজাগ কৰি তুলিব লাগিব । জনমত সবল কৰিবলৈ দুৰদৰ্শন, ৰেডিঅ', বাতৰি কাকত আদিৰ যোগেদি আলোচনা আগবঢ়াব লাগিব । পুৰণা ছাত্ৰ-ছাত্ৰী সকল আমাক ৰেগিং কৰিছিল আমিও কৰিম এনে ধৰণৰ ভ্ৰান্ত বা বিকৃত মনোভাৱ পৰিহাৰ কৰি এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়িবলৈ যত্নপৰ হব লাগিব । সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাতৃত্বপুৰ্ণ মনোভাবেৰে ৰেগিংৰ বিৰুদ্ধে যুঁজ দিব লাগিব । ইয়াৰ উপৰিও ছাত্ৰ একতা সভা তথা কৰ্তৃপক্ষইও দৃঢ় মনোভাবেৰে ৰেগিংৰ বিৰুদ্ধে যুঁজ দিব লাগিব । উভয় পক্ষই যদি ৰেগিং নিৰাময়ৰ ক্ষেত্ৰত বিশেষ উপযুক্ত কাৰ্য্যপন্থা গ্ৰহণ কৰে তেন্তে এদিন নিশ্চয় ৰেগিংক ভয়াবহতা আমাৰ মাজৰ পৰা আতঁৰি যাব ।

লেখক ঃ স্নাতক দ্বিতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰ ।

# ডিগবৈৰ প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ

বিনন্দ কুমাৰ কোঁৱৰ

প্ৰথম মহাসমৰ থিক পাছতেই ১৯১৭ চনৰ ২১ মে'ত আন্তঃ ৰাষ্ট্ৰীয় 'কমনৱেলথ দলিলত কমনৱেলথ গোষ্ঠীয়ে 'কমনৱেলথ ৱাৰ গ্ৰেভ কমিচন' নামৰ এক সংস্থা খোলে । বিশ্বযুদ্ধত মৃত্যু হোৱা সৈনিক সকলৰ নাম সমূহ চিৰ সৈউজ কৰি ৰাখিবলৈ আৰু বিভিন্ন ঠাইত একোখনকৈ প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ নিৰ্মাণ কৰি সেইবোৰৰ সংৰক্ষণ কৰাই সংস্থাৰ মুল উদ্দেশ্য ।


ভাৰতবৰ্ষত সৰ্বমুঠ ২৯ খন এনে প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ আছে বুলি জনা যায়। ইয়াৰে অসমৰ গুৱাহাটীত এখন আৰু অন্যখন ডিগবৈত অৱস্থিত । ডিগবৈ শোধনাগাৰৰ পৰা দুই মাইল নিলগৰ পুব দিশে থকা ডিগবৈ পেঙেৰী গড়কাপ্তানী পথৰ কাষত ডিগবৈ সৈনিক সমাধিক্ষেত্ৰ অৱস্থিত । প্ৰায় দুবিঘা মাটিৰে আগুৰি থকা ডিগবৈ সৈনিক সমাধিক্ষেত্ৰখন বাপাপুং পানবাৰী অঞ্চলৰ খেৰজান ফৰেষ্ট চেক গেটৰ কাষৰ এটা ওখ পাহাৰৰ ওপৰত ব্ৰিটিছসকলে নিৰ্মাণ কৰিছিল । ১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্প আৰু ১৯৫৩ চনত প্ৰচুৰ বৰষুণ হৈ হোৱা ভূমিস্খলনৰ ফলত ওচৰৰে মুকলি হেলনীয়া ঠাইলৈ সমাধিক্ষেত্ৰখন স্থানান্তৰিত কৰা হয় । এই সমাধিক্ষেত্ৰখনত সৰ্বমুঠ ২০০ জন সৈনিকৰ সমাধি আছে । ইয়াৰে ছজন অপৰিচিত সৈনিকৰ পাচঁজন ভাৰতীয় আৰু এজন যুক্তৰাষ্ট্ৰৰ সৈনিক । এই সমাধিক্ষেত্ৰখনত থকা সমাধিবোৰৰ একোটা শিলাটুকুৰাত প্ৰত্যেক জন সৈনিকৰ নাম, জাতীয় প্ৰতীক, বেজ, পদ, জন্মৰ তাৰিখ, বয়স, ৰেজিমেন্টৰ নাম আৰু শেষত প্ৰিয়জনৰ প্ৰতি কৰা কোনো সৈনিকে জীৱিত কালত বিশেষ উক্তি নিজে লিখি থৈ গ'লেও ইয়াক সমাধিত খোদিত কৰা হয় । সমাধিক্ষেত্ৰ খনৰ প্ৰৱেশ পথত আছে আপুৰুগীয়া শিলাৰে নিৰ্মিত এখন প্ৰকাণ্ড তোৰণ । তাত লিকা আছে DIGBOI WAR CEMETERY । ভিতৰলৈ সোমাই যোৱাৰ লগে লগে দেখা যায় ফুলেৰে আবৃত শাৰী শাৰী বৰ্গাক্ষেত্ৰকাৰ সমাধি । সমাধিক্ষেত্ৰখনৰ সোঁমাজতে প্ৰায় চল্লিছ ফুট ওখ যিছুৰ ক্ৰছ চিহ্নটো । এই ক্ৰছটোতে ফুলৰ অৰ্ঘ্য দি সৈনিক সকলৰ শ্ৰদ্ধা জনোৱা হয় । উত্তৰ পূৰ্বাঞ্চলৰ সমাধিক্ষেত্ৰবোৰ কহিমাৰ কমনৱেলথ ৱৰে গ্ৰেভ কমিছনৰ শাখা কাৰ্যালয়ে পৰিচালনা কৰে । সমাধিক্ষেত্ৰবোৰৰ বাবে খৰচ হোৱা ধন এক আৰ্ন্তজাতিক পুঁজিৰ পৰা পোৱা যায় । আধুনিক সমাধিক্ষেত্ৰখন চোৱা চিতা কৰিবলৈ দুজন কৰ্মচাৰী নিয়োগ কৰিছে কমনৱেলথ ৱাৰ গ্ৰেড কমিচনে আৰু তেওঁলোক দুজনৰ বেতন সমূহ আন্তজাতিক পুঁজিৰ পৰাই বেংকৰ যোগে পঠাই দিয়ে । কৰ্মচাৰী দুজনে ক্ষেত্ৰখন পৰিস্কাৰ কৰি ৰাখিব লাগে । তদুপৰি অভ্যাগতসকলক অভ্যৰ্থনা জনোৱা আৰু মতামতৰ বহীত তেওঁলোকৰ চহী লব লাগে । ঠায়ে ঠায়ে ফুলৰ পুলি ৰোৱা কামবোৰ তেওঁলোকে কৰিব লাগে । সকলো ধৰণৰ কামৰ নিৰ্দেশ, আকৃতি আদি কমনৱেলথ ৱাৰ গ্ৰেভ কমিচনৰ লণ্ডনত থকা কাৰ্যালয়ৰ পৰা আহে। এই সমাধিক্ষেএত থকা নিহত কমৰেড' সকলক সুৰঁৱিবৰ বাবে প্ৰতি বছৰৰ নবেম্বৰ মাহৰ দ্বিতীয় দেওবাৰৰ পুৱা অনুষ্ঠানৰ আয়োজন কৰা হয়। স্মৃতি তৰ্পন কাৰ্য অসম অইল ডিভিজনৰ পৃষ্ঠপোষকতাত সমাধা কৰা হয়। তেনেসময়তে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাত ভাগৱত, গীতা, বাইবেল, গুৰুগ্ৰন্থ, কোৰান আদি ধৰ্মগ্ৰন্থ পাঠ কৰি পৰিৱেশটো গহীন কৰি তোলে । সভাৰ পূৰ্বে অনুষ্ঠানত সাময়িক আদৱ কায়দাৰে বেন্ড বজাই কোচ কাৱাজ কৰা হয় । মৃত সৈনিক সকলক শ্ৰদ্ধা জনাই জ্যেষ্ঠ সাময়িক বিষয়া সকলে সাময়িক পদ্ধতিৰে ক্ৰছত ফুলৰ মালা অৰ্পন কৰে । এই স্মৃতি তৰ্পন অনুষ্ঠানত অসম অইল ডিভিজন, কল ইণ্ডিয়া, অইল ইণ্ডিয়া, কাষতে থকা বিভিন্ন চাহ বাগিচাৰ মুৰব্বী সকল' আৰু অন্যান্য গন্যমান্য ব্যক্তিয়ে অংশ গ্ৰহন কৰে ।

উল্লেখযোগ্য যে ইংলেন্ড আৰু ফ্ৰান্সে জামানীৰ বিৰুদ্ধে ১৯৩৯-৪৫ চনলৈকে চলা দ্বিতীয় মহাসমৰৰ ফলত ভাৰতৰ লগতে উওৰ পুবাঞ্চলতো

ইয়াৰ প্ৰভাৱ পৰিছিল। সেই সময়ত ব্ৰিটিছ আৰু মিত্ৰ শক্তিৰ পক্ষৰ অসম হৈ পৰিছিল যুদ্ধৰ অন্যতম ঘাটি। ঠিক সেই বিশ্বযুদ্ধৰ সময়ত সমগ্ৰ অসম, বিশেষকৈ ডিগবৈ অঞ্চলটো বাৰ্মা সীমান্তৰ কাষত থকাৰ বাবে যুদ্ধৰ এক কেন্দ্ৰস্থল হৈ পৰিছিল। এই যুদ্ধত আহত সৈনিক সকলক চিকিৎসা দিবৰ বাবে ডিগবৈ কেন্দ্ৰস্থলত এখন চেন্ট্ৰেল মিলিটেৰী হাস্পতাল স্থাপন কৰিছিল। এই হাস্পতালক কেন্দ্ৰ কৰি এতিয়াও এই ঠাইক চি. এম. এইচ. এৰিয়া বুলি কোৱা হয়। যুদ্ধত আহত সৈনিক সকলক শুশ্ৰূষাৰ বাবে এই ছেন্টেল মিলিটেৰী হাস্পতালত ভৰ্ত্তিকৰা হয় আৰু ডাক্তৰৰ চেষ্টাত কোনো আহত সৈনিক বাচি গৈছিল আৰু কোনোৱে মৃত্যুক আকোৱালী লবলগা হৈছিল। চিকিৎসালয়ত মৃত্যু হোৱা সৈনিকসকলৰ অন্তিম সৎকাৰ আৰু স্মৃতি ৰক্ষাৰ বাবেই ডিগবৈ সৈনিক সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হৈছিল। যুদ্ধৰ পাছত লিডু, মাৰ্ঘেৰিটা, তিনিচুকীয়া, পানীতোলা আৰু যোৰহাট আদি ঠাইত মৃত্যু হোৱা সৈনিকৰ প্ৰতীক সমাধিক ইয়াতে সজা হৈছিল। তদুপৰি বাৰ্মাত মৃত্যু হোৱা বৃটেইনৰ এজন সৈনিকৰ প্ৰতীক সমাধি ডিগবৈ সৈনিক সমাধিক্ষেত্ৰত সজা হৈছিল।

কৃতজ্ঞতা ঃ দীপক ভূঞা, ড. প্ৰভাত চন্দ্ৰশৰ্মা,জয়কান্ত গন্ধীয়া আৰু প্ৰাঞ্জলী বৰগোহাঁই।

লেখক ঃ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। ডিগবৈ শিশু নিকেতনৰ শিক্ষক তথা 'আমাৰ অসম' কাকতৰ ডিগবৈৰ প্ৰতিবেদক।



# Story of Wimbledon

:Subhajit Debnath

Every year in the spring time a tennis tournament is held at Wimbledon, a suburb of South London, England. Officially called the All England Lawn Tennis Championship, it is the best known of the World's Major Tennis Tournaments. Along with the United State championship in Forest Hills, New York, the Australian open and the French Open Tennis Tournaments, the Wimbledon completes the list of the Grand Slams of the world's tennis circuit. It is the only one to be played on grass court. It is the dream of every tennis player to win a Wimbledon title.

Tennis dates back to 1100 - 1200 A.D and it was first played in French. It was called 'Jeu-de-Paume' meaning game of the palm. The modern game of tennis started in England in the 1870's and it was introduced by a British army officer, Major Walter Clopton Wingfield. His strong and forceful activities led to the rapid spread of the game in country houses all over England. It soon replaced Croquet, a game in which wooden ball is driven by mallets as Englands most popular outdoor sports and captured public interest. Soon the game become known as lawn Tennis.

The All England Croquet Club changed its name to All England Croquet and Lawn Tennis Club in 1877. The club then sponsored the first major tennis tournament at its headquaters in Wimbledon. The first lawn tennis championship began on Monday 9th July 1877. Spencer William Gore was the first champion. On 19th July 1877 he beat William Marshall to win the man's singles title form a field of 22. "The Gentleman's Single Trophy" was a silver gilt cup and cover with the inscription, " The All England Lawn Tennis Club Singles Handed Champion of the World."

In 1884 the Womens single title was introduced and it was won by Maud Watson. The Men's doubles title was also introduced. The womens doubles and mixed doubles title were introduced only in 1913 at Wimbledon. Between 1881 and 1889, the






British twins, Ernest and William Renshaw won 13 titles separately and as double partners. This period was known as Renshaw Rush. The first overseas players to claim the Wimbledon single crown were May Sutton of the U.S.A and Norman Brookes of Australia in 1907. During world war 1 the game was suspended. The club survived on donations received from its members and well wishers until the resumption

of the tournament in 1919. A new ground was purchased in 1920. In 1922 it was opened by King George V and Queen Mary.

During World War - II the club remained open inspite of a reduction of staff. A bomb struck the centre court and resulted the loss of 1200 seats. In 1946 the game was resumed and by 1949 the grounds were fully restored to their pre war condition. Till late 1950's the chief participants were amateur tennis players - who played for fun, not for money. In 1967 the championship was opened for all.

In 1968 the first "open" tennis championship were held. Rod Lever in Men's and Billie Jean King in the Women's were the first of such champions. The first American to win the Men's singles title was Bill Tilden in 1920. He won title in 1920, 1921, 1930. Among Women Helen Wills Moody (USA) won 8 titles between 1927 and 1938. She was popularly known as "Little Miss Poker Face". Suzanne Lenglen of France won the single and double from 1919 to 1923 and in 1925. Other great players who won title here were Rod Lever, 4 titles, Billie Jean King, 20 titles.



The youngest players ever to win at Wimbledon are German Boris Backer in 1985 and Swiss Martina Hingis in 1977 at the age of 17. Bjorn Borg , Swedish player, won the men's' singles five times ( 1976 - 1980) a record. Chris Evert Lloyd, American won the title in 1974 and thus became the first player in women's circuit to win $1 million in Prize money. MartinaNavratilova, Czechoslovakia - born American player won women's single 9 times including six times in a row ( 1982 - 87). Staffi Graf of Germany won the Women's title many a times. Other outstanding players in women's circuit are Monica Sales, Lindsay Devenport, Venus Williams etc. In men's circuit Andre Agassi, John Mc Enroe, Jimmy Connor etc.

Pete Sampras, the record holder of 13 grand slam title won Wimbledon many a times. In 2000 he again won the men's title by beating Patrick Rafter, ( Australia). Venus William of USA won the women's title by beating Lindsay Devenport of USA, the defending champion. In 2001, Goran Ivanesevic of Croatia won the men's singles beating Patrick Rafter of Australia and Venus Williams of USA won the Women's singles beating Justine Henin of Belgium.

For the 2001 championship the total prize money was £8,497,360; 5.5% more than last year. Men's singles champion received £ 5,00,000 and Women's champion £4,62,500.

Before presenting the Trophies to the respective champions in the main five events they are displayed for several months of the year in the Wimbledon Tennis Museum.

(Source : Wisdom)

STUDENT,
DEPT. OF ECONOMICS.
T.D.C 3RD YEAR



# গল্পৰ শৰাই

যি কোনো বস্তু - এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে - সূৰ্য্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটি গল্পৰ বিষয় হ'ব পাৰে । চৰ্ত বুলিবলৈ কেৱল এটা – চুটি গল্পৰ পখিলাটো মাথোন এটা ফুলতেই বহিব লাগিব । চুটি গল্পৰ আনন্দ মাথোন একোটি ফুলৰ মধু গ্ৰহণতেই শেষ ।

--- এইচ. ই. বেটৈছ



## উপন্যাস

মোক নুসুধিবা তোমাক কিয় ভাল লাগে
মই ক'ব নোৱাৰো............
ফুলৰ সুৱাসেৰে ভৰা বসন্ত ঋতু কিয় ভাল লাগে
আৰু.........
আৰু মোক নুসুধিবা
খুঁটি খুঁটি তোমাৰ চকুত কি চাঁও
মই কব নোৱাৰিম..... যেনেকৈ
আজিও কব পৰা নাই
মই জোনৰ বুকুত বা পুৱতিৰ নিয়ৰত কি চাঁও ।



# অশান্ত হৃদয়ৰ ঊৰ্মিমালা

অশ্বিনী শইকীয়া

কোনোবা কবিয়ে হয়তো বাস্তৱ অভিজ্ঞতাৰ পৰাই কলমৰ কাপেদি নিগৰাই ছিল কবিতাৰ কুঁকি এনেদৰে । সঁচা এতিয়াও, আজিও কব নোৱাৰিম প্ৰীতিক কিয় ইমান ভাল লাগিছিল, কিয় বিচাৰিছিলো তাইৰ দুচকুত পূৰ্ণিমাৰ জোন । স্বপ্নীল চিন্তাৰ ঢৌবোৰে খুন্দিয়াই গৈছিল মনটো । খুলি থোৱা খিৰিকী খনেদি শীতল বতাহ এচাটি সোমাই আহিল । গাতো অজানিতে কপি উঠিল । বাহিৰত তেতিয়া আন্ধাৰ আৰু আন্ধাৰ । ঘড়ীটোলৈ চালো । আঢ়ৈ বাজিছে আৰু কেইঘন্টামানৰ পিচতে পোহৰ হব যি পোহৰ আন্ধাৰ হৈ ৰব মোৰ চিৰকালৰ বাবে । পুঁৱাই হয়তো মানুহে গম পাব মোৰ আত্মহত্যাৰ খবৰ । হয়তো কাপুৰুষ বুলি কব মোক, ধিক্কাৰ দিব । কিন্তু মই যে নিৰুপায় । যাৰ কাৰণে জীয়াই থাকিব খুজিছিলো তাৰ হাততেই প্ৰতাৰিত হ'লো বুলি প্ৰতিশোধৰ অগ্নিত জ্বলিছিলো । প্ৰতিশোধো ললো তাইক, মানে প্ৰীতিক হত্যা কৰি । কিন্তু পিচত গম পাইছিলো মই ভুল কৰিলো বুলি । এজনী নিষ্পাপ ছোৱালীক মৰণৰ মুখলৈ ঠেলি দিলো । নাই...... নাই মই প্ৰায়চিত্ত কৰিবই লাগিব । মৃত্যুৱেই একমাত্ৰ পথ খোলা আছে মোৰ বাবে । ধাৰাসাৰে চকুপানী ওলাই আহিল অজানিতে । বাৰে বাৰে প্ৰীতিৰ নিষ্পাপ কোমল মুখখন দুচকুৰ আগত ভাঁহি আহিল । মুৰটো টেবুলখনৰ ওপৰত থৈ জোৰেৰে হেঁচি ধৰিলো । মগজুটো খেলি মেলি লাগি গ'ল । কথাবোৰ পুনৰ প্ৰথমৰ পৰা ভাবিবলৈ মন ল'গ শেষবাৰৰ কাৰণে ।

আজি কেইদিনমানৰ পৰা কলেজৰ ইউনিয়ন বৰ্ডৰ ইলেকচনৰ কাৰণে শ্ৰেনী এটা দুটাহে বহিছে । মোৰ লগৰ কেইজন মানেও নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে প্ৰতিদণ্ডিতা আগবঢ়াইছে । মোৰ অন্তৰঙ্গ বন্ধু জীৎ, সিও গুৰুখেল বিভাগৰ সম্পাদক পদৰ প্ৰাৰ্থী হৈছিল । তাৰ হৈ আমি মানে আমাৰ 'ক্লাছ'ৰ সকলোৱে জোৰদাৰ প্ৰচাৰ চলাই আছো । "কলেজ ইলেকচনলৈ দুদিন বাকী থাকোতে জীৎ এদিন আমাৰ ঘৰত আহি ওলালহি । সি মোক তাৰ বেনাৰ আৰু কাৰ্ড বনোৱাত সহায় কৰি দিব লাগে বুলি কোৱাত মই মান্তি হ'লো আৰু সেইদিনাই গধূলি তাৰ ভাড়া ঘৰলৈ আহিলো ।

"তই অলপমান দেৰী বহচোন মই বজাৰৰ পৰা আহোগৈ ।" জীতে ৰুমৰ বাল্বটো জ্বলাই কলে ।

ঃ "মইও যাম' -

ঃ বেছি দেৰী নকৰোত' । এই যাম আৰু আহিম । তই নালাগে যাবলৈ তাতকৈ কাৰ্ডকে বনা ।'

ঃ "বাৰু তই যা । বেছি দেৰী নকৰিবি ।"

সি ওলাই গ'লগৈ । হঠাতে তাৰ ৰুমৰ সোঁফালে থকা ৰুমটোত কোনোবা ছোৱালীৰ মাত শুনা যেন পালো । কিবা অদ্ভুত ধৰণৰ ভাষাত কথা পাতিছে ৰ' চালা তাক ঘূৰি আহিব দে, দিম নহয় মজাতো । মনে মনো ভোৰভোৰালো ।

যথা সময়ত জীত আহি পালেহি । মই তাক দেখিয়ে কৈ উঠিলো । "তই বৰ লাজকুৰীয়া অ' । ছোৱালীক ইমানেই ভয় কৰনে ? সেই কেইজনীৰ এজনী মোৰ বাইদেউ আৰু এজনী মামাৰ ছোৱালী । ৰ' মাতি দিছো চিনাকী কৰাই দিম ।"

ঃ "নেলাগে, এতিয়া মাতিব । ভাত খাই উঠাৰ পিচত চিনাকী হম ।" মই লগে লগে বাধা দি কলো ।

ঃ "বাৰু হব । পিচে চাওঁ কি আঁকিছ এইবোৰ" - জীতে কাঢ়ি নিয়াদি নিলে মই আঁকি ইতিমধ্যে শেষ কৰা কিছুমান কাৰ্টুন ছবি ।

ঃ বাঃ ইমান মজা আঁকিছ । আবা, অ আবা, আংগাপু য়ু বাইদেউ, অ, বাইদেউ এই ফালে চাবি আহ্না -সি চিঞৰিব ধৰিলে ।

সি কি কৈছে তৎ ধৰিব নোৱাৰি তাক সুধিলো - "আৰে গৰু, এইবোৰ কি বকিছ একো ধৰিবই পৰা নাই দেখোন ।"

ঃ বুৰ্বক, চিংফৌ মানুহে এনেকুৱা কথা নকৈ কি ক'ব ? সি হাঁহিলে ।

ঃ তঁহতি চিংফৌ মানুহ । মই তোৰ লগত একেলগে ইমানদিন ঘূৰি ফুৰিছো অথচ গম নাপাওঁ । মই দস্তুৰমত অবাকহৈ গলো । আৰু কিবা কবলৈ লওঁতেই দুৱাৰখন বাহিৰৰ পৰা কোনোবাই খুলিব বিচৰা যেন অনুমান হল । মই সন্ত্রস্ত হৈ গলো । দুৱাৰখন খুলি জীতৰ বায়েক ভিতৰলৈ সোমাই আহিল ।

ঃ "কি দেখুৱাব খুজিছিলি চাওঁ ।"

ঃ এই কেইখন চা না । ই আঁকিছে ।" জীতে আঙুলি টোঁৱাই মোৰ ফালে দেখুৱাই বায়েকক কলে ।

মই লাজতে তলমূৰ কৰি বহি থাকিলো ।

ঃ " সচাঁয়ে ভাল আঁকিছা দেই ।"

জীতৰ বায়েকে বাহিৰলৈ ওলাই গৈ কাৰোবাক মাতিলে । এইবাৰ দুৱাৰখন খুলি দুজনী সোমাই আহিল । হয়তো নতুনকৈ সোমাই অহা জীতৰ মামাৰ ছোৱালীয়ে হ'ব ।

তাই কাৰ্ড কেইখন চাই জীতৰ বায়েকক কলে, "ভাফে মু কায়া চু ভু নো মোকো আঁকি দিব কনা ।

ঃ "জান, তুমি এইজনীকো এনেকৈ আঁকি দিব লাগে বুলি কৈছে ।" জীতৰ বায়েকে মোক উদ্দেশ্যি কথাষাৰ কলে ।

ঃ "বাৰু । মই মূৰ নোতোলাকৈয়ে কলো ।

ঃ বুৰ্বক, তললৈ মূৰ কৰি কিতো কথা পাতিছ । তোৰ বুকুত অলপো সাহস নাই । জীতে মোক কটাক্ষ কৰিলে ।

এইবাৰ মই মূৰ তুলি চাবলৈ বাধ্য হৈ পৰিলো, কিন্তু সেইযে এবাৰ মুৰ তুলি চাইছিলো । তাৰপিচত চায়ে থাকিলো একেথিৰে । কি বা এক দূৰ্বাৰ আকৰ্ষণত মোৰ দুচকু প্ৰীতিৰ মুখনিত স্থিৰ হৈ ৰৈ গৈছিল । বাৰে বাৰে চেষ্টা কৰিও দুচকু নমাব পৰা নাছিলো তাইৰ পৰা । হয়তো অনুৰক্ত হৈ পৰিছিলো তাইৰ প্ৰতি ।

আজি প্ৰীতি জীৎ আৰু তাৰ বায়েক প্ৰগতি আমাৰ ঘৰলৈ ফুৰিবলৈ আহিব । ময়ে মাতি থৈ আহিছিলো । মই দেৰী হোৱা দেখি ভাবিছিলো সিহঁত নাহিবই চাগে । প্ৰায় এঘাৰ মান বজাত সিহঁত কেইটা ওলালহি ।

ঃ বহাচোন, মই মাক মাতি আনিছো ।" সিহঁতক বহিবলৈ দি কলো ।

মই মাৰ আগত সিহঁতৰ পৰিচয় দাঙি ধৰিলো । "মা, এইয়া প্ৰীতি আৰু এইয়া জীতৰ বায়েক প্ৰগতি মোৰ লগত একেলগে পঢ়ে ।"

ঃ আৰে মই কোন, মোক চিনাকী কৰাই নিদিয় ? জীতে ঘপককৈ উঠি মোক সুধিলে ।

ঃ অ', পাহিৰিছিলোৱেই । বেয়া নেপাবি দেই । মা, এই বুৰ্বকটো মোৰ বন্ধু । অই গৰু মুখ মেলি কি চাই আছ, নমস্কাৰ কৰ চালা ।" -মই তালৈ চাই ভেঙুচালী কৰি উত্তৰ দিলো ।

ঃ "ধেৎ, তহঁতি দুটাই কিনো কাজিয়া কৰি থাক অ' ।" -মায়ে মৃদুভাৱে ধমক দিলে মোক ।

ঃ "মা, আমি আপোনাক মা বুলিয়ে মাতিম, বেয়া নাপাব" -প্ৰগতিয়ে মাক উদ্দেশ্যি কলে ।

ঃ "বেয়া কেলেই পাম আক' । বুজিছা, মোৰ ছোৱালী নাই, তোমালোকে মা বুলি মাতিলে নিজৰ ছোৱালীৰ দৰে লাগিব ।" -মায়ে আবেগেৰে কলে -"তোমালোকে একেবাৰে ভাতপানী খায়ে যাবা । জান, তই বজাৰলৈ যা চোন ।"

ঃ "নালাগে মা, আমাৰ কাৰণে ইমান কষ্ট কৰিব, আমি ভাত খায়ে আহিছো ।" - সিহঁত দুইজনীয়ে প্ৰায় একেলগে কৈ উঠিল ।

ঃ কিয় নাখাবা ? এদিনীয়াকৈ আহিছা একো এটা নোখোৱাকৈ যাবলৈ দিমনে ? "- এইবাৰ মায়ে মোৰ ফালে চাই কলে," অই, তই অঁকৰাটোৰ দৰে কেলেই ৰৈ আছ যা জীতৰ লগতে আৰু শুন সোনকালে আহিবি ।

মই শলাগি সকলোকে মাত লগাই জীতৰ লগত বজাৰলৈ ওলাই আহিলো ।

ঃ "মা, এই জনীয়ে বৰ লাজ কৰে দেই । তই তাই ভাত

খোৱাৰ সময়ত চাই নাথাকিবি । নহলে তাই ভাত নাখায় পানীহে খাব বেছিকৈ তেতিয়া" - মই প্ৰীতিক খোৱা টেবুলত মনে মনে বহি থকা দেখি কলো ।

ঃ মই লাজ নকৰো দেই । তুমি এনেই কেলেই কৈছা - প্ৰীতিয়ে তলমূৰ কৰিয়ে কথাষাৰ কলে ।

ঃ খোৱা, খোৱা । লাজ নকৰিবা - মায়ে হাঁহি মাৰি আঁতৰি গ'ল ।

ঃ মই পিচে বৰকৈ লাজ - কাজ নকৰো দেই । মই নিজৰ ঘৰতো যেনেকুৱা ইয়াতো তেনেকুৱা ।" জীতে মাংস এটুকুৰা চোবাই চোবাই কলে ।

ঃ "ছিঃ লেতেৰা কৰবাৰ, লালটি ওলাই যোৱাকৈ খাইছে, কেলেই, ঘিন নালাগে নেকি ?" প্ৰগতিয়ে তাৰ খোৱাৰ ধৰণ দেখি খঙেৰে কলে ।

আমি সকলোৱে তাৰ ফালে চাই হাঁহি দিলো । সি অপ্ৰস্তুত হ'ল । মই প্ৰীতিৰ ফালে আঁৰ চকুৰে চালো । হঠাতে তাইৰ হাতৰ পৰা খোৱা পানীৰ গিলাচটো পৰি গ'ল । সকলোৱে চক্‌খাই উঠিল । তাই লাজত মৰি যোৱাৰ দৰে হ'ল । তাইৰ অৱস্থা দেখি মায়ে লগে লগে কলে, "একো নাই, হ'ব । কেতিয়াবা এনেকুৱা হয়েই । ৰ'বা টেবুলৰ পানীখিনি মই মচি দিছো । ভাততো পানী পৰিলে নেকি ?"

ঃ না......... নাই পৰা ।" - কোনোমতে মাতটো উলিয়াই প্ৰীতিয়ে ক'লে ।

ঃ জানা, প্ৰগতি আজি প্ৰীতিয়ে কাৰ কথা চিন্তা কৰি আছে ক'ব পৰা নাই দেই । মই হ'লে ৰহস্যৰ গোন্ধ পাইছো ।" - মই প্ৰীতিক জোকালো ।

ঃ "মোৰ তেনেকৈ চিন্তা কৰিবলৈ কোনো নাই ।" - তাই মোৰ ফালে পেন্দোৱাকৈ চাই কলে ।

ঃ আৰে, তই কি ৰহস্যৰ গোন্ধ পাইছ, মইতো চাৰিওফালে কেৱল মাংসৰ গোন্ধেই পাই আছো ।" - জীতে মোৰ কাঁহীৰ পৰা মাংস এটুকুৰা নি কলে ।

ঃ অই তোৰ লাজকাজ অলপো নাই নেকি ? খকুৱাটো কৰবাৰ । প্ৰগতিয়ে তাৰ ফালে চাই খঙেৰে ক'লে ।

ঃ ধেৎ, তাক খাব দিয়ানা । মোক দেখিছা নাই বাচি বাচি খাওঁ কাৰণে জেঁওৱা খুটিৰ দৰে হ'লো । কেতিয়াবা ভয়েই হয় ধুমুহাই উৰুৱাই লৈ যায় বুলি ।" পুনৰ ভিতৰফালে চাই চিঞৰিলো, "মা, এইটোলৈ মাংস অলপ লৈ আনচোন ।"

সিহঁত কেইটা যেতিয়া নিজৰ ভাড়াঘৰলৈ আগবাঢ়িছিল তেতিয়া আবেলি চাৰে চাৰিটা মানেই বাজিছিল চাগৈ । মই সিহঁতক আগবঢ়াই থৈ গুছি আহিলো ।

ঃ ছোৱালী কেইজনীৰ লগত কথা পাতি বৰভাল লাগিল । খালী সৰুজনী মানে প্ৰীতিয়ে অলপমান লাজ কৰে নহয় ।" - মায়ে মোক উদ্দেশ্যি কলে ।

ঃ "অলপমান নহয় বহুত বেছি লাজ কৰে । মই অলপমান শুই লওঁ বৰ ভাগৰ লাগিছে ।" কৈয়েই মই বিচনাত পৰিলোগৈ ।

ৰাতিৰ আন্ধাৰত
জোনৰ বুকুত
বাৰু কি বিচাৰিছো মই
বুকুত হাত দি ক'ব পাৰিবানে
সেইয়া মই নহয় বুলি ?

প্ৰেম বাৰু এনেকুৱাই নেকি যি গভীৰৰ পৰা গভীৰতলৈ যায় । সি খাবলৈও নিদিয়ে, শুবলৈও নিদিয়ে । মইও বাৰু প্ৰীতিৰ প্ৰেমত পৰিছো নেকি ? হয়তো সচাঁ । সেয়েহে তাইৰ মুখখনিয়ে বাৰে বাৰে আমনি কৰেহি মোক । মই বাৰু তাইৰ সান্নিধ্য সচাঁকৈ কামনা কৰিছো নেকি ? অলেখ প্ৰশ্নই উত্তৰ বিচাৰি খেদি ফুৰিছে মোক । কেনেকৈ জনাম মনৰ কথাবোৰ তাইক । নাই, নাই সকলো কথা মই প্ৰীতিক লিখি জনাব লাগিব । কিন্তু........ কিন্তু তাই যদি মোক বেয়া পায় তেতিয়া কি হ'ব ? কিন্তু এনেকৈ থাকিলেতো মই এদিন পাগল হৈ যাম । নাই এনেকৈ থাকিলে নহব কাইলৈ কলেজতে সকলো লিখি দিম । মনে মনে ঠিৰাং কৰিলো মই ।

ঃ "অই জীৎ, শুন তোক কথা এটা ক'বলৈ আছে । আগতে তই মোক বেয়া নাপাওঁ বুলি ক তেতিয়াহে ক'ম ।" - মই তাৰ ওচৰলৈ আহি ক'লো । তেতিয়া ওচৰত কোনো নাছিল ।

ঃ " কিনো কথা অ' । ক্লাছ নকৰ । যি কথা হলেও ক মই অকণো বেয়া নাপাওঁ ।" - জীতে মোৰ ফালে চাই ক'লে ।

ঃ "মা......... মানে............ হেৰি হ'ল..............।"

ঃ "আৰে কি মানে মানে কৰি আছ সোনকালে ক ।"

ঃ " মই কাৰোবাক ভালপাব বিচাৰিছো তই অলপমান সহায় কৰি দে না ।" মই তাৰফালে নোচোৱাকৈয়ে ক'লো ।

ঃ "পাগল চালা নামটো নক'লে কেনেকৈ সহায় কৰি দিম ।" সি ভেকাহি মাৰি ক'লে ।

ঃ প্ৰীতি .........। প্ৰীতি কোনোমতে মুখৰ পৰা নামটো ওলাই আহিল।

ঃ " মই জানিছিলোৱেই তই সেইটো নাম কবি বুলি । মই কামটো কৰি দিলে তই মোক পাৰ্টী দিব লাগিব কিন্তু । কিবা লিখি আনিছ যদি দে মই দি দিম ।" - মোৰ ফালে চাই সুধিলে সি ।

মই লাহেকৈ পকেটৰ পৰা চিঠিখন উলিয়াই তাক দিলো ।

ঃ মই যাওঁ ক্লাছ নকৰো, তই কামটো কৰিলে পাৰ্টী পাই যাবি । গুছি আহিলো মই ।

ভাবি পাৰ নাপাওঁ ইমান দিন হ'ল তাই মোক উত্তৰ দিয়া নাই কিয় ? মইতো একো বেয়াকৈ লিখা নাছিলো । নে মোক বেয়া পালে ? কলেজত তাইক লগ পালেও সেইবোৰ কথা ক'ব নোৱাৰো, তাইও একো নকয় । মোক দেখোন মাতেও, বেয়া পোৱা হ'লে নিশ্চয় নামাতিলেহেঁতেন । জীতক সুধিলে কয় মইতো দিয়া বস্তু দি দিছো তাইহে জানে কিয় উত্তৰ দিয়া নাই । কি কৰিম কি নকৰো ভাবি একো পাৰ নোপোৱা হ'লো । নাই এইবাৰ শেষবাৰৰ কাৰণে লিখিম । এইবাৰ যদি প্ৰীতিয়ে উত্তৰ নিদিয়ে মোক আৰু কেতিয়াও মাতিবলৈ মানা কৰি লিখি জীতক দিবলৈ দিলো ।

আজি দুদিন হ'ল কলেজলৈ যোৱা নাই । ইচ্ছা কৰিয়ে যোৱা নাই । আচলতে প্ৰীতিৰ মুখা মুখি হব লাগিব বুলিয়ে যোৱা নাই । কিবা যেন এক ভয়ে গ্ৰাস কৰি আনিছে মোক । হয়তো কিবা হেৰুৱাৰ ভয় । এইবোৰ কথাই মনটোত প্ৰচণ্ড বা-মাৰলিৰ সৃষ্টি কৰিছে মোৰ । বেদনাহত হৈ বাৰাণ্ডাতে বহি আছো । আন্ধাৰে ক্ৰমান্বয়ে পোহৰবোৰ খেদি পঠিয়াবলৈ আৰম্ভ কৰিছে । হঠাৎ আলিলৈ চকু গ'ল । কোনোবা এটা চাইকেল লৈ এইফালেই আহিছে । কোন হ'ব পাৰে বাৰু ? আৰে এইটো জীৎ দেখোন।

ঃ "ইয়াত আন্ধাৰে-মুন্ধাৰে কি ট্ৰেজেদী ফালি আছ ? এইখন ল প্ৰীতিয়ে দিছে তাই আজি ঘৰলৈ গ'ল ।" সি মোৰ ফালে কাগজ এখন আগবঢ়াই দি ক'লে ।

ঃ "কিবা লিখিছে ?" মই লৰালৰিকৈ খামটো খুলি পেলালো ।

ঃ "আৰে মই কি জানো ? পঢ়ি চা গম পাবি, মই যাওঁ দেৰী হৈছে ।"

ঃ বহ না অলপ দেৰী ।"

ঃ " নাই নবহো, বহুত আন্ধাৰ হ'ল । তইতো কলেজ যোৱাই নাই । অহা চাৰিদিন কলেজ বন্ধ । শিক্ষকৰ আন্দোলন । মই যাওঁ ।"

সি গলগৈ । চিঠিখন পঢ়ি শেষ কৰিলো । জানিছিলোৱেই তাই এনেকৈ লিখিব বুলি । তাই মোক বন্ধু হিচাপেহে লৈছে । আমি দুয়োটা বেলেগ ধৰ্মৰ বাবে আমাৰ মাজত এনে সম্পৰ্ক অসম্ভৱ আৰু এই বোৰ কৰিবলৈও তাই ভয় কৰে হেনো । মই নমতাকৈ থাকিলেও তাই মোক মাতি থাকিব । স্তব্ধহৈ গ'লো তাইৰ চিঠিখন পঢ়ি । এনে লাগিল যেন মোৰ সকলো সপোন ভাঙি চিঙি গ'ল । চিঞৰি চিঞৰি কান্দিবলৈ মন গ'ল । কিয় তাই এনেকুৱা কৰিলে । মইতো তাইক কোনোদিনে বেলেগ ধৰ্মৰ বুলি ঘিন কৰা নাই আৰু........... আৰু............ তাইক মই বন্ধু হিচাপে কেতিয়াও গ্ৰহণ কৰিব নোৱাৰো । যাক এবাৰ হৃদয় দিয়া যায় সি কেতিয়াও কেৱল বন্ধু হ'ব নোৱাৰে । এইবোৰ আকৌ এবাৰ তাইক জনাব লাগিব । মই ইমান কাপুৰুষ নহয় যে ধৰ্মৰ বাবেই প্ৰকৃত প্ৰেমৰ পৰা আতঁৰি আহিম । তাই যদি মোক নিবিচাৰে তেনেহলেও তাইক ভালপাই থাকিম ।

যিমানেই প্ৰীতিয়ে উত্তৰ দিয়াত পলম কৰিব ধৰিলে সিমানে মোৰ উৎকণ্ঠা বাঢ়ি গৈছিল । এক অবুজ বেদনাত ছাটি ফুটি কৰি মৰিব ধৰিলো । একোতেই মন নবহা হৈ আহিব ধৰিলে দিনক দিনে । সেয়েহে গধূলি সদায় ওলাই যাব ধৰিলো ঘৰৰ পৰা । আজিও তেনেকৈ গৈ বন্ধুদেৱীৰ পিচত ঘৰত সোমাইছোহি । এনেতে মায়ে মাত লগালে, "জান, জীৎ আহিছিল, তোলৈ কিবা বাথ্‌ডে কাৰ্ড নে কি দি গৈছে ।"

ঃ মোৰ বাথ্‌ডে কাইলৈ ১১ তাৰিখেহে আৰু মই চোন বাথ্‌ডে নাপাতোৱেই । সি বহিছিলনে নে দিয়েই গলগৈ ?"

ঃ " নবহিলে দেৰী হৈছে বুলি কৈ গুছি গ'ল । তোৰ টেবুলত থৈ দিছো ।"

ঃ "বাৰু মা ।"

লাহে লাহে পঢ়া টেবুলৰ ওচৰ পালোগৈ । দুখন বাথ্‌ডে কাৰ্ড টেবুলৰ ওপৰত পৰি আছিল । এখন জীতৰ বায়েক প্ৰগতিয়ে দিয়া আনখন প্ৰীতিয়ে দিয়া । হুঁহ, তাই কি বুলি দিছে মইতো তাইৰ বন্ধু নহওঁ । নাচাওঁ, নুখোলো সেইখন । থেকেচা মাৰি টেবুলতে পেলাই দিলো ।

ৰাতি ক্ৰমান্বয়ে বেছি হৈ আহিব ধৰিলে । টোপনি অহা নাই, ইচাট বিচাট কৰি আছো । বাৰে বাৰে টেবুলখনলৈ চকু গৈ আছে । অৱশেষত ৰব নোৱাৰি লাইটৰ চুইচ অন কৰি প্ৰীতিয়ে দিয়া কাৰ্ডখন খুলি পেলালো । কাৰ্ডখন উলিয়াই লৈ পঢ়িবলৈ লওঁতেই আৰু এখন কাগজ ওলাই পৰিল । আচৰিত হৈ গলো । কাৰ্ডখনত চকু ফুৰালো । ক'তো চোন বন্ধু বুলি উল্লেখ কৰাই নাই । ল'ৰা-লৰিকৈ কাগজখন পঢ়িব ধৰিলো । মোৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছিল । প্ৰীতিয়ে বহুত ভাবি চিন্তি মোৰ প্ৰেমক স্বীকাৰ কৰিছে । মই উৎফুল্লিত হৈ পৰিলো, আনন্দত চিঞৰি দিবলৈ মন গ'ল ।

কেনেকৈ কওঁ মই তোমাক
তুমি মোৰ বাবে কি,
সপোনতো তুমি, ভাৱতো তুমি
মোৰ হৃদয়ৰ কল্পনা তুমি

মই আজি খুউব সুখী, বুজাব নোৱাৰাকৈ সুখী । মই যি বিচাৰিছিলো সেইয়াই পালো । মই প্ৰীতিক বুজাব নোৱাৰিম এতিয়াযে মোৰ সকলোতে তাই বিলীন হৈ গৈছে । মই কোনো পধ্যে হেৰুৱাব নুখোজো তাইক । তাই মোৰেই হৈ থকাটো বিচাৰো চিৰকাল । প্ৰতি পল, প্ৰতিক্ষণ যেন তাইৰ কাষতে থাকিম এনে লাগে মোৰ । কলেজলৈ গলেও ক্লাছত মন নবহে । আজিও ক্লাছত মন বহুৱাব পৰা নাছিলো কাৰণে ওলাই আহিলো । প্ৰীতিয়ে চাগৈ ক্লাছ কৰি আছে । ক্লাছ শেষ হলে ওপৰ মহলালৈ গৈ ফটোখিনি দি আহিব লাগিব । এতিয়া লাইব্ৰেৰীৰ পৰাই আহোগৈ । মনতে ভাবিলো ।

কেতিয়ানো পঞ্চলিছ মিনিট পাৰহৈ গ'ল গমকে নাপালো । লৰা-লৰিকৈ লাইব্ৰেৰীৰ পৰা ওলাই আহি ওপৰ মহলালৈ গলো । কিন্তু প্ৰীতি চোন নাই ক'লৈ যাব পাৰে । মইতো তাইক লগ কৰিম বুলি কৈছিলো । অলপমান আগুৱাই গ'লো আৰু ওচৰৰ ক্লাছ ৰুমটোত ভুমুকি মাৰি চালো । মই নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান লাগিল । তাইৰ লগত সেইটো কোন বহি আছে আৰু.......... আৰু........... তাইক তাৰ লগত বহি কথা পাতিবলৈ কিহে পাইছে । আৰু মোক দেখিও তাই উঠি অহা নাই কিয়? খঙে মূৰৰ চুলিৰ আগ পালেগৈ । খঙটো দমাব নোৱাৰা হলো । দপদপাই সোমাই গ'লো । সিহঁত সকলোৱে মই তেনেকৈ যোৱা দেখি চক্ খাই উঠিল । মই মনেই কৰা নাছিলো প্ৰীতিৰ লগত আৰু দুজনী ছোৱালী আছিল ।

ঃ "ব'লা তোমাৰ লগত কথা আছে । মই প্ৰীতিৰ হাতত ধৰি কলো । তাইক একো ক'বৰ সুযোগ নিদি টানি আনিব ধৰিলো মই । তাই মোৰ হাতখন এৰুৱাবলৈ যত্ন কৰিলে । হঠাৎ কোনোবাই পিচফালে চোলাত ধৰি টনাত মই ৰৈ যাবলৈ বাধ্য হলো । ঘূৰি চাই দেখিলো সেই ল'ৰাটো । ক্ৰোধিত দৃষ্টিৰে তাৰফালে চালো।

ঃ তুমি প্ৰীতিক এনেকৈ কিয় টানিছা ? ছোৱালীক কেনেকৈ............ কৰিব লাগে নাজানা নেকি ?

ঃ তই মোক কেনেকৈ........কৰিব লাগে শিকাব আহিছ ।" প্ৰচণ্ড খঙত মোৰ হিতাহিত জ্ঞান শূন্য হৈ গ'ল । সজোৰে তাৰ মুখতে ঘোঁচা এটা বহুৱাই দিলো । তাৰ নাক ফাটি হুলহুলাই তেজ ওলাই আহিল । নাকটো ধৰি সি মজিয়াত বহি পৰিল । তাৰ অৱস্থা দেখি আৰু মাৰিবলৈ মন নগ'ল । মোৰ কাণ্ড দেখি সিহঁত আটাই কেইজনী ভয়ত কঁপিব ধৰিলে । মই প্ৰীতিৰ ফালে খঙেৰে চালো । দেখিলো তাই ভয়াৰ্ত দৃষ্টিৰে মোৰ ফালে চাই আছে ।

ঃ তু....... তুমি তাক কিয় মাৰিলা ?"

ঃ তাক মই মাৰি পেলাম । সি কিয় তোমাৰ লগত বহি একেলগে কথা পাতিব ? খঙত চিঞৰি উঠিলো মই - "আৰু........ আৰু তোমাৰ কি দৰকাৰ তাৰ লগত কথা পাতিবলৈ হঁা ? কি দৰকাৰ ??

ঃ কথা পাতিলে কিবা হ'ব নেকি ? আৰু মই তাৰ লগত কথা পতা মানেই বেলেগ কিবা থকাতো বুজায় নেকি ? এইজনী........ মোৰ লগৰ ছোৱালী, তাই চিনাকী কৰাই দিয়াৰ কাৰণেহে কথা পাতিছিলো । তুমি ইমান নিষ্ঠুৰ কেনেকৈ হব পাৰিলা ? - উচুপি উঠিল তাই ।

ঃ "অঁ, অঁ মই নিষ্ঠুৰ । চালা সকলোকে খতম কৰি দিম । শুনা প্ৰীতি তুমি মোৰ বাহিৰে বেলেগক ভালপাব নোৱাৰা । তুমি যিদিনাই মোক ঠগিবা জানিবা সেইদিনাই তোমাকো মাৰিম মই নিজেও মৰিম । তুমি যদি মোৰ হব নোৱাৰা তেনেহলে আনৰো হব নিদিওঁ মই ।" কৈয়েই গপগপাই যেনেকৈ সোমাইছিলো তেনেকৈ ওলাই আহিলো ।

মই কিয় এনেকুৱা কৰিলো ভাবি পাৰ নাপালো । ইমান খঙ হয়তো কৰিব নালাগিছিল । কিন্তু কি কৰিম প্ৰীতিক যে সচাঁকৈ খুউব ভালপাওঁ । মই জানো ল'ৰাটোৰ গাত হাত তুলি মই ভুলকাম কৰিলো । কিন্তু তাই জানো মোৰ কথা বুজিব । তাই আনৰ লগত বহি থকাতো দূৰৈৰ কথা, কথা পতাতোৱেই মই সহ্য কৰিব নোৱাৰো । তাইৰ হয়তো মোৰ ওপৰত খং উঠি আছে । মই তাইৰ ওচৰত ক্ষমা বিচাৰিব লাগিব । মই জানো তাই মোক ক্ষমা কৰিব ।

এইমাত্ৰ মেজৰ ক্লাছটো শেষ হৈছে । ইয়াৰ পাছৰ পিৰিয়ড অফ আছে । মই আৰু জীৎ দুয়োটা ক্লাছৰ পৰা ওলাই আহিলো। আজি যেনেতেনে প্ৰীতিক লগ কৰিব লাগিব ।

ঃ "অই জীৎ শুন না, তই প্ৰীতিক মই মাতিছো বুলি কগৈ যা না, মই ওপৰ মহলাৰ ৯ নম্বৰ ৰুমত আছো বুলি কবি ।"

ঃ "বাৰু তই যা, মই তাইক মাতি দিছো ।"

৯ নম্বৰ ৰুমটোত কোনো নাছিল । ভালেই পালো । ডেস্কতে মূৰটো থৈ চকু মুদি ফেনৰ তলতে বহিলো ।

ঃ কি কবলগীয়া আছে সোনকালে কোৱা নহলে মই যাওঁ ।" কেতিয়ানো প্ৰীতি ভিতৰলৈ সোমাই আহিল গমকে না পালো ।

ঃ "বহাচোন । ইমান খঙ কেলেই কৰিছা ? মই তোমাৰ পৰা ক্ষমা খুজিছো । মই বুজিছো মোৰ ভুল হৈছিল । তুমি জানো মোক ক্ষমা কৰি নিদিবা ? প্লিজ এইবাৰলৈ ক্ষমা কৰি দিয়ানা ।" মই কাতৰভাৱে তাইৰ মুখলৈ চাই ক'লো ।

ঃ "তুমি কিয় মোক মিছাকৈ তাৰ লগত এনেবোৰ কথা ক'লা । মোৰ বহুত খঙ উঠিছে ।" তাই মোৰ ওচৰতে ঘপকৈ

বহি কলে ।

ঃ "এইয়া চোৰা কাণত ধৰিছো আজিৰ পৰা নকওঁ ।" মই সচাঁকৈ কাণত ধৰি ক'লো ।

ঃ "মোৰ ফটোখিনি কি হ'ল ? তাৰ পৰা এখন ফটো থৈ বাকীখিনি দিয়া ।" তাই মোৰ ফালে চাই সুধিলে ।

ঃ মাত্ৰ একপি ফটো । তোমাৰ নিজৰ ফটো তুমি কি কৰিবা ? নে বেলেগ কাৰোবাক দিবলৈ থৈছা ।"

ঃ এইখিনি ফটোৰ নিগেটিভ মোৰ ওচৰত নাই মাহীৰ ছোৱালী জনীয়ে লৈ গ'ল । মোক এইখিনি লাগিব ঘৰলৈ নিবলৈ । মা-দেউতাই মোৰ ফটোবোৰ চাই থাকে ।

ঃ মোক দিলে গোটেই খিনি দিব লাগিব নহলে এখনো নালাগে ।" মই মুখখন তাইৰ পৰা ঘূৰাই বাহিৰলৈ চাই ক'লো ।

ঃ নোলোৱা যদি মোক খুজিছিলা কিয় ? চব ফালি পেলাম মই। তাই ফটোখিনি হাতত লৈ কলে ।

ঃ ঠিক আছে, তুমি নিজেই একপি বাচি দিয়া ।" মই তেনেকৈ নোকোৱা হলে তাই চাগে সচাঁকৈ ফালি পেলালহেতেঁন যিহে ছোৱালী ।

প্ৰীতিয়ে ফটো একপি উলিয়াই মোক দিলে ।

ঃ "তোমালোকৰ যে কিবা এটা উৎসৱ হয় কেতিয়া হয় ? হলে মোকো মাতিবা মোৰ তোমালোকৰ সংস্কৃতিৰ বিষয়ে জানিবলৈ খুউব মন গৈছে ।" মই বৰ আগ্ৰহেৰে তাইক সুধিলো । নাজানো নিজেই যাম বুলি কোৱাৰ কাৰণে তাই ভালেই পালেনে বেয়াই পালে ।

ঃ "বহুত দিন আছে সেইটো হ'বলৈ । সচাঁয়ে যাবানে ? গলে দুদিনমানৰ আগতে থকাকৈ যাবা তেতিয়াহে চব চাব পাৰিবা ।"

ঃ "মাতিলেতো যামেই । তুমিহে নামাতা ।"

ঃ "ঠিক আছে । এইবাৰ মাতিম । নগ'লেহে মজাতো পাবা।"

ইতিমধ্যে বেল পৰিছিল । পিচৰ ক্লাচটো কৰিবলৈ দুয়োটা ওপৰ মহলাৰ পৰা নামি আহিলো ।

তাত,
কেঁচা মাটিৰ গোন্ধ
ঘামৰ গোন্ধ
ডেউকা ফালি ওলাই অহা
সোণ গুটিৰ গাত
এইয়াওতো এখন পৃথিৱী ।

গাঁওখন সঁচাকৈ ধুনীয়া । প্ৰথমবাৰৰ বাবে আহিছো যদিও, সকলোতে আপোন আপোন ভাৱ এটা লাগি আছে । ইয়াৰ ধূলিকণা, গছ-বিৰিখ অথবা গাঁওখনৰ কাষেদি বৈ যোৱা নৈখনৰ সকলোবোৰেই যেন অতি চিনাকী মোৰ । সৌৱা শাৰী শাৰী চাংঘৰবোৰ , বুকুত মেঠনী মৰা তিৰোতাবোৰ এইয়া যে এখন চিংফৌ গাঁৱৰ চিনাকী দৃশ্য । অথবা কব পাৰি প্ৰীতি-জীতঁহতৰ আপোন গাঁওখন । অন্য এক পৃথিৱী, অন্য এক ধৰা আৰু অনন্য তাৰ ৰূপ । য'ত সোন গুটিৰ দৰে পকা ধানবোৰে হালি জালি তাৰ মানুহৰ পৰিচয় দাঙি ধৰে । সৃষ্টিশীল ৰূপৰ অপৰূপ নিদৰ্শন ।

এক উৎসৱমুখৰ পৰিবেশ বিৰাজমান গাওঁখনত । দুদিনৰ আগতেই অহা ইয়ালৈ চাংকেন চাবলৈ, জীত হঁতৰ ঘৰতে আছোহি । ইয়াৰ মানুহবোৰ সঁচাকৈয়ে খুউব আপোন ভোলা । জীতৰ মা - দেউতা, তাৰ ডাঙৰ বায়েক সকলোৱে মোক এই দুদিনতে আপোন কৰি ললে । আজি চাংকেন চাবলৈ ওচৰৰ পৰা উপভোগ কৰিবলৈ সুযোগ পাম । কাইলৈ যামগৈ সেয়েহে আজিয়ে প্ৰীতিহঁতৰ ঘৰলৈ' যাব লাগিব, তাই চাগৈ কি যে কৰিব দুদিনৰ আগতে অহা অথচ আজিলৈকে তাইৰ ঘৰলৈ যাব পৰা নাই । আচলতে কৰবালৈ যাবলৈও জীতৰ মাক-দেউতাকেও এৰিয়ে নিদিয়ে । আজি উৎসৱ চাবলৈ যাম বুলি কোৱাতহে আহিবলৈ দিছে । প্ৰীতিক বুজাই ক'ব লাগিব কথাটো, যিহে ছোৱালী এনেও মোক ভালকৈ নামাতেই, দুদিনৰ আগতে আহিছো বুলি কলে চাগৈ খঙতে নামাতিবই ।

আনু ঙাই খিফে য়া চাংকেন য়ংচয় নূলঙাৰে ৱায়ং দেৰিমা, প্ৰীতি ইনটেইমু শ্বাং ৰি ৱা মা ।

(মা, মই ইয়াক চাৱচোন দেখাবলৈ লৈ যাওঁ । আহোতে হয়তো দেৰী হ'ব । প্ৰীতিহঁতৰ তাতো সোমাই আহিম ।)

জীতে চিংফৌ ভাষাতে মাকৰ পৰা যোৱাৰ অনুমতি ল'লে ।

মা, বাইদেউ থাকক দেই । আপোনালোকৰ বিহু চাই আহোঁগৈ । প্ৰগতি তুমি নোযোৱা ? - মই প্ৰগতিলৈ চাই সুধিলো ।

এতিয়া নাযাঁও , অলপ পিচত যাম । প্ৰীতিও চাগৈ তালৈকে আহিব । তোমালোকে লগ পাই যাবা কিজানি ।

"বাৰু আহিছো দেই ।"

আমি দুয়োটা খোজকাঢ়িয়ে ওলাই আহিলো ।

গাঁওখনৰ দৃশ্যৰাজিয়ে মোৰ মনটোক শৈশৱলৈ ওভতাই লৈ গ'ল । বোকা পানী গছকি এনে এখন গাৱত ল'ৰালিৰ ধেমালী কৰিছিলো । উমলিছিলো চৰাই চিৰিকতি, গছ বিৰিখৰ সতে । মোৰ দুচকুৱে সেই ল'ৰালিৰ উমলা গাওঁখনৰ সাদৃশ্য ইয়াতো বিচাৰি ফুৰিব ধৰিলে ।

ঃ জীৎ সৌটো বৌদ্ধ বিহাৰ নহয়নে ? তহঁতি চাগৈ কিবা

উৎসৱ পাৰ্বন হলে তালৈ গৈ সেৱা কৰগৈ । মই অলপ দূৰৈত অৱস্থিত মন্দিৰটোলৈ দেখুৱাই তাক সুধিলো ।

ঃ ওঁ, হয় । যাবি নেকি তালৈ ? দুয়োটাই সেৱা কৰিম ব'ল ।

ঃ ধ্যেৎ, মই গ'লে কিবা কয় যদি ? ইমান মানুহ আহিছে তালৈ । এতিয়া নোসোমাওঁ দে, বেলেগ এদিন আহিম আকৌ তেতিয়া সোমাম ।

ঃ একো নকৰে অ' । বাৰু তোৰ যি ইচ্ছা ।

ঃ তহঁতৰ চাংকেন হোৱা ঠাইলৈ আৰু কিমান দূৰ আছে অ' ? - মই তাৰফালে চাই সুধিলো ।

ঃ আৰু অলপ আছে । কি হ'ল ভৰি বিষাইছে নেকি ? এইকণ আহোঁতেই এই অৱস্থা, তই যে ইয়ালৈ পিচত আহিয়ে থাকিব লাগিব প্ৰীতিৰ কাৰণে গম পাইছনে নাই ? -সি মোৰ খোজকঢ়াৰ ধৰণ দেখি হাঁহি হাঁহি ক'লে ।

ঃ গৰু, য'তে ত'তে যিটি কথাবোৰ কেলেই কৈ থাকনো ? ভৰি-চৰি নাই বিষোৱা । খোজ কাঢ়িবহে মন যোৱা নাই । মই ভেকাহি মাৰি ক'লো তাক ।

ঃ এইয়া চা, কথা পাতি আহি থাকোতে পালোহিয়ে ।

তাৰ কথা শুনি সম্মুখলৈ চাই দেখিলো আমি আহি থকা ৰাস্তাটোৰ পৰা এটা সৰু ৰাস্তা ফালৰি কাটি এখন পথাৰৰ মাজেদি গৈ এখন এঢলীয়া ঠাইত শেষ হৈছে আৰু তাতে ৰঙ-বিৰঙৰ পোচাক পিন্ধা চিংফৌ ডেকা গাভৰুৰ জাক ব্যস্ততাৰে ইফাল সিফাল কৰি ফুৰিছে । মনটো ভাল লাগি গ'ল । আমি দুয়োটাই ক্ৰমান্বয়ে কাষ চাপি গ'লো ।

ঃ অই জীৎ য়াহে দুৰে, নোম মাংৱা গ্মায়ে ? অই জিৎ এতিয়া আহি পাইছ । লগত এইটো কোন ?

কোনোবা এটাই জীতক কিবা ক'লে ।

ঃ নাং গ্লইমা কোন পুহা । খি ঙে না নুমনা, বৌ স্প্ৰিননে তই কেতিয়াবাই আহিলি নেকি ? ই মোৰ লগৰে । একে লগে পঢ়ে ।

ঃ স্পা, ইনদেৰিয়া বেছি দেৰী হোৱা নাই । আপুনি ইয়াৰ লগত গধূলী আমাৰ ঘৰলৈ যাব দেই । নগলে বেয়া পাম । মই এফালে যাবলগীয়া আছে সেয়েহে খৰধৰ কৰিছো বেয়া নাপাব দেই । ল'ৰাজনে মোক কথাটো কৈয়ে ল'ৰালৰিকৈ আন এফালে গ'লগৈ ।

ঃ কোন আছিল জানো এইটো ? ইমান খৰকৈ গ'লগৈ । যাব পাৰিমনে নোৱাৰিম একো ক'বলৈকে নাপালো ।"

ঃ হাইস্কুলতে পঢ়িছিলো ইয়াৰ লগত । লগৰে বুলিব পাৰি । বাদদে না তাৰ কথা সৌজনী প্ৰীতি এইফালেই আহি আছে চা না । - জীতে দূৰলৈ আঙুলি টুঁৱাই দেখুৱালে । সচাঁকৈ খৰখোজেৰে প্ৰীতিয়ে আমাৰ ফালেই আহি আছিল । আমি দুয়ো ৰৈ দিলো । তাই আহি ওচৰ পালেহি ।

ঃ তোমাক আজি খুউব ধুনীয়া লাগিছে দেই । পৰা হ'লে আজিয়েই লৈ গ'লোহেঁতেন । - মই তাইক জোকাই চালো ।

ঃ মোৰ মূৰটো লাগিছে । তুমি ইয়ালৈ কেতিয়া আহিলা কোৱাচোন সঁচাকৈ ? তাই আহিয়েই কৈফিয়ৎ বিচাৰিলে মোৰ পৰা ।

প্ৰমাদ গনিলো । এহ্ এইবাৰচোন শেনৰ এজাত । বুজি পালো মই দুদিনৰ আগত আহিও তাইৰ ঘৰলৈ নোযোৱাৰ কাৰণে খং উঠিছে । কেনেকৈ গম পালে ধৰিব নোৱাৰিলো । হঠাৎ মনত পৰি গ'ল আজি ৰাতিপুৱাই প্ৰগতি প্ৰীতি হঁতৰ ঘৰলৈ গৈছিল । তাইয়ে হয়তো ক'লে ।

ৰ'বা না, ইমান খং কৰিছা কেলেই ? আজি যাম নহয় তোমালোকৰ তালৈ জীৎৰ মাক-দেউতাকে মোক এৰিয়ে নিদিয়ে । আজি তোমালোকৰ চাংকেন চাবলৈ আহিম বুলি কোৱাৰ কাৰণেহে আহিব দিলে । মিছা কৈছো যদি জীতক সুধি চোৱা । —— মই তাইক পতিয়ন নিয়াবলৈ চেষ্টা কৰিলো ।

নালাগে আমাৰ ঘৰলৈ যাবলৈ । আমাৰ ঘৰলৈ কোন যায় ? কোনো নাযায়, তুমিও নালাগে যাবলৈ । প্ৰীতিয়ে খঙতে ইফালে মুখখন ঘূৰাই ক'লে ।

এহ, তহঁতি কাজিঁয়া কৰ কি কৰ কৰি থাক দেই । মই অলপমান আগৰ পৰা আহোগৈ । —— জীতে আমাক এৰি আগলৈ খোজ ললে ।

সোনকালে আহিবি । নহলে এই জনীক দেখিছই কেনেকৈ গৰম হৈ আছে মোক পুৰি মাৰিব । " —— মই পিচফালৰ পৰা চিঞৰি তাক কলো । এইবাৰ পুনৰ ঘূৰি প্ৰীতিৰ ফালে চাই কলো , "ইমান খং নে তোমাৰ । একেবাৰে তোমালোকৰ ঘৰতে থাকি যাম গম পাবা তেতিয়া । তোমাৰ মা-দেউতাই তেতিয়া মোক খেদাইও তৎ নেপাব ।"

আজি থাকিব লাগিব আমাৰ ঘৰত । তেতিয়াহে তোমাক ক্ষমা কৰিম ।

কিন্তু জীতৰ মাক দেউতাকক যে ঘূৰি আহিম বুলি কৈ আহিছো ।

ন'হ্বব, আজি থাকিবই লাগিব । মই প্ৰগতি আহিলে সিঁহতৰ ঘৰত কবলৈ পঠিয়াই দিম । — তাই জিদ ধৰি কলে ।

হব বাৰু । —— উপায় নাপাই কলো ।

তালৈ যাঁও বলা না । —— প্ৰীতিয়ে জীত যোৱাৰ ফালে দেখুৱাই ক'লে ।

ধেৎ নাযাঁও । তুমি যে কৈছিলা চাংকেন হলে তোমালোকে পৰস্পৰৰ গাত পানী ছটিওৱা । তলৈ গলে মোৰ গাতো ছটিয়াব ।

মই আছো নহয় । নছটিয়াই । বলা ।— তাই মোৰ হাতত ধৰি টানি লৈ গ'ল ।

চাৰিও ফালে মানুহেই মানুহ । জীতক বিচাৰিলো । তাৰ একো দেখা দেখিয়েই নাই । মানুহবোৰে পানীত নামি পৰস্পৰে পৰস্পৰৰ গাত পানী ছটিয়াই ধেমালী কৰাত লাগিছে । এইয়াই 'পানী বিহু' বা চিংফৌ ভাষাত চাংকেন, চিংফৌ মানুহৰ বুকুৰ আপোন উৎসৱ ।

ঃ প্ৰীতি জান তহঁত দুটাক অথনিৰে পৰা বিচাৰি ফুৰিছো । কতনো ঘূৰি ফুৰিছ ?

কোনে মাৰিছে বুলি পিচফালে ঘূৰি চাই দেখিলো প্ৰগতি আহি আমাৰ পিচফালে থিয়হৈ আছে ।

ঃ নাং কায় দেৰি মাৰে ? ঙাই গ্লইমা কুন দুহালো । জান্‌ফে দানি ইন্টাই ঙা চুঙুন চয় লুৱাঙাৰে ।

(তই ইমান দেৰি কৰিলি ? মই কেতিয়াবাই আহিলো । জানক আমাৰ ঘৰত থাকিবলে লৈ যাম । )

প্ৰীতিয়ে নিজৰ ভাষাতে প্ৰগতিক কিবা ক'লে ।

ঃ তোমালোকে কিযে কথা পাতা, মই একোকেই বুজি নাপাওঁ। অসমীয়াত কোৱানা । - মই একো বুজি নাপাই দুইজনীকে উদ্দেশ্যি কলো।

ঃ ইহ্ এতিয়াহে বুজি পোৱা নাই আৰু কেইদিন মানৰ পিচত আমাতকৈ ভালকৈ ক'ব পৰা হ'বাগৈ । প্ৰগতিয়ে লগে লগে উত্তৰ দিলে।

তাই কি ইঙ্গিত কৰিছে মোৰ বুজি পাবলৈ অসুবিধা নহ'ল । আমি ইতিমধ্যে কথা পাতি-পাতি পানীখিনিৰ একেবাৰে ওচৰ পাইছিলোগৈ । মই কিবা তৰ্কিব পৰাৰ আগতেই প্ৰীতিয়ে পানীত নামি গৈ মোৰ গাত এসোপা পানী ছটিয়াই দিলে । মই চক্‌খাই গ'লো । সিহঁত দুইজনীয়ে হাঁহিব ধৰিলে । মোৰ গাৰ এফাল তিতি গ'ল । উপায় নাপায় মইও পানীলৈ নামি গৈ সিহঁত দুইজনীৰ গাত পানী ছটিয়াব ধৰিলো ।

জীৎ প্ৰীতি আৰু মই গোটেই কেইটা তিতি জুৰুলী - জুপুলীহৈ প্ৰীতিহঁতৰ ঘৰ ওলালোগৈ । তেতিয়া গধূলি পাচঁটা মান বাজিছিল ।

ঃ ইমান গধূলি আহিছো, তোমালোকৰ মা-দেউতাই কিবা নকয়তো ? - মই প্ৰীতিক সুধিলো ।

ঃ তুমি ভয় কৰিব নালাগে । তুমি আহিবা বুলি মা - দেউতাই জানেই । মই কৈ থৈছো । - তাই নঙলাডাল খুলি খুলি ক'লে ।

আমি চাংঘৰটোৰ ওপৰলৈ উঠি গ'লো । তাইৰ মাক-দেউতাকে আমাক দেখি ভিতৰৰ পৰা ওলাই আহিল ।

ঃ আনু ঙ্গাই চাৰনাৰি দ্বামে ঙ্গাইফং চিৰিংৰে । মা, মই যে কৈছিলো মোৰ লগত পঢ়ে বুলি এইয়াই । -প্ৰীতিয়ে মোক দেখুৱাই মাকক ক'লে ।

ঃ বাহিৰতে ৰ'লা যে আঁহা আঁহা ভিতৰলৈ । জীৎ, নাং মো পু হায়ি স্পায়া উম পুৰি গাজাহা । জীৎ তয়ো আহিলি, ভালেই হ'ল বহুতদিন অহা নাছিলি ।

আমি ভিতৰলৈ সোমাই গ'লো ।

ঃ তোমালোকে কাপোৰ কানিবোৰ সলাই লোৱা । প্ৰীতি এওঁলোকক পিন্ধিবলৈ বাকা চিংফৌ লুঙ্গী আনি দে চোন । - প্ৰীতিৰ মাকে কথাষাৰ কৈ ভিতৰলৈ সোমাই গ'ল ।

তাই ভিতৰৰ পৰা আমাৰ দুয়োটাকে দুখন বাকা আনি দিলে ।

ঃ ছিঃ লাজ নাই । তুমি ইয়াৰ পৰা যোৱানা । মই এইখন পিন্ধি লওঁ । মই প্ৰীতিক ওচৰত ৰৈ থকা দেখি ক'লো ।

ঃ এ, থ, কিতো লাজ কৰিছ । পিন্ধ, পিন্ধ । নিজৰ মানুহজনীৰ আগতো লাজ কৰে নেকি ? জীতে কৈ কৈ কাপোৰ সলালে ।

ঃ নাযাওঁ মই, তুমি কেনেকৈ বাকা পিন্ধা চাম আজি । প্ৰীতিয়ে মোৰ একেবাৰে ওচৰলৈ আহি ক'লে ।

উপায় নাপায় মই তাইৰ আগতে সেইখন পিন্ধিলো ।

ঃ ............................এতিয়াহে তোমাক একেবাৰে চিংফৌ দাদাৰ দৰে লাগিছে ।" - তাই আমাৰ তিতা কাপোৰবোৰ লৈ যাওঁতে কৈ গ'ল ।

খাই বৈ উঠোতে ৰাতি প্ৰায় চাৰে দহ মান বাজিছিল । আমি সকলোৱে আহি আগফালৰ বাৰাণ্ডাত বহিলোহি ।

ঃ ডেকা ল'ৰা, ইয়াত থাকি এই কেইদিন কেনেকুৱা লাগিছে ? গাৱঁলীয়া ঠাইযে বেয়া লাগিছে কিজানি নহয় ? প্ৰীতিৰ দেউতাকে মোক সুধিলে ।

ঃ ওঁহো, ইয়াত থাকি সচাঁয়ে খুউব ভাল লাগিছে । গাওঁ যদিও আগতে নেদেখা বহুত কিবা কিবিয়ে চাবলৈ পাইছো, আপোনালোকক লগ পাইছো । মোৰ বাবে এইয়াই বহুত । - — মই বিনম্ৰভাৱে উত্তৰ দিলো ।

ঃ খুউব ভাল কথা । তেনেহলে আৰু দুদিনমান থাকি যোৱা, ভালকৈ গাওঁখন চাই যাব পাৰিবা ।

ঃ থাকিব পৰা হলেতো ভালেই লাগিলহেঁতেন, গাওঁখনো চাব পাৰিলোহেঁতেন । কিন্তু কালিলৈ যাব লাগিব মই । বিশেষ এটা জৰুৰী কাম আছে । পিচত কেতিয়াবা আহিব লাগিব ।

এইবাৰ প্ৰীতিৰ ফালে চাই ক'লো, —"কালিলৈ ৰাতিপুৱা তুমি মোক সোনকালে জগাই দিবা । জীতৰ ঘৰত পুৱাই কৈ, বাহিৰে বাহিৰে যামগৈ । পাৰিবানে নাই ?"

তাই মুখেৰে একো মাত নেমাতিলে । মই বুজি পালো এদিনহে থকাৰ কাৰণে তাই বেয়া পাইছে বুলি । তাইক বুজাব লাগিব মইযে নগলেই নহয় ।

ডিগবৈ অভিমুখী বাচখনত উঠি খালি চিট্ এটা পাই তাতে বহি পৰিলো । মনটো কিবা উৰুঙা উৰুঙা লাগি গ'ল । আহিবৰ সময়ত প্ৰীতিয়ে উচুপি কন্দা দৃশ্যটো বাৰে বাৰে দুচকুৰ আগত ভাঁহি আহিল । কিট্ বেগ টোৰ পৰা তাই দিয়া গামোচাখন উলিয়াই লৈ সেমেকি অহা চকু দুটা হেঁচি ধৰিলো । এটি চিনাকী গোন্ধ গামোচাখনৰ পৰা ওলাই আহি মনটো ভৰাই পেলালেহি ।

গীতৰ সেই গুঞ্জন
কবিতৰ গুন গুননি
সৌন্দৰ্য্য সিক্ত কথোপকথনবোৰ
আবেলিৰ বেলিৰ দৰে ডুবগৈ
আজি মোক ছালি ধৰিছে
দুখৰ ৰাতিৰ আন্ধাৰে

খক্মক্কৈ সাৰ পাই গ'লো । খোলা খিৰিকীখনেদি সোমাই অহা বৰষুণৰ এচাৰকনিয়ে মোৰ দেহৰ এফাল ধুই নিলে । মুৰটো টেবুলখনৰ পৰা উঠাই বাহিৰলৈ চালো । বাহিৰত তেতিয়া এসোপা এন্ধাৰে চৌপাশে আবৰি আছে । বৰষুণৰ ক্ৰমবৰ্ধমান গতিৰ লগেলগে খিৰিকীখনেদি পানী সোমোৱাতোও বাঢ়ি আহিবলৈ ধৰিলে । সেইখন বন্ধ কৰি দিবলৈ মন নগ'ল । থাকক খোলা হৈ । আৰু কেই ঘন্টা মানৰ পিচতে এই দেহৰ সঁজাৰ পৰা মুক্ত হৈ ওলাই যাম কোনোবা অচিন দেশলৈ । ইতিমধ্যে ভাবি অহা কথাবোৰে মগজুত তীব্ৰ আলোড়ন তুলিবলৈ ধৰিলে । কিয় বাৰু এনে হ'ল মোৰ ? কাৰোবাক সচাঁকৈ ভালপালে, সচাঁকৈ বিচাৰিলেই সি আঁতৰি যায়, কিয় এনে হ'য় ? পাইও হেৰুৱাৰ বেদনা কিমান— কোনেনো বুজিব ?

ধুমুহা গতিৰে ঘটনাবোৰ ঘটিব ধৰিছিল । কলেজীয়া জীৱন শেষ হ'বলৈ আৰু বেছি দিন নাছিল, কাৰণ তৃতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষা আৰম্ভ হ'বলৈ কিইদিনমানহে বাকী আছিল । ক্লাছ প্ৰায় নহয়েই । আজি কেইবাদিনৰ পৰা প্ৰীতি অহা নাছিল । জীতক সোধাত সি ঘৰলৈ গ'ল বুলি কলে । ঘৰতেই পঢ়িছে চাগৈ তাই ।

আচৰিত হ'লো আজি মেজৰৰ ষষ্ঠ কাকতৰ পৰীক্ষা, অথচ প্ৰীতি অহা নাই । মই পৰীক্ষাত একেবাৰে মন বহুৱাব নোৱাৰিলো । চিন্তাত একোৱেই লিখিব নোৱাৰিলো । দুঘন্টা সময় কোনোমতে শেষ কৰি বাহিৰলৈ ওলাই আহিলো । এতিয়া জীতৰ কাৰণে অপেক্ষা কৰিব লাগিব । সিয়েই হয়তো ক'ব পাৰিব তাইৰ কথা । পৰীক্ষা আৰম্ভ হোৱাৰ আগতে তাক সুধিবলৈও সি ফাইনেল বেল মৰাৰ সময়তহে পৰীক্ষা গৃহত আহি সোমাইছিলহি ।

সম্পূৰ্ণ এঘন্টা সময় জীতৰ কাৰণে ৰ'ব লগা হ'ল । সি ওলাই অহাৰ লগে লগে তাক সুধিলো, "প্ৰীতি দেখোন পৰীক্ষা দিবলৈও নাহিল । কি হ'ল তাইৰ কিবা বেমাৰ-চেমাৰ হৈছে নেকি ?

ঃ তোৰ পৰীক্ষা কেনেকুৱা হ'ল ? পেপাৰখন খুউব টাফ্ আহিছে নহয় ? মই যে থাৰ্টি পাৰ্চেন্টো নম্বৰ পামনে নাই সন্দেহ ।

সি মোৰ কথাৰ উত্তৰ নিদি বেলেগ প্ৰশ্নৰ অৱতাৰণা কৰা দেখি মোৰ সন্দেহ হ'ল। সি জৰুৰ মোৰ পৰা কিবা এটা লুকুৱাইছে ।

ঃ তই মোৰ কথাৰ উত্তৰ দিয়া নাই কিয় ? তই মোৰ পৰা কিবা লুকুৱাইছ ? সচাঁ কথা ক । মই খঙেৰে তাৰ গাটো জোকাৰি দিলো।

ঃ তো..... তোৰ পৰা কি.......... কিনো লুকুৱাম । তই মিছাতে মোক সন্দেহ কৰিছ । তাৰ কথাকোৱাৰ ধৰণ দেখি মই এইবাৰ নিশ্চিত হৈ গ'লো সি মোৰ পৰা কিবা লুকুৱাইছে বুলি ।

ঃ চা তই যদি নক'ব নাই কিন্তু তই জানি ল'বি তোৰ লগত আজিৰ পৰা মোৰ কোনো সম্পৰ্ক নাই । ভীষণ উত্মাৰে ক'লো তাক ।

ঃ শেষত তই মোক কোৱাইহে এৰিলি । এইবোৰ শুনিলে তোৰ পৰীক্ষা বেয়া হ'ব বুলিহে একো কোৱা নাছিলো । তয়েই জিদ ধৰিছ যেতিয়া অনিচ্ছা সত্বেও ক'বলৈ বাধ্য হৈ পৰিছো । মোৰ খং উঠা বুলি জানি জীতে কবলৈ বাধ্য হৈ পৰিল ।

ঃ তই এইবোৰ বকলা এৰ । আচল কথাটো ক প্ৰীতি কিয় অহা নাই ? - মোৰ ধৈৰ্য্যৰ বান্ধ সুলুকি গ'ল ।

ঃ প্ৰীতিৰ বিয়াহৈ গ'ল । গিৰিয়েক কিবা চেলচ্ টেক্স অফিচাৰ নেকি বুলি কোৱা শুনিছো ।" সি কওঁ নকওঁকৈ কথাবোৰ কলে ।

ঃ কি !!! ত....... তই........... এইবোৰ কি কৈছ ? মই জীতৰ বুকুত সজোৰে খামুচি ধৰি জোকাৰি দিলো ।

ঃ অঁ, যি কৈছো সচাঁ কৈছো । মই জানো তই অন্তৰত বহুত আঘাত পাবি । সেইকাৰণে একো ক'ব খোজা নাছিলো । সি সেমেকা চকুৰে ক'লে ।

ঃ প্লীজ্, তই এইবোৰ মিছাকৈ কৈছো বুলি কৈ দে না এবাৰ...... ম........ মই শুনিব নোখোজো....... এনে....... কথা...... শুনিব নোখোজো...।

তাৰ চোলাটোৰ পৰা লাহে লাহে হাতদুখন নিজে নিজে তললৈ নামি আহিল । মগজুৰ ভাৰসাম্য যেন হেৰুৱাই পেলাইছো এনে লাগি গ'ল। ভৰিৰ তলৰ মাটিখিনিও যেন আঁতৰি গ'ল । ঢলংপলংকৈ মদ খোৱা মানুহৰ দৰে খোজকাঢ়ি গুছি আহিলো জীতৰ কাষৰ পৰা একো নোকোৱাকৈ।

কিয় তাই এনেকুৱা কৰিলে ভাবি পাৰ নোপোৱা হলো । মই কি দোষ কৰিছিলো যে তাই মোক এনেদৰে শাস্তি দিলে । এইয়াই কি তাইৰ প্ৰকৃত প্ৰেম আছিল ? অথবা প্ৰেমৰ নামত খেল খেলিছিল তাই । হ'ব পাৰে.... নহয়....... নহয় হয়েই । আজি কালি নিজৰ বাহিৰে কাকো বিশ্বাস কৰিব নালাগে । চালা চবেই একে । খণ্ডৰ কোবত মুৰটো দুহাতেৰে জোৰেৰে চেপি ধৰিলো । প্ৰতিশোধ ল'ম মই ভীষণ প্ৰতিশোধ । চিনি পোৱা নাই মোক । মোক প্ৰতাৰণা কৰি ক'ত সাৰি যাব । জীয়াই থাকো মানে তাইৰ পিচ নেৰো । এটা তৎক্ষনিক সিদ্ধান্ত লৈ পেলালো ।

বহুদিন অনুসন্ধান কৰাৰ পাচত গম পাইছিলো প্ৰীতি তাইৰ গিৰিয়েকৰ সৈতে বৰ্তমান নাগালেণ্ডৰ কহিমাত । খবৰটো পায়ে ল'ৰালৰিকৈ যোৰহাটলৈ আহিলো লগৰ ল'ৰা এটাক লগ কৰিবলৈ । বহুত বিচৰাৰ পাচতহে তাৰ থকা ঘৰটো চিনেমা হলৰ সমীপত থকা ঠেক গলিয়েদি সোমাই পালোগৈ । বৰ আচহুৱা পৰিবেশত থাকে সি, চাৰিও ফালে চাই অনুমান কৰিলো । অবশ্যে তাৰ দৰে স্মাগ্‌লাৰ এটাৰ বাবে এনেবোৰ পৰিবেশেই হয়তো কাম্য । এইটো ধাণ্ডাত সোমোৱাৰ পাচৰ পৰাই তাৰ লগত মোৰ সম্পৰ্ক একেবাৰে নোহোৱা হৈ আহিছিল । আজি বাধ্যত পৰি আহিবলগীয়া হৈছে । হয়তো মোক দেখিলে সি চিনিয়ে নাপাব । বন্ধ দুৱাৰখনৰ ওচৰলৈ গৈ টুকুৰিয়াই দিলো ।

ঃ কোন ?? ভিতৰৰ পৰা গলগলীয়া মাত এটা ভাঁহি আহিল।

ঃ মই, জান । ছিদ্দিক, দুৱাৰ খোল ।

ঃ আবে কোন জান ? পুনৰ প্ৰশ্ন কৰিলে সি ।

ঃ মূৰ্খ, দুৱাৰখন খুলিলেহে গম পাবি কোন জান । প্ৰথমে দুৱাৰখন খোল । - উঠি অহা খণ্ডটো দমাই কলো ।

বিকট শব্দ কৰি দুৱাৰখন খোল খাই গ'ল । লুঙী পিন্ধা মোতকৈ বয়সত ডাঙৰ যেন দেখা মানুহ এটা ওলাই আহিল । অলপ চাইয়েই ধৰিব পাৰিলো ইয়েই ছিদ্দিক বুলি । মুখত কটা দাগটোৱে বিভৎস দেখাইছে তাক । সি অলপ পৰ মোলৈ তভক মাৰি চাইয়েই চিঞৰি উঠিল, "আৰে চোঁৰৰৰ বাচ্চা ইমান দিনৰ মূৰত । তইতো শ্বৰীফ মানুহ ক'ত আহিবি আমাৰ বোৰৰ ওচৰলৈ । আহ্, আহ্ ভিতৰলৈ আহ্ ।

ভগাছিগা মূঢ়া এটা আগবঢ়াই দিলে বহিবলৈ । তাৰ পিচত পুনৰ ক'লে "তই ইমান খীনাইছ কেলেই ? এনি প্ৰব্লেম ? কোনোবাই কিবা কৰিছে যদি ক' খতম কৰি দিম ।"

মই তাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়োজনবোধ নকৰি সুধিলো, "তোৰ ওচৰত এটা ৰিভলভাৰ হ'ব ?

সি আচৰিত হৈ মোৰ মুখলৈ চালে, তাৰ পিচত ক'লে, "আছে ৰ আনিছো ।" সি ভিতৰলৈ সোমাই গ'ল ।

ঃ এইটো ল । পুৰা ছয় ৰাউণ্ড আছে । নতুন ইউ.এচ. এ. মেড উহথ চাইলেঞ্চাৰ । সি এটা ক'লা ৰঙৰ ৰিভলভাৰ মোৰ হাতত তুলি দিলে । এক অনামী শিহঁৰন অনুভৱ কৰিলো ৰিভলভাৰটোৰ শীতল স্পৰ্শত।

ঃ তই এইটো এসপ্তাহ পিচত ঘূৰাই পাবি । মই যাওঁ । নথকাৰ কাৰণে বেয়া নাপাবি ।" মই তাক একো সুধিবৰ সুযোগ নিদি ওলাই আহিলো । সি আচৰিত হৈ প্ৰস্তৰ মূৰ্ত্তিৰ দৰে পিচফালৰ পৰা চাই থাকিল ।

এইকেইদিন ক'হিমাত থাকিও প্ৰীতিহঁতৰ একো শুংসূত্ৰ উলিয়াব পৰা নাই । প্ৰচণ্ড আক্ৰোশত জ্বলিপুৰি মৰিছো । আজি আকৌ গোটেই কহিমা চলাথ কৰিব লাগিব । হোটেলৰ কোঠাত সোমাই এইবোৰ কথাকেই ভাবি আছো । সন্মুখৰ টেবুলত পৰি থকা বাতৰি কাকতখনত এনেয়ে চকু ফুৰালো, অক্‌স্মাতে এটা বাতৰিলৈ চকু গ'ল । উগ্ৰপন্থীৰ দ্বাৰা ধন দাবী, কোনোবা চেলচ টেক্স অফিচাৰক । চাট্‌কৈ মনত পৰি গল প্ৰীতিৰ গিৰিয়েকও চেলচ্ টেক্স অফিচাৰ । কথাটো মনত পৰাৰ লগে লগে মগজুৰ তেজবোৰ উতলি আহিল । হোটেলৰ পৰা ওলাই পি, চি, অ, এটাত সোমালোগৈ, উদ্দেশ্য, ফোন কৰি প্ৰীতিক ঘৰৰ পৰা উলিয়াই অনা । টেলিফোন ডাইৰেক্টৰীৰ পৰা অলপদেৰী বিচৰাৰ পাচতে নিৰ্দিষ্ট ফোন নম্বৰটো পাই গ'লো । অলপদেৰী ৰিং কৰাৰ পিচত লাইনো পাই গলো ।

ঃ হেল্ল, কেন আই স্পীক টু মিচেচ প্ৰীতি শইকীয়া ।

ঃ ইয়েচ আই এম মিচেচ শইকীয়া স্পীকিং ।

ঃ প্ৰীতি, মই তোমাৰ জান ।

ঃ জান ! তুমি !!

ঃ কি হ'ল উচপ খাই উঠিলা দেখোন । যিজনী ছোৱালীয়ে মোক নেদেখিলে থাকিব নোৱাৰিছিল তাই আজি মোৰ মাত শুনি আচৰিত হৈ গৈছে । নিয়তিৰ কি পৰিহাস নহয়নে ?

শ্লেষপূৰ্ণভাৱে কথাষাৰ ক'লো ।

ঃ তুমি ইয়ালৈ কি বিচাৰি আহিছা ? তোমাৰ লগত থকা সকলো সম্পৰ্কই শেষ হৈ গ'ল । যি সময়ত বিচাৰি আহিব লাগিছিল সেই সময়ত নাহিলা । এতিয়া......... এতিয়া কিয় আহিছা ? মই এতিয়া আনৰ হৈ গ'লো । উচুপি উঠিল তাই ।

ঃ জানো । সেয়েহে মাত্ৰ এবাৰৰ কাৰণে লগপাব বিচাৰিছো, চাব বিচাৰিছো তোমাক । প্লিজ, তুমি এবাৰৰ কাৰণে আহাঁনা । মোৰ শেষ অনুৰোধো তুমি নাৰাখিবানে ? আৰু সুধিব পাৰিলোহেতেঁন তাইক সময়ত বিচাৰি যাবলৈ তুমি জানো খবৰ দিছিলা বুলি, নুসুধিলো । এনেদৰে তৰ্ক কৰি থাকিলে মগজুটোৱে আৰু কাম নকৰা হ'ব ।

ঃ বাৰু । মই বাহিৰলৈ যাব নোঁৱাৰো কোনোৱাই সন্দেহ কৰিব। পেপাৰততো পঢ়িব পাইচাই চাগৈ ধন দাবী কৰা কথাটো। তেখেত নাই অফিচলৈ গৈছে তুমি ইয়ালৈকে আঁহা ।

মই একো নকৈ ফোনটো ক্ৰেডেলত থৈ দিলো । মোৰ বিবেক মৰি শেষ হৈ গ'ল । যি জনী ছোৱালীক প্ৰাণতকৈ বেছি ভাল পাইছিলো তাইকে হত্যা কৰিবলৈ ব্যাকুল হৈ পৰিছো আজি ।

অট্টালিকা সদৃশ ঘৰটোৰ গেটখন খুলি সোমাই গ'লো ভিতৰলৈ । দুজন বন্দুকধাৰী চিপাহীয়ে বাৰাণ্ডাখনৰ আগত পায়চাৰী কৰি আছিল । মোক দেখি ৰ'বলৈ সংকেত দিলে । ৰৈ গ'লো । হয়তো ধৰা পৰি যাম । এজন চিপাহী আগবাঢ়ি আহিল মোৰ তালাচী ল'বলৈ । কিন্তু সেই সময়তে কোনোবাই ভিতৰৰ পৰা সিহঁতক তালাচী চলাবলৈ মানা কৰিলে । মাততো শুনি ধাৰণা হ'ল প্ৰীতিয়ে হ'ব সেইয়া । মই আগবাঢ়ি গলো ।

ঃ ভিতৰলৈ সোমাই আঁহা ।

ভিতৰলৈ সোমাই গৈ সন্মুখতে প্ৰীতিক দেখিলো । স্তব্ধ হৈ চাই ৰলো তাইক আগতকৈ বহুত খীনালে তাই । কিয় জানো এনে লাগিল তাই যেন এইমাত্ৰ কান্দিছিল । মোৰ চকুৰ চাৱনি সহ্য কৰিব নোৱাৰি চকু তললৈ নমাই আনিলে তাই । তাই লাহে লাহে গৈ দুৱাৰখনৰ হুক্‌টো লগাই দিলে । মই নিজকে কঠোৰ কৰি ললো ।

ঃ প্ৰীতি তোমাক মাত্ৰ এটা কথা সুধিম মই । কোৱা, তোমাক মই এদিন কৈছিলো মোক যদি প্ৰতাৰনা কৰিব মন গৈছে, ঠগিব মন গৈছে এই মুহূৰ্ততে প্ৰতাৰণা কৰা, পিচত যদি এনে কৰা তোমাক মই সুদাই নেৰো । তুমি জানি বুজিও কিয় এনে ভুল কৰিলা ? কোৱা আজি মোক ইয়াৰ উত্তৰ লাগে । অত্যন্ত ৰুক্ষভাৱেই ক'লো তাইক ।

ঃ মই জানো, মই দোষ কৰিছো, পাপ কৰিছো । মইও এদিন তোমাক কৈছিলো তোমাকেই ভালপাই থাকিম চিৰদিন বুলি, সেইয়া আজিও আছে । আৰু....... তাইৰ কথা শেষ হ'বলৈকে নিদিলো, প্ৰচণ্ড খণ্ডত চিঞৰি উঠিলো, "চুপ । তুমি যদি মোৰ হ'ব নোৱাৰা আনৰো হ'ব নিদিওঁ মই কেতিয়াও নিদিওঁ । ৰিভলভাৰটো পকেটৰ পৰা উলিয়াই প্ৰীতিৰ কপালত লগাই ক'লো, "তোমাক মই সচাঁকৈ খুউব ভাল পাওঁ ।"

দুটোপাল অশ্ৰু বিৰিঙি উঠিল তাইৰ চকুৰ কোণত । নিমাতে ৰৈ গ'ল তাই । চকুদুটা মুদি ট্ৰিগাৰটো টানি দিলো । চাইলেঞ্চাৰ থকাৰ কাৰণে মৃদু শব্দ এটা হ'ল । কোনো শব্দ নোহোৱাকৈ প্ৰীতিৰ দেহটো মোৰ ফালে হালি পৰিল । সাৱট মাৰি ধৰি তাইৰ দেহটো চোফাখনত শুৱাই দিলো । ধাৰাসাৰে চকুপানী ওলাই আহিল মোৰ দুচকুৰ পৰা । তাইৰ গুলপীয়া ওঁঠযুৰিত চুমা এটা আঁকি দিলো আলফুলকৈ । তাৰপিচত খৰখোজেৰে তাৰ পৰা ওলাই আহিলো । চিপাহী দুটাই একো সন্দেহেই নকৰিলে ।


পিচদিনা বাতৰি কাকতত প্ৰীতিক হত্যা কৰাৰ খবৰ ওলাইছিল, ধনদাবী কৰিব অহা উগ্ৰপন্থীৰ হাতত চেলচ্ টেক্স অফিচাৰৰ পত্নীৰ মৃত্যু বুলি। ভাবিছিলো পুলিচে ধৰক মোক, ফাঁচী দিয়ক । সিহঁতেও ধৰিব নোৱাৰিলে মোক ।

কিয় ইমান নিষ্ঠুৰ হৈছিলো মই, যিজনী ছোৱালীৰ বাবে মই প্ৰাণ দিবলৈকো সাজু আছিলো তাইক মাৰিবলৈ মোৰ হাত অকনো নকঁপিল । প্ৰতিশোধৰ দাবানলে মোৰ বিবেকক অসাৰ কৰি তুলিছিল । মই আজি মৰিবলৈ ওলাইছো, কাৰণ মোৰ বাবে এইয়াই একমাত্ৰ পথ খোলা আছে সেই পাপৰ প্ৰায়চিত্ত কৰিবলৈ । তাইক হত্যা কৰিলো প্ৰতিশোধ লবলৈ কিন্তু.... কিন্তু........ তাৰ আগলৈকে মই জনা নাছিলো যে প্ৰীতিয়ে নিজৰ ইচ্ছামতে বিয়া হোৱা নাছিল । মাক-দেউতাকৰ জিদৰ আগত পৰিহে বিয়া কৰাবলগীয়া হৈছিল । তাই মোৰ কথাও ঘৰত কৈছিল আৰু কৈছিল মোৰ বাহিৰে তাই আন কাৰো সৈতে বিয়া নহয়, মোৰ বাবে তাই ৰবলৈ বিচাৰিছিল । আৰু..... আৰু মই জনা নাছিলো তাই মোলৈ খবৰো পঠিয়াইছিল কাৰোবাৰ হাতত । কিন্তু কাৰ হাতত পঠিয়াইছিল এতিয়া জনাৰো উপায় নাই । কাৰণ তাই আন কাকো কোৱা নাছিল সেই কথা । এইবোৰ কথা মই পিচত গম পাইছিলো । প্ৰীতি নিষ্পাপ আছিল, তাইৰ গাত অকণো দোষ নাছিল । তাই হয়তো ক'ব বিচাৰিছিল সেই কথা, ময়েই ক'বলৈ সুযোগ নিদিলো । কিন্তু এতিয়াযে সকলো শেষ হৈ গ'ল । ইমান দিনে মানসিক অৰ্ন্তদন্দত ভুগি, আজিয়েই শেষ সিদ্ধান্ত ললো, মোৰ মৃত্যুৰ বাহিৰে একো পথেই খোলা নাই । মই জীয়াই থাকিম কাৰ বাবে ? হৃদয়ৰ স্পন্দনেই

যাৰ বন্ধহে যায় সি জানো জীয়াই থাকে ? তাক জানো জীৱিত বুলি ক'ব পাৰি ? প্ৰীতিয়েইতো মোৰ হিয়াৰ স্পন্দন আছিল । শেষবাৰৰ কাৰণে প্ৰীতিৰ ফটোখন চাই ললো । এনে লাগিল যেন তাই এইমাত্ৰ মোক ক'ব, "জান তুমি চাংকেন চাবলৈ আকৌ আহিবা আমাৰ ঘৰলৈ ।" চকুৰ পানীবোৰ টোপ টোপকৈ পাৰি ফটোখন তিয়াই পেলালে । এইবাৰ বটলটোৰ সকলো বিষ মুখত বাকি বিচনাখনত শুই পৰিলো বুকুত প্ৰীতিৰ ফটোখনলৈ । লাহে লাহে চকুৰ পতা জাপ খাই আহিব ধৰিলে ।

(মৰমৰ মামনিলৈ মৰমেৰে)

লেখক ঃ স্নাতক দ্বিতীয় বৰ্ষ 'কলা' শাখাৰ ছাত্ৰ ।



উপন্যাসিকা

# শেষ চিঠিখন

শে ষ চি ঠি খ ন

দিগন্ত বৰা

টক্ টক্ টক্...............

হঠাৎ আগপিনে দুৱাৰত কোনোবাই টুকুৰিওৱাৰ শব্দত অভিজিত প্ৰায় উচপ খাই উঠাৰ দৰে উঠিল । আজি কেইদিনমানৰ পৰা তাৰ মনটো ভাল নহয় । জীৱনৰ বহু আকাংক্ষিত কিবা এটা যেন কেইদিনমানৰ আগতে তাৰ হাতৰ পৰা হেৰাই গ'ল । সেয়েহে সি এইকেইদিন নিজকে নিজে পাহৰি যোৱাৰ দৰে হৈছে । সেইবাবে কিবা এটা চিন্তত নিজকে ডুবাই ৰখা অৱস্থাতে তাতে আজি এই ৰাতিখননো কোন আহিব পাৰে ? শব্দটো শুনি সি উচপ খাই উঠিল । সি লাহে লাহে বহাৰ....... পৰা উঠি গৈ দুৱাৰখন খুলি দিলে ।

ঃ "আৰে ভাই তই, ইমান দিনৰ মূৰত, তাতে এই ৰাতিখন.... ?"

এইবুলি কৈয়েই অভিজিতে আগন্তুকক গবা মাৰি ধৰি প্ৰায় দাঙি নিয়াদি ভিতৰলৈ লৈ গ'ল । ইতিমধ্যে সিহঁতৰ ঘৰৰ আটাইকেইটি প্ৰাণীয়েই শুই পৰিছিল । শোৱা নাছিল কেৱল অভিজিতহে । আজি কেইদিনমানৰ পৰা তাৰ শোৱা, খোৱা এইবোৰৰ প্ৰতি যেন আগ্ৰহ নাইকিয়া হৈছে । কিবা এক অবুজ ভাৱনাই তাক যেন গ্ৰাস কৰি পেলাইছে । তাৰ জীয়াই থকাৰ আগ্ৰহ যেন কেতিয়াবাই হেৰাই গৈছে ।

ঃ "আৰে য়াৰ দেৰিৰ কথা বাদ দেনা । আগতে তোৰ খবৰ ক'। মানে বৰ্তমান কি ক'ত কৰিছ, চাকৰি, পঢ়া-শুনা ইত্যাদি ইত্যাদি ।" সেই আগন্তুকেই আছিল একালৰ অভিজিতৰ বাল্যবন্ধু তথা সহপাঠী সিহঁতৰ একে গাঁৱৰে ল'ৰা জয়ন্ত । তাৰ দেউতাক আছিল সিহঁতৰ গাৱঁৰ একমাত্ৰ প্ৰাইমেৰী স্কুলখনৰ প্ৰধান শিক্ষক । সৰুতে জয়ন্ত আৰু অভিজিত দুয়ো নলে গলে লগা বন্ধু আছিল । একেটা বিস্কুট, একেটা চকলেটকে দুটুকুৰা কৰি ভগাই খাইছিল । য'ত যাবলগা হয় দুয়ো একেলগে গৈছিল । কিন্তু মেট্ৰিক পাছ কৰাৰ পাছত এদিন হঠাতে দেউতাকে জয়ন্তক চহৰৰ কলেজত এডমিচন কৰাই দিছিল । ঘৰৰ একমাত্ৰ সন্তান আৰু তাতে প্ৰধান শিক্ষকৰ ল'ৰা । টকা পইচাৰতো কোনো চিন্তা নাই ।

চহৰত থাকি, সি গাঁৱলৈ আহিবলৈ প্ৰায় এৰিয়েই দিছিল । গাৱঁৰ মানুহবোৰক প্ৰায় পাহৰিয়েই পেলাইছিল । কিন্তু পাহৰিব পৰা নাছিল একমাত্ৰ অভিজিতকহে । সেয়ে আজি ইমানদিনৰ মূৰত ঘৰলৈ ঘূৰি আহি সি পোনে পোনেই অভিজিতহঁতৰ ঘৰতে সোমাল । সোমায়েই তাৰ বাল্যবন্ধু অভিজিতৰ খবৰ লবলৈ খৰধৰ কৰিলে ।

ঃ "আৰে ভাই ক'না । কি বোবা মানুহৰ দৰে মুখৰপিনে চাই আছ ? কচোন প্ৰথমতে তোৰ খবৰ - খাতি ক' । বাৰু প্ৰথমতে তই যে মোলৈ চিঠিত লিখিছিলি, মানে তোৰ গাৰ্লফেণ্ড পাপৰি, তাইৰ কথাকে ক'। ঘৰতো সকলো শুইয়েই আছে খুৰীদেউক পাছতো উঠাম বাৰু । ক জল্দি ক' ।"

জয়ন্তক ইমানদিনৰ মূৰত ল'গ পাই অভিজিতে তাৰ মুখলৈকে চাই আছিল । তাক লগপাই অভিজিতৰ মনলৈ অলপ আনন্দ ঘূৰি আহিছিল । কিন্তু হঠাতে জয়ন্তৰ মুখত পাপৰিৰ কথা শুনি অভিজিতৰ মুখখন শেঁতা পৰি গ'ল । তাৰ মনলৈ অলপ আগতে অহা হাঁহি স্ফুৰ্তিকনো যেন কৰবালৈ উৰা মাৰিলে । অজানিতেই তাৰ দুচকুৰেদি দুধাৰি গৰম লোটক বাগৰি আহিল । জয়ন্তই যেন তেতিয়াহে অভিজিতৰ মুখৰপিনে ভালদৰে লক্ষ্য কৰিলে । সি অবাক হৈ অভিজিতৰ মুখলৈ চাই ৰ'ল ।

সেইদিনা আছিল ১৯৯৩ চনৰ মে' মাহৰ কোনোবা এটা দিন । ঠিক সেইদিনাৰ পৰাই আৰম্ভ হৈছে অনিমাহঁতৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা । অনিমা অভিজিতৰ একমাত্ৰ ভনীয়েক ।

ৰাতিপুৱা ৮ বজাৰ আগে আগে অভিজিতে ভনীয়েকক পৰীক্ষাকেন্দ্ৰত থৈ আহিলগৈ । তাৰ পিছত সি ঘৰলৈ ঘূৰি আহি বাথৰুমত সোমাল । গাটো ধুই লৈ ভাত কেইটা খালে । তাৰপিছত কিতাপ এখন মেলি লৈ চকীখনত বহি পৰিল । বহি থাকোতেই কেতিয়ানো ইমান সময় পাৰ হৈ গ'ল । সি গমকে নাপালে । সি ঘড়ীটোলৈ চাই দেখে এঘাৰ বাজি পয়ত্ৰিছ মিনিট পাৰ হৈ গ'ল । লৰালৰি কৈ কিতাপখন জপাই আগৰ ঠাইত থৈ সি ভিতৰলৈ গ'ল । তাৰ পাছত আলনাডালৰ ওচৰলৈ গৈ পেন্ট এটা নমাই আনি পিন্ধি ল'লে । পিন্ধি থকা ছাৰ্টো খুলি, অন্য এটা ছাৰ্ট পিন্ধি লৈ সি লাহে লাহে ওচৰতে থকা পৰীক্ষা কেন্দ্ৰটোলৈ বুলি খোঁজ ল'লে । তাৰ উদ্দেশ্য অনিমাৰ লগতে ৰাণীৰো পৰীক্ষাৰ খবৰ ল'ব । পাপৰিতো আজি ৰানীৰ খবৰ ল'বলৈ আহিবই । গতিকে..........

ৰাণী হৈছে অনিমাৰ বান্ধৱী লগতে পাপৰি নামৰ ছোৱালীজনীৰ ভনীয়েক । অভিজিত আৰু পাপৰি একেখন কলেজত পঢ়ে । অভিজিত সেইবছৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ । আনহাতে পাপৰিৰ অৰ্থনীতি বিভাগত অনাৰ্ছসহ স্নাতক প্ৰথম বৰ্ষত পঢ়ি আছে । পাপৰি আৰু অভিজিতৰ চিনাকী বহুদিনৰ আগৰপৰাই । সিহঁতৰ মাজৰ চিনাকীৰ মূলতে হ'ল ৰাণী আৰু অনিমাৰ মাজৰ সম্বন্ধ । সিহঁত দুয়ো নলেগলে লগা বান্ধৱী । সিহঁতৰ মাজৰ এই বন্ধুত্বৰ ফলতেই সিহঁতৰ ঘৰৰ বাকী সদস্যবোৰৰ মাজতো এটা ভাল সম্বন্ধ গঢ় লৈ উঠিছে । পাপৰিহঁতৰ গাওঁখন অভিজিতহঁতৰ গাৱঁৰপৰা বেছি দূৰত নহয় ।

প্ৰথম চিনাকীৰ পৰাই অভিজিত আৰু পাপৰিয়ে দুয়ো দুয়োকে ভালপাই আহিছে । কিন্তু কোনেও কাৰো আগত সেই কথাটো প্ৰকাশ কৰিব পৰা নাছিল । অভিজিতহঁতৰ ঘৰখন পাপৰিহঁততকৈ আৰ্থিক দিশত পিছপৰা আছিল । সিহঁতৰ অঞ্চলটোৰ ভিতৰতে চহকী মানুহ । আনহাতে অভিজিতৰ দেউতাক এজন সাধাৰণ খেতিয়ক । পাপৰিহঁতৰ দুজনী ছোৱালী, এটি ভায়েক আৰু মাক দেউতাকেৰে সৈতে এটি সুখী পৰিয়াল । অভিজিতহঁতৰো পৰিয়ালৰ সদস্য মাত্ৰ চাৰিটিয়েই ।

ইতিমধ্যে প্ৰথম বেলাৰ পৰীক্ষা শেষ হৈছে । অভিজিত দহমিনিটমানৰ আগতেই আহি পাইছিল । সেইদিনা পাপৰিও আহিছিল ভনীয়েকৰ পৰীক্ষাৰ খবৰ লবলৈ । শেষৰ ঘন্টাৰ বেল পৰাৰ লগে লগে বহী বিলাক শিক্ষকৰ হাতত জমা দি ছাত্ৰ ছাত্ৰী বিলাক লাহে লাহে ওলাই আহিল । অভিজিতে পৰীক্ষা হলৰ সন্মুখতে সিহঁতৰ কলেজত পঢ়া তাৰ লগৰ মানসকো লগ পালে । লৰা - ছোৱালীবোৰ ওলাই অহা দেখি সিহঁত দুয়ো আগবাঢ়ি গ'ল । ঠিক তেনে সময়তে পাপৰিও আহি পাইছিল । সিহঁত তিনিও গৈ ভনিয়েকহঁতক লগ কৰিলে । তাৰ পিছত আটাইকেইটা কেন্টিনলৈ বুলি গ'ল । চাহ তাহ খোৱা হ'লত অনিমাহঁত পুনৰ পৰীক্ষা হ'ললৈকে গ'ল । অভিজিত হতে অলপ সময় তাতে বহি কিবা-কিবি কথা পাতিলে । এনেতে পিছবেলাৰ পৰীক্ষাৰ ওৱাৰ্নিং বেল পৰিল । আটাইবিলাক ল'ৰা - ছোৱালী পৰীক্ষা হ'লৰ ভিতৰলৈ সোমাই গ'ল । অভিজিতহঁতো লাহে লাহে কেন্টিনৰ পৰা ওলাই আহিল । পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগে অভিজিতহঁতো ইটোৱে সিটোক বিদায় দি যাবলৈ ওলাল । তেনেতে পাপৰিয়ে মাত লগালে

ঃ " অ' অ' জিতদা আপোনাৰ লগত কথা এটা আছিল । পিছে এতিয়া নকওঁ । ও..... ১৫ তাৰিখে আমাৰ গাৱঁত নাটক পাতিছে । আপুনি নাটক চাবলৈ আহিব । তাতে ক'ম । যাব কিন্তু নোযোৱাকৈ নাথাকিব । মায়েও মাতি পঠাইছে । নগ'লে বেয়া পাব কিন্তু ।"

ঃ "কি নাটক পাতিছেনো ? কথাতো বা কেনে ধৰণৰ, এতিয়া ক'ব নোৱাৰি নেকি ?

ঃ "কথাতো যদি এতিয়াই কওঁ আপুনিতো নাটক চাবলৈ নাযায়, তাতে ইমান সৰু কথাও নহয় যে এতিয়াই কৈ দিব পাৰি । তাতে..... বাৰু বাদ । আপুনি মাত্ৰ নাটক চাবলৈ আহিব । বাই ।"

তাৰ পিছত দুয়ো দুফালে গুচি গ'ল । পৰীক্ষা কেন্দ্ৰটো সিহঁতৰ দুয়োখন গাৱঁৰে মাজতে অৱস্থিত ।

পাপৰিয়ে অভিজিতক জিতদা বুলি মাতে আৰু অভিজিতে পাপৰিক পৰী বুলি মাতিছিল । পাপৰিয়েই এনেদৰে নাম দি লৈছিল । সেইদিনা পাপৰিৰ কথাবোৰ শুনি অভিজিতৰ মনটো উগুল থুগুল লাগিল । পাপৰিয়ে বাৰু কি কথা ক'ব বিচাৰিছিল ? ভাবি ভাবি সি ঘৰ পালেগৈ । ঘৰ পায়েই সি বিচনাখনতে শুই পৰিল । লগে লগে তাৰ মনতো এটা অবুজ আনন্দই আৱৰি ধৰিলে । সি ভাবিবলৈ ধৰিলে পৰীয়ে বাৰু তাক কি কথা কবলৈ বিচাৰিছিল, পৰীৰ আধাকোৱা কথাবোৰে তাক বাৰে বাৰে আমনি কৰিলে । সি ভাবিলে সচাই পৰীজনীযে কিমান ধুনীয়া, তাইৰ মৌ বৰষা মাতটো শুনিলেযে সি পৃথিৱীৰ সকলোবোৰ বস্তুৰ কথা পাহৰি যায় । পৰী তাৰ ওচৰত থাকিলে সি কি যে এক বুজাব নোৱাৰা মাদকতা অনুভৱ কৰে । এইবোৰ ভাবি থাকোতেই কেতিয়াযে তাৰ টোপনি আহিল সি গমকে

নাপালে।

এদিন দুদিন কৰি ৰাণীহঁতৰ পৰীক্ষা শেষ হ'ল । সিহঁতৰ পৰীক্ষা ভালেই হৈছে ।

ইতিমধ্যে অভিজিতৰ বহু আকাংক্ষিত সেই দিনটো পালেহি ।এই কেইদিন অভিজিতৰ কাৰণে এটা যুগৰ দৰে হৈছিল । কেতিয়ানো পোন্ধৰ তাৰিখটো পায়হি তাৰেই চিন্তাত তাৰ মনটো ব্যাকুল হৈ পৰিছিল । সঁচাই প্ৰেম যে কেনেকুৱা এটা বুজাব নোৱাৰা অনুভূতি । যাৰ কবলত এবাৰ পৰিলে যি নেকি পৃথিৱীত কোনো মানুহেই সাৰি যাব নোৱাৰে । যি নেকি মানুহক চকু থাকিও অন্ধ কৰি পেলায় । পৰী আৰু জিতৰ প্ৰথম চিনাকীয়েই দুয়োৰে অজানিতেই প্ৰেমত পৰিণত হৈছিল । কিন্তু কোনেও কাৰো সম্মুখত প্ৰকাশ কৰিব পৰা নাছিল । পৰীয়ে নোৱাৰিছিল জিতৰ ব্যক্তিত্বৰ প্ৰতি ভয় কৰি আৰু জিতে প্ৰকাশ কৰা নাছিল সিহঁত দুয়োঘৰৰে মাজত থকা আৰ্থিক দিশটোৰ পাৰ্থক্যখিনিৰ প্ৰতি লক্ষ্য ৰাখি । কাৰণ সি জানিছিল যে সি হ'ল এটা অতি সাধাৰণ পৰিয়ালৰ ল'ৰা । দেউতাকে বহু কষ্টেৰে খেতি কৰি দুটাকৈ ল'ৰা - ছোৱালীক স্কুল কলেজত পঢ়ুৱাৰ লগতে চাৰিটাকৈ মানুহক পোহপাল দিছে । মাক - দেউতাকৰ একমাত্ৰ আশা ভৰষা থল সিয়েই । সি আৰু জানিছিল যে পৰীৰ দেউতাক বাহিৰে অলপ ভাল হ'লেও ভিতৰি ভিতৰি মানুহৰ প্ৰতি দয়া - মমতা নথকা মানুহ । সিহঁতৰ দৰে এসাঁজ খাই অন্য সাজঁৰ বাবে চিন্তা কৰিব লগা হোৱা এঘৰ মানুহলৈ দেউতাকে পৰীক কেতিয়াও বিয়া নিদিয়ে । সেয়েহে সি পৰীক অন্তৰৰ পৰা ভাল পায় যদিও সেই কথা পৰীৰ আগত কেতিয়াও প্ৰকাশ কৰা নাছিল । বৰঞ্চ মনে মনেই সি তাইৰ প্ৰতি থকা আশা ত্যাগ কৰিবলৈ যত্ন কৰিছিল । কিন্তু প্ৰেমক জানো কোনোৱাই বাধা দি ৰাখিব পাৰে ।

সেইদিনা পৰীয়ে মাতি পঠিওৱা ধৰণে জিত পৰীহঁতৰ গাঁৱত নাটক চাবলৈ আহিছিল । ৰাতি সোনকালে ভাত পানী খাই লৈ সকলো নাটক চাবৰ বাবে যাবলৈ সাজু হ'ল । পৰীৰ লগৰ কলেজৰে বান্ধৱী মনিও সেইদিনা পৰীয়ে মাতি পঠিওৱা বাবে নাটক চাবলৈ আহি পৰীহঁতৰ ঘৰতে আছিল । ভাত খাই হোৱাৰ পাছতেই পৰীৰ মাকে ৰাণী আৰু ভায়েকক লৈ নাটক চাবলৈ বুলি গ'লগৈ । সিহঁত ডেকা - গাভৰু কেইটা পাছত আহি থাকিব বুলি ভাবি - পৰীৰ দেউতাকো মাক হঁতৰ ল'গতে নাটক চাবলৈ গুচি গ'ল । অলপ সময়ৰ পাছত পৰীহঁতো যাবলৈ সাজু হ'ল । পৰীয়ে কাপোৰ সলাবলৈ বুলি ভিতৰলৈ গ'ল । মনিয়ে অলপ আগৰ পৰাই কিবা কিতাপ এখন মেলি লৈ পৰীৰ টেবুলত বহি পঢ়ি আছিল । জিতে ড্ৰয়িং ৰুমৰ চেয়াৰ এখনতে বহি কিবা চিৰিয়েল এখন চাই আছিল । কাপোৰ কানি পিন্ধা হ'লত পৰীয়ে বাহিৰলৈ ওলাই আহিল । তাৰ পিছত জিতৰ পিনে চাই মাত লগালে ।

ঃ "হেল্ল' মিষ্টাৰ, আই এম ৰেডি আৰ ইউ........?"

ঃ "আই এম অলচো ৰেডি ।' কিন্তু তুমিয়ে মোক কিবা কথা এটা ক'ম বুলি কৈছিলা কি কবা নোকোৱা নেকি ?"

ঃ "অ' অ' কমতো । পৰীয়ে লাজত তলমূৰ কৰিলে ।" কি কবানো কোৱা আকৌ । লাজ কৰিছা ? কোৱা, কোৱা ।"

জিতৰ কথাত পৰী যেন অপ্ৰস্তুত হৈ পৰিছিল । কিন্তু লাহে লাহে তাই মনত অলপ সাহস গোটাই লৈ প্ৰায় পোনপটীয়াকৈ কৈ পেলালে ।

ঃ মই আপোনাক ভাল পাওঁ জিতদা । "আই লাভ ইউ টু ।"

যদিও জিতে পৰীৰ মুখৰপৰা এই কথাটোকে শুনিবলৈ ইমানদিনে আপেক্ষা কৰি আছিল, এই কথাটোকে শুনিবলৈ তাৰ মনটো উদগ্ৰীৱ হৈ পৰিছিল, তথাপি কিন্তু এটা চিন্তাই তাৰ ল'গ এৰা নাছিল । দুখীয়া হ'লেও সি আছিল এটা দূৰদৰ্শী আৰু আত্মাশুদ্ধ ল'ৰা । সেয়েহে সি পৰীৰ কথাত পোনপটীয়াকৈ সন্মতি নজনায় পৰীৰ মুখৰ পিনে থৰ লাগি চাই আছিল ।

ঃ "কি চাই আছে জিতদা ? কিবা এটা কওকনা ।" পৰীৰ সেইসময়ত যেন ভয় শংকা সকলো কেনিবা আঁতৰি গৈছিল । পৰীৰ মাতত জিতে লাহে লাহে মূৰটো তললৈ নমাই আনি কৈছিল ।

ঃ "জানা পৰী, মইও তোমাক বহুদিনৰ আগৰ পৰাই ভাল পাই আহিছো । যি কথা হয়তো তুমি জনা নাছিলা । কিন্তু এতিয়াযে মই লাহে লাহে তোমাৰ আশা পৰিত্যাগ কৰিবৰ যত্ন কৰিছো ।"

ঃ "কিন্তু কিয় জিতদা কিয় ?" পৰী ক্ৰমান্বয়ে উত্তেজিত হৈ পৰিছিল ।

ঃ "মই তোমাক পাহৰি যাবৰ চেষ্টা কৰাৰ মুলতে হ'ল আমাৰ দুয়োঘৰৰে মাজত থকা আৰ্থিক দিশটোৰ প্ৰভেদখিনি । তথাপিতো মই যে তোমাক অন্তৰৰ পৰা ভাল পাওঁ । সেয়েহে তোমাৰ আশা মনৰ পৰা পৰিহাৰ কৰিব বিচাৰিওযে পৰা নাই । কিন্তু তোমাৰ আৰু মোৰ মাজৰ এই ভাল পোৱাক তোমাৰ মা - দেউতাই জানো সহজভাৱে ল'ব পাৰিব ? মোৰ দৰে এটা

দুখীয়া পৰীয়ালৰ খেতিয়কৰ লৰালৈ তোমাক জানো তোমাৰ মা - দেউতাই বিয়া দিব ? নাইবা তুমিয়েই হ'লেও জানো মোৰ সঁচা ভালপোৱা, সঁচা মৰমবোৰক জীয়াই ৰাখি বাস্তৱৰিক ৰূপ দিব পাৰিবা ? সেইবাবে মই লাহে লাহে তোমাৰ আশা এৰি পেলাবৰ যত্ন কৰিছো । আৰু কি জানা আজিৰ দিনত মানুহে হৃদয়তকৈ দেহক আৰু আত্মীয়তকৈ যান্ত্ৰিকতাকহে বেছি প্ৰশ্ৰয় দিয়ে । তুমি জানো মোৰ জীৱনৰ আশা আৰু সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ লগতে দুখীয়া জীৱনৰ সংঘাটবোৰ দূৰ কৰাত সহায় কৰিবলৈ নিজকে প্ৰস্তুত কৰিব পাৰিবা ?"

ঃ "জিতদা সংঘাট সদায় সংঘাট হৈ নাথাকে । আৰু সমাজত ধনী দুখীয়াৰ মাজত কিবা ক্ষেত্ৰত প্ৰভেদ থাকিলেও, মৰম আশা আৰু অন্তৰৰ ভালপোৱাবোৰৰ মাজততো ব্যৱধান নাথাকে ।"

ঃ জানা পৰী, আশাবোৰ এখন বৈ থকা নদীৰ দৰে, ই কেতিয়াও ৰৈ নাথাকে । আৰু মৰম, মৰম মুক্ত আৰু স্থায়ী নহ'লে বিপদত পৰিব লাগে । বুকুত মাজত আবদ্ধ হৈ থকা হাজাৰ হাজাৰ মৰম, তেজৰ লগত বিলীন হৈ যোৱা যৌৱনৰ মৰম আৰু ভালপোৱা, এইবোৰকো জানো কেতিয়াবা মুক্তভাৱে পাইছা ?"

ঃ "জিতদা মই জানো যে আজিৰ দিনত কাৰোবাৰ প্ৰেম, ভালপোৱা এইবোৰ স্থায়ী আৰু মুক্ত নহ'বও পাৰে । কিন্তু চেষ্টাৰ অসাধ্যতো একো নাই । আমি যদি পৰস্পৰে পৰস্পৰক পাহৰি নাযাওঁ তেনেহ'লে কোনেওতো আমাক বাধা দিব নোৱাৰে । আচলতে কি জানে জিতদা, মইযে আপোনাক খুউব ভাল পাওঁ । মোৰ অন্তৰত কেৱল আপুনিয়েই আছে । আপোনাৰ বাহিৰে মই আন কাৰোৰে কথা ভাৱিবই নোৱাৰিম ।"

ঃ "কিন্তু পৰী................. ।"

ঃ "প্লিজ জিতদা । আপোনাক মোৰ খুউব প্ৰয়োজন । আপোনাৰ অবিহনে মই জীয়াই থকাৰ পথটোৱেই হয়তো পাহৰি যাম । 'প্লিজ' জিতদা 'প্লিজ'

ঠিক আছে বাৰু বলা । এতিয়া নাটক চাবলৈ যাঁও । দহ বাজিলেই । মনি, মনি .............. "

মনি ইতিমধ্যে পৰীৰ টেবুলত মূৰটো থৈ শুই পৰিছিল । জিতৰ মাতত তাই ঘকমককৈ সাৰপাই উঠিল । তাৰপিছত তিনিও পুনৰ ভালদৰে সাজু হৈ নাটক চাবলৈ বুলি খোজ ললে ।

এনেদৰে বহুদিন পাৰ হৈ গল । পৰীহঁতৰ প্ৰেম নামৰ নাওখনে মৰম নামৰ পাৰহীন নদীখনৰ বহুদূৰ আগুৱাই গল । প্ৰথম অৱস্থাত দুয়ো দুয়োকে মৰমেৰে বুৱাই পেলাইছিল । দুয়ো দুয়োকে ভাল দৰে বুজি পাইছিল । চিঠি লিখাটো আছিল সিহঁতৰ নিয়মীয়া । এদিন দুয়ো প্ৰতিজ্ঞাবদ্ধ হৈছিল যে সিহঁতৰ মাজৰ এই সম্বন্ধক কোনেও বাধা দিব নোৱাৰিব । দুয়ো দুয়োক প্ৰতিশ্ৰুতি দিছিল ।

ইতিমধ্যে সিহঁতক মাজৰ এই সম্পৰ্কই তিনিটা বছৰ অতিক্ৰম কৰিলে । লাহে লাহে পৰীহঁতৰ স্নাতক তৃতীয় বৰ্ষৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল । পৰীয়ে অৰ্থনীতি বিভাগত অনাৰ্ছসহ ভালদৰেই পাছ কৰিলে । গতিকে দেউতাকে তাইক চহৰৰ ইউনিভাৰচিটিত পঢ়িবলৈ পঠালে । আনহাতে জিতে তাৰ আগৰ বছৰতে ইংৰাজী বিভাগত অনাৰ্চ সহ বি. এ. পাচ কৰিলে । কিন্তু তাৰ চহৰৰ হোষ্টেলত থাকি ইউনিভাৰচিটিত পঢ়াৰ সৌভাগ্য নহ'ল । কাৰণ আৰ্থিকভাৱে জুৰুলা তাৰ দেউতাকে তাক ইউনিভাৰচিটিৰ হোষ্টেলত থৈ পঢ়ুৱাবলৈ অপাৰগ । অৱশেষৰ সি উপায়হীন হৈ তাৰ একমাত্ৰ ভনীয়েক জনীকে ভালদৰে পঢ়ুৱাব বুলি ভাবি লৈ চাকৰিৰ সন্ধানত ঘূৰা পকা কৰিবলৈ ধৰিলে । কিন্তু আজিৰ এই টকাৰ দিনতো জানো চাকৰি বুলিলেই চাকৰি পায় । চাকৰি বিচাৰি বিচাৰি সি ভাগৰি পৰিল । শেষত উপায়হীন হৈ সি চাকৰিৰ আশা পৰিত্যাগ কৰি সিহঁতৰ গাৱঁৰে একমাত্ৰ তিনিআলিটোত এখন সৰু পানদোকানকে খুলিলে । আনফালে পৰীও চহৰত থাকি থাকি পৰিৱৰ্তন হৈ আহিল । তাই লাহে লাহে টকা নামৰ সেই অদ্ভুত যন্ত্ৰটোৰ প্ৰতি আকৰ্ষিত হৈ পৰিল । ইউনিভাৰচিটিত পঢ়িবলৈ যোৱা প্ৰায় এবছৰ মানেই হ'বৰ হ'ল । ঠিক সেই সময়তে পৰীক চহৰৰ এটা ধনী ব্যৱসায়ীৰ পুতেকে প্ৰেম নিবেদন কৰিলে । ল'ৰাটোৱেও পৰীৰ লগতে একেখন ইউনিভাৰচিটিতে পঢ়িছিল । সেই ল'ৰাটোৰ নাম আছিল ৰাজ ।

পৰীয়ে লাহে লাহে জিতৰ কথা পাহৰি পেলাইছিল । প্ৰথম কেইমাহত তাই জিতলৈ নিয়মীয়াকৈ চিঠি পত্ৰ দি আছিল । ঘৰলৈ অহাটোতো প্ৰায় এৰিয়েই দিছিল । ধনীৰ দুলাল ৰাজৰ প্ৰেমত পৰি তাই লাহে লাহে জিতৰ কথা একেবাৰে পাহৰি পেলালে । জিতে তেতিয়া চিঠি পত্ৰ দি আছিল কিন্তু পৰীয়েহে উত্তৰ দিবলৈ এৰি দিছিল । জিতে দিয়া চিঠি ছয় সাত খনৰ মূৰত নানা অজুহাত দেখুৱাই এখনৰ উত্তৰ দিছিল । জিতে কিন্তু কোনো ধৰণৰ সন্দেহ কৰা নাছিল । সি কোনোদিন ভবা নাছিল তাৰ দৰে এজন সঁচা প্ৰেমিকৰ মৰমক লৈ অৱশেষত পৰীয়ে এনেদৰে প্ৰতাৰণা কৰিব বুলি । পৰীয়ে তাৰ চিঠিৰ উত্তৰ নিদিয়াতো তাইৰ পঢ়াৰ ব্যস্ততা বুলি ধৰি লৈছিল ।

অৱশেষত সেই দিনটো আহিল । তেতিয়া সম্ভৱ পৰীহঁতৰ বিশ্ববিদ্যালয়ৰ ছুটিৰ দিন আৰু এই চুটিৰ দিনকেইটা ঘৰতে কটাবলৈ বুলি পৰী গাঁৱলৈ গুচি আহিল । লগত লৈ আহিল তাইৰ চহৰৰ নতুন প্ৰেমিক ৰাজক ।

সেইদিনা দুখে ভাগৰে আহি পৰীহঁত সোনকালেই শুই পৰিল । পিছদিনা আবেলি চাৰিটামান বজাত পৰী আৰু ৰাজ এনেয়েই অলপ ফুৰিবলৈ বুলি ওলাই গ'ল । যাওঁতে বাটতে সিহঁতে জিতক ল'গ পালে । অলপ আতঁৰতে জিতক দেখি পৰীয়ে অন্যফালে মূৰ ঘূৰালে । যেন তাই জিতক দেখাই নাই । ওচৰ পালত জিতেই আগতীয়াকৈ পৰীক মাত লগালে ।

ঃ "অ' পৰী কেতিয়া আহিলা ? কোনো খবৰ খাতি নিদিয়াকৈ হঠাৎ আহি গ'লাযে ?"

ঃ "খবৰ আকৌ কিয় দিব লাগে ? মই কিবা অকলে আহিবই নোৱাৰিমনে । তাতে লগততো এয়া ৰাজদা আহিছেই গতিকে...........।"

ঃ "বাৰু তোমাৰ খবৰ কোৱাচোন । বৰ্তমান কেনে, কিয় চিঠি পত্ৰ দিয়া নাই ?"

ঃ "মোৰতো ভালেই । পিছে আপোনাৰ খবৰ কেনে ?" (পৰীয়ে চিঠিৰ কথাৰ পৰা আঁতৰি আহি বৰ চেষ্টা কৰি ক'লে )

ঃ "তোমাৰ ভালেইটো, মোৰ ভাল । তাকো সুধিব লাগিছেনেকি ।" পিছে এখেত কোন ?

ঃ " এখেত ৰাজ । মোৰ ক্লাছমেট ।" ৰাজ আৰু জিতে পৰস্পৰে পৰস্পৰক নমস্কাৰ জনালে ।

ঃ পিছে এতিয়া যাব ক'ত ?"

ঃ " কতো নাযাওঁ এনেয়েই অলপ ফুৰিবলৈ আহিছো ।"

ঃ "ঠিক আছে বাৰু এতিয়া যোৱা । পাছততো লগ পামেই ।"

পৰীয়ে ৰাজৰ উপস্থিতিত জিতৰ লগত এনেদৰে কথা পাতিব লগা হোৱাত পেটে পেটে খং কৰিছিল । সেয়েহে জিতৰ লগত কথা পাতি থাকোতে তাইৰ মুখেদি ওলোৱা কথাবোৰ বৰ খংভাৱত ওলাইছিল । তাই তেতিয়াই ঠিক কৰিছিল যে জিতক ৰাজৰ বিষয়ে সকলোবিলাক আজিয়েই কৈ দিব আৰু ইয়াকো কৈ দিব যে জিতৰ লগত তাই ইমানদিনে অভিনয়হে কৰি আহিছে । তাই আচলতে ৰাজৰ দৰে ল'ৰা এটাহে বিচাৰিছিল । তাৰ পিছত অলপ ঘূৰি পকি সিহঁত দুয়ো ঘৰলৈ ঘুৰি আহিছিল ।

পিছদিনা দুপৰীয়া ডেৰমান বজাত জিত পৰীহঁতৰ ঘৰলৈ আহিল । পৰীৰ মাক আৰু ৰাজ ওচৰৰ সম্বন্ধীয় এঘৰ মানুহলৈ গৈছিল ঘৰত কেৱল পৰীৰ ভনীয়েক আৰু পৰীহে আছিল । জিত যোৱা দেখি পৰীয়ে চকীখন আগবঢ়াই দি বাহিবলৈ ক'লে । ঘৰৰ পৰা পৰীহঁতৰ ঘৰলৈ ওলাওঁতে জিতে ভাৱিছিল যে পৰীয়ে আজি তাক লগ পালেই কান্দিব, ইমান দিন তাৰ খবৰ নোপোৱাৰ বাবে তাৰ ওপৰত হয়তো অভিমান কৰিব আৰু কিছু সময়ৰ বাবে হয়তো তাক নমতাকৈ থাকিব । বহু কাকুতি মিনতিৰ অন্ততহে যেন পৰীয়ে তাক মাতিবলৈ মান্তি হ'ব । এইবোৰ ভাবি থাকোতেই তাৰ পুৰণি দিনবোৰৰ স্মৃতি মনলৈ আহিছিল । কলেজত পঢ়ি থকা অৱস্থাত ছুটিৰ সময়ত কেন্টিনত বহি বহি কটোৱা সময়বোৰ, কলেজলৈ আহোতে, কলেজৰ পৰা যাওঁতে, বাটত হোৱা কথা বতৰা হাঁহি ধেমালি ইত্যাদিবোৰৰ স্মৃতিয়ে তাক উৎফুল্লিত কৰি তুলিছিল । তাৰ মনটো বহুদিনৰ মূৰত লগ পোৱা পৰীক তাৰ অতিকৈ মৰমৰ পৰীক এবাৰ ওচৰৰ পৰা লগ পাবলৈ ব্যাকুল হৈ পৰিছিল । কিন্তু পৰীহঁতৰ ঘৰত আহি পোৱাৰ পিছত সি আচৰিত হৈ পৰিছিল । সি আচৰিত হোৱাৰ মূলতে আছিল তাৰ প্ৰতি কৰা পৰীৰ আচৰণ । সি অহাৰ লগে লগে তাক বহিবলৈ কৈয়েই পৰীয়ে ভনীয়েকক মাৰি জিতক চাহ অলপ দিবলৈ কৈ ক'ৰবালৈ যাবলৈ সাজু হ'ল । তেনেতে জিতে মাত লগালে ।

ঃ "ক'ত যোৱানো পৰী । অলপ ৰোৱানা । তোমাৰ লগত কিছু কথা আছে । তাতে ইমান দিনৰ মূৰত লগ পাইছো ।"

ঃ " কি কথা আছে সোনকালে কওক । মই এফালে যাব লগা আছে । মায়ে মাতি গৈছে ।"

ঃ " পৰীৰ কথাত জিতে বুজিব পাৰিছিল যে পৰী আৰু আগৰ পৰী হৈ থকা নাই । তাই ইতিমধ্যে বহু পৰিৱৰ্তন হৈছে । তাৰ আগদিনা পৰীয়ে বাটত লগ পাওঁতে কোৱা কথাবোৰ মনত পৰিল । সি লাহে লাহে বুজি উঠিল যে পৰী ইতিমধ্যে তাৰ জীৱনৰ পৰা আতঁৰি যাবৰ চেষ্টা কৰিছে । সি ভাবিবলৈ বাধ্য হল যে যিজনী পৰীয়ে এসময়ত জিতক দিনটোত এবাৰ লগ নাপালে অস্থিৰ হৈ পৰিছিল, যিজনী পৰীয়ে সপ্তাহটোৰ সাতদিনৰ কোনোবা এদিনো যদি সিহঁতৰ ঘৰলৈ সি নাহিলে তাৰ ওচৰত অভিমান কৰিছিল, কান্দিছিল সেইজনী পৰী এতিয়া এক মুহূৰ্তৰ বাবেও তাৰ ওচৰত ৰৈ থাকিব নোৱাৰে । সি বুজি পালে পৰীয়ে ইতিমধ্যে তাৰ সঁচা মৰম সঁচা ভালপোৱাবোৰ পাহৰি গৈছে । সেয়েহে সি পৰীক পোন পটীয়াকৈ সুধি পেলালে যে তাই তাৰ লগত বিয়া সোমাবনে নোসোমায়, তাই কিয় ইমান পৰিৱৰ্তন হ'ল, তাৰ ইমানবোৰ

চিঠিৰ উত্তৰ কিয় দিয়া নাই ইত্যাদি ইত্যাদি । উত্তৰত পৰীয়ে কৈছিল ।

ঃ "অ' আপুনি তাকেই সুধিবলৈ আজি আমাৰ ঘৰলৈ আহিলে । শুনক তেন্তে মই আপোনাৰ আশা কেতিয়াবাই পৰিহাৰ কৰিছো, আপুনি ইমানতে মোৰ আশা এৰি দিয়ক । ইমানদিনে মই আপোনাৰ লগত অভিনয়হে কৰি আছিলো । আৰু শুনক আপোনাৰ দৰে এজন খেতিয়কৰ লৰালৈ মই নগৈহে পাৰিছো । আপোনালোকৰ দৰে এঘৰ মানুহলৈ মোক মোৰ মা দেউতাই বিয়া নিদিয়ে আৰু সেই যে ল'ৰাজন দেখিছে তেখেত মোৰ বন্ধু নহয় আচলতে তেখেতক মই ভাল পাওঁ আৰু এই বছৰতে তেখেতৰ লগত মা - দেউতাই মোৰ বিয়া ঠিক কৰিছে । মই ভাবো আপুনি বিনা প্ৰতিবাদে মোৰ পৰা আঁতৰি যাব । আজিৰ পৰা আপুনি মোক লগ ধৰাৰ চেষ্টা নকৰিব । আপোনাৰ লগত মোৰ সম্পৰ্ক মই কেতিয়াবাই ত্যাগ কৰিছো । অতদিনে মই আপোনাক এই বিষয়ে কোৱা নাছিলো, কাৰণ মই জানিছিলো যে আপুনি মোক খুউব ভাল পায় । কিন্তু আজিৰ দিনত কেৱল ভালপোৱা আৰু মৰমেই জানো মানুহক জীয়াই ৰাখিব পাৰে । মই মোৰ এটা সুখৰ দাম্পত্য জীৱন ত্যাগ কৰি কোনো কাৰণতেই মোৰ সুখৰ ভৱিষ্যতটোক ধ্বংস কৰিব নিবিচাৰো । আজিৰ পৰা মোৰ প্ৰতি থকা তোমাৰ সকলো আশা পৰিহাৰ কৰি সেই সচাঁ, পবিত্ৰ মৰমবোৰ আন কাৰোবাক যাচকগৈ । বাওনা হৈ চন্দ্ৰলৈ হাত নেমেলিবা । এয়াই মোৰ শেষ সিদ্ধান্ত।"

কথাখিনি কৈ পৰী তাৰ ওচৰৰ পৰা এজনী উন্মাদিনীৰ দৰে আঁতৰি গৈছিল । জিতে কোনো কথা ক'বলৈ সুবিধাকে নাপালে । জিতৰ সেই সময়ত এনে লাগিল সি যেন কোনোবা মানুহৰ ঘৰত বহি থকা নাই । ভূত প্ৰেতৰে ভৰি থকা এখন অৰণ্যৰ মাজতহে যেন সোমাই আছে । আৰু অলপ আগতে তাৰ ওচৰত বৈ কথা কৈ থকা সেইজনী পৰী নহয় তাই যেন কাৰোবাক খাবলৈ উদ্যত হৈ থকা এজনী ৰাক্ষ্যসীহে । সি আৰু তাত এক মুহূৰ্তও বৈ থাকিব নোৱাৰিলে । তাৰ মনটো আঁউসীৰ অন্ধকাৰে আৱৰি ধৰিলে । যি অন্ধকাৰ হয়তো কোনোদিন আঁতৰি নাযাব । সি এটি বিষাদভৰা মন লৈ ঘৰলৈ বুলি খোজ ল'লে । ঘৰলৈ উভতি আহি সি তাৰ বহু মৰমৰ পঢ়া টেবুলখনত মূৰটো থৈ বহি পৰিল । সি আগতে কোনোদিন ভবা নাছিল যে তাৰ জীৱনৰ প্ৰথম প্ৰেমক লৈ এনেদৰে এদিন জ্বলিব লাগিব বুলি । সি কোনোদিন ধাৰণা কৰা নাছিল যে তাৰ বুকুৰ একমাত্ৰ আপোন মানুহজনেই এনেকৈয়ে এদিন তাৰ জীৱনৰ পৰা আঁতৰি যাব । সি কোনোদিন সপোনতো ভবা নাছিল যে তাৰ জীৱনৰ সঁচা মৰম, সচা ভালপোৱা, জীৱনৰ মধুৰ আশা আৰু ৰঙীন সপোনবোৰ যে এদিন তাৰ আটাইতকৈ আপোন ব্যক্তিজনেই এনেদৰে নিষ্ঠুৰভাৱে ভাঙি চুৰমাৰ কৰি থৈ গুচি যাব । পৰীয়ে হৃদয়হীন মানুহ এজনীৰ দৰে তাৰ অতদিনৰ মনত পুহি ৰখা আশাবোৰ কল্পনাৰ কাৰেংঘৰটো ভাঙি চুৰমাৰ কৰি দিলে । যেন সিহঁতৰ মাজৰ এই সম্পৰ্ক টোৰ বাবে কেৱল জিতেই দায়ী । টেবুলত বহি থাকোতে জিতৰ মনত বহুতো প্ৰশ্নৰ আবিৰ্ভাৱ হ'ল । যিবোৰ প্ৰশ্নৰ উত্তৰ হয়তো সি কোনোদিন নাপাব । সি নিজকে নিজেই প্ৰশ্ন কৰিছিল -

ঃ জীৱনৰ মধুৰ আশাবোৰ, বুকুৰ আপোনবোৰ হেৰাই যায় কিয় ?

জীৱনৰ সঁচা ৰহস্যবোৰ, মৰমৰ এনাজৰীবোৰ চিগি যায় কিয় ?

বুকুৰ মাজত থকা হাজাৰ হাজাৰ মৰম, তেজৰ লগত বিলিন হৈ যোৱা যৌৱনৰ মৰম, জীৱনৰ হাঁহি, আনন্দ আৰু আশাবোৰ মৰহি গল কিয়?

সচাঁমৰমৰ বুকুত লুকাই থকা প্ৰেম আৰু প্ৰতীক্ষা । এইবোৰো কিছুমান আধালেখা আৰু লুপ্তপ্ৰায় ইতিহাস হৈ ৰয় কিয় ?

তাৰ জীৱনৰ ৰঙীন সপোনবোৰ, কল্পনাৰে সাজি ৰখা কাৰেংঘৰটো থান বান হৈ গ'ল কিয় ?

তাৰ জীৱনত বৈ যোৱা পুঞ্জীভূত বুকুৰ বেদনাবোৰ বুজিব কোনে? সি আজি হাঁহিৰে চুকলো ঢাকিব লগা হ'ল কিয় ? ইত্যাদি ইত্যাদি আৰু বহুত প্ৰশ্ন ।

মনৰ আবেগতে সি নিজকে শান্ত কৰিব নোৱাৰি পৰীলৈ শেষবাৰৰ বাবে এখন চিঠিকে লিখি পেলালে । এইখন তাৰ পৰীলৈ বুলি লেখা শেষ চিঠিয়েই নহয়, তাৰ জীৱনৰ কোনোবা প্ৰেমিকা, কোনোবা মৰমীলৈ বুলি লিখা চিঠিৰ এইখনেই আছিল শেষ চিঠি । ইয়াৰ পিছত সি হয়তো পৃথিৱীত যে নাৰী নামৰ কিবা এটাও আছে তাকো পাহৰি পেলাব । সি চিঠিখনত লিখিছিল -

ঃ " পৰী মৰমৰ -

তোমাৰ কথাবোৰ শুনি মোৰ কেনে লাগিল তাক হয়তো তুমি বুজি নাপাবা । কাৰণ বুজি পোৱা হ'লে তুমি হয়তো মোক এনেদৰে নকলা হেতেন । মই কেতিয়াও তোমাৰ পৰা এনেকথা শুনিবলৈ পাম বুলি ভবা নাছিলো । পৰী তুমি ইমান নিষ্ঠুৰ

কেতিয়াৰ পৰা হলা । কথাবোৰ কোৱাৰ আগতে তুমি অন্ততঃ পুৰণি দিনবোৰৰ কথা এবাৰ ভাবি চাব পাৰিলাহেতেঁন।

একুৰি চাৰিটা বসন্তই গৰকা মোৰ জীৱনত প্ৰথম প্ৰেম আছিলা তুমি । কিন্তু তুমিও মোক প্ৰৱঞ্চনাৰ বাটত ৰাখি গ'লা । সেয়ে আজি জীৱনত পুনৰ নতুন ভূল নকৰো বুলি নিজকে দৃঢ় প্ৰতীজ্ঞাবদ্ধ কৰি ৰাখিব খুজিছো । মাত্ৰ তুমি মোৰ পৰা ভাল পোৱাৰ যি প্ৰতিদান ললা মই কিন্তু লব নিবিচাৰো । কিয় জানা দান দিয়াতহে আনন্দ আছে, লোৱাত নাই । মোৰ আশাৰে পুহি ৰখা মৰম আৰু আন্তৰিকতাক তুমি বুজি নাপালা । মইতো ভৱা নাছিলো মোৰ জীৱনৰ প্ৰথম মৰমক লৈ এনেদৰে জ্বলিব লাগিব বুলি । প্ৰথম অৱস্থাত মোক তোমাৰ খুউব প্ৰয়োজন আছিল । কিন্তু আজি দুখীয়া ঘৰৰ সন্তান হোৱাৰ বাবেই মোৰ ভালপোৱাবোৰৰ মূল্য নাই । তোমাক সুধিছো, দুখীয়া ঘৰৰ ল'ৰাৰ অন্তৰত কি প্ৰেম নাই ? মৰমৰ লগত ধনী দুখীয়া নাই বুলি তুমিয়েইতো মোক এদিন কৈছিলা ।

এজনৰ সপোনৰ কাৰেং ভাঙি আন এজনক লৈ মধুৰ সপোন ৰচাত ব্যস্ত হৈছা । এজনক প্ৰতাৰণা কৰি পুনৰ অন্য এজনক গোপন মৰম বিলালা । তোমাৰ দৰে নাৰীয়ে কোনোদিনেই ত্যাগমায়া পুৰুষৰ অন্তৰৰ পবিত্ৰতা, নিভাঁজ প্ৰেমৰ সৰলতা বুজিব নোৱাৰিবা । জানা পৰী, মোৰ প্ৰথম সঁচা মৰমবোৰ তোমাৰ ওচৰত হেয় জ্ঞান হোৱাতো বিচৰা নাছিলো । তোমাৰ মৰমবোৰ বজাৰৰ কিনা - বেচা বস্তুৰ দৰে ব্যৱহাৰ কৰিবা বুলি আগতেই জনা হ'লে মোৰ সচাঁ মৰমক কোনোদিন অকনমান কাগজ আৰু এটা কলমৰ দ্বাৰা পৰিচালিত নকৰিলোহেঁতেন । যাৰ ইতিহাস চিৰদিন আন্ধাৰৰ বুকুত লুকাই ৰ'ব ।

ৰ'বা মোৰ লিখনি পঢ়ি তোমালোকে হাঁহিৰ প্ৰতিযোগিতা নাপাতিবা । তোমাৰোতো এখন হৃদয় আছে । তুমিযে মোলৈ দিয়া প্ৰথম চিঠিখনত লিখিছিলা "পুৱাৰ নিয়ৰ সৰে দুববি বনত, জিলমিল কৰি উঠে ৰূপালী ৰঙত, প্ৰথম চিনাকি আপোনাৰ লগত, পাহৰিব নোৱাৰো চিৰ জীৱনত ।" এনেদৰে লিখাৰ আগতে তুমি কিয় এবাৰ ভাবি নাচালা যে তোমাৰ নিজৰ অন্তৰখন কিমান পবিত্ৰ ?

অ' জানানে তুমি, কওঁ শুনা, মৰম আৰু আশাবোৰ এখন বৈ থকা নদীৰ দৰে । প্ৰথম মৰমক লৈ ৰচা ৰঙীন সপোনবোৰ, থান - বান হৈ ৰৈ যোৱা পুঞ্জীভুত বেদনাবোৰ তুমি নুবুজা আৰু নুবুজিবা কোনোদিন । আচলতে কি জানা 'মৰম' নামৰ শব্দটোৰ সৈতে তোমাৰ ভালদৰে পৰিচয়েই হোৱা নাই । প্ৰেম মানে কি বুজানে তুমি ? প্ৰেম মানে বজাৰত কিনা - বেচা বস্তু নহয় যে এখন বজাৰৰ পৰা তুলি নি অন্য এখন বজাৰত বিক্ৰী কৰা হয় । জানা পৰী জীৱনৰ ঘাট প্ৰতিঘাটৰ সৈতে মোকাবিলা কৰাৰ কৌশল ভালদৰে নাজানিলে মানুহযে যিকোনো মুহূৰ্ততে বিচ্চিন্ন দ্বীপলৈ ৰূপান্তৰিত হ'ব পাৰে তাক এতিয়াহে বুজি পাইছো ।

সময়ে কিছুমান কথা স্বীকাৰ কৰিবলৈ বাধ্য কৰায় । বাৰিষাৰ প্লাৱনে ভাঙি চুৰমাৰ কৰি দিয়া বান্ধৰ দৰে তুমিয়ো আজি ভাঙি থানবান কৰি দিলা মোৰ জীৱনটোৰ লগতে জীয়াই থকাৰ প্ৰত্যাশা আৰু আনন্দবোৰ । তোমাৰ আকাংক্ষিত সেই টকা নামৰ যন্ত্ৰটোৰ দ্বাৰা তুমি জানো তোমাৰ দ্বিতীয় মৰমবোৰক শেষ ৰূপ দিব পাৰিবা । নাইবা তোমাৰ জীৱনৰ বাকী সময়খিনি পাৰ কৰিব.....................?


ৰ'বা পেলাই নিদিবা, সংঘাটময় জীৱনে ব্যস্ত কৰ্ম জীৱনৰ মাজতো সোঁৱৰিব বিচাৰে অতীত স্মৃতি । প্ৰতিবাদ, তোমাক লৈ প্ৰতিবাদ কৰিব পাৰো । কিন্তু নকঁৰো । কিয় জানা, অন্তৰে অন্তৰক আৰু মৰমে মৰমক যদি বুজি নাপায় তেন্তে প্ৰতিবাদৰেবো প্ৰশ্ন ক'ত ? আনহাতে এবাৰ চিগিযোৱা মৰমৰ এনাজৰী পুনৰ যোৰা লগালে গাঁঠিতো জানো মাৰ যাব.............?

মোৰ সংঘাতময় জীৱনৰ মাজত ৰৈ যোৱা আধালেখাবোৰ পঢ়ি তুমি হয়তো আমনি পাইছা ? আমনি পাবাই কাৰণ তোমাৰ ব্যস্ত জীৱনৰ মাজতো যে কিমান উচ্চ চিন্তা ।

ইতি

জিত ।

# উকা কেনভাছৰ নুৰুজা স্কেচ্



সন্তোষ কুমাৰ

মানুহবোৰে কয় বাঃ কি সুউচ্চ গম্বুজ ? মানুহৰ পৰিচয়ৰ গম্বুজ ইমান ওখ থাকেনে ? সচাঁকৈয়ে আপুনি কিন্তু খুউব কম দিনতে এজন জনপ্ৰিয় শিল্পী হিচাপে প্ৰতিষ্ঠিত হৈ কীৰ্তিৰ গগনচুম্বী গম্বুজ প্ৰতিষ্ঠা কৰিলে । আপুনি মোক চিনি পায়নে ? যদি পায় তেন্তে আপুনিও হয়তো তেনেকৈয়ে ক'ব । আৰু মই..........? কেতিয়াবা মই নিজকে প্ৰশ্ন কৰো সঁচাকৈয়ে তই বিখ্যাত নেকি ? জনপ্ৰিয় নেকি ??

মোৰ বিষয়ে আপুনিও নতুনকৈ কিবা অভিমত তুলি ধৰিব বিচাৰে নেকি ? এ' নেলাগে দিয়ক এইবোৰ বাজে কথা । পিছে মই এজন জনপ্ৰিয় শিল্পী বুলি কোৱাৰ লগে লগে নিশ্চয় এটা কথাই আপোনৰ মনত টুকুৰিয়াব পাৰে । এনে এজন বিখ্যাত শিল্পীয়েনো কেনেদৰে থাকে ? তেওঁৰ জীৱন ধাৰাৰ প্ৰণালীয়েই বা কেনে ? এই প্ৰশ্নৰ উত্তৰ জানিবলৈ আপুনি যদি প্ৰৱল ভাবে ইচ্ছুক হয়, তেন্তে জানিব যে আপুনি হতাশাৰ বাদে একো নেপায় । কাৰণ মোৰ জীৱনৰ দিনলিপি তেনেই সৰল, একঘেয়ামী আৰু বৈচিত্ৰ্যহীন ।

ৰাতিপুৱা কাউৰীয়ে কা নৌকৰোতেই মই ঢাৰিপাটি এৰো! তাৰপিছত ওলাই যাওঁ প্ৰাতঃ ভ্ৰমণলৈ ! প্ৰথমদিনাৰ প্ৰাতঃ ভ্ৰমণত যিটো পথেদি যৰলৈকে গৈছিলো আজি সুদীৰ্ঘ দিনৰ অন্ততো তাৰ তিলমানো ইফাল-সিফাল হোৱা নাই । যেতিয়া মই গৈ 'অৰোৰা টকী হাউচ'ৰ সন্মূখত উপস্থিত হওঁ ততালিকে মোৰ ভৰি দুখনে ওভতনি যাত্ৰা আৰম্ভ কৰে । ঘৰলৈ আহি যাবতীয় কৰ্মখিনি কৰো । বেলি এপৰ হ'লে সকলো চিন্তা ভাৱনা মূৰৰ পৰা খহাই থৈ ৰং বুৰুজ লৈ ব্যস্ত হৈ পৰো কেনভাছৰ সন্মুখত। সৃষ্টিৰ তাড়নাত গুজৰি থকা অনুভূতিবোৰ জ্বালামুখ ফুটাই উলাই আহি কেনভাছত স্কেচ হৈ জন্ম লাভ কৰে।..........সাজৰ তৰাটি ওলোৱাৰ আগে আগে ওলাই যাওঁ সান্ধ্য ভ্ৰমণলৈ । অৰোৰা টকী হাউচ- প্ৰাতঃভ্ৰমণত যৰলৈকে যাওঁ ঠিক তৰলৈকে।..........এয়াই মোৰ অথবা আপোনাৰ (বিখ্যাত) শিল্পী জনৰ দিনলিপি।

ঘৰখনত মই অকলেই থাকো। কিমান দিনৰ পৰা কোনেও নেজানে। নিকট প্ৰতিবেশী জনেও। মোৰ মা দেউতা কোন আছিল তাকো নেজানে। মই যেন তেওঁলোকৰ বাবে প্ৰহেলিকাৰ জালত বুৰ গৈ থকা এটা প্ৰাণী। অৱশ্যে এনেদৰে ভাবিবলৈ, মোৰ অধিকাৰ নাই যেন লাগে । কাৰণ ময়েইবা তেওঁলোকৰ বিষয়ে কি জানো।

মোৰ ঘৰখনত বস্তু বুলিবলৈ চকুত লগা বস্তু একোৱেই আপুনি দেখিবলৈ নেপায়। নিত্য ব্যৱহাৰ্য বস্তু কেইপদমান; বচ্ সিমানেই। বিশেষ কায়দাৰে বেৰত গজাল মাৰি তক্তা এখনেৰে কৰা ৰেকখনত ন-পুৰণি বিভিন্ন ৰঙৰ টেমাবোৰ এফালৰ পৰা

শৃংখলাবদ্ধভাৱে সজাই থোৱা দেখিবলৈ পাব। বহল কোঠাটোৰ মাজ মজিয়াত কেনভাছখন সদম্ভে ষ্টেণ্ডত দেখিবলৈ পাব। আৰু..........একোৱেই নাই।

মোৰ সাজ পাৰতো কোনো বিশেষত্ব দেখিবলৈ নেপাব। ধোঁওতে ধোঁওতে শেঁতা পৰা শুকুলা পাঞ্জাবী আৰু চুৰীয়া। মোৰ এই পোছাক যোৰ মোৰ বয়সৰ যিকোনো এজনৰ বাবেই পৰিত্যক্ত হব পাৰে, কিন্তু মই সেই সাজযোৰকে পিন্ধি ফুৰো। অন্য কামৰ দৰে মোৰ সাজযোৰৰো কেতিয়াও পৰিবৰ্তন নহয়। ৰ'দ বৰষুণৰ অত্যচাৰত কাপোৰযোৰ ওৱলি-ফাটি নোযোৱা পৰ্যন্ত মোৰ এই সাজযোৰৰ পৰিবৰ্তন হোৱা কোনেও দেখা নাই।

মোৰ কাৰ্য্য, কৰ্ম চিন্তা ভাৱনা আদি সকলোতে নতুনত্বহীনতা । বৈচিত্ৰ্যহীন একঘেয়ামী জীৱন । বচ্ ইমানেই । আপুনি বিশ্বাস কৰক বা নকৰক মোৰ দিনলিপি বা দৈনিক কাৰ্য্য এই খিনিয়েই । যত নাই নতুনত্বৰ সোৱাদ, বৈচিত্ৰ্যতাৰ ৰং ।

সদায় একেখিনি কামকে কৰি কৰি মই হেৰুৱাই পেলাইছো জীৱনৰ মাধুৰ্য্যতা, মাদকতা । ক'ৰবাত শুনিছিলো পৰিবৰ্তনে হেনো জীৱনলৈ মাধুৰ্য্যতা আনে, মাদকতা আনে । হ'বও পাৰে । হয়তো এই অপৰিবৰ্তনৰ বাবেই, একঘেয়ামীত্বৰ বাবেই মই হেৰুৱাইছো জীৱনৰ বৈচিত্ৰ্যতা, মাদকতা, মাধুৰ্য্যতা ।

নাই নাই এনেদৰে নহ'ব । মোক পৰিবৰ্তন লাগে, পৰিবৰ্তন । সকলোতে পৰিবৰ্তন লাগে । পৰিবৰ্তন ! .......পৰিবৰ্তন !! ...... পৰিবৰ্তন !!! ........ যিয়ে মোৰ জীৱনত মাধুৰ্য্যৰ বোল সানিব ....... জীৱনৰ মাদকতা উপলব্ধি কৰাব ।

আপোনাকে সাক্ষীকৈ ক'লো আজিৰে পৰা মোৰ সকলো কাৰ্য্য , কৰ্মসূচীৰে পৰিবৰ্তন হ'ব । মই এতিয়াৰ পৰা সেই আগৰদৰে কাহিলি পুঁৱাতেই শুই উঠি প্ৰাতঃভ্ৰমণলৈ নাযাঁও । বৰঞ্চ শুৱাৰহে, আয়োজন কৰো । কিবা অদ্ভুদ যেন লগা নাইনে ? দুপৰীয়া শুই উঠি ওলাই যাম বহু নিলগত থকা নিৰ্জন ঠাই টুকুৰালৈ — পাহাৰৰ দাঁতিলৈ । অকলেই বহিম ; মোৰ নিজৰ মাজত নিজকে বিচাৰি হাবাথুৰি খাই ফুৰিম । ......... বিহংগৰ জীপচি সংগীত শুনিম । আৰু সন্ধিয়া সাঁজৰ ত'ৰাটি ওলোৱাৰ লগে লগে আৰম্ভ কৰিম চিত্ৰ আঁকিব । উকা কেন ভাছত জন্ম হব ৰঙা নীলা ৰঙৰ বিচিত্ৰ স্কেচৰ । দুপৰ নিশা পাৰহৈ যোৱাৰ অন্তত : মই ওলাই যাম নৈশ ভ্ৰমণলৈ । নিশাৰ প্ৰায় জন শূন্য ৰাজ পথেদি আগুৱাই যাম বহু দূৰলৈ, যি দূৰত্বৰ কোনো সীমা নাই, কোনো অন্ত নাই । মই গৈয়েই থাকিম যেতিয়া লৈকে পদপথত কোনো বলিয়া, চোৰ অথবা মাতালক লগ নাপাঁও । আৰু ঘৰলৈ ঘূৰি আহি পাওঁতে পোহৰে ঢলফাট দিব ।
........................

আজি মই চহৰৰ সমস্ত দোকান চলাথ কৰিলো । কিন্তু কোনো ফল নধৰিল । মই বিচৰা নতুন ৰং কতো নাপালো । মই এতিয়া আগৰ সেই 'একঘেয়েমী' ৰঙেৰে ছবি নাআঁকো । ছবি আঁকোতে মই এতিয়া এনে ৰং ব্যৱহাৰ কৰিম যিটো আগতে কোনেও কৰা নাই । কিন্তু তেনে ৰং বজাৰত নাই । অথচ ৰঙৰ পৰিবৰ্তন মোৰ বাবে এতিয়া আটাইতকৈ বাঞ্চনীয় । মই মোৰ সকলো কামৰ লগতে মোৰ ছবিৰ ৰঙৰো পৰিবৰ্তন বিচাৰো ।

এতিয়া কি কৰা যায় ? নাই নহ'ব । দোকানত নাপালো বুলিয়েই মই ৰঙৰ পৰিৱৰ্তন নকৰাকৈ থাকিব নোৱাৰো । মই নিজেই সৃষ্টি কৰিম নতুন ৰং । ৰেকত থকা সমস্ত ৰঙৰ টেমাবোৰ মই উলিয়াই ললো । তাৰপিছত আৰম্ভ হ'ল মোৰ নতুন ৰং সৃষ্টিৰ অন্বেষণ । ভিন ভিন তিনি চাৰিটা ৰং মিহলাই এটা নতুন ৰং । তেনে দৰে আন কেইটামান মিহলাই আন এটা নতুন ৰং ।

মোৰ হাতত এতিয়া আৰু আগৰ দৰে সেই ৰঙা, নীলা ৰঙৰ স্কেচৰ জন্ম নহয় । মই এতিয়া নতুন ৰঙেৰে ছবি আঁকিম । 'নতুন ৰং' মানে বুজি পাইছেনে ? মোৰ সৃষ্টি ৰঙৰ নাম 'নতুন ৰং' ।

আপুনি নাভাবিব যে মোৰ ছবিত কেৱল ৰঙৰেই পৰিৱৰ্তন হৈছে । মোৰ ছবিৰ শৈলী সম্পূৰ্ণ ৰূপে এতিয়া পৰিৱৰ্তন হ'ল । আজিলৈকে মই মোৰ ছবিত নাৰী জাতিক মৰমৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি আহিছো । আৰু এই কথাটো মই মোৰ ছবিত ৰূপায়ন কৰিছো এনেদৰে এজনী ভৰযৌৱনা গাভৰু ছোৱালী । তাইৰ ভৰুণ স্তন যুগল নগ্ন । আৰু সেই নগ্ন দুটা আচৰিত ভাৱে ডাঙৰ, বুকু খনতকৈয়ো ডাঙৰ । এইযে বৃহদাকাৰৰ স্তন দুটা । এই কেইটা হ'ল মৰমৰ প্ৰতীক, অতি মৰমৰ প্ৰতীক ।

ৰব । মোৰ ছবিৰ শৈলীৰ আন এটা উদাহৰণ দিছো । আধুনিক নগৰকেন্দ্ৰীক সভ্যতাই ব্যক্তি জীৱনক নিসংগ কৰিছে । এই যে ব্যক্তি জীৱনৰ নিসংগতা —তাক মই চিত্ৰত এনেদৰে ফুটাই তুলিছিলো । চৌদিশে কেৱল তুষাৰ আৰু তুষাৰ । অন্তহীন শুকুলা তুষাৰৰ মাজত কতো বিন্দুমাত্ৰও সেউজীয়া নাই । মাজত আছে মাথোঁ এজোপা কংকালহাৰ মৃতপ্ৰায় লঠঙা গছ । সেউজীয়া পাত নাই, আছে কেৱল ৰুগীয়া মানুহৰ হাতৰ আঙুলিৰ দৰে ঠাল- ঠেঙুলি, শাখা- প্ৰশাখা । ইত্যাদি, ইত্যাদি ।

কিন্তু এতিয়াৰ পৰা মোৰ ছবিত আৰু এনে শৈলীৰ ব্যৱহাৰ

আপুনি দেখিবলৈ নাপাব । আগতে যিবোৰ প্ৰতীক বা চিত্ৰকল্পৰ সহায়ত অভিব্যঞ্জনা ফুটাই তুলিছিলো এতিয়াও যদি আপুনি তেনেদৰেই মোৰ ছবিৰ অৰ্থ উপলব্ধি কৰিব বিচাৰে বা ছবিৰ ৰসাস্বাদন কৰিব বিচাৰে তেন্তে জানিব যে মোৰ ছবি আপোনাৰ বাবে হ'ব গৰুৰ আগত টোকাৰি বজোৱা । কাৰণটো কৈছোৱেই; মোৰ ছবিত পূৰ্বৰ শৈলীৰ ব্যৱহাৰ নাই । মৰমৰ প্ৰতীক স্বৰূপে এতিয়া মই গাভৰুৰ ভৰুণ স্তন যুগলৰ ছবি নাঁআকো । একেই অৰ্থ প্ৰকাশ কৰিবলৈ আঁকিম গাভৰু ছোৱালীৰ পিঠিখন । অতি বহলকৈ, দৃষ্টিকটু ভাৱে । এতিয়া পিঠিখনে স্তন যুগলৰ ঠাই ল'লে । গতিকে মোৰ এটা বদ্ধমূল ধাৰণা হৈ গৈছে যে আপুনি নালাগে দ্বিতীয় ব্যক্তি মানেই মোৰ ছবি বুজি নাপাব অথবা ৰসাস্বাদনৰ পৰা বঞ্চিত হ'ব ।

পুৰণি ৰঙৰ পুৰণি শৈলীৰ মোৰ সৃষ্ট যিমানবোৰ ছবি আছিল সকলোবোৰ একগোট কৰি নীলাৰঙৰ 'ফাইল কভাৰ' এখনত বান্ধি থৈ দিলো।

মই আপোনাক বুলিয়েহে একান্ত বিশ্বাসেৰে কৈছো যে মই যিটো ভাবিছিলো সেইটোৱেই হ'ল । মোৰ ছবি বুজা মানুহ দ্বিতীয় এজন মই নাপালো । বিশ্বাস কৰিবনে আপুনি, মোৰ আগৰ একো একোখন ছবিৰ মূল্য আছিল অযুত নিযুত টকা । কিন্তু এতিয়া এক অনাৰ বিনিময়তো মানুহে মোৰ ছবি ৰাখিব নোখোজে । নোখোজে মানে নাৰাখে । নাৰাখে মানে এনেয়ে দিলেও নলয় । কিমানৰ যে গালি শুনিলো, উপদেশ শুনিলো হিচাপ নাই ।

ঃ হেৰি শিল্পী ডাঙৰীয়া । আপোনাৰ এইবোৰ কি ছবিহে ? এইবোৰ কিবা ৰং হ'লনে ? এই খন কিবা ছবি হ'লনে ?

ঃ নহয় মানে আপুনি বুজা নাই । মই পৰিবৰ্তন বিচাৰিছো । সেইবাবেহে মই ছবিত 'নতুন ৰং' ব্যৱহাৰ কৰিছো, নতুন শৈলীৰে চিত্ৰ আঁকিছো ।

ঃ আপোনাৰ মূৰটো ঠিকেই আছেতো শিল্পী ডাঙৰীয়া ? বলিয়াৰ দৰে আপুনি এইবোৰ কি বেবেৰিবাং বকি আছে ?

ঃ খবৰদাৰ মোৰ মূৰত নধৰিব । মোৰ মুৰ আলবত্ ঠিক আছে । যদি কোনোবা বলিয়া হৈছে, তেন্তে আপুনি হৈছে ।

ঃ আপুনি এনে মৰসাহ নকৰাই মংগল হ'ব নেকি শিল্পী ডাঙৰীয়া । কাৰণ আপুনি অকলে জানো পাৰিব গোটেই শিল্প জগত খনক পৰিবৰ্তন কৰিব ?

ঃ শিল্পৰ পৰিবৰ্তনৰ বাবে মই মোৰ সৃষ্টিৰ পৰিবৰ্তন কৰা নাই ।

সচাঁকৈয়ে মই মোৰ যুক্তিতেই খামোচ মাৰি ধৰি থাকিলো । কোনেও নুবুজিলেও কোনেও নিকিনিলেও মই মোৰ শৈলীৰ, ৰঙৰ পৰিবৰ্তন নকৰিলো । মোৰ নিজস্ব নতুন ষ্টাইলতে জন্ম হৈ থাকিল এখনৰ পিছত এখন স্কেচ্ৰ । এতিয়া আৰু মোক গালি পাৰিবলৈ বা উপদেশ দিবলৈ কোনো নাহে । কিন্তু এদিন আহিছিল । বহু বছৰৰ আগতে । কিমান বছৰ হ'ল মোৰ মনত নাই ।

এতিয়া তেওঁলোক নাহে । নাহে মানে অহাৰ প্ৰয়োজনবোধ নকৰে । কাৰণ মোৰ শিল্পী জীৱনৰ প্ৰথমাৱস্থাৰ ছবিসমূহে শিল্প জগতত আগস্থান পাইছিল যদিও পৰিৱৰ্তনৰ পিছৰ ছবি সমূহে কোনো স্থান নাপালে । সেইবোৰৰ হেনো ডাষ্টবিনৰ আৱৰ্জনা হোৱাৰ বাদে দ্বিতীয় এটা কাম নাই । ফলস্বৰূপে অঘোষিত ভাৱেই শিল্পজগতৰ পৰা, শিল্পী সমাজৰ পৰা এঘৰীয়া হৈ পৰিলো । বৰ্তমান আপুনি মোৰ নামকৈ কাৰোবাক সোধকগৈচোন 'অমুক' শিল্পীজনক চিনি পায়নে ? তেতিয়া উত্তৰ দাতাই কোনো কষ্ট নকৰাকৈ এনেদৰে প্ৰত্যুত্তৰ দিব সেই শিল্পীজনৰ নাম আজিয়েহে আপোনাৰ মুখত শুনিলো । গতিকে আপুনি নিজেই ভাবকচোন মোৰ বৰ্তমান অৱস্থিতিৰ কথা ।

আপোনাক যদি মই মোৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ সত্য কথা কওঁ আপুনি বিশ্বাস কৰিবনে বাৰু ? মোৰ বোধেৰে নকৰে, হয়তো হাঁহি উৰুৱাই দিব । কিন্তু মোৰেই শপত বিশ্বাস কৰক । মোৰ পূৰ্বৰ পুৰণি শৈলীৰ ছবিবোৰৰ অৰ্থ এতিয়া বুজি নাপাওঁ । মোৰেই সৃষ্ট অথচ ময়েই বুজি নাপাওঁ । কেনে আঁচৰিত নহয়নে ? আচৰিত হ'লেও কথাটো সম্পূৰ্ণ সঁচা । মই সকলো পাহৰিলো । কেতিয়াবা নীলা ফাইল কভাৰেৰে আবৃত ছবিখিনি আলমাৰিৰ পৰা উলিয়াই আনো । তাৰপৰা এখন ছবি টানি উলিয়াও । অতি মনোযোগেৰে চাওঁ । বুজিবলৈ চেষ্টা কৰো । কিন্তু বুজি নাপাওঁ —চৌদিশে কেৱল তুষাৰ আৰু তুষাৰ । অন্তহীন শুকুলা তুষাৰৰ মাজত কতো বিন্দুমাত্ৰও সেউজীয়া নাই । সেই তুষাৰৰ মাজত আছে এজোপা কংকালসাৰ মৃতপ্ৰায় লঠঙা গছ । সেউজীয়া পাত নাই, আছে কেৱল ৰুগীয়া মানুহৰ হাতৰ দৰে ঠাল -ঠেঙুলী, শাখা -প্ৰশাখা । মই কিন্তু একো বুজিব পৰা নাই । কাৰণ মই এতিয়া সেইখন তথাকথিত শিল্পজগতৰ পৰা বহু নিলগত । মই অকলশৰীয়া । শেষত মই আপোনাক এষাৰ কথা নক'লে নিশ্চয় ভুল হব - ছবিখনে কিন্তু মোৰ অন্তৰাত্মাত কিবা এক বুজাব নোৱাৰা পুলক নে বিষাদ জগাই তুলিছে । মোৰ দৃষ্টি নিৱদ্ধ হৈ ৰৈছে তুষাৰৰে আবৃত লঠঙা গছ জোপাত । সেই গছ জোপাই বিষাদৰ চকুলো টুকি আগবাঢ়ি আহিছে মোক সাৱটিবলৈ ।

# এমুঠি নীলা বেদনা

অশ্বিনী শইকীয়া

বিশ্ববিদ্যালয়ৰ পৰীক্ষা শেষ হ'ল । ভাবিছো কালিলৈকে ঘৰলৈ যাওঁ । ইয়াত ইমানবোৰ টকা খৰচ কৰি ঘৰ ভাড়া কৰি থকাতকৈ পৰীক্ষাৰ ৰিজাল্ট নোলোৱালৈকে ঘৰতে থাকি দেউতাক ফাৰ্মখনৰ কামত সহায় কৰি দিওঁগৈ । দেউতাৰ সচাঁকৈ খুউব কষ্ট হয়, এফালে চাকৰিলৈও যাব লাগে আনফালে ফাৰ্মখনো চম্ভালিব লাগে। মই গৈ হয়তো তেওঁক সহায় কৰিব পাৰো । মোৰ ভাড়াঘৰটোত মোৰ যি বয়-বস্তু আছিল সকলো দুপৰীয়াই বান্ধি ললো কাৰণ কালিলৈ ৰাতি পুৱাই ইয়াৰ পৰা মানে পুনেৰ পৰা অসমলৈ প্ৰস্থান কৰিম বুলি ভাবি থৈছো । মই ইয়াৰ পৰা কালিলৈ যামগৈ বুলি গম পায় মোৰ লগৰ কেইজনে আজি ৰাতি পাৰ্টি এটাৰ আয়োজন কৰিছে । দেৰিয়েই হৈছে গতিকে লৰালৰিকৈ লক্ষ্যস্থানলৈ ৰাওনা হ'লো ।

সৌটো নাইডুৰ ঘৰ । নাইডু মানে মোৰ ক্লাছমেট জয়ৰাম নাইডু । তাৰ ঘৰতেই আজি পাৰ্টীৰ আয়োজন চলিছে । ইমান পৰে হয়তো প্ৰীতি, জাফৰীন, সুদেশহতোঁ আহি পালেহি । ছেহ, মোৰহে দেৰী হল । লৰালৰিকৈ গেটখন খুলি সোমাই গ'লো ।

ঃ "ইমান দেৰী কৰিলা যে, আহাঁ, আহাঁ আমি সকলোৱে তোমাৰে কাৰণেই বৈ আছো ।" -বাহিৰতে বৈ থকা নাইডুৰ দেউতাকে মাত লগালে । মই সম্ভাষণ জনাই হাঁহি এটা মাৰি ভিতৰলৈ সোমাই গ'লো । অতন্ত্য সুন্দৰ এটা ঘৰ । নাইডুৰ দেউতাক এজন হাইস্কুলৰ শিক্ষক । খোলামনৰ মানুহ । মই সকলো ধৰণৰ কথাই তেওঁৰ লগত আলোচনা কৰো । বৰ্ত্তমান অসমৰ অৱস্থা দেখি তেখেতে দুখ কৰে । অসমৰ শিক্ষক সকলৰ দৰমহাহীন অৱস্থাৰ বাবে তেখেতে চৰকাৰক দোষাৰোপ কৰে । দেউতাক শিক্ষক যদিও নাইডুহঁতৰ ঘৰৰ অৱস্থা অতন্ত্য স্বচ্ছল । সকলোৱে যেন মোলৈকে বাট চাই আছিল । মই দেৰী হোৱাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো ।

"অ", তুমি হবলা ঘৰলৈ যাবলৈ পাম বুলি আমাৰ সকলোকে এতিয়াৰ পৰাই পাহৰিবলৈ আৰম্ভ কৰিলাই ।" -প্ৰীতিয়ে সুযোগ পাই জোকাবলৈ আৰম্ভ কৰিলে । 'এ, থোৱা আইদেউ, তেনেকুৱা হোৱা হলে ইমানদেৰী মই বিচনাত শুই ঘৰলৈ মনত পেলাই থাকিলোহেঁতেন ।". - মোৰ কথা কোৱাৰ ভঙ্গী দেখি আটাইৰে মাজত হাঁহিৰ বোল উঠিল ।

"তুমি কিন্তু আমাক সঁচাকৈ পাহৰি নাযাবা । চিঠি পত্ৰ দিবা আৰু মাজে মাজে আহি থাকিবা ।" -এইবাৰ নাইডুৱে মাত দিলে ।

"তোমালোকে কথা পিছতো পাতিবা । বহু দেৰী হ'ল আহাঁ খাই লোৱাহি ।" -নাইডুৰ মাকে পাকঘৰৰ পৰা ওলাই আহি সকলোকে খোৱা টেবুললৈ আগবঢ়াই নিলে । এইদৰে হাঁহি ধেমালী কৰি থাকোতে বহুৰাতি হ'ল । মই সকলোৰে পৰা বিদায়লৈ গুছি আহিলো নিজৰ ভাড়াঘৰলৈ ।

ৰাতিপুৱা সোনকালে উঠি নিজৰ বয়বস্তুলৈ ৰেলষ্টেচনলৈ ৰাওনা হলো । আগদিনাই টিকট কাটি থৈছিলো । যথাসময়ত গৈ পুনেৰ পৰা গুৱাহাটী অভিমুখী ৰেলখনৰ নিৰ্দিষ্ট ডবাটোত উঠিলো । ৰেল চলিবলৈ ধৰাৰ লগে লগে মোৰ মনটোও উৰা মাৰিলে অসমলৈ, মোৰ থকা ঠাইখনলৈ, মৰমৰ ঘৰখনলৈ । হত্যা হিংসাৰে জৰ্জৰিত জন্মভূমিখনৰ কথা ভাবি এটা হুমুনিয়াহ অজানিতে ওলাই আহিল । যিখন অসমত এসময়ত চৰাই এটা মাৰিলেও চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠিছিল, আজি সেইখন

অসমতে জাকে জাকে মানুহ মাৰে । প্ৰতিদিনাই মানুহ মৰাতো যেন এটা স্বাভাৱিক ঘটনা । ৰুটিন মাফিক বিবৃত্তি গোহাৰি চলি থাকে । এইখনেই অসম য'ত মৃত্যু ভয়ে সকলোকে ত্ৰাসিত কৰে । আজিৰ অসমত শান্তিৰ পাৰচৰাই উৰোৱাই সেই চৰাইৰে জোল ৰান্ধি খায় । কথাবোৰ ভাবি ভাবি চকুদুটা সিক্ত হৈ আহিল ।

এসময়ত ৰেলখনে গুৱাহাটী ষ্টেচন পালেহি । লৰা লৰিকৈ নামিলো। ইমানবোৰ বস্তু নিবলৈ ঠেলা এখন বিচাৰিব লাগিব । আন্ধাৰ হবৰে হ'ল । ষ্টেচনৰ পৰা ঘৰলৈ বেছি দূৰ নহয়, এক কিলোমিটাৰ মানহে হব । খোজকাঢ়ি গৈয়ে ভাল লাগিব বুলি বস্তুবোৰ নিবলৈ ঠেলা এখন বন্দবস্ত কৰিলো । বিহাৰী ঠেলাৱালা কেইটাই আমাৰ সেইফালে ৰাতি নাযায় হেনো আৰু গলেও বেছি দাম দিব লাগিব । খঙে চুলিৰ আগ পাইছিলগৈ । গালি পাৰি দুটামানক দম দিও চালো লাভ নহ'ল ।

ঃ "বাবু, মই যাম ।" -মাতটো চিনাকী যেন পাই কোনে মাতিছে বুলি ঘূৰি চাই দেখিলো এজন ঠেলাৱালাই আশাৰে মোৰ মুখলৈ চাই আছে । আন্ধাৰত বৈ থকা বাবে তাৰ মুখখন মই মনিব পৰা নাই । ভাবিলো ক'ৰ পৰানো চিনাকী ঠেলাৱালা এটা ওলাব । ৰক্ষা পৰিলো কোনোমতে সেয়ে যথেষ্ট বুলি উশাহটো ললো ।

ঃ "কি চাই আছ ? বস্তুবোৰ তোল তেতিয়া হ'লে ।" - মই আদেশৰ সুৰত তাক কলো ।

সি বস্তুবোৰ ঠেলাখনত তুলিলে । এইবাৰ দুয়োটাই আগবাঢ়িলো ।

ঃ "অই, তোক অসমীয়া যেন পাইছো । তইনো সেইফালে আহিবলৈ ওলালি কিয় অথচ তোৰ লগৰ কেইটাই চোন নাহো বুলিয়ে কলে ।" - মই তাক সুধিলো "বাবু মই অসমীয়াই । আজি গধূলীৰ পৰা এটকাও উপাৰ্জন কৰিব পৰা নাই । বুঢ়া মানুহ ঠেলা ঠেলিব নোৱাৰিব বুলি ভাবি কোনেও ওচৰলৈ নাহে । তদুপৰি অসুখীয়া পৰিবাৰৰ কাৰণে দৰব পাতিও যোগাৰ কৰিব লাগে । সেয়েহে আপোনাৰ বস্তু লৈ যাবলৈ গাত ললো ।" -সি উত্তৰ দিলে । মনটো সেমেকি উঠিল তাৰ কথাশুনি । ঠিৰাং কৰিলো তাৰ প্ৰাপ্যখিনি সি বিচৰামতেই দিম ।

এই বাৰ আমি দুয়ো এটা বহল কেচাঁ আলিয়েদি যাব ধৰিলো । ঘৰ এই পালোহিয়ে আৰু ।

ঃ "পঢ়াশুনা কিমানলৈকে কৰিছিলি ?" পুনৰ সুধিলো তাক।

ঃ "এম. এছ. চি. পাছ কৰিছিলো ।" নিৰ্বিকাৰ ভাৱে উত্তৰ দিলে সি, মই আচৰিত হৈ তাৰ মুখলৈ চাবলৈ যত্ন কৰিলো । আন্ধাৰত একো দেখা নাপালো মাত্ৰ এটা অবয়ব চলন্ত ঠেলাখনৰে সৈতে । এনে লাগিল যেন মই যেন কিবা এক ৰহস্যৰ মাজত সোমাই পৰিছো ।

ঘৰৰ সন্মূখৰ গেটখনৰ ওচৰ পালোহি । ঠেলাৱালাজন ঠেলাখন ৰখায় তলমুৰকৈ বস্তু বোৰ নমাবলৈ ধৰিলে । ঘৰৰ বাৰান্দাৰ বাল্বৰ তীব্ৰ পোহৰত গনি গনি তাক পইচা কেইটা উলিয়াই দিলো । সি হাতমেলি ললে । কিন্তু হে ভগবান, পোহৰত এয়া মই কি দেখিছো। হয়, মই ঠিকেই চিনি পাইছোঁ । এইয়া যে সামান্য এটা ঠেলাৱালা নহয় । মোৰ চিৰকাল পূজ্য মোৰ মৰমৰ চাৰ । গোঁহাই চাৰ । চাৰক এই ৰূপত দেখি মোৰ চকুপানী ওলাই আহিল । কি কৰিম কি নকৰিম বুলি ভাবি চাৰৰ ভৰি দুখনকে সাৱটি থোকাথুকি মাতেৰে কলো - "চাৰ, মোক কিয় আপুনি চিনি পোৱা নাই । মই আপোনাৰ প্ৰিয় ছাত্ৰ ঋতু । মোৰ অজানিতে হোৱা ভুলৰ বাবে মোক ক্ষমা কৰি দিবনে চাৰ ।"

ঃ মই তোমাক ঠিকেই চিনি পাইছো বাচা ।

মোৰ প্ৰিয় ছাত্ৰকো মই চিনি নাপামনে । তোমাৰ গাত অকনো ভুল নাই । আচলতে মোৰ নিজকে এইটো ৰূপত পৰিচয় দিবলৈ লাজ লাগিছিল । কি কৰিবা মাষ্টৰ মানুহ, মৰি গলেও আত্মসম্মানবোধ এৰিব নোৱাৰো । মাষ্টৰৰ দৰমহা নাই । ঘৰ সংসাৰ চলোৱাই কঠিন হৈ পৰিছে । সেয়ে ৰাতি ৰাতি কোনেও নেদেখাকৈ ঠেলা চলাওঁ । দুই এটকা যি পাওঁ তাৰে কোনো মতে জোৰা টাপলী মাৰি ঘৰ চলাব লগীয়া হয় । পেটৰ দায়ত সকলো কৰিব লগীয়া হয় বাচা । উঠা তোমাৰ গাত অকনো দোষ নাই । "চাৰ আমাৰ ঘৰলৈ বলক মা-দেউতাই আপোনাক লগ পাই বহুত ভাল পাব ।" -কোনোমতে কথাষাৰ কলো ।

ঃ "এতিয়া নালাগে দিয়া অইন এদিনা আহিম । এইটো ৰূপত গলে তুমিয়েবা মা-দেউতাক কেনেকৈ চিনাকী দিবা এইজন মোৰ চাৰ বুলি। মই অবশ্যে তোমাৰ খবৰ প্ৰায়ে লৈ থাকো । ভালকৈ পঢ়া-শুনা কৰি ভাল চাকৰি বিচাৰিবা । মাষ্টৰী কৰি আমাৰ অৱস্থা কি হৈছে দেখিছাই । বাৰু এতিয়া আহোঁ ।" - এইবুলি কৈ গোঁহাই চাৰে ঠেলাখন ঠেলি সন্মূখৰ আন্ধাৰখিনিত বিলীন হৈ গল । এমুঠি নীলা বেদনা চৌপাশে লৈ স্থানুৰ দৰে হৈ ৰ'লো মই ।

( লেখক স্নাতক ২য় বৰ্ষ, ক'লা শাখাৰ ছাত্ৰ )

# নৱ-প্ৰভাতৰ অপেক্ষাত

মিচ্ মধুমিতা চাংমাই



"কাৰো অস্তিত্ব নষ্ট নকৰিবা,
নিজেই মহান হোৱা আৰু
নিজৰ দৰে আনকো মহত্ব দিয়া ।"

- ভগৱান মহাবীৰ

পুৰতি নিশা কুলিৰ সুৰদী মাতত ৰিমলিৰ টোপনি ভাঙিল । কিমান দিনৰ পাছত যে তাই আজি কুলি জনীৰ মাত শুনিবলৈ পালে । সচাঁই এক মিঠা আমেজ অনুভৱ হয় ।

ঘড়ীলৈ চাই দেখে চাৰি বাজিছে । তাই বিচনাতে ইকাটি সিকাটি হৈ বাগৰ সলাই থাকিল ।

ঃ বাইদেউ !

ঃ হু !

মিজুৰ মাতত ৰিমলিৰ চিলমিল কৈ আহিব ধৰা টোপনি ভাঙি গ'ল । ৰিমলিয়ে ততাতৈয়াকৈ বিচনাখন সজাই বেডৰুমৰ খিৰিকীখন খুলি দিয়ে । এক প্ৰীতি সুবাসে যেন তাইৰ গা মন চুই গ'ল । অজান আবেগত তাই মন যেন নাচি উঠিল ।

ঃ বাইদেউ চাহ দিছো ।

ঃ অ' থচোন, মই মুখখন ধুই লওঁগৈ ।

এইবুলি ৰিমলিয়ে ব্ৰাচ ডাল লই বাথৰুমত সোমাল ।

ৰিমিলিৰ কেতিয়াবা যেন বিশ্বাসেই নহয়, তাই যে এই ছোৱালী জনীৰ সৈতে ইমান দিন একেলগে আছে । কি পোৱা নাই ৰিমলিয়ে মিজুৰ পৰা । বিচৰাখিনি সকলো পাইছে । মাতৃৰ দৰে স্নেহ, ভাই ভনীৰ দৰে মৰম সকলো দিছে মিজুৱে। কেতিয়াবা ৰিমলিৰ নিজকে তাইৰ ওচৰত ঋণী যেন লাগে ।

ঃ বাইদেউ ক্লাছ কেই বজাত আছে ?

ঃ দহটাৰ পৰা আছে। আজি বাৰু ভাত বনাব নালাগে । তই দেৰিকৈ বনাই খাই লবি, হ'বনে ? ৰিমলিয়ে মিজুক মৰমেৰে কথা কেইটা ক'লে ।

ঃ হ'ব বাৰু । কিন্তু আপুনি ভাত......

ঃমই ! মই আজি বৰুৱা চাৰৰ ঘৰতে খাম । পাৰ্টি এটা দিছে চাৰে ।

ৰিমলিয়ে দেখিলে মিজুৰ চকু চলচলীয়া হৈ পৰিছে । এতিয়াই যেন অশ্ৰুৰ প্লাৱন ব'ব । সচাঁই বেয়া লাগে ৰিমলিৰ । তাই যে ৰিমলিক এৰি ভাত এসাজো খাব নোৱাৰে ।

ঃ মই যাওঁ মিজু । দৰ্জাখন বন্ধ কৰি ল আৰু শুন, ভাত নোখোৱাকৈ নাথাকিবি । শুনিলি............ ।

ঃ ও...... মিজুৱে কওঁ নকওঁ কৈ উত্তৰ দিলে ।

ক'লেজলৈ যোৱা গোটেই পথ ছোৱাই ৰিমলিয়ে মিজুৰ কথাকে ভাবি গ'ল ।

মিজুৰ সৈতে ৰিমলিৰতো কোনো তেজৰ সম্পৰ্ক নাই । তাইক ৰিমলিয়ে ঘৰত কাম কৰা ছোৱালী হিচাপেহে ৰাখিছে । অথচ তাইতো ৰিমলিক সকলো সময়তে সহায় কৰি আহিছে । কলেজলৈ ওলোৱাৰ লগে লগে ইটো খাৱক, সিটো খাৱক, কলেজত নহ'লে ভোক লাগিব ইত্যাদি বোৰ তাইৰ প্ৰতিদিনৰ আপত্তি । কিন্তু কেতিয়াবা ৰিমলিৰ নিজকে তাইৰ ওচৰত তুচ্ছ যেন লাগে । চাবলৈ গ'লে মিজু ৰিমলিৰ দৰে স্কুলীয়া শিক্ষাৰে শিক্ষিতা এগৰাকী প্ৰবক্তা নহয়, তাইৰ সুন্দৰ চেহেৰাও নাই । অথচ তাইৰ মানবীয়তা গুণটোৰ ওচৰত ৰিমলি

হাৰি যায়। কলেজ পাইয়ে ৰিমলিয়ে কমন ৰুমত গৈ বহিল। মীনু চন্দনা বাইদেউহতঁৰ লগত দুই এটা কথা পাতিলে ।

ঘন্টাৰ বেল বজাৰ লগে লগে ৰিমলিয়ে হাতত ৰেজিষ্টাৰ বহীখন লৈ ক্লাচ ৰুমলৈ গ'ল । তাইৰ আজি স্নাতক প্ৰথম বৰ্ষৰ Sociology মেজৰৰ ক্লাচ আছে ।


ঃ গুড মৰ্নিং মিচ্ ।

ঃ গুড মৰ্নিং

ৰিমলিয়েও প্ৰতি সম্ভাষণ জনালে ।

ঃ O.K. মনা, আজি কোনটো Unit বুজাম বুলি কৈছিলো ।

ঃ ভাৰতীয় সমাজৰ পৰা দৰিদ্ৰতা আঁতৰোৱাৰ উপায় সমূহ মিচ্ ।



ৰিমলিয়ে খুব মনোযোগ দি বুজাবলৈ ধৰিলে । তাই এমূৰৰ পৰা লেকচাৰ দি যাব ধৰিলে । কিন্তু বিভাষৰ প্ৰশ্নত তাই থত্মত্ খাই গ'ল । তাই বাৰু কি উত্তৰ দিব ? তথাপিতো নিজৰ সন্মানৰ খাতিৰত তাই উত্তৰটো দি দিলে । কিন্তু তাইৰ নিজকে অপৰাধী যেন ভাব হ'ল । তাই জানো এইয়া সচাঁ কথা কৈছে । তাইতো দুখীয়া সকলক কেতিয়াও ধনী কৰিবলৈ চেষ্টা কৰা নাই । তেওঁলোকৰ মাজত শিক্ষা বিস্তাৰ কৰিবলৈও যত্ন কৰা নাই ।

ৰিমলিয়ে কলেজৰ আৰু এটা ক্লাচও ভালদৰে কৰিব নোৱাৰিলে । তাইৰ মনত সহস্ৰ প্ৰশ্নই ভুমুকি মাৰিলে ।

বৰুৱা চাৰৰ ঘৰত পাৰ্টি খাই ৰিমলি চিধাই ঘৰলৈ গ'ল ।

ঃ বাইদেউ আহিলেই নে ? পাৰ্টি ইমান সোনকালে ভাঙিল যে, মিজুৱে হাঁহি মাৰি কথা কেইটা ক'লে ।

ঃ চাহ খাব নেকি ?

ঃ নাই হ'ব । তই ভাত খালি নে ?

ঃ ও খালো ।

ৰিমলিয়ে কাপোৰ সলাই বিচনাত পৰিলগৈ । তাইৰ আজি মিজুৰ লগতো কথা পাতিবৰ মূদ নাই । সেয়ে বিচনাতে গাটো এৰি দি অলপ জিৰণী ল'ব বিচাৰিলে ।

নাই তাইৰ চোন আজি টোপনিও অহা নাই । অন্য দিনা তাই কলেজৰ পৰা আহিয়েই নিদ্ৰা দেৱীৰ কোলাত শুই পৰে। আজি নো তাইৰ হৈছে কি ।

ৰিমলি এজনী ধনী ঘৰৰ ছোৱালী । সৰুৰে পৰা কোনো কষ্ট নোপোৱাকৈ তাই ডাঙৰ হৈছে । টকা পইচা কি অভাৱ তাই নাজানেই । সৰুৰে পৰা হোষ্টেলত থাকি পঢ়িলে । জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা Sociology ত এম. এ. পাচ কৰি আজি তাই এখন আগশাৰী তথা নামজ্বলা কলেজৰ প্ৰৱক্তা ।

কিন্তু ৰিমলিৰ যেন আজি অনুভৱ হৈছে, তাই যেন জীৱনত এটা বস্তু পোৱা নাছিল । যিটো তাই মিজুৰ পৰা পাইছে । সেয়া হ'ল মৰম । তাইতো মাক দেউতাকৰ পৰাও এনে মৰম ভালপোৱা পোৱা নাই ।

ৰিমলিৰ মনত বাৰে বাৰে বিভাষে কৰা প্ৰশ্নটোৱেই জাগি আছে । তাই আজি নিজকে খুব ফাঁকি দিছে ।

ৰিমলিৰ আজি নিজকে অস্তিত্বহীন ভাৱ হৈছে । তাই মিজুৰ প্ৰতি জানো দায়িত্ব লৈছে । কেৱল তাইক ঘৰৰ হিচাপে কাম কৰাইছে । মিজুক যেন ভগবানে কাম কৰাৰ ঠিকা দি পঠাইছে । ৰিমলিতো মিজুতকৈ বহুত ডাঙৰ । অথচ তাই মিজুক কোনো এটা কামত সহায় কৰা তাইৰ মনত নপৰে ।

এইয়া জানো উচিত হৈছে । মিজুৰ ও ৰিমলিৰ দৰেই এটা মন আছে । তাই পঢ়িবলৈ, ভাল কাপোৰ পিন্ধিবলৈ মন যায় ছাগৈ । ৰিমলিয়ে দেখোন আজিলৈকে একো ভবা নাই । কেৱল নিজৰ মাজতে বিভোল হৈ পৰিছে । তাইৰ দৰে শিক্ষিতা গাভৰু সকলে যদি গাভৰু সকলক সকলো ফালৰ পৰা উন্নতি পথত আগুৱাই নিনিয়ে, তেন্তে নিব কোনে ? মিজুৰ মৰমৰ বিনিময়ত ৰিমলিয়ে তাইক একো দিব পৰা নাই । তাই দিয়া মাহিলি টকা কেইটাতকৈ এই মৰম বহু উচ্চত ।

এইবোৰ ভাবি ভাবিয়েই ৰিমলিৰ টোপনি আহিল ।

ঃ এই বাইদেউ উঠক সাঁজ লাগিবৰে হ'ল । এতিয়া শুই থাকিব নাপায় নহয় । গা বেয়া লাগিব ।

মিজুৰ কথা কেইটা ৰিমলিৰ স্কুলীয়া শিক্ষকে দিয়া উপদেশ যেন লাগিল ।

ঃ কি চাই আছে ইমানকৈ ?

ঃ হু - নাই - নাই একো চোৱা নাই ।

মিজুৰ অকনমানি মুখখন দেখি ৰিমলিৰ মৰম লাগি গ'ল। তাই ধূপ জ্বলাই পূজা কৰিব বহিছে । ৰিমলিয়েও তাইৰ ওচৰতে বহিলগৈ । ৰিমলিয়ে ভগৱানৰ ওচৰত আজি প্ৰথম বাৰৰ বাবে বিচাৰিছে কিছু শক্তি । যাৰ দ্বাৰা তাই মিজুক সকলো ধৰণে সহায় কৰি শিক্ষিতা কৰি তুলিব পাৰিব ।

ঃ বা - আজি দেখোন আপুনিও.............

ঃ এই প্লিজ একো নকবি মিজু ।

ঃ ঠিক আছে । এতিয়া বলক চাহ খাওঁগৈ ।

ঃ মিজু

ঃ হু........

ঃ মোৰ ওচৰলৈ আহ ।

ঃ কিয় ?

ঃ আহ্ না । ডাঙৰক প্ৰশ্ন কৰিব নাপায় নহয় ।

মিজুৱে এখোজ এখোজ কৈ ৰিমলিৰ ওচৰ চাপিল ।

ঃ চাওঁ ভয় খাইছ । ভয় খাবলৈ একো নাই । মই তোক নামাৰো নহয় ।

ৰিমলিয়ে তাইক দুহাতে ধৰি কোচত বহুৱাই ল'লে ।

ঃ বাইদেউ

ঃ এই আচৰিত হৈছ নহয় । শুন আজিৰ পৰা সকলো বোৰ কাম আমি দুয়োজনীয়ে কৰিম । আৰু তই কাইলৈৰ পৰা স্কুললৈ যাব লাগিব ।

ঃ কি ?

ঃ কোনো কি নহয় । মই যি কৈছো সেয়াই হ'ব ।

ঃ কিন্তু বাইদেউ

ঃ চা মিজু তই না নকবি । নহ'লে মই সচাঁই তোক বেয়া পাম । অন্তত মোৰ কথা এটা মান । মই তোৰ বাইদেউৰ দৰে নহওঁ জানো ? হু...................?

ৰিমলিৰ চকুৰে অশ্ৰু বৈ আহিল ।


ঃ বাইদেউ নাকান্দিব । মই পঢ়িম, মই স্কুললৈ যাম, মই ডাঙৰ মানুহ হম ।

মিজুৰ আনন্দত চকুলো বাগৰিল । ৰিমলিয়ে তাইক দুহাতে আকোঁৱালি ধৰিলে । দুয়োজনী কান্দোনত ভাঙি পৰিল । এনে লাগিল যেন ভগৱানৰ ওচৰত দুয়োজনী এক হৈ পৰিছে ।

ৰিমলিয়ে বিচাৰিলে যেন ৰাতি সোনকালে পুৱাঁৱক । তাই যে অনাগত দিনত আদৰি আনিব এক নতুন সূৰ্য্যৰ ৰেঙনি । যি ৰেঙনিত তাই দেখিব কেৱল এখনি মুখ । সেইয়া হ'ব তাইৰ মৰমৰ মিজুজনীৰ এখন মৰম সনা মুখ ।

হে নৱ সুৰুয
তুমি আহা যেন নৱপ্ৰভাত লৈ
যি প্ৰভাতে দিব
সহস্ৰ ৰেঙনি এই ধৰাত
দি যাব সকলোকে শান্তিৰ গান ।।

(লেখিকা স্নাতক প্ৰথমবৰ্ষ কলা শাখাৰ ছাত্ৰী)



FRIGATE-BIRD ATTACKING A GULL.

# মিলিকী বুঢ়ীৰ দুখ

কেশৰ গগৈ

মিলিকী বুঢ়ীয়ে হঠাৎ টোপনিৰ পৰা সাৰ পালে । নিশা কিমান হ'ল তাকে অনুমান কৰিব ধৰিলে । কিন্তু সঠিক সময় ধৰিব নোৱাৰিলে । দহ কি এঘাৰ মান বাজিছে বুলি মনতে ধৰি ললে । চকু কেইটা মেলিয়েই দেখিলে বিচনাখনৰ কাষতে ডাঙৰ আকাৰৰ টুল এখনত একাঁহী ভাত আৰু লগতে ঘটি বাতি আদিও দি থৈ গৈছে । ওচৰতে টিপ চাকিটো জ্বলি আছে । সম্ভৱ নাতিনীয়েকে ভেঁকাহি মাৰি দি থৈ গৈছে ।



গাঁৱৰ মানুহ শুই নিঃপালী দিছে । কেউফালে মৰিশালীৰ নিস্তব্ধতা বিৰাজমান । কতো সাৰ সুৰ নাই । মাত্ৰ জিলি আৰু উইচিৰিঙা জাতীয় কিছুমান প্ৰাণীয়ে অনৰ্গল চিঁএৰি আছে । বাৰীত থকা ওখ গছজোপাত বহি দুটা হুদুৰে সিহঁতৰ ভয়লগা মাতেৰে চিঞৰিছে । নিশাটো ক্ৰমান্বয়ে জঁয়াল হৈ পৰিছে । মিলিকী বুঢ়ীয়ে আকৌ শুবলৈ চেষ্টা কৰিলে, কিন্তু টোপনি নাহিল । মনটোক কিবা কিবি কথাবোৰে এনেদৰে জুমৰ দি ধৰিলে, যেন এইবোৰ কথাৰ পৰা বুঢ়ীৰ মনটো কলৈকো ওলাই যাব নোৱাৰিব । বুঢ়ীৰ মনত পৰিল দিনৰ কথাটোলৈ, কিনো হ'ল বাৰু তাক ইম্মান গালি পাৰিবলৈ, কটাক্ষ বাক্য শুনাবলৈ । বুঢ়ীয়ে ইচ্ছাকৃতভাৱে একো কৰা নাই । তাৰ গাত ভুল নাই । সি নিৰ্দোষী । বোৱাৰীয়েকেহে তাক ভুল বুজি চৈধ্য পুৰুষ উজাৰি গালি পাৰিলে ।

বুঢ়া মৰাৰে পৰা বুঢ়ীক ঘৰখনে মাহী আইৰ দৃষ্টিৰে চাবলৈ লৈছে । সাধাৰণ কথাতে বুঢ়ীয়ে পুতেক বোৱাৰীয়েকৰ বকনি শুনিব লগীয়া হৈছে । আজিনো বুঢ়ীক ইমানকৈ গালি পাৰিবলৈ বুঢ়ীয়ে কি কৰিলে ? বৰা ধান কেইটামান ৰ'দত মেলি দি বোৱাৰীয়েকে ওচৰৰ এঘৰত কথাৰ মহলা মাৰিবলৈ গ'ল । নাতিনীয়েক দুজনী বিছনাত । বুঢ়ীয়ে পিৰালীতে বহি আছিল । কেতিয়াবা ঘৰৰ দুই এটা কুকুৰাই ধান বুটলিলে বুঢ়ীয়ে চো- চা- কৰি আছিল । বুঢ়ীৰ কামেই সেইটো । বুঢ়ী হৈ অহাৰ বাবে গধুৰ গধুৰ কামবোৰ কৰিব নোৱাৰে । গতিকে এনে সৰু সৰু কামবোৰকে কৰে । এনেয়ে বহি বহিও আমনি লাগে । বুঢ়ীৰ এটা অভ্যাস ঘনে ঘনে তামোল খোৱাটো । ভাত নোখোৱাকৈ থাকিব পাৰিলেও তামোল পান নোখোৱাকৈ থাকিব নোৱাৰে । বুঢ়ীৰ দাঁত সৰিল । চুলিও কপাহী তুলাৰ দৰে হ'ল । গতিকে তামোল খালে খুন্দনাত খুন্দিহে খায় । তামোল খাবলৈ ইচ্ছা যোৱাত বুঢ়ী পিৰালিৰ পৰা উঠি ভিতৰ সোমাল । তামোল খুন্দি থাকোতেই ঘৰৰে খীৰতী গাইজনী আহি দলনিত দল ঘাঁহ পোৱাৰ দৰে ৰ'দত মেলি থোৱা ধানকেইটা মহৰা-মহৰ খাবলৈ লাগিল । এনেতে কৰবাৰ পৰা আহি বুঢ়ীৰ পুতেকে ঘৰ সোমালহি । গৰুজনীয়ে ধান খোৱা দেখি খুওৰ খং উঠিল আৰু ঘৰত বুঢ়ীকে পায় চৈধ্য পুৰুষ উধাৰি গালি পাৰিবলৈ ধৰিলে । পিচত বোৱাৰীয়েকেও কথাটো জানি এখন ফুটবল খেলৰ চলন্ত বিৱৰণ দিয়াৰ দৰে বুঢ়ীক এসোপা শুনালে । বুঢ়ীয়ে কিন্তু টু শব্দ এটাও নকৰিলে । ইহঁতৰ আগত মাত মাতি লাভ নাই । ইহঁতৰ আগত মাত মতা মানেই কোঁদোৰ বাহঁত হাত দিয়া ।

বুঢ়ীৰ পুতেক দুজন আৰু জীয়েক এজনী । জীয়েকজনী কেতিয়াবাই আনৰ ঘৰৰ বোৱাৰী হ'লগৈ । সৰুটো পুতেকে

চৰকাৰী চাকৰি কৰে আৰু চহৰতে থাকে । ঘাঁই ঘৰলৈ বিহুৰে সংক্ৰান্তিয়ে পাক এটা মাৰে । চহৰত থকা পুতেকে যে বুঢ়ীক চহৰলৈ লৈ নোযোৱা এনে নহয় । পিছে কি হ'ব, বুঢ়ীৰহে চহৰত মন নবহিল । চহৰত থাকি একো শান্তি নাপায় । ঘৰৰ পৰা আঁতৰি বহু দূৰত থকা যেন লাগে । গছৰ ছাঁ বুলিবলৈ নাই, কতো নিৰ্মল বতাহ এছাটি পাবলৈ নাই । সকলো ফালে কেৱল ডাঙৰ ডাঙৰ ওখ ওখ ঘৰ । চাৰি পাঁচটা মানুহ থাকিবলৈ ইমান ডাঙৰ ডাঙৰ ঘৰ কেলেই লাগে বুঢ়ীয়ে এইবোৰ একো বুজি নাপায় । বুঢ়ীৰ পুতেকৰ ঘৰটো একেই, বৰ ডাঙৰ । ঘৰখনত প্ৰাণী বুলিবলৈ মুঠেই চাৰিটি । পুতেক বোৱাৰীয়েক আৰু ল'ৰা ছোৱালী হাল । পুতেক বোৱাৰীয়েক দুয়ো আফিচলৈ ওলাই যায় । ল'ৰা ছোৱালী হালো স্কুললৈ যায় । ঘৰখনত বুঢ়ী অকলশৰীয়া হৈ পৰে । ইমান ডাঙৰ ঘৰখনত বুঢ়ী অকলে থাকিব নোৱাৰে । কোনোবা অপৰাধীৰ দৰে কাৰাগাৰত থকা যেনহে লাগে । আন এটা কথা হ'ল বুঢ়ীয়ে ইয়াত থাকিলে তামোল খাবলৈ নাপায় । ইয়াৰ মানুহবোৰে তামোলৰ সলনি চ্ফ, লং, ইলচি আদি জাতীয় বস্তুবোৰহে খায় । বুঢ়ীৰ এইবোৰ দেখিলেই মুৰ কামোৰণি ধৰে । সেয়েহে বুঢ়ী আকৌ গাঁৱৰ ঘৰলৈকে ঘুৰি আহিল ।

বুঢ়ীৰ কপালতেই দুখৰ আঁচোৰ মৰা আছে । পিছে বুঢ়ীৰ এই দুখ দুখীয়া নিচলাৰ দুখ নহয় । বুঢ়ীৰ দুখ হৈছে মনৰ । বুঢ়ীৰ কথা কোনেও নুশুনে । সেয়েহে বুঢ়ীয়ে মনে মনে কেতিয়াবা ঈশ্বৰক কাকুতি কৰে সোনকালে যেন এই পৃথিৱীৰ পৰা আতঁৰাই লৈ যায় ।

বুঢ়ীৰ আগৰ দিন নাই । বুঢ়ীক আগতে সকলোৱে মিলি বুলিহে মাতিছিল। গাঁৱৰ বিয়া সবাহ একোতে পিছ পৰা নাছিল । সকলোতে মিলি থাকিবই । আগৰ দিনৰ কথা মনত পৰিলে তাইৰ এতিয়াও মনটো উলাহত নাচি উঠে । মিলিয়ে গাঁৱৰে ৰংমনক ভাল পাইছিল । ৰংমনহঁতৰ ঘৰটো উত্তৰা-দক্ষিনাকৈ থকা গাঁওখনৰ একেবাৰে শেষত । গাওঁখনৰ ভিতৰতে সিহঁতৰ মাটি বাৰী সৰহ আছিল । খেতিৰ মাটিখিনিও বৰ দ আছিল । তাত গৰুৰে খেতি কৰা কষ্টকৰ আছিল । সেয়েহে ৰংমনহঁতে দুজন মানুহ ৰাখি মহেৰে খেতি কৰিছিল । ৰংমনহঁতৰ মাটিখিনি দ হোৱা বাবে মাছ পুঠিও সৰহকৈ আছিল । গাওঁখনৰ সৰহ ভাগ মানুহে সিহঁতৰ পথাৰতে পল, জুলুকী, জাকৈ বায়গৈ । গাৱঁৰ অন্য মানুহৰ লগতে মিলিও মাছ ধৰিবলৈ যায় । এদিনৰ কথা গাঁৱৰ জীয়ৰী, বোৱাৰী, বুঢ়ী এমখা লগ লাগি মাছ ধৰিবলৈ গ'ল । আহাৰ মাহ । সূৰ্য্যদেৱতাই যিমান পাৰে সিমান উষ্ণতাৰে জ্বলিছে পশ্চিম আকাশত । কিন্তু ৰহেঁদৈ সকলক ৰ'দে পুৰি মাৰিব পৰা নাই । কোনোৱো জাকৈ, কোনোৱে চালনী লৈ যুদ্ধক্ষেত্ৰলৈ যোৱা সৈন্য এদলৰ দৰে সকলো পানী ফালি আগবাঢ়িছে । যুদ্ধক্ষেত্ৰত যিদৰে সন্যসকলে এক মাত্ৰ সাৰথি বন্দুকটো লৈ যোৱাৰ দৰে সকলো ৰহেঁদৈৰে কঁকালত এটা খালৈ বান্ধি লৈছে । মাছ ধৰি থাকোতেই মিলিৰ বাওঁভৰিৰ কলাফুলত কিবাহে কামোৰাৰ দৰে অনুমান কৰিলে । ভৰিটোলৈ লক্ষ্য কৰি দেখিলে যে এটা জোকে মিলিৰ বগা কলাফুলত লিপিত খাই লাগি ধৰি তেজ পিবলৈ ধৰিছে । মিলিয়ে জোকলৈ এনেয়ে ভয় কৰে । জোকৰ ভয়তে মাছ ধৰিবলৈ নাযাওঁ নাযাওঁ লাগে কিন্তু মাছ ধৰাৰ চখ এৰিব নোৱাৰিহে মাছ ধৰিবলৈ যায় । পানীৰ সাপে খেদি অনাৰ দৰে মিলিয়ে চিঁঞৰি চিঞৰি দৌৰীবলৈ ধৰিলে । লগৰ দুজনী মানে মিলিৰ অৱস্থা দেখি মিচিকিয়াই হাঁহিলে । ৰংমনে ওচৰতে আলি দি আছিল । জংঘলত বাঘে হৰিণ ধৰাৰ দৰে ৰংমনেও মিলিক থাপ মাৰি ধৰিলেগৈ । ৰংমনে নিজ হাতেৰে মিলিৰ ভৰিৰ জোক এৰোৱাই দিলে । মিলিৰ চিঁঞৰ বন্ধ হ'ল । কিন্তু মাছ ধৰাৰ হ'লে নহল । সেই দিনাৰ ঘটনাৰ পৰা সকলোৱে মিলিক ৰং মিলি, ৰং-মিলি বুলি জোকাবলৈ ধৰিলে । মিলিয়ে কিন্তু জোকোৱাসকলক খং কৰা নাছিল । মাথোঁ মিচিকিয়াই উত্তৰ দিছিল । ৰংমনহঁতৰ ঘৰখনত বোৱাৰী হৈ সোমোৱা পিছদিনাই ৰজাই পুত্ৰক ৰাজ্য গতাই দিয়াৰ দৰে শাহুৱেকে মিলিৰ হাতত ঘৰখন গতাই দিছিল । মিলিয়েও হেলাৰঙে ঘৰখন আকোঁৱালি লৈছিল । শাহুৱেকে যি কৈছিল তাক আখৰে আখৰে পালন কৰিছিল । শাহুৱেকৰ মতৰ বিৰুদ্ধে কোনো দিনাই মাত মতা নাছিল ।

সময় বৰ নিষ্ঠুৰ। সময়ে সকলোকে সলনি কৰি পেলায়। লাহে লাহে মিলি তিনিটা ল'ৰা ছোৱালীৰ মাক হ'লহি । শাহুৱেকে এটা নাতি দেখাৰ পিছতেই যমৰ ঘৰৰ আলহী হ'ল । তিনিটা ল'ৰা ছোৱালী সৰুৰ পৰা ডাঙৰ কৰালৈকে মিলিৰ অনেক কষ্ট হৈছিল । এই যে লৰা ছোৱালী প্ৰতিপালন কৰাটো কিমান কষ্টকৰ সেয়া ভুক্তভোগীয়েহে বুজে । সেয়েহে এতিয়া বুঢ়ীয়ে পুতেক বোৱাৰীয়েকৰ টান কথা শুনিলে অন্তৰত বৰ আঘাত পায় । নিজৰ ল'ৰাই খাবৰ বাবে ইমান কষ্ট ত্যাগ কৰিলে, অথচ এতিয়া নিজেই ল'ৰাৰ ওচৰত এলাগী হৈ পৰিল । বুঢ়ীৰ দুচকুয়েদি দুধাৰি লোতক বৈ আহিল । নাখায় আজি ভাত । গালি খাইয়ে পেট ভৰিলে তেওঁৰ । টিপ চাকিটো ফু মাৰি নুমুৱাই বুঢ়ীয়ে আকৌ শুবলৈ চেষ্টা কৰিলে ।

লেখক উঃ মাঃ ২য় বাৰ্ষিক (কলা বিভাগৰ ছাত্ৰ)

# এক মিনিটৰ মহিমা

নন্দ কুমাৰ বৰা

অনন্ত কাল প্ৰবাহৰ তুলনাত এক মিনিটৰ মূল্য কিমান ? কিন্তু মানুহৰ জীৱনত এই এক মিনিটৰ মূল্য কোনোগুনে কম নহয় । ধৰি লওঁক এজন নিৰনুৱা যুৱকে আত্ম সংস্থাপনৰ কোনো পথ নাপাই হতাশ হৈ আত্মহত্যা কৰিলে । তাৰ ঠিক এক মিনিটৰ পাচতেই ডাকযোগে আহিল তেওঁৰ চাকৰিৰ নিয়োগ পত্ৰ । যুৱকজনে যদি আৰু এক মিনিট সময় অপেক্ষা কৰে, তেন্তে কেৱল তেওঁৰেই নহয়, বাচি যায় এটি পৰিয়াল ।

অদ্ভুত মহিমা এই এক মিনিটৰ । যদি কোনো ভূক্তভোগী মানুহক প্ৰশ্ন কৰা হয় যে আটাইতকৈ স্থিতিস্থাপক সময় কি ? তেনেহ'লে উত্তৰ হব পাৰে এক মিনিট । এটি উদাহৰণ দিলেই উত্তৰটো সহজ হৈ পৰিব । ট্ৰেইনত বা বাছত উঠি যদি খবৰ কাগজ এখন হাতত তুলি লয় তেন্তে লগে লগে আপোনাক কোনোৱাই কবই.................... এক মিনিট চাই দিছোঁ । আৰু এই এক মিনিট মানে ভদ্ৰলোকে খৰচি মাৰি পঢ়ি শেষ নোহোৱালৈকে আপুনি ৰৈ থাকক ।

গুৱাহাটী ৰেল ষ্টেচনৰ এটি ব্যক্তিগত অভিজ্ঞতাৰ কথা কৈছোঁ । দাদা এজন দিল্লীলৈ যাব । ৰিজাৰভেচনৰ বাবে দীঘল শাৰী পাতি অপেক্ষা কৰিছোঁ । হঠাৎ এগৰাকী ভদ্ৰ মহিলাই মোৰ পিনে আগবাঢ়ি আহিল আৰু কলে - এক মিনিটৰ বাবে আপোনাৰ কলমটো দিব নেকি ? মইয়ো সবিনয়ে মোৰ কলমটো তেওঁলৈ আগবঢ়াই দিলো । এক মিনিটৰ ঠাইত দহ মিনিটমান সময় পাৰ হৈ গ'ল । কলমটোৰে তেওঁ ব্যস্তভাবে তেতিয়াওঁ কিবা লিখি আছিল । মোৰ যেতিয়া ট্ৰেইনৰ টিকট লোৱা হ'ল তেতিয়া প্ৰায় আধা ঘন্টা সময় পাৰ হৈ গৈছিল । মই যেতিয়া কলমটো তেওঁৰ পৰা ওভতাই আনিবলৈ গলো তেওঁ অতি সবিনয়ে কলে, দয়া কৰি আৰু এক মিনিট ৰ'ব নেকি ?

এতিয়া নিশ্চয় বুজিব পাৰিছে এক মিনিট কিমান স্থিতিস্থাপক সময় ।

যিকোনো মানুহৰ যিকোনো বস্তু আনি ঘন্টাৰ পিচত ঘন্টা কাম কৰিব পাৰি । সময় অনুযায়ী সেই বস্তুৰ মালিকো হব পাৰি । কেৱল বস্তুবিধ প্ৰকৃত মালিকৰ পৰা অনাৰ সময়ত কলেই হ'ল এক মিনিট পিচত দি আছে ।"

ডাঙৰ সকলটো ডাঙৰেই, সৰু সকলেও এক মিনিটৰ মহিমা ভালদৰে বুজে । আপুনি আপোনাৰ সৰু লৰাটোক খেলিবলৈ যাবলৈ মানা কৰিছে । তেওঁ আপোনাক হাঁহি উত্তৰ দিব 'মাত্ৰ এক মিনিটতে উভতি আহিম ।' পিচত লাগিলে সেই এক মিনিট এটা বেলাত পৰিণত নহওঁক কিয় ।

এক মিনিট অপেক্ষা কৰিবলৈ কোৱা বিষয়টোত নিশ্চয় সকলোৰে জ্ঞাত । আমনিদায়ক কোনো মানুহৰ লগত বজাৰলৈ গলে তেওঁক (আমনিদায়কজনক) ক'ৰবাত বহুৱাই থৈ আপুনি কওঁক আপুনি এক মিনিট ইয়াতে বহক, মই এতিয়াই আহিছোঁ । আপুনি বজাৰ সমাৰ কৰি লাহে ধীৰে তেওঁৰ ওচৰলৈ যাওঁক, কোনো কথা নাই ।

আপুনি স্বীকাৰ কৰক বা নকৰক, এই এক মিনিটৰ বিশেষ কেৰামতি আছে । কেতিয়াবা অফিচৰ পৰা দেৰিকৈ ঘৰলৈ উভতি আহিছে । পতিব্ৰতা স্ত্ৰী উদ্বিগ্না হৈ আছে । তেনেতে আপুনি কলিং বেল বজালে । দুৱাৰ খুলি দেখিয়েই পত্নীয়ে আপোনাক সুধিলে দেৰি হোৱাৰ কাৰণ । বহু আপুনি অলপ উচ্চ স্বৰত উত্তৰ দিয়ক, উভতি আহোঁতে এক মিনিট দেৰি হলেই যেনিবা, তুমি অহাৰ লগে লগে পুলিচৰ দৰে জেৰা কৰিব লাগেনে ? বিয়া হ'ল বুলি কি মই এক মিনিটো মোৰ কামত কটাব নোৱাৰোঁনে ? আৰু চাওঁক আপোনাৰ পত্নীৰ মুখ বন্ধ ।

আপোনাৰ প্ৰতিবেশী সকলো এই এক মিনিটৰ সুবিধা লোৱাত পিচ পৰি থকা নাই চাগৈ । অনুগ্ৰহ কৰি এক মিনিটৰ বাবে আপোনাৰ চাইকেলখন দিব নেকি ? বজাৰৰ পৰা পটকৈ উভতি আহিম । কিন্তু এই এক মিনিট কিমান দীঘল সেই বিষয়ে হয়তো আপুনিও পুৰ্বানুমান কৰিব নোৱাৰে ।

আপুনিও হয়তো কোনো প্ৰতিবেশীৰ ওচৰলৈ গৈ কৈছে এক মিনিটৰ বাবে এটা ফোন কৰিম লোকেল কল । পাচত হয়তো আপুনি ফোনত কথা পতা দেখি ফোনৰ গৰাকীয়ে মনে মনে ছট্‌ফটাই আছে, কিন্তু তাতে আপোনাৰ কি আহে যায় । তেওঁতো মুখত কষ্ট কৰি হলেও হাঁহি বিৰিঙাই আছে ।


এতিয়াও আপুনিও প্ৰস্তুত হওঁক । এক মিনিটৰ মহিমা বুলি ইয়াৰ সুবিধা লবলৈ । সকলোৱেই যেতিয়া এক মিনিটৰ সুবিধা লৈ আছে আপুনিয়েই বা এই সুবিধা গ্ৰহণ নকৰিব কিয় ? এই এক মিনিট সময় খুবেই লাভজনক । এক মিনিটৰ বিষয়ে আপোনাক কবলৈ যোৱাত এক মিনিট সময় খৰচ হ'ল । তেনেহলে চাগে আপোনাৰ এক মিনিট দেৰিয়ে হ'ল ।

লেখক ঃ স্নাতক দ্বিতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰ ।

## নৈশ

# প্ৰহৰী

লোহিত গগৈ



কলেজৰ পৰা ওলাই আহি গেট পাইছোহিহে মাত্ৰ দেখিলো অনিল মোৰ ফালে আহি আছে । বহু দিনৰ মূৰত লগ পাই মনত ভাল লাগি গ'ল । অনিল মোৰ সহপাঠী । ধনী ঘৰৰ ল'ৰা, দেখাত সুন্দৰ, স্বাস্থ্য পাতি, কথা বতৰাই একেবাৰে চকুত লগা । সি আহি মোৰ ওচৰ পালেহি ।

ঃ ঐ, কেনে আছা ? বহুদিন দেখা নাই - তাৰ পোনপটীয়া প্ৰশ্ন ।

ঃ ধৰি লোৱা ভালেই বুলি - মোৰ উত্তৰ ।

সি কলেজলৈ নগৈ মোৰ লগত গেটৰ সন্মুখতে বহু কথা পাতিলে । যোৱা মাহৰ ৭ তাৰিখে পৰীক্ষা শেষ হ'ল । কিবা জাননী দিছে নেকি বুলিয়েই কলেজলৈ আহিছিলোঁ । ৰিজাল্টৰ কোনো খবৰেই নাই । কথাৰ মাজতে সি মোক শিৱসাগৰলৈ ফুৰিবলৈ যোৱাৰ কথা কলে । শিৱসাগৰত তাৰ এজনী মাহীয়েক আছে । তাৰ কিবা ব্যক্তিগত কামো আছে । বহুদিন কলৈকো ফুৰিবলৈ যোৱা নাই । ঘৰত বিশেষ কাম নাই আৰু কলেজো বন্ধ। ঘৰত এনেয়ে আছো, হলেও ঘৰত বা কি কয় - মনতে ভাবিলো । তাক কোনো উত্তৰ নিদি মাত্ৰ যোৱা যদি হয় তেনেহলে খবৰ দিম বুলি কৈ পঠালো । সি মোৰ পৰা বিদায় লৈ কলেজৰ ফালে গুচি গ'ল ।

ইতিমধ্যে যোৱাৰ দিন ঠিক হ'ল । আমি দুয়ো যাত্ৰা কৰিলো শিৱসাগৰলৈ বুলি । মাহীদেউৰ ঘৰলৈ যোৱাৰ কথা, মাহীদেউ বা কেনেকুৱা (!) নিজকে অলপ সংযত কৰি ললো । যথাসময়ত মাহীৰ ঘৰত উপস্থিত হ'লো । বাহিৰত গেট খোলাৰ শব্দ শুনি পাই এজন মানুহ ওলাই আহিল । মানুহজনে আমাক ভিতৰলৈ মাতি নিলে । আমি দুয়ো ভিতৰলৈ সোমাই গলো আৰু চকীত বহিলোঁ । মানুহ জনৰ পৰা জানিব পাৰিলো যে মাহীদেউ ঘৰত নাই । কৰবাত বোলে মিটিং আছে তালৈ গৈছে । এই মানুহ জন সিহঁতৰ ঘৰৰ কাম কৰা লগুৱা । মাহীদেউ আৰু মহাদেউৰ এজন ল'ৰা আৰু এজনী ছোৱালীৰ সৈতে এটা সুখী পৰিয়াল । ল'ৰাটো বাহিৰত থাকি পঢ়ে । ছোৱালীজনী ওচৰৰ এখন ইংৰাজী স্কুলত পঢ়ে । তাই এতিয়া সপ্তম মানৰ । মহাদেউ চাকৰিৰ খাতিৰত বাহিৰত থাকে । বাহিৰত মানে সীমান্তত । কেতিয়াবা ঘৰলৈ আহে । ঘৰত বন

কৰা আৰু এজনী মানুহ আছে, তাই ঘৰৰ সকলো কাম কৰে ।

আমি বহা ঠিক এক ঘন্টামান সময়ৰ পাছতে মাহীদেউ আহি পালেহি । মাহীদেউক দেখাৰ লগে লগে মই তেওঁক কৰবাত দেখা যেন লাগিল । মনত পৰিল এবাৰ মই ডিব্রুগড়লৈ যাওঁতে এখন মিটিঙত ভাষণ দি থকা দেখা পাইছিলো । মহিলাৰ উন্নতি, মহিলাৰ অধিকাৰ, মহিলাৰ ওপৰত কৰা নির্যাতন, ধনী দুখীয়াৰ প্রভেদ আদিৰ বিষয়ে কোৱা কথাকেইষাৰ মোৰ আজিও মনত আছে ।

ঃ অনিল ইমান দিনৰ মূৰত আহিলা, ঘৰত সকলোৰে ভালনে ? মাহীদেউৰ কথাতহে বাস্তৱলৈ ঘূৰি আহিলো ।

ঃ এনেয়ে আৰু আহিবলৈকে সময় নাপাওঁ - অনিলে কলে । অনিল হতঁৰ ঘৰৰ খবৰ বাতৰি লৈ মাহীদেউ মোৰ লগত চিনাকী হল । মই মোৰ পৰিচয়টো দিলো । কথাৰ মাজতে বন কৰা মানুহ জনীয়ে চাহ খাবলৈ ভিতৰলৈ আহক বুলি কৈ গ'লহি ।

মাহীদেউ শিৱসাগৰ জিলাৰ মহিলা সমিতিৰ সভানেত্রী । সুন্দৰ আৰু সুৱলা কথাৰে সকলোৰে মন মুহিব পাৰে । হয়তো সভানেত্রীৰ সেয়াও এটা বৈশিষ্ট্য । চাহ খোৱা শেষ হলত আকৌ মাহীদেউৰ লগত বহু কথা পাতিলো । একমাত্র ছোৱালী জুৰি সেই সময়তে স্কুলৰ পৰা আহি পালেহি । দেখাত মাকৰ দৰে একে আৰু কথা কোৱাত মাকত কৈয়ো বেছি যেন লাগে । মাকৰ সকলো লক্ষণ আৰু স্বভাৱ কঢ়িয়াই আনিছে । মোৰ লগত চিনাকী হবলৈ তাইৰ বেছি সময় নালাগিল ।

গধুলি ৭-৩০ বাজিল । অনিল আৰু মই আলোচনী মেলি সময়বোৰ পাৰ কৰিব ললো । ইফালে জুৰি টিউচনৰ ক্লাছত বহিছে । পঢ়া-শুনাত যাতে অসুবিধা নহয় তালৈ লক্ষ্য ৰাখি আমি দুয়ো আছুতীয়া কৈ এটা কোঠাত পৰি থাকিলো । মাহীদেউ কৰবালৈ যাবলৈ ওলাল । ইমান গধূলি কলৈ যাব মনতে ভাব হ'ল । অনিলে সুধিলত কলে "পাটি" আছে, গতিকে আমি একো নকৈ মনে মনে পৰি থাকিলো । লগুৱা জনে গেট খুলি দিলে আৰু মাহীদেউ গাড়ী লৈ ওলাই গ'ল ।

সময় তেতিয়া দহ মান হ'ল । আমি দুয়ো পার্টিলৈ বুলি সাজু হ'লো । মাহীদেউৰ ঘৰৰ পৰা টাউনলৈ এক দুই কিলোমিটাৰ মান হ'ব । টাউনৰ কোনোৱা এখন হোটেলত পার্টি আছে বুলি লগুৱাজনৰ পৰা ইতিমধ্যে জানিব পাৰিছিলো । দুয়ো চাইকেলেৰে বিচাৰি বিচাৰি পার্টিত উপস্থিত হ'লোগৈ । দেখিলোঁ ধূনীয়াকৈ সজাই থোৱা হোটেল খনৰ এটা কমত নাছ গান চলি আছে । কোনোবা এটা কমত খোৱা বোৱা চলি আছে । যাতে মাহীদেউৰ চকুত ধৰা নপৰো তালৈ লক্ষ্য ৰাখি বেচ্ তৎপৰতাৰে নাচ-গান চাবলৈ আগবাঢ়িলো ।

কমটোত সোমাই দেখিলো ক্ষীন পোহৰেৰে দুটা মান ডীম লাইট জ্বলি আছে । মানুহবোৰে গানৰ তালে তালে হাতত ধৰা ধৰিকৈ নাচি আছে । চিনেমাত দেখুওৱা একেবাৰে পশ্চিমীয়া সংস্কৃতি । এনেতে দেখিলো মাহীদেৱেও এজন মানুহৰ হাতত ধৰি একান্ত মনে নাচিবলৈ ধৰিছে । তাইক দেখাৰ লগে লগে মোৰ মনত নানা প্রশ্নই আগুৰি ধৰিলে । সভানেত্রী মাহীদেউ আজি নৈশ পার্টিত......................... । নাৰীৰ উন্নতি আৰু নিৰাপত্তা বিছৰা মাহীদেউৰ এয়ে নেকি দায়বদ্ধতা (?) সঁচাকৈয়ে তেওঁ সমাজৰ উন্নতি বিচাৰিছে ? এই অসংখ্য প্রশ্নৰ উত্তৰ মই বিচাৰি নাপালোঁ । অনুভৱ হ'ল যেন ৰঙা পোহৰৰ লাইট কেইটাও নুমাই গৈছে । চকুৰে একো নেদেখা যেন লাগিল । চাৰিও ফালে আন্ধাৰ । কেৱল আন্ধাৰ । মহাদেউ আজি দেশৰ সীমাৰ প্রহৰী আৰু.................. আৰু................ মাহীদেউ নৈশ পার্টিৰ নৈশ প্রহৰী ।।

লেখক ঃ স্নাতক দ্বিতীয় বর্ষ দর্শন বিভাগৰ ছাত্র ।

# জীৱন সংগ্ৰাম

অমিয় কুমাৰ সোনোৱাল

চৌধুৰী ছাৰৰ ক্লাছটো শেষ হ'ল । চৌধুৰী ছাৰৰ ক্লাচবোৰ কৰি বৰ ভাল লাগে । আজি চৌধুৰী ছাৰে পৰীক্ষাত আহিবলগা প্ৰশ্নসমূহৰ ওপৰত আলোচনা কৰিছিল । দিপীকা, পৱিত্ৰ আৰু অতুল ক্লাছত আছিল । চৌধুৰী ছাৰে সঁচাকৈ বৰ বন্ধুসুলভ ব্যৱহাৰ কৰিছিল । তেওঁৰ ব্যৱহাৰ আমাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাল পায় । পৰাগে ক্লাছ শেষ হোৱাৰ লগে লগে অন্যান্য সকলৰ লগতে কলেজৰ সম্মুখতে থকা আমগছ কেইজোপাৰ তলতে বহিলেগৈ । ঠাইডোখৰ সচাঁকৈ বৰ নিৰিবিলি । সিহঁতৰ কলেজখন পাহাৰৰ ওপৰত । ফাগুন মাহ । মলয়া বতাহ জাক আহি সিহঁতক বৰকৈ আমনি কৰিছে । সেই বতাহৰ বোকাচাত কত যে চিন্তা উৰি আহি পৰাগৰ মনত খেলি মেলি লগাইছে । ইয়াৰ পিছৰ ক্লাছটো অফ । তাৰ পিছতে অসমীয়া ক্লাছ । অসমীয়া ক্লাছৰ আজি শইকীয়া ছাৰ নাই । গতিকে সি গছৰ তলতে পকা এডোখৰতে বহি পৰিলো । গাৰ্লচ কমন ৰূমৰ পৰা ছোৱালী বোৰৰ হাঁহিৰোৰ ভাঁহি আহিছে । কলেজৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকল আহিছে গৈছে । গাড়ী মটৰ চাইকেল ইত্যাদিৰ শব্দবোৰৰ বিৰাট চিএৰবোৰে বাৰে বাৰে আমনি কৰিছে । তাৰ মনলৈ বিভিন্ন ধৰণৰ চিন্তা আহিছে । ওচৰতে পবিত্ৰ, অতুলহঁতে বিভিন্ন ধৰণৰ কথা পতাত ব্যস্ত ।

পৰাগ বড়া, বি. এ. ছাত্ৰ । ৰাজনীতি বিজ্ঞান তাৰ সম্মানৰ বিষয় । এপিল মাহত ফাইনেল পৰীক্ষা হ'ব । পঢ়া শুনা ভালকৈ কৰিছে । কলেজৰ পৰা বহু নিলগৰ বোকাপথাৰ গাৱঁত সিহঁতৰ ঘৰ । ঘৰখনৰ একমাত্ৰ ল'ৰা । বায়েক আছিল, যোৱা মাহত বিয়া দিলে । জেঙামৰা এতিয়াও আছে । দেউতাক নাই । আঠ বছৰ মান আগতে দেউতাকৰ মৃত্যু হৈছিল । গাওঁখনত এবাৰ মেলেৰিয়াই মহামাৰী ৰূপ ধাৰণ কৰিছিল আৰু সেই বেমাৰতে তাৰ দেউতাকৰ মৃত্যু হৈছিল । চিকিৎসাৰ কাৰণে চহৰলৈ নিওঁতে বহুত টকা ভাঙিল । ১০ বিঘা মাটি তাৰে ৫ বিঘা মাটি বন্ধকত গ'ল দেউতাকৰ লেঠাত । সেইখিনি মাটি আজিও মোকলাব পৰা নাই । এতিয়া ৫ বিঘা মাটিতে খেতি কৰি বছৰটোৰ ভাত জোৰাই খায় । মাজে মাজে চাউলকে বেছি তেল নিমখ গোটাই খায় । পৰাগৰ কলেজৰ প্ৰয়োজনীয় খৰচপাতি আছেই । দেওবাৰে পৰাগে বজাৰত হাঁহ, কুকুৰা, কল বেছি যি টকা পায় সেই টকাৰে নিজৰ খৰচ পাতি উলিয়ায় । মাকে পৰাগক মাজে মাজে কয়, "এই পঢ়া শুনা কৰিলেই নহয় বহুখিনি কৰিলি চাকৰি বাকৰি বিছাৰ খোছাৰ কৰ । ৰাইজনীৰ জেঙামৰা বিয়াখন পাতিব লাগে । আজিকালি দেখিছই নহয় ভালকৈ দিব নোৱাৰিলে, খোৱাৰ নোৱাৰিলে মানুহবোৰে হাঁহিব"।

এৰা চাকৰি, চাকৰি এটাৰ প্ৰয়োজন নিশ্চয় হৈছে । বৰ্তমান প্ৰতিযোগিতামূলক যুগ । প্ৰতিযোগিতাত সমানে ফেৰ মাৰিব পাৰিব লাগিব । জীৱনটো অতিবাহিত কৰিবলৈ চাকৰি এটাৰো প্ৰয়োজন আজিৰ যুগত নিশ্চয় আছে । পাছে চাকৰি জানো এনেই পৰি থকা বস্তু ? সি বহুত ইন্টাৰভিউ দিছে, অফিচে অফিচে চাকৰি সন্ধান কৰিছে । নাই টকা পইছা নহলে চাকৰি পোৱা অসম্ভৱ । টেবুলৰ তলেদি ৪০-৫০ হেজাৰ আগবঢ়াই দিব পাৰিলেহে চাকৰি । বেজাৰ মনেৰে সি মাকক কৈছিল, আই চাকৰি এনেয়ে পৰি থকা বস্তু নহয় আমাৰ জানো ভেটি দিবলৈ টকা আছে ? টকা পইছা দিব নোৱাৰিলে চাকৰি পোৱা একেবাৰে অসম্ভৱ ।

সময়ৰ প্ৰতিশোধ কোনে বাধা দিব
জগতত অকলশৰীয়া
যাওঁক উটি যেনি তেনি সোঁতৰ লগত
মেলি দিয়া নাও নাৱৰীয়া

বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰাই লিখা কবিতাফাঁকি তাৰ মনলৈ আহিছিল । সচাঁকৈ জানো সময়ৰ প্ৰতিশোধক বাধা কোনোবাই দিব পাৰে । সি আজি অকলশৰীয়া, সংসাৰ সাগৰত তাৰ নৌকা মেলি দিছে । কোনে কব পাৰে তাৰ নৌকা কলৈ গুছি যায় ।

পঢ়াত বৰ বেছি ভাল নহলেও বেয়া নহয় । সাহিত্য চৰ্চাও কৰিছিল । কবিতা, প্ৰবন্ধ লিখা মেলা কৰিছিল । এইবোৰ বিভিন্ন ধৰণৰ আলোচনীত প্ৰকাশ হৈছিল । ফুটবল খেলৰ ভাল খেলুৱৈ পৰাগ । কলেজত যোৱা চাৰি বছৰে শ্ৰেষ্ঠ ফুটবল খেলুৱৈৰ সন্মান লাভ কৰিছে । কলেজৰ সভাই সমিতিয়ে সি ৰসাল বক্তব্য আগবঢ়ায় । বিদায় সভা আদৰণী সভাবোৰত প্ৰিঞ্চিপালে প্ৰথমে তাকে বক্তব্য আগবঢ়াবলৈ কয় । তাৰ বক্তব্য শুনি বহুতো শিক্ষকে তাৰ প্ৰশংসা কৰে ।

নিশা সোনোৱাল । সিহঁতৰ অঞ্চলৰে কঠালগুৰি গাৱঁৰ ছোৱালী । আগৰে পৰা তাইক পৰাগে চিনি নাপায় । একেখন কলেজতে পঢ়ে । হায়াৰ ছেকেণ্ডৰী দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী । যোৱা বছৰ প্ৰথম কলেজলৈ আহোঁতে তাৰ সৈতে চিনাকী ।

"পৰাগ দা মোক অকনমান সহায় কৰিবনে ?" হঠাৎ এগৰাকী অচিনাকী ছোৱালীৰ মাতত সি আচৰিত হৈছিল । লাজে সংকোচে কৈছিল-

"নিশ্চয় কোৱা, কি সহায় কৰিব লাগে" ।

"মই ২০ নম্বৰ ৰূমটো বিচাৰি পোৱা নাই । দেখুৱাই দিবনে ?"

নিশাক লৈ পৰাগে ২০ নম্বৰ ৰূমটো দেখুৱাই দিছিল । তাৰ পিছত সি নিশাক সুধিছিল -"তোমাৰ নাম" ? মোক পৰাগ বুলি কেনেকৈ জানিলা ? মইতো তোমাক আগতে লগ নাই ।

ঃ কিয় আপুনি মোক চিনি নাপায় জানো ? মোৰ নাম নিশা, নিশা সোনোৱাল । ঘৰ আপোনালোকৰ অঞ্চলৰ কঠালগুৰি গাওঁত ।

পৰাগে ধন্যবাদ জনাই সেইদিনা তাইৰ ওচৰৰ পৰা বিদায় লৈছিল । সিহঁতৰ মাজত ক্ৰমান্বয়ে নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল, আৰু এই সম্পৰ্কই এদিন প্ৰেমত পৰিণত হৈছিল । পৰাগে এদিন কাৰোবাৰ অট গ্ৰাফত লিখা মনত আছে "Love is a spontenious feeling of heart." প্ৰেম হৃদয়ৰ গভীৰ কোনৰ পৰা নিগৰি অহা স্বতঃস্ফূৰ্ত অনুভূতি ।

পৰাগে অনুভৱ কৰা নাছিল প্ৰেমৰ অনুভূতি । নিশাৰ লগত চিনাকী হোৱাৰ পিছৰে পৰা তাইৰ প্ৰতি কিবা এটা দুৰ্বলতা আছিল । সি ভাল নাপাই উৎশৃংখল যুৱ মানসিকতাক । যুৱ উৎশৃংখলতাৰ জলন্ত নিদৰ্শন চকুৰ আগতে পাইছে । তাতকৈ বয়সত কম যুৱক সকলে ৰাষ্টাৰ কাষেৰে পাৰ হৈ যোৱা ছোৱালীবোৰক জোকোৱা সি দেখিছে । চিঠি পত্ৰ দিয়া, কলেজৰ নিৰিবিলি পৰিবেশত যোৰ পাতি প্ৰেমালাপ কৰা সি দেখিছে, সিহঁতৰ কলেজৰ ছোৱালী হোষ্টেলৰ কাষেদি অহা যোৱা কৰোতে হোষ্টেলৰ ছোৱালী বোৰে তাক জোকাইছে ? সি এইবোৰ একেবাৰে ভাল নাপায় । বিহু ফাংচনৰ, সাংস্কৃতিক সন্ধিয়াত নিচাত মতলীয়া হৈ নাচি থকা যুৱক সকলক দেখিছে । বিজুলী ব্যাহত হৈ লাইট নুমাই গলেই লৰাবোৰে কৰা চিঞৰ বাখৰ সি শুনিছে, সি এইবোৰ অকনমাণো ভাল নাপায় । যুৱ মানসিকতাৰ নৈতিক চৰিত্ৰৰ অধঃ পতন চুড়ান্ত নিদৰ্শন দেখি থুৱাই দিব মন যায় । অৱশ্যে দোষ অকল সিহঁতৰেই নহয় আমাৰ সমগ্ৰ সামাজিক পৰিবেশটোৱেই এনেকুৱা ।

তাৰ জীৱনটো সঁচাকৈ বৰ দুখৰ । তেল নিমখৰ পৰা আৰম্ভ কৰি নিজৰ পঢ়া শুনাৰ সকলো সমস্যাৰ সমাধান সি কৰিব লাগে । বিভিন্নজনৰ ওচৰত আবেদন নিবেদন কৰি পোৱা টকা পইচাৰে সি কলেজৰ ফিজ দিয়ে । সিহঁতৰ গাওঁখন অতি পিচপৰা । গাড়ী-ঘোৰাৰ ব্যৱস্থা নাই, হাট-বজাৰ নাই । চহৰলৈ আহিবলৈ এঘন্টা সময় খোজ কাঢ়িব লগা হয় আৰু তাৰ পিছত গাড়ী পোৱা যায় । সিহঁতৰ গাওঁখনৰ পৰিস্থিতি ভাল নহয় । হাবিতলীয়া হোৱাৰ কাৰণে উগ্ৰপন্থীৰ (?) আহ যাহ বেছি । ইফালে পুলিচ মেলেটেৰিয়ে পিয়াপি দি ঘুৰি ফুৰে । সিহঁতৰ গাওঁখনত কেইবাৰো উগ্ৰপন্থীৰ লগত গুলিয়া গুলি ঘটনা সংগঠিত হৈছে । তাৰ পিছত ল'ৰা-বুঢ়া সকলোকে এমূৰৰ পৰা মাৰ-পিট আৰম্ভ কৰি দিয়ে । মতা মানুহ পালেই আৰু বিপদ । কত জনক ধৰি নি জেলত ভৰাইছে । মাৰপিট কৰি এৰি দিয়ে । কোনোও হাত সাৰিব নোৱাৰে । সিহঁতৰ গাৱঁৰে সোণমাই, প্ৰমিলা সেনা বাহিনীৰ ধৰ্ষণৰ বলি হৈছে । সন্ধিয়া হৈ অহাৰ লগে লগে গাৱঁৰ ডেকা ল'ৰাবোৰে ঘৰ এৰি অৰণ্যত আশ্ৰয় লয়গৈ । বাঘ, ভালুকৰ ভয় নাই । সিহঁত যেন আপোন । সেয়েহে সিহঁতক আশ্ৰয় দিয়ে । ভয় মাথোন মানুহৰ বাবে । ৰাতিপুৱা গাওঁৰ পৰা সংকেত পালেহে ঘৰলৈ উভতি আহে । মুঠৰ ওপৰত সিহঁতৰ গাওঁখন এক অনিশ্চিত জীৱন এটা লৈ

জীয়াই আছে । তাৰেই এজন যুৱক হ'ল পৰাগ । অৰণ্যত যেতিয়া ৰাতি বৰষুণ হয় সেইদিনা আৰু শোৱা নহয় । ওৰে ৰাতি উজাগৰে কটাব লাগে । সেই উজাগৰী ৰাতিবোৰ পৰাগে নিশাৰ কথাৰ ভাবি পাৰ কৰাই দিয়ে ।

নিশাই পৰাগক বহুদিনৰ পৰাই সিহঁতৰ ঘৰলৈ মাতি আছে । কিন্তু সি যোৱা নাই । বহাগ বিহুত সি এদিন নিশা হতঁৰ ঘৰলৈ গৈছিল । পৰাগৰ উপস্থিতিত সেইদিনা নিশাই বৰ আনন্দ পালে । ঘৰৰ সকলোৰে লগত চিনাকী কৰাই দিলে । মাক - দেউতাক, ভনীয়েক আৰু ভায়েক । সুখী পৰিয়াল । খেতি - পথাৰ কৰাৰ লগতে দেউতাকে বাগান এখনত চাকৰি কৰে । ঘৰৰ অৱস্থা ভাল । নিশাৰ মাক - দেউতাকৰ লগত বহু কথাই আলোচনা কৰিলে । চাহ জলপান খোৱাৰ পিছত মাকে নিশাক কৈছিল " নিশা, দাদাক মমীহতঁৰ ঘৰত ফুৰাই আনাগৈ" । নিশা আৰু পৰাগ গাওঁখনৰ সিমূৰে থকা মমী হঁতৰ ঘৰলৈ ফুৰিবলৈ গ'ল । কথা বতৰা পাতি সিহঁত আগবাঢ়িল -

ঃ পৰাগ দা, কথা এটা ভাবিঁছো ।

ঃ কি কথা, কোৱা নিশা ?

ঃ ভাবিছো পৰাগ দা, ওৰেটো জীৱন মই আপোনাৰ লগত কটাম।

ঃ কি কৈছা, মই বুজি পোৱা নাই ।

ঃ মানে পৰাগ দা মই আপোনাক ইতিমধ্যে ভাল পাই পেলাইছো। আপোনাৰ অবিহনে হয়তো মোৰ জীৱনটো সুখী নহব । আপুনি মোক ভাল পায়নে ?

ঃ নিশা তোমাক মই প্ৰথম দেখাতেই ভাল পাই পেলাইছো, কিন্তু বহু কথা চিন্তাকৰি তোমাক কোৱা নাছিলোঁ । কিন্তু......................


ঃ পৰাগ দা তাত কোনো কিন্তু নাই

ঃ চোৱা নিশা, মই একেবাৰে ছাল- ছিগা ভিকহু, তোমালোকৰ দৰে সম্ভ্ৰান্ত ঘৰৰ নহয় । তুমি পাৰিবা জানো থাকিব আমাৰ ভিতৰৰ পৰাই তৰা দেখি পোৱা ঘৰটোত ? দেউতাই মায়ে জানো তোমাৰ মোৰ সম্পৰ্ক সহজে গ্ৰহণ কৰিব পাৰিব ?

ঃ চাওঁক পৰাগ দা প্ৰেম হৃদয়ৰ অনুভূতি ই চিৰসত্য । হৃদয়ে হৃদয়ত স্থান লবলৈ জানো টকা পইচাৰ প্ৰয়োজন হয় ? আপোনক মই ভাল পোৱাৰ কথা ইতিমধ্যে পাপা মাক কৈছো আৰু তেওঁলোকে সমৰ্থন দিছে । কথা বতৰা হৈ মমীহতঁৰ ঘৰৰ পৰা সোনকালেই ঘূৰি আহিলো । পৰাগে সেইদিনা নিশা হতঁৰ ঘৰত ভাত পানী খাই বিদায় লৈ ঘৰলৈ উলটি আহিল । আহিবৰ পৰত নিশাই এখন পকোৱা সূতাৰ ফুলাম গামোছা উপহাৰ দিছিল । পৰাগেও ১০ টকা এখন নিশাৰ হাতত গুজি দিছিল । আহিবৰ সময়ত নিশা আৰু মাকে পদূলীলৈকে আগবঢ়াই দিছিল ।

আজি বহুত দিন নিশাক পৰাগে লগ পোৱা নাই । অৱশ্যে নিশাক লগ কৰিবলৈ সি সময় পোৱা নাই । আজি তাইক লগ কৰাৰ কথা ভাবিছে, হঠাৎ টং কৈ বজা বেলটোৱেহে পৰাগক বাস্তৱ জগতলৈ ঘূৰাই আনিলে । ইমান সময়ে চিন্তা সাগৰত ডুব গৈ থকা পৰাগ লাজ লাজ কৈ ৮ নম্বৰ ৰুমলৈ শইকীয়া ছাৰৰ অসমীয়া ক্লাছলৈ খোজ আগবঢ়ালে ।

লেখক ঃ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ ।



সাক্ষাৎকাৰ

# শ্ৰীযুত হোমেন বৰগোহাঞিৰ স'তে অন্তৰংগ মুহূৰ্ত

সাক্ষাৎ গ্ৰহণত ঃ মৃণাল কুমাৰ গগৈ
ধৰণী লাহন ।

(আধুনিক অসমীয়া সাহিত্যত হোমেন বৰগোহাঞি এক পৰম বিস্ময় । বিংশ শতাব্দীত কোনো অসমীয়া সাহিত্যিকে বৰগোহাঞিৰ দৰে জনপ্ৰিয়তা লাভ কৰা নাই । একালৰ তীক্ষ্ণধী কবি এতিয়া এজন সফল গদ্যলেখক । ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ, সাংবাদিক আৰু কেইবাখনো বিশিষ্ট আলোচনী-কাকতৰ সম্পাদক ৰূপে কেৱল যে তেওঁ অসমতে খ্যাতি লাভ কৰিছে এনে নহয়, তেওঁৰ সাহিত্যই ভাৰতীয় সাহিত্যৰ মাজতো উপযুক্ত স্থান লাভ কৰিছে । তেওঁৰ গদ্যত সম্মোহনী শক্তি বিৰাজমান । তেওঁৰ সাহিত্যত প্ৰতিফলিত বিৰল জীৱনবোধে মানুহক আন্ধাৰৰ পৰা পোহৰলৈ, পোহৰৰ পৰা পোহৰলৈ আৰু মৃত্যুৰ পৰা জীৱনলৈ লৈ যায় । বৰ্তমান অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত বৰগোহাঞি দেৱে অসমীয়া বিশ্বকোষ প্ৰণয়ণৰ কামত নিমগ্ন হৈ আছে । ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আমি তেখেতক শুভ-ইচ্ছা জনোৱাৰ লগতে তেখেতৰ কৰ্ম আৰু সফল হোৱাৰ কামনা কৰিছোঁ ।



১৭ জুন' ২০০১ তাৰিখে বৰগোহাঞিৰ স'তে ডিগবৈত হোৱা এটি সাক্ষাৎকাৰ ইয়াত সন্নিবিষ্ট কৰা হ'ল ।)

প্ৰশ্ন ঃ- (১) আপুনি কেৱল অসমৰে নহয় সমগ্ৰ ভাৰতৰ ভিতৰতে এজন জনপ্ৰিয় ব্যক্তি । আপুনি বাৰু আপোনাৰ এই জনপ্ৰিয়তাকলৈ সুখীনে?

উত্তৰ ঃ-সুখ জীৱনৰ এটা স্থায়ী অৱস্থা হ'ব নোৱাৰে। জাৰ্মান কবি গ্যেটেই এষাৰ অতি তাৎপৰ্যপূৰ্ণ কথা কৈছিল। তেওঁ কৈছিল যে দুখ সহ্য কৰিব পাৰি; কিন্তু যিটো বস্তু একেবাৰেই সহ্য কৰিব নোৱাৰি; সেইটো হ'ল বিৰামহীন সুখ। চিন্তা কৰিব জানিলে এই বাক্যটিতে বহুতো চিন্তাৰ খোৰাক পোৱা যাব। মোৰ নিজৰ সুখৰ সংজ্ঞা দি মই কেইবাখনো ব্যক্তিগত ৰচনা লিখিছোঁ। বোধহয় অসমীয়া সাহিত্যত মোৰ নিচিনাকৈ সুখৰ সম্পৰ্কে ইমানবোৰ ৰচনা আন কোনেও লিখা নাই। এখন ৰচনাত মই ইংৰাজ সমালোচক আৰু প্ৰাবন্ধিক উইলিয়াম এজ্‌লিটৰ বিষয়ে কিছু কথা লিখিছোঁ। সাধাৰণ দৃষ্টিৰে চাবলৈ গ'লে এজ্‌লিটৰ জীৱনটো আছিল দুখৰে পৰিপূৰ্ণ। তেওঁ প্ৰায় চিৰ ৰুগ্ন আছিল; দাৰিদ্ৰই তেওঁক জুৰুলা কৰিছিল । তেৰঁৰ সাংসাৰিক জীৱন আছিল অশান্তিময়। কিন্তু তেনে এজন মানুহে ঘোষণা কৰি থৈ গৈছে যে, তেওঁ আছিল এজন পৰিপূৰ্ণ ভাৱে সুখী মানুহ। ইয়াৰ পৰাই বুজা যায় যে সকলো মানুহৰ সুখৰ উৎস, একে নহয় বা হ'ব নোৱাৰে। চিৰৰুগ্ন আৰু চিৰ অশান্ত এজ্‌লিটে জীৱনৰ অন্তহীন যন্ত্ৰণাৰ মাজতো নিশ্চয় এনে এটা সুখৰ উৎস বিচাৰি পাইছিল—য'ৰ পৰা তেওঁ আহৰণ কৰিছিল সাধাৰণ মানুহে বিচাৰি নোপোৱা সুখ। সুখৰ প্ৰসংগত ওপৰত এবাৰ গ্যেটেৰ কথা কৈ আহিছোঁ। গ্যেটেৰ কথাটো বুজিবলৈ হ'লে কুৰি শতিকাৰ বিখ্যাত জ্যোতিবিজ্ঞানী কাৰ্ল চাগানৰ এষাৰ কথা মনত পেলাব লাগিব। চাগানে কৈছিল যে, দুখ মানৰ জীৱনৰ অবিচ্ছেদ্য অংগ। মানুহৰ জীৱনত দুখ আছে কাৰণেই মানুহে নিত্য নৱ সৃষ্টি কৰিব পাৰে। একে আষাৰে কবলৈ গ'লে যি মানুহে দুখী হ'ব নাজানে তেওঁ কেতিয়াও সম্পূৰ্ণ মানুহ হ'ব নোৱাৰে। অৰ্থাৎ দুখেই সুখৰ এটা প্ৰধান উৎস। এই অৰ্থতেই মই এজন সুখী মানুহ।

প্ৰশ্নঃ- (২) বহুতৰে অভিযোগ- আপোনাৰ গল্প সাধাৰণতে অৱস্থিতিবাদী (Existentialism) দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। আপোনাৰ মতামত ?

উওৰঃ- কোনো লেখকেই কোনো এটা বিশেষ বাদৰ প্ৰভাৱত সাহিত্য সৃষ্টি নকৰে। মই অৱস্থিতিবাদী সাহিত্য সৃষ্টি কৰিম, মই প্ৰকৃতিবাদী সাহিত্য সৃষ্টি কৰিম—এনে ধৰণৰ চিন্তা একমাত্ৰ মুৰ্খ বা পাগলৰ বাহিৰে আন কোনেও কৰিব নোৱাৰে। আনহাতে এই কথাও সচাঁ যে, আটাইবোৰ লেখকে তেওঁলোকৰ যুগৰ এটা বিশেষ ভাব মণ্ডলত বিয়পি থকা নানা ধৰণৰ সাহিত্যিক, ৰাজনৈতিক, দাৰ্শনিক মতবাদৰ প্ৰভাৱৰ পৰা তেওঁলোক সম্পূৰ্ণ মুক্ত হৈ থাকিব নোৱাৰে। কিছুমান মত বা আদৰ্শ তেওঁলোকৰ লেখাত তাৰ প্ৰতিফলন ঘটিব পাৰে। মই নিজে অৱস্থিতিবাদী দৰ্শনত বিশ্বাস নকৰো। কিন্তু জীৱনৰ এটা বয়সত মোৰ মনৰ ওপৰত তাৰ প্ৰভাৱ পৰিবও পাৰে। মোৰ দুই এটা গল্পত বা উপন্যাসতো কোনো কোনো সমালোচকে অৱস্থিতিবাদৰ প্ৰভাৱ বিচাৰি পাইছে। তাৰ ব্যাখ্যা মই ওপৰত কোৱা কথাখিনিতেই বিচাৰি পোৱা যাব।

প্ৰশ্ন ঃ- (৩) পদ্যতকৈ গদ্য ৰচনা কৰিবলৈ কিছু সুবিধাজনক নেকি ? আপুনি পদ্য লিখিবলৈ এৰি দিলে কিয় ?

উওৰ ঃ- পদ্যতকৈ গদ্য সুবিধাজনক—এনেকুৱা কোনো কথা থাকিব নোৱাৰে। প্ৰত্যেকেই নিজৰ প্ৰতিভা বা মানসিক গঠন অনুযায়ী নিজৰ প্ৰকাশৰ মাধ্যম বিচাৰি লয় । মই যদিও কেইটামান কবিতা লিখিছিলোঁ, কিন্তু এটা সময়ত বুজি পালো যে, কবিতা লিখিবৰ জোখাৰে যি ধৰণৰ স্বাভাৱিক প্ৰতিভা লাগে সেইখিনি মোৰ নাই। দ্বিতীয়তে মই জীৱন সম্পৰ্কে যিখিনি কথা কব খোজোঁ, সেইখিনি ক'বলৈ পদ্যতকৈ গদ্যই বেছি উপযোগী মাধ্যম। সেই কাৰণে মই পদ্য লিখিবলৈ এৰিলোঁ।

প্ৰশ্নঃ- (৪)- আপোনাৰ কোনো বিশেষ প্ৰিয় সাহিত্যিক আছে নেকি ?

উওৰঃ- মানুহৰ জীৱনত প্ৰিয় সাহিত্যিক মাত্ৰ এজন বা মাত্ৰ কেইজনমানেই থাকিব নোৱাৰে। দ্বিতীয়তে, মানুহৰ জীৱনত ঋতুৰ পৰিবৰ্তন হোৱাৰ লগে লগে প্ৰিয় কিতাপ আৰু লেখকৰ তালিকাখনো সলনি হৈ থাকে। মোৰ জীৱনৰ বাৰ বছৰ বয়সত যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাই মোক প্ৰায় উন্মাদ কৰি ৰাখিছিল । কিন্তু ষোল্ল বছৰ বয়সতে তেওঁৰ প্ৰতি মোৰ আকৰ্ষণ বহুখিনি হ্ৰাস পালে । মোৰ সমস্ত যৌৱন কাল আচন্ন কৰি ৰাখিছিল ৰবীন্দ্ৰ নাথৰ কবিতাই, কিন্তু এতিয়া মই তেওঁৰ বেছিভাগ কবিতা পঢ়িবলৈকে বিশেষ আগ্ৰহ অনুভৱ নকৰো । এই দুটা উদাহৰণ দি মই ইয়াকেই বুজাব খুজিছোঁ যে মানুহৰ জীৱনত প্ৰিয় লেখকৰ তালিকা সলনি হৈ থকাটোৱেই স্বাভাৱিক । কিন্তু লগতে এই কথাও সচাঁ যে, এজন মানুহে তেওঁৰ গোটেই জীৱন ধৰি যি সকল লেখকক ভাল পায়, তেওঁলোকৰ অলপ নহয় অলপ প্ৰভাৱ তেওঁৰ জীৱনত চিৰস্থায়ী হৈ ৰয় ।

প্ৰশ্ন ঃ- (৫) বৰ্তমানৰ অসমৰ ৰক্তাক্ত পৰিস্থিতিত সাহিত্যিক সকলৰ ভূমিকা আপুনি কেনে বুলি ভাবে ?

উত্তৰ ঃ- অসম ৰক্তাক্ত হ'লেই সাহিত্যই এটা বিশেষ ভূমিকা ল'ব লাগে বুলি মই ব্যক্তিগত ভাবে বিশ্বাস নকৰোঁ । যোৱা ডেৰকুৰি বছৰৰ ভিতৰত মই লেখা কেইবাখনো ৰচনাৰ যোগেদি মই এই কথাই ক'ব খুজিছোঁ যে, সমসাময়িক ঘটনাৰ প্ৰতি উদাসীন হৈ থাকিও মহৎ সাহিত্য সৃষ্টি কৰিব পাৰি । দ্বিতীয়তে সমসাময়িক ঘটনাৰ প্ৰতি এজন লেখকে যে তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবই লাগিব এনে কোনো ধৰাবন্ধা নিয়ম নাই । মই মোৰ আগৰ দুখনমান ৰচনাত কেইটামান ঐতিহাসিক উদাহৰণো দিছিলোঁ । এমাৰছন জীয়াই থকাৰ সময়ত আমেৰিকাত গৃহ যুদ্ধ চলি আছিল । এমাৰছনৰ বিপুল ৰচনাৱলী বা তেওঁৰ ব্যক্তিগত ডায়েৰীত গৃহযুদ্ধৰ কোনো উল্লেখ নাই । ডান্তে জীয়াই থকাৰ সময়ত ইটালীত গৃহযুদ্ধ চলি আছিল । তেওঁ নিজে সেই গৃহযুদ্ধত অতি নিবিড় ভাৱে জড়িত হৈ পৰিছিল । কিন্তু তেওঁৰ মহাকাব্য 'ডিভাইন কমেডি' ইটালীৰ গৃহযুদ্ধৰ কাহিনী নহয়, সি হ'ল মানৱাত্মাৰ চিৰন্তন অভিযানৰ কাহিনী ।

প্ৰশ্ন ঃ- (৬) অসমৰ নবীন চাম লেখক-লেখিকাক লৈ আপুনি আশাবাদীনে ?

উত্তৰ ঃ- অসমৰ নবীন চাম কবি-গল্পকাৰ- ঔপন্যাসিকক লৈ মই যথেষ্ট আশাবাদী । মই ইতিমধ্যেই একাধিক প্ৰবন্ধত লিখিছোঁ যে যোৱা এটা দশকত অসমত এটা নতুন সাহিত্য আন্দোলন আৰম্ভ হৈছে । নতুন লেখক সকলৰ প্ৰতি মোৰ এটাই মাত্ৰ পৰামৰ্শ, সেইটো হ'ল কঠিন পৰিশ্ৰমৰ কোনো বিকল্প নাই । মই এসময়ত 'পৰিশ্ৰমী লেখক' নামৰ দুটা প্ৰবন্ধ লিখিছিলোঁ। বহুতো উদাহৰণ দি মই প্ৰবন্ধ দুটাত এই কথাই কব খুজিছিলোঁ যে, হাঁড়ক মাটি কৰা পৰিশ্ৰম নকৰাকৈ পৃথিৱীত কোনো লেখকে উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিব পৰা নাই । এজন লেখকৰ প্ৰতিভা থাকিবই লাগিব, কিন্তু তাৰ লগত যুক্ত হ'ব লাগিব কঠোৰ পৰিশ্ৰম ।

অতিথি শিতান

# জ্ঞানৰ বিস্তৃতি

# আৰু ছাত্ৰ অভিভাৱক সম্পৰ্ক

ইছমাইল হোছেইন

'ছাত্ৰ' শব্দটোৰ সংস্কৃত মূল হ'ল 'ছদ'। ছদ্‌ৰ অৰ্থ হল আচ্ছাদন। সহজ অৰ্থত ছাত্ৰ মানে আচ্ছাদন বা নিয়ন্ত্ৰণৰ মাজত থকাকে বুজায়। প্ৰাচীন সংস্কৃতৰ ব্যাখ্যাৰ সৈতে 'ছাত্ৰ' শব্দটোৰ আধুনিক ব্যাখ্যাৰ পাৰ্থক্য থাকিলেও ছাত্ৰ এজন যে বিভিন্ন ক্ষেত্ৰত আচ্ছাদিত আৰু নিয়ন্ত্ৰিত হৈ থাকিব লাগে তাত হয়তো বিৰোধ থাকিব নোৱাৰে । প্ৰাচীন টোলৰ শিক্ষা- ব্যৱস্থাৰ পৰা আহি আজিৰ শিক্ষা - ব্যৱস্থাই যি ৰূপ পাইছে তাৰ মাজত যথেষ্ট তাৰতম্য আছে । আজিৰ শিক্ষা বিশ্ববিদ্যালয় কেন্দ্ৰিক আৰু চাকৰি মুখী। কিন্তু প্ৰাচীন শিক্ষা আছিল মূলতঃ জ্ঞানমুখী আৰু নৈতিকতাৰ দীক্ষাৰে পুষ্ট । সেয়ে আজি জ্ঞানান্বেষণ, নৈতিকতা আৰু স্বাৱলম্বনৰ বাবে আমি আধুনিক শিক্ষাৰ উপৰিও প্ৰাচীন শিক্ষাৰ কিছু সমল আহৰণ কৰাৰ প্ৰয়োজন আছে ।

গীতাত কৈছে :"নহে জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।" অৰ্থাৎ, জ্ঞানৰ নিচিনা পৱিত্ৰ বস্তু ইহ জগতত নাই । যি শিক্ষাৰে জ্ঞান অৰ্জন আৰু নৈতিকভাৱে দীক্ষিত হোৱা নেযায় তেনে শিক্ষাৰে কৰ্ম- সংস্থাপন পালেও ব্যক্তি এজন তাৰ দ্বাৰা উৎকৰ্ষতা লাভ কৰাৰ ক্ষেত্ৰত বিশেষ লাভবান নহয়। আমাৰ দেশৰ শিক্ষা ব্যৱস্থা নম্বৰকেন্দ্ৰিক । কোনে পৰীক্ষাত কিমান নম্বৰ সঞ্চয় কৰিব তাৰ ওপৰতেই সেই ছাত্ৰজনৰ বুদ্ধিমত্তা আৰু জ্ঞানৰ গভীৰতাৰ বিচাৰ কৰা হয় । ফলত আমাৰ ছাত্ৰসকলে পৰীক্ষাত নম্বৰ লাভ কৰাৰ বাবে যিখিনি প্ৰয়োজনীয় গ্ৰন্থৰ প্ৰয়োজন সেইখিনিহে অধ্যয়ন কৰে, আন দিশত তেওঁলোকৰ জ্ঞান প্ৰায় শূণ্য হৈ থাকে । সেয়ে আজিৰ শিক্ষাৰ পৰা ছাত্ৰসকলে জীৱন গঢ়া আৰু প্ৰকৃত মানৱীয় গুণেৰে সমৃদ্ধ হোৱাৰ উপযুক্ত পথ-নিৰ্দ্দেশনা নেপায় । পৰীক্ষা নিৰ্ভৰ শিক্ষা পদ্ধতিৰ কেৰোণে সৰ্ম্পকে অনেক শিক্ষাবিদ, বিজ্ঞানী আৰু বুদ্ধিজীৱীয়েও আঙুলিয়াই গৈছে । অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰূপে ১৯১৯ খৃঃত তেজপুৰত ভাষণ দি বিজ্ঞানাচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে শিক্ষাৰ


জৰিয়তে জ্ঞানৰ বিস্তৃতি আৰু মানসিক উৎকৰ্ষ সাধন সম্পৰ্কে উল্লেখ কৰি কৈছিল যে, অকল পৰীক্ষাত উৰ্ত্তীৰ্ণ হোৱাটোৱেই জীৱনৰ উদ্দেশ্য এনে ভাব মনৰ পৰা আতঁৰাব লাগিব । ৰায়ৰ মতে বিশ্ববিদ্যালয়ৰ শিক্ষা কেৱল মানসিক শক্তিৰ এক অসম্পূৰ্ণ পৰীক্ষা । আচল শিক্ষা হ'ল মানসিক শক্তিৰ উৎকৰ্ষ সাধন কৰা । এই উৎকৰ্ষৰ সন্ধান কেৱল কিতাপৰ মাজতেই নেপায়, আমাৰ সমাজ জীৱনৰ পৰাও উৎকৰ্ষৰ সন্ধান পাব পাৰি ।

ঘৰ আৰু সমাজ জীৱনৰ সৈতে অভিভাৱকসকল যিহেতু জড়িত সেয়ে ছাত্ৰ বা শিক্ষাৰ্থী এজনৰ জ্ঞানৰ বিস্তৃতিৰ ক্ষেত্ৰত অভিভাৱকৰ গুৰুত্ব অপৰিসীম। পাৰিপাৰ্শ্বিকতাৰ বিভিন্ন ধৰণৰ ইতিবাচক আৰু নেতিবাচক দিশৰ পৰা ছাত্ৰ সমাজ আঁতৰি থাকিব নোৱাৰাৰ বাবে অভিভাৱক এজনে ছাত্ৰ এজনৰ জ্ঞান বিস্তাৰৰ বিভিন্ন দিশত চকু ৰাখিব লগা হয় । আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-অভিভাৱক আৰু শিক্ষানুষ্ঠানৰ সম্পৰ্ক অতি ক্ষীণ; কিন্তু ইউৰোপীয় শিক্ষা ব্যৱস্থাত এনে সম্পৰ্ক বৰ সবল । উদাহৰণ স্বৰূপে, পেৰিছ বিশ্ববিদ্যালয়ত যেতিয়া ছাত্ৰক জ্ঞানৰ শিক্ষা প্ৰদান কৰা হয় তেতিয়া শ্ৰেণীকোঠাৰ কিছুমান বক্তৃতানুষ্ঠানত অভিভাৱক বা জনসাধাৰণক সোমাবলৈ অনুমতি দিয়া হয়। বিশেষকৈ সেই দেশৰ সমাজ, সাহিত্য, ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে বক্তৃতা প্ৰদান কৰিলে তাত ছাত্ৰৰ বাদেও, বাহিৰা লোকৰ প্ৰৱেশৰ অনুমতি দিয়া হয় । তদুপৰি যিকোনো বিষয়ৰ ওপৰত ইউৰোপৰ বিশ্ববিদ্যালয়বোৰে চৌহদৰ বাহিৰতো প্ৰশিক্ষণ শ্ৰেণী (Tutorial class)ৰ ব্যৱস্থা কৰে। ইউৰোপৰ নৱ জাগৰণত শিক্ষাৰ এনে গণমুখী আৰু গণ সংযোগী চৰিত্ৰই যথেষ্ট সহায় কৰিছিল আজিৰ ইউৰোপীয়ান সকলে যি চহকী সাহিত্য সমাজ আৰু সংস্কৃতি পাইছে তাৰ মূলতেই হ'ল ছাত্ৰ, অভিভাৱক, শিক্ষক জন সাধাৰণৰ ওচৰ-সম্পৰ্ক আৰু গণ-সংযোগ ।

অসমৰ ছাত্ৰ- ছাত্ৰীৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানুষ্ঠানৰ সৈতে ১৯৮০ চনৰ আগলৈকে অভিভাৱক আৰু জনসাধাৰণৰ যোগাযোগ কম-বেছি পৰিমাণে আছিল । বেছিভাগ গাঁৱতেই ৰাজহুৱা পুথিভঁৰাল আছিল । আমি কৈশোৰ অৱস্থাতে নিয়মিতভাৱে তেনে পুথিভঁৰাললৈ গৈছিলোঁ আৰু পাঠ্য পুঁথিৰ বাহিৰেও কিছু আদৰ্শনীয় গ্ৰন্থ অধ্যয়ন কৰি বিভিন্ন বিষয়ৰ জ্ঞান অৰ্জন কৰিছিলোঁ । কিন্তু ১৯৭১ চনৰ পৰা আৰম্ভ হোৱা অসমৰ বিদেশী বিতাড়ণ আন্দোলনৰ পিছৰ পৰা তেনে পুথিভঁৰালবোৰ গাঁওবোৰৰ পৰা ক্ৰমান্বয়ে নাইকীয়া হৈ গ'ল । বেছিভাগ ক্লাব আৰু পুথিভঁৰালেই ছাত্ৰ সংগঠন, ৰাজনৈতিক দল আদিৰ কাৰ্য্যালয় অথবা মদ-জুৱাৰ আড্ডাত পৰিণত হ'ল। পূৰ্বৰে পৰা দি থকাৰ দৰে আজিও চৰকাৰে গ্ৰাম্য পুথিভঁৰালৰ কাৰণে লাখ-লাখ টকা খৰছ কৰে, গ্ৰন্থৰ যোগান ধৰে । কিন্তু পূৰ্বৰ দৰে ছাত্ৰবোৰ গ্ৰাম্য পুঁথিভঁৰাললৈ নেযায় অথবা নতুন পুঁথিভঁৰাল গঢ়াৰ কামত আগভাগ নলয় । পুঁথিভঁৰালৰ পৰিৱৰ্তে বেছিভাগ ছাত্ৰ - ছাত্ৰীয়ে দূৰদৰ্শনৰ সম্মুখত সময় কটায়, কিছুমান যায় চিনেমা হললৈ, কিছুমান যায় জুৱা আৰু মদৰ আড্ডালৈ । আগৰ দৰে আজিৰ ল'ৰা ছোৱালীবোৰে অতিৰিক্ত সময়খিনি পুঁথিভঁৰালত অধ্যয়ন কৰি, নিজৰ পঢ়াৰ খৰছ উলিয়াবৰ বাবে শ্ৰম কৰি, ৰাজহুৱা কাম কৰি, বিপদ আপদত মানুহৰ কাষত থিয় দি অথবা অভিভাৱকক ঘৰুৱা কামত সহায় কৰি নকটায় । বেছিভাগেই সময়বোৰ অবাবতে নষ্ট কৰি কটায় । অভিভাৱকসকলৰ বেছিভাগেই ছাত্ৰ - ছাত্ৰীক 'যুগৰ সৈতে চলিবলৈ সুযোগ দি' তেওঁলোকৰ নৈতিক দিশটোলৈ চকু নিদিয়ে । আজিৰ ভোগবাদী আৰু ধন সৰ্বস্ব সমাজ ব্যৱস্থাৰ এজন 'সফল প্ৰতিযোগী' হ'বলৈ বেছিভাগ অভিভাৱকেই সহজ উপায়ে ধন ঘটা বা পুত্ৰ - কন্যাকো তেনে পথলৈ আগবাঢ়ি যোৱাত উৎসাহ যোগোৱা দেখা যায় । ফলত অভিভাৱকৰ সংসাৰলৈ ধন সম্পদ আহে, কিন্তু প্ৰকৃত পৰিয়াল বা সংসাৰ গঢ়ি তুলিবলৈ যি সততা, নৈতিকতা আৰু জ্ঞান শিক্ষাৰ সম্পদৰ প্ৰয়োজন হয় সেয়া নাহে । যিকোনো অভিভাৱকৰেই সন্তানৰ আচল সম্পদ হ'ল নৈতিকতা আৰু জ্ঞান - অৰ্জন । সন্তানটো সুনাগৰিক ৰূপে নিজকে চিনাকি দিব নোৱাৰিলে তেওঁৰ মাজত থকা মানৱ সম্পদৰ পৰা দেশে কোনো দিশতেই লাভবান নহয় । জ্ঞানৰ অন্বেষণৰ দ্বাৰাহে তেনে সুনাগৰিক হ'ব পৰা যায় । ভাৰত বিখ্যাত পণ্ডিত ডঃ ডি আৰ ভাণ্ডাৰকাৰে অসম ছাত্ৰ সম্মিলনৰ গোলাঘাট অধিবেশনত ১৯২০ খৃঃৰ ২৭ অক্টোবৰত সভাপতিৰূপে ভাষণ প্ৰদান কৰি এটা গুৰুত্বপূৰ্ণ কথা কৈছিল । জ্ঞানৰ অন্বেষণ সম্পৰ্কে তেওঁ কৈছিল - "জ্ঞান গ্ৰহণ কৰি আৰু জীণ নিয়াইহে মন উৎকৰ্ষ সাধিব পৰা যায়' আমি শিক্ষা বুলিলে ইয়াকেহে বুজোঁ । কিন্তু যদি আমি আমাৰ নিজৰ পৰা নিজে বুজি নলওঁ আৰু তাৰ শ্ৰীবৃদ্ধি কৰিবলৈ নেচাওঁ তেন্তে কেনেকৈনো জ্ঞান গ্ৰহন কৰি জীণ নিয়াবলৈ সমৰ্থ হ'ম ?" ডঃ ভাণ্ডাৰকাৰৰ অভিমতৰ সৈতে একমত হৈ আমিও ক'ব পাৰোঁ যে, জ্ঞান আহৰণ কৰি জীণ নিয়াব নোৱাৰিলে সেই জ্ঞানে সমাজৰ উপকাৰ সাধিব নোৱাৰে । সেয়ে আজিৰ প্ৰদূষিত শৈক্ষিক আৰু সামাজিক পৰিমণ্ডলৰ ছাত্ৰ এজনৰ জ্ঞানৰ বিস্তৃতি আৰু তাক জীণ নিওৱাৰ ক্ষেত্ৰত অভিভাৱকে কৰিবলগা কিছুমান

কাম আছে । তেনে কিছুমান প্ৰাথমিক কাম হ'ল- (ক) সন্তান এজনে কোন বিষয়ত অধ্যয়ন কৰিবলৈ উৎসাহী সেই দিশত অভিভাৱকে নজৰ দিয়া, (খ) পাঠ্য পুস্তকৰ উপৰিও প্ৰয়োজনীয় বাহিৰা কিতাপ সময়মতে যোগান ধৰা । সম্ভৱ হ'লে ছাত্ৰজনে নিজৰ ঘৰতে এটা ব্যক্তিগত পুঁথিভঁৰাল গঢ়ি তোলাত সহায় কৰা, (গ) অভিভাৱকে নিজেও গ্ৰন্থ অধ্যয়ন কৰি জ্ঞানৰ পৰিধি বৃদ্ধি কৰা আৰু নিজৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ ফচলখিনি সন্তানে ভোগ কৰাৰ সুযোগ দিয়া (ঘ) বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ উচ্চমানৰ আলোচনী কাকত আৰু গ্ৰন্থ নিয়মিতভাৱে যোগান ধৰা, (ঙ) নিয়মিতভাৱে পুঁথিভৰাললৈ যোৱাৰ ব্যৱস্থা কৰি দিয়া (চ) সন্তানৰ সৈতে বন্ধুত্ব সুলভ সম্পৰ্ক বজাই ৰাখি তাৰ মনস্তত্ব আৰু দৈনন্দিন বিকাশ সম্পৰ্কে অধ্যয়ন কৰা, (ছ) সময়ৰ সদব্যৱহাৰ সম্পৰ্কে সন্তানক সজাগ কৰা, (জ) মাজে সময়ে আদৰ্শনীয় ঠাই, গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ বা আলোচনা সভা আদিলৈ সন্তানক লগত লৈ যোৱা, (ঝ) নিয়মিতভাৱে খেলা - ধূলা আৰু শাৰীৰিক ব্যায়ামৰ সুযোগ দিয়া, আদি ।

আমাৰ অভিভাৱকসকলে সন্তানৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত গ্ৰীক্ শিক্ষাৰ ওপৰতো অধ্যয়ন অপৰিহাৰ্য বুলি ভাবিব পাৰে । জাৰ্মান, ফ্ৰান্স, চীন আদি দেশত যি পদ্ধতিৰে শিক্ষা দিয়ে তেনে শিক্ষা আমাৰ দেশত নাই: কিন্তু অভিভাৱক এজনে তেনে শিক্ষাৰ ওপৰত ন্যূনতম অধ্যয়ন কৰি নিজৰ ঘৰতেই সন্তানক তেনে শিক্ষা প্ৰদান কৰিব পাৰে । প্ৰাচীন গ্ৰীক্ আৰু আধুনিক জাৰ্মান, ফ্ৰান্স, চীন আদিৰ শিক্ষা ব্যৱস্থাই ছাত্ৰক জ্ঞানাৰ্জনৰ সুযোগ প্ৰদান কৰাৰ উপৰিয়ো শাৰীৰিক উৎকৰ্ষ সাধনৰ শিক্ষা দিয়ে । কেৱল শিক্ষানুষ্ঠানৰ শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰিলে অভিভাৱকসকলে আশা কৰা মতে ছাত্ৰ এজনে নিজৰ, ভৱিষ্যতটোক গঢ়ি তুলিব নোৱাৰে । জ্ঞানৰ বিস্তৃতিৰ বাবে নিৰ্দ্দিষ্ট কোনো গ্ৰন্থ বা শিক্ষা ব্যৱস্থাই যথেষ্ট নহয় । জ্ঞানৰ বিস্তৃতি নিৰ্ভৰ কৰে ছাত্ৰ এজনৰ স্পৃহা, শিক্ষানুষ্ঠানৰ পৰিবেশ, শিক্ষকৰ সদিচ্ছা, অভিভাৱকৰ তৎপৰতা আৰু ঘৰ আৰু সামাজিক বাতাবৰণৰ ওপৰত । ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ সম্পৰ্কই তেনে এক অনুকূল পৰিবেশ ঘৰ, শিক্ষানুষ্ঠান আৰু সমাজ - সকলোতে আনি দিব পাৰে ।



# কবিতা কুঞ্জ



কোনোবাই কবিতাৰ সংজ্ঞাৰ বিষয়ে যদি মোক সোধে, তেনেহ'লে কবিতা "***Inner calling of man***" – মোৰ প্ৰিয় সংজ্ঞা বুলি কওঁ। কবিতা আমাৰ চাৰিওফালে বিয়পি আছে। কেৱল আমাৰ উপলব্ধি লাগে। দৃষ্টিৰ ওপৰত চাৰিওফালে সিঁচৰতি বাস্তৱৰ আধাৰত ঘটনাৰ গভীৰতাত কবিতাৰ সৃষ্টি হ'ব পাৰে। আচলতে ঘটনাবোৰৰ অনাবিস্কৃত ৰহস্যৰ পৰাই কবিতাৰ সৃষ্টি হ'ব পাৰে।



নীলমণি ফুকন

## অতিথি শিতান

# বাঁহীৰ মাতে মোক লৈ আহিছে তোমাৰ কাষলে


ভাস্কৰজ্যোতি গগৈ

বাঁহীৰ মাতে মোক লৈ আহিছে
তোমাৰ কাষলে
বৰষুণৰ মাতত কৈয়ো মিঠা তোমাৰ স্পৰ্শ
পৃথিৱীৰ আটাইতকৈ কৰুণ মানুহজন আহি
আজি তোমাৰ দুৱাৰত ৰৈ আছেহি
কেনেকৈ বিদায় জনাবা তেওঁক
জিলমিল দুচকুত তেওঁৰ
হেমন্তৰ উন্মুখ আকাশ
তুমি ইমান দিনে যাৰ বাবে ৰৈ আছিলা
যাৰ পদশব্দ নুশুনি মুখৰিত হোৱা নাছিল
তোমাৰ বুকুৰ ভায়'লিন
বাজি উঠা নাছিল বৰষুণৰ গুন গুন
যাৰ বাবে দুৱাৰ খুলি তুমি বাহিৰলৈ
ওলাই যাব পৰা নাছিলা
চাব পৰা নাছিলা
ঢৌ খেলা পাতৰ সেউজীয়া নাচোন
নৃত্যৰতা পখিলাৰ চিকিমিকি পাখি
সময়ৰ স'তে মুখামুখিকৈ বহিব
পৰা নাছিলা
দুহাতত ভিক্ষাৰ জোলোঙা লৈ
তেওঁৱেই আজি তোমাৰ কাষত ৰৈ আছেহি
কি দি বিদায় জনাবা তেওঁক
নে গুজি থবা তোমাৰ বুকুৰ
চহদিয়া পথাৰত
য'ত লহপহকৈ বাঢ়িব এদিন বেদনাৰ গছ
নিয়ৰ সৰিব বেদনাৰ নিয়ৰ
তিতিবা তুমি বেদনাৰ ধাৰাসাৰ বৰষুণত
নে বৰষুণ হৈ উটি যাবা
তেওঁৰ চকুৰ প্ৰপাতেৰে
যি প্ৰপাত হেৰাই যায়
সাগৰৰ
গভীৰ বুকুত
য'ত তুমি তোমাক
কাহানিও বিচাৰি নাপাবা
মাথোঁ ঢৌৰ দৰে শূন্যতাই আগুৰি ধৰিব
দিক্ বিদিক্ জীৱনৰ ইপাৰ সিপাৰ
আহা সন্তৰ্পণে ভিতৰলৈ সোমাই আহা
আমি অনুভৱ কৰোঁ শূন্যতাৰ আয়তন
শূন্যতাৰ আকাশত ডেউকা কোবাই
আমি বিলীন হৈ যাওঁ ৰতাহত
সময় সত্য
শূন্যই সঁচা
শূন্যৰ পৰাই আৰম্ভ হয় জীৱন
হে সময়
সৰ্বত্ত শূন্য হৈ যি ইমান পৰে
তোমাৰ কাষত ৰৈ আছিল
তেওঁ মোৰ বাদে আন কোনো নহয়
ৰতাহত বাঁহীৰ গুঞ্জন শেষ হোৱাৰ আগতেই
মই ইয়াৰ পৰা গুচি যাম
(শূন্যতাৰ বাটেৰে যাব পৰা হেঁতেন ভাল আছিল)
শূন্যতাৰ সিপাৰৰ পৰা
কোনোবাই হাত বাউলি মাতিছে মোক ।

অতিথি শিতান

# প্ৰেৰণাৰ মজিয়া

জিতেন্দ্ৰ বৰুৱা



তোমাক আমনি কৰাৰ চলেৰে
মোৰ মুখৰ ৰংবোৰ আঁতৰাই
তোমাক চিনাকি দিব খোজো
চিনাকি দিব খোজো
ক'লা চচ্‌মা জোৰ চকুৰ পৰা আঁতৰাই
যদিও দুচকুত ভাঁহি আছে
দুঃ স্বপ্ন -
সূৰ্য বিপৰীত কলীয়া ডাৱৰ
কোনে কাক আমনি কৰে
কোনে কাৰ বাবে সাঁচি ৰাখে
চেনেহৰ ফুলাম ৰঙীন ৰুমাল
আজাৰ গছে কাঢ়ি নিয়া হাঁহিবোৰ
গোটাই আনিম
গোটাই আনি বিয়াঘৰ যেন কৰিম
উৰুলি মংগল ধ্বনিৰ তালে তালে
সিহঁতবোৰে নাচিব
নাচোনৰ ভাজে ভাজে কোনোবাই
কঢ়িয়াই আনিব
জীয়াই থকাৰ অলপ প্ৰেৰণা শেৱালি ফুলৰ গোন্ধত
ৰাতিৰ জোনাকত ফুলি উঠিব
মোৰ প্ৰেৰণাৰ মজিয়া !
মোৰ প্ৰেৰণাৰ মজিয়া !!

# "তোমালৈ এক লিপিকা"

...... মৃত্যুঞ্জয়

তোমাৰ সতে
দৃষ্টি বিনিময়; প্ৰেমত পাৰ হৈ গ'ল তিনিটা বসন্ত, অথচ
এতিয়াও বুকুৰ সাঁচতীয়া কথাবোৰ হৃদয়তে ...
তোমাৰ মোহিনী চকুৰে এতিয়াও উভতি চালে
শিল শৰীৰেৰে হাজাৰটা সূৰ্যৰ
এতিয়াও যেন তটিনীৰ ধাৰ বয়-সেউজীয়া উত্তাপ অনুভৱ কৰো
বুকুৰ ভিতৰত, বাহিৰত, সৰ্বাংগত
তোমাৰ বাৰু মনত আছেনে-এতিয়াও
সেই দিনটোৰ কথা, যাৰ কোলাত বহি, মই যে সুধিছিলো তোমাক
তোমাৰ পৰিচয়-হঠাতে
দৃষ্টি বিনিময়; প্ৰেমত পাৰ হৈ গ'ল তিনিটা বসন্ত, অথচ এতিয়াও
তুমি একোবাৰ মাতিলেই
পাহৰি যাওঁ মোক অতীত, মোৰ বৰ্তমান..
পাহৰি যাওঁ মোৰ পৰিচয়, উজাগৰী প্ৰতিটো ৰাতি
একোবাৰ চালেই আনন্দত নাচি উঠে মন
দৃষ্টি বিনিময়; প্ৰেমত পাৰ হৈ গ'ল তিনিটা বসন্ত;
আৰু কিমান বছৰ যাব ? বোধহয়
বুকুত সাঁচতীয়া কথাবোৰ হৃদয়তে .......

কবি স্নাতক তৃতীয় বৰ্ষ কলা বিভাগৰ ছাত্ৰ ।

# ৰাতিৰ অন্ধকাৰত

সন্তোষ কুমাৰ

তোমাক দেখি লঠঙা গছবোৰে
ইনাই বিনাই কান্দিছিল
নৈবোৰে তোমাৰ তলুৱাত গা ধুই
পাৰলৈ উঠি আহিছিল

আঙুলিবোৰ সিঁচৰতি হৈ পৰিছিল
তোমাক ভালপোৱা সকলৰ বুকুত
লহপহকৈ গজিছিল সেউজীয়াবোৰ

তোমাৰ আঙুলিবোৰ নাচি থকা দেখি
শিলৰ দৰে স্তব্ধ হৈছিল মানুহবোৰ
চেঁচা হৈছিল বৰফৰ দৰে
কেৱল তোমাৰ আঙুলি চুহি চুহি
ৰস পান কৰিছিল
ভাবিছিল তুমি শিল্পী
ৰাতিৰ এন্ধাৰ বোৰেও তোমাক জোকাব নোৱাৰে

এদিন আঙুলিবোৰৰ গাঠি জঠৰ হোৱাত
সঁচাকৈয়ে শিল হৈছিল মানুহবোৰ
ঘড়ীৰ কাটাত উঠি পলায়ণ কৰিছিল
সন্ত্ৰাসবাদীৰ দৰে
ৰাতিৰ অন্ধকাৰত
সকলো চেঁচা হৈছিল বৰফৰ দৰে
সেউজীয়া হৈছিল জেতুকাৰ দৰে


কবি স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰ ।

# তিমির লেখা

গার্গী আচার্য

শ্বাস প্রশ্বাস রদ্ধ হওয়া
পাতালের অতল গহ্বরে
অনন্ত অন্ধকার
নিজের অস্তিত্ব নষ্ট করা
দুর্ভেদ্য দুর্বোধ্য
নিবিড় অন্ধকার
কোথাকার কোন অদূর ভবিষ্যতের
অদৃশ্য ছিদ্রপথে, শেষবিকেলের
স্বল্পায়ু সূর্যরশ্মি এল ক্ষণিকের জন্য ।
সেটাও কালাগ্নির প্রচন্ড তাপ
শুষে নিল প্রতিটি অনু পরমানু সহ ।
অদৃশ্য হ'ল একমুষ্ঠি আলো ।
রইল কয়েক জোড়া হাত আকাশ পানে তোলা
নিরন্ধ্র তিমিরে আকণ্ঠ নিমজ্জিত
মুছে গেল সামান্যতমও আলোর আভাষ ।

কবি স্নাতক দ্বিতীয় বর্ষ ক'লা শাখার ছাত্রী



# "মোৰ প্ৰেম মোৰ চোলা"

বিজু ওজা

তুমি বাৰু জানানে
মোৰ দুটা
বস্তুৰেই অতি আপোন
মোৰ প্ৰেম আৰু
মোৰ চোলাটো

মোৰ চোলাটো কেইবা ঠাইতো ফটা,
ফটা ঠাইখিনি মই তাপলি মাৰো
আকৌ ফাটে
আকৌ তাপলি মাৰো

এইদৰে তাপলি মাৰোতে মাৰোতে
আৰু তাপলি মাৰিবলৈ
ঠাই নোহোৱা হ'ল
এতিয়া চোলাটো নিঃসংগতাৰে ওলমি আছে
মোৰ পুৰণি আলনাডালত

আৰু মোৰ প্ৰেম প্ৰেম ?
মোৰ প্ৰেম ঠিক মোৰ
চোলাটোৰ দৰে
ফটা,
তাপলি মৰা .........।

কবি স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগৰ ছাত্ৰ ।

# অথাই সাগৰ

দ্বীপজ্যোতি সোনোৱাল

পালতৰা নৌকাত উঠি
মসৃন ঢৌৰ লহৰত মজি
দেখিছিলো অবিছিন্ন সোনালী সপোন
বৰষিছিল পূৰ্ণিমাৰ ৰূপালী কিৰণ
পান কৰিছিঁলো সঞ্জীৱনী সুধা
পুৱাৰ সুৰুযৰ সোনালী আভাই
দিছিল মোক পুনৰ জীৱন
সপোনবোৰ ছিটিকি গ'ল
।

সাতুঁৰিব নেজানো মই
মাজ সাগৰত পাল ফাটিল
লগী বঠাও কৰবাত হেৰাল
দশোদিশে পাৰাপাৰহীন
অথাই সাগৰত অকলশৰীয়া মই ।

কবি স্নাতক কলা শাখাৰ ছাত্ৰ ।

# আশা

হীৰা ফুকন

উজাগৰি ৰাতি তোমাৰ প্ৰতিচ্ছৱি
দুহাতত আলফুলে তুলি
চাই ৰৈছিলো তোমাক ।
পিতায়ে নেদেখাকৈ
নৈৰ পাৰত বহি
ৰচিছিলো কেঁচা তেজেৰে
কবিতা



তুলি দিছিলো তোমাৰ হাতত
তুমি দিয়া পুৰস্কাৰ ।
হুলুঙৰ শুকান কাঠ
তুমি জাপি দিছিলা
অতি গোপনে মোৰ ওপৰত
অন্ধকাৰৰ বুকুভেদি জ্বলি উঠিছিল জুই
বাগৰি আহিছিল দুগালেদি
তপত চকুলো ..................।

কবি স্নাতক দ্বিতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰ ।

# অশ্রুৰ ধাৰ

কমল কছাৰী

বাস্তৱ এখন দাপোন
সপোনবোৰ, কুৱলী
নিশাবোৰ, যাতনা ।
কোনে জানে, তাইৰ অশ্রুৰ টোপালেৰে
বুজাব বিচাৰিছে সময়ৰ সোঁতত
বাগৰি যোৱা অসংখ্য বেদনা ।
মৃদু বতাহ জাক ধুমুহা,
সময়বোৰ একোপাত বিষাক্ত শৰ,
যিপাত শৰৰ বিষ কেৱল,
তাইহে সহিব পাৰে ।
ফুলবোৰ কাঁইট,
পাতবোৰ আধা -আধা পোকে খোৱা ।
জীৱনটো এখন ভৰ বাৰিষাৰ নৈ
নৈৰ পানীবোৰ তেজেৰে ৰিৰিঙি উঠা ।
হাঁহিবোৰ ইতিহাস,
বন্ধুত্ব বিষাদৰ আগমন ।
আশ্বাস কলা-ছাঁই,
সামান্য বতাহেও কোনো এক
অজান পৃথিৱীলৈ ইতিহাস-বুটলিবলৈ লৈ যায় ।
জন্ম........ অভিশাপ বিতৃষ্ণা-বিষন্নতা
যৌৱন থৰ মৰুভূমি ।
প্রেম একোৰা জুই প্রতাৰনা-স্মৃতি ।
ল'ৰালি স্নিগ্ধ জোনাক বসন্ত
এজাক কিতাপ সমীৰৰ আগমণ ।
মৃত্যু....
অমৃতৰ নৈ সুৰুযৰ আগমণ,
কাল্পনিক অমানবীয় পৃথিৱী,
থাকি যোৱা এক অস্তিত্ব ।

..............................

কবি স্নাতক প্রথম বর্ষ, অর্থনীতি বিভাগৰ ছাত্র ।

# দুঃসময়


খনিন সোনোৱাল

পুৱাঁতে তেজৰঙী বেলিটোক
কলা ডাৱৰে ছানি ধৰিলে
সকলোৰে মুখত আতংকৰ ৰেখা
অতিবৃষ্টিৰ কাৰণে ঘৰৰ চালবোৰ উৰলি গৈছে ।
হালোৱা গৰুকেইটা হাবিখনৰ ফালে দৌৰি গ'ল
ধাৰাসাৰে বৰষুণ পৰিছে
গুৰুম্ গুৰুম্ গু-ৰু-ৰু-ম
একেৰাহে মেঘৰ দৰে গাজনি
আজি দীপাৱলী নে ফাকু খেলাৰ দিন
গাঁৱৰ হালোৱা কিটাচোন শাওনতে
তেজেৰে ফাকু খেলিলে

বৰষুণ পাতলিছে
তেজৰ দৰে ৰঙা ৰংবোৰ বৈ গৈছে ।

কবি স্নাতক কলা শাখাৰ ছাত্র ।

# উৰুলি এটাৰ উচুপনিত................




ধৰণী লাহন

উৰুলি এটাৰ উচুপনিত যে তুমি যাবলৈ ওলাইছা
কি লৈ যাম বুলি ভাবিছা তুমি তোমাৰ বুকুৰ আচলত ।
প্ৰেমিক হৃদয়খনক বন্ধকত থৈ
নিম বুলি ভাবিছা নেকি তুমি
বুকুখন ঢাকিব পৰা অলেখ আৱৰণ
যি আৱৰণৰ চিলনিবোৰ তেনেকৈ ফিচিকা
ফাটো ফাটো হয় এটা সামান্য আজোৰতে
অথবা নিম বুলি ভাবিছা নেকি তুমি
ক্ষোভ হতাশা আৰু অপ্ৰেমৰ হাজাৰটা নিশা
সেইবোৰ একো নিনিবা বুজিছা
নদী এখন হৈ যাবা
দুয়োপাৰে উজ্বলি উঠিব আশাৰ বালিচৰ
মুকলি হাঁহি এটাৰে তুমি তেতিয়াহে সজাব পাৰিবা
তেওঁ আৰু তোমাৰ বুকুৰ চোতাল ঘৰ
আৰু কি নিবা
পাৰিলে আচল ভৰাই লৈ যাবা অলেখ সেউজীয়া
ফুলশয্যাৰ নিশা ছটিয়াই দিবা সেই ৰং
দুয়ো সেউজীয়া হ'বা
সেউজীয়া হ'ব তোমালোকৰ ওৰেটো জীৱন
উৰুলি এটাৰ উচুপনিত যে তুমি যাবলৈ ওলাইছা
কিলৈ যাম বুলি ভাবিছা
তুমি তোমাৰ বুকুৰ আচলত
নিম বুলি ভাবিছানে তুমি
এটা সলজ হাঁহি
নিবা বুজিছা
লৈ যাবা
তুমি যেতিয়া তোমাৰ নতুন ঘৰৰ পদূলি গচকিবা তেতিয়াই হাঁহিটোৰে ওপচাই পেলোৱা ঘৰৰ চৌপাশ বতাহ ফালি বিয়পি পৰিব তোমাৰ খবৰ
তুমি ন- জোনৰ দৰে বাঢ়িবা
পুৱাঁৰ কুঁৱলী আঁতৰি
তোমাৰ মূৰৰ ওপৰত জিলিকি উঠিব এখন ফৰকাল আকাশ
আৰু শুনা
সেই যে আকাশখন জিলিকিব
সেইখনৰ তলতে তুমি এটা ঘৰ সজাৰ প্ৰস্তাৱ দিবা আপোনজনক
মুধচৰ খুটা এটা হৈ থিয় দিবা তুমি
তুমি তোমাৰ ৰিহাৰ আচলখন মেলি দিবা ঘৰৰ চালত
নদ নদী, পৰ্বত - ভৈয়াম সকলোতে
মিঠা স্পৰ্শ এটা হৈ তুমি বিয়পি পৰিবা
উৰুলি এটাৰ উচুপনিত যে তুমি যাবলৈ ওলাইছা
কিলৈ যাম বুলি ভাবিছা তুমি
তোমাৰ বুকুৰ আচলত
নিম বুলি ভাবিছানে তুমি
পাৰাপাৰহীন এখন বহল হৃদয়
এমুঠি জোনাক
অথবা দুৰ্গন্ধ নথকা অলেখ প্ৰতিশ্ৰুতি
কোৱা, সঁচাকৈ কোৱা
উৰুলি এটাৰ উচুপনিত যে তুমি যাবলৈ ওলাইছা
কি লৈ যাম বুলি ভাবিছা তুমি
তোমাৰ বুকুৰ আচলত ।

কবি স্নাতক তৃতীয় বৰ্ষ অসমীয়া বিভাগৰ ছাত্ৰ

# বধিৰতাৰ অনুভৱ

অনামিকা ৰাজ



তাহানিতেই কৈছিলো মোৰ হৃদয়লৈ নোসোমাবা
বুজাব নোৱাৰিম কিয় এনে হ'লো !
কাৰণ এতিয়া মই বোবা......
নাচাবা মোৰ চকুলৈ সহস্ত্র আৱেগ লৈ
এতিয়া মই দৃষ্টিহীন....
নুশুনাবা মোক বুকু হাহাঁকাৰ কৰা কথাবোৰ
এতিয়া মই কলাও ..................
তমসা শীতল নীৰৱতা, ঝিলীৰ শব্দ আৰু মই
তুমি পিছলি পৰাৰ শব্দ দেখোন !!
ভালেই হ'ল দিয়া ......
সকীয়াইছিলো নহয় মোৰ হৃদয়ৰ বাট পিছল বুলি !
এতিয়াও তোমাকতো উঠাব নোৱাৰিম
মই যে সম্পূৰ্ণ ভাৱে পংগু, হাত ভৰি-ৰিহীন
এতিয়া কৈছোঁ ....
অন্তত ঃ তুমি মোৰ কবিতা নপঢ়িবা
তোমাৰ চকুৰ উদাস চাৱনি অসহ্যকৰ
কাৰণ মোৰ বধিৰ শৰীৰটোত
একো নথকাৰ মাজতো আছে
কিছু অনুভৱ
অন্ততঃ তোমাক বুজিব পৰাকৈ........................ ।
(প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞা'ৰ পৰা)

কবি স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখাৰ ছাত্ৰী ।

# তোমাৰ ৰং

মূল ঃ অজয় মৌৰ্য (হিন্দী)
অনুবাদ ঃ মৃণাল কুমাৰ গগৈ

এটা সপোন দেখিছিলোঁ তোমাৰ ৰঙৰ
যি গুণ গুনাইছিলোঁ সেয়াও তোমাৰ নাম আছিল
তোমাৰ অভ্যন্তৰত যি প্ৰতিবিম্বিত হৈছিল
সেয়া মোৰ প্ৰতিচ্ছবি আছিল

তাৰ পিছৰ পৰাই আইনাৰ আগত মই থিয় হোৱা নাই
ভিতৰত সাঁচি ৰাখিছোঁ যাক
যেনেকৈ আকাশে ঢাকি ৰাখে পৃথিৱীক
যেন সকলো সঁচাৰেই অপৰূপ ৰূপ

কিন্তু মইতো গছৰ শুকান এডোখৰ ডাল
বতৰ অবতৰৰ সমস্ত লাঞ্চনা সহি ল'ব পাৰোঁ
তলসৰা শুকান পাতৰ সেউজীয়া সোঁৱৰণিৰ নিচিনা
গছৰ চাৰিওফালে বিয়পাই ৰাখোঁ নিজক

যদি কেতিয়াবা সপোনতে তোমাৰ স'তে মুখামুখি হওঁ
সেই সপোনক চকুৰ পতাতে চকুলো হৈ শুকাবলৈ দিওঁ
যদি কেতিয়াবা তোমাৰ নাম আহি ওঁঠত অগাদেৰা কৰে
শব্দবোৰ কোঙা কৰি দুওঁঠ জপাই দিওঁ

প্ৰথম যি কৈছিলোঁ আৰু কোনোদিন নকওঁ
সপোন এটা দেখিছিলোঁ তোমাৰ ৰঙৰ

# বাঁহীৰ সুৰ

পদ্মা ছেত্ৰী ।

ভগা সাঁকো পাৰ হৈ
ৰিনিকি শুনা যায়
বাঁহীৰ অমল সুৰ
উন্মাদ হোৱা মোৰ গাওঁ
গাৱঁৰ মানুবোৰে
উলহ মালহেৰে নাচে
বাঁহী সুৰত
কোনে বজায় বাঁহী
লঘোনীয়া ৰাতি
ফুল হৈ ফুলে তেজৰ প্ৰবাহ
জহা জহা গোন্ধায় আখলৰ মাটি
বুকুৰ ইপাৰে সিপাৰে ঢেউকা মাৰি
সেউজীয়া চৰায়ে
উৰা মাৰে
কোনে বজায় বাঁহী লঘোনীয়া ৰাতি
উন্মাদ হোৱা মোৰ গাওঁ
উলহ মালহেৰে নাচে ক্ষুধাৰ মানুহ
বাঁহীৰ সুৰত
কোনে বজায় বাঁহী
প্ৰতীক্ষাৰ আন্ধাৰত ।।

কবি উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰী ।

# !! যাঁও ব'লা কাৰগিললৈ !!

—শ্ৰীহৰিকান্ত চেতিয়া




বন্ধু যাঁও ব'লা কাৰগিললৈ
এবাৰ মাথোঁ চাই আহোঁ ।
তেজ পৰি জিলিকি উঠা
কাশ্মীৰৰ সেউজ উপত্যকাখন
যত স্বদেশৰ বাবে,
উদ্ধাৰে ঢালি দিলে ৰঙা তেজ ।
জিন্টুৱে বিক্ৰমেৰে যুঁজি,
দেশৰ বাবে উচৰ্গা কৰিলে নিজকে ।
কোনটো বৰফৰ সুৰংগৰ মাজতনো,
কিছুদিন তেওঁ শুই আছিল নীৰৱে;
ব'লা বন্ধু যাওঁ তালৈ,
ছটিয়াই দি আহোঁগৈ কেইটিমান ফুল ।
য'ত ভাৰতীয় সৈনিক সকলে গড় বান্ধি যুঁজিছে ।
য'ত নেকি পাকিস্তানী সৈন্যক গোলা-বাৰুদৰে দমন কৰিছে ।
কোনটো শৃংগত উঠি সিহঁতে উৰালে বাৰুদ
ভাৰতৰ বিজয় পতাকা ।
ব'লা বন্ধু যাওঁ তালৈ,
এবাৰ মাথোঁ চাই আহোঁ
তেজ পৰি জিলিকি উঠা ।
কাশ্মীৰৰ সেউজ উপত্যকাখন !!

# JUST FOR YOU

Dipanwita Baruah

Lying on my bed all alone.
Thinking of you my dearest dear
Could I ever believe,
You and me had met
Just to say "good-bye"......
Though life has taken you to a separate path,
May you find every happiness wherever you go.
I will always be waiting for you ....
To see your smiling face again.
Though you may be far away from my sight
You will never be away from my heart;
I will always remember you and
will treasure you memories ......
Could I ever believe,
You and me had met
Just to say "good - bye ".

Student of T.D.C 3rd year (Science)



# TIME IS PRECIOUS

: Krishna Row

To know the value of one year, ask a
student who failed in his exam.
To know the value of one month, ask a
Mother who gave birth to a premature baby.

To know the value of one week, ask an editor of a
weekly.

To know the value of one day, ask a daily wage
labourer

To know the value of one hour
ask the lover who is awaiting the love

To know the value of one minute ask a
person who missed the train.

To know the value of one second ask a
person who escaped an accident.

To know the value of one milli-second
ask an athlete who got a silver medal in Olympic


Student T.D.C 3rd year (Arts)

# MY FIRST LOVE

Jaynath Singh.

It was on a bright and sunny day
And I was going my usual way glamorous
When I first saw the glamorous star
That set my heart wage in civil war
A delightful creature was she
The wind you don't after see
I stared and stared after the vision
And oh ! That's how my heart got imprisoned.
She had a name to match her face
A face that literally haunted all my days
The first time we were introduced
By yeh ! One word I hardly produced
I really couldn't sleep that night
That's how she had me all right
Help me God ! What's happening to me?
I had no idea if this was we meant to be
This must be what they call love
If so, please make it last my lord :

Student T.D.C 3rd Year (Arts)



# LIFE

Pranami Saikia

Life's like a burning candle.
We should take care to handle.
Life's like a bunch of rose.
Pricks thee if thou come close.

Life is like a journey,
We should travel it.
Life's a traffic point.
Try to achieve it.

Life is a dream.
We should realize it,
Life is moment's wonder,
We should utilize it.


Life's like the slivery moon.
Its glaze all over strewn,
Life's an ultimate goal.
It's realization is thy boon.

Student, H.S. 1st Year (Arts)

# अंहम गँरु त्याग

अजय छेत्री
बी.ए. तेस्रो वर्ष

हृदयमा घृणा लिएर
आउने, सायद
यो आफ्नो स्वार्थ हो ।
अधि आईलागेको निष्ठूर भेललाई
दुई हातले छेक्नु पनि
प्रयास त व्यर्थै हो नि
थियो कम्रो रहर त
आफ्नो परिचयले जिउने
तर के गर्ने ?
अहंको कसीले जान नसक्ने
अवत रहनछन दिन र रात
आफू आफूमा अहम मान्ने
तो रुख
जसको न्यानो छहारीमुनि बसि
बाजे बराजुले 'बाहादुर' तुल्याये थे
गिज्याउन लाग्यो आज तेसले पनि
धिक्कार, धिक्कार हो हामिमा
धिक्कार हाम्रो जीवनमा,
धिक्कार हाम्रो एकतामा ।



# भूल

अमीर राणा
बी. ए. तेस्रो वर्ष

जिन्दगी को यो मोड़मा मईले भूल गरेछु,
यो भूल कि, तिमी सग प्रेम गरेछु ।
यो भूल, जो ने मलाई एक्लो बनायो,
म देखि तिमीलाई पराई बनायो ।
भूल थियो तिमी, भूल थियो मेरो कल्पना,
भूल थियो मेरो तिमीलाई आफ्नो बनाउने सपना ।
किन गरे भूल (??) किन परे भूलमा (???)
केहि उत्तर पाउदिन यो आवेगिक क्षणमा
तिमीले दियेको मायाको चिनो एउटा फुल थियो
त्यो फूल लाई 'तिमी' सोच्नु नै मेरो भूल थियो
मलाई लाग्छ कतई तिमीले पनि भूल त गरेनौं (?)
भविष्यतमा तिमी अतीत लाई सम्झि कहिले नरोऊ
बिर्सन खोज्दछु तिमीलाई, ...... तिम्रो यादलाई
डर लाग्छ मलाई, फेरि अर्को भूल गर्छु कि कतई ?

# आधा दर्जन हाइकु

ए. शाँन्ति
बि.एससि तेस्रो बर्ष

(क)
जीबन नाटक
मुखा अलगै
भिन्न भन
एउटै सड़क ।

(ख)
नाटक सकियो
हिड़े सबै
धुईचो बाटो
एउटै दिशा ।

(ग)
जीवन मानिस
दुबै चक्र
आज दाहिने
अनि देब्रे ।

(घ)
फिजायेर छाति
निहुरायेर शिर
सिद्दो रहेछु
खोकरो मादल ।




(ङ)
[illegible]
[illegible]
[illegible]
[illegible]

(च)
[illegible] बाड़ि
लड्यो घर
नाड़्गो हृदय
केको डर ।

# बाच्नै गाह्रो पर्‍यो

यादव उपाध्याय



हर रात सिरानी मेरो
आँसूले भिजेको हुन्छ
कसैको बेदनाले हर घडी सताउँदा
मुटू मेरो जलेको हुन्छ ।

दिन त जसो तसो बिताई दिन्छू
साझमा उसको मुस्काई दिन्छ
जति-जति साँझ पर्दै जान्छ
व्यथा अझै बल्झेको हुन्छ ।

मन भूलाउन अनेक प्रयास गर्छु
प्राय हरेक रात रोएकै हुन्छु
जति-जति मन रूँदै जान्छ
व्यथा अझै बढ़ेकै हून्छ ।

आउँछ सम्झना घरी-घरी
साँस फेर्न नै साह्रो पार्ने गरी,
दुख्छ मुटू विशाल काँढा बिझेसरी
भन्नू अब म बाचौं कसरी.............. ?

## সম্পাদকৰ নিৰ্বাচিত শিতান

### জ্ঞানপীঠ বঁটা বিজয়িনী লেখিকা

# মামণি ৰয়ছম গোস্বামী ঃ

### জীৱনপঞ্জী আৰু গ্ৰন্থপঞ্জী

অসমীয়া সাহিত্য জগতত ২০০১ বৰ্ষতো এটা বিশেষ কাৰণত চিৰস্মৰণীয় হৈ ৰ'ব । সেয়া হৈছে সুদীৰ্ঘ ২২ টা বছৰৰ অন্তত অসমীয়া সাহিত্যিকৰ জ্ঞানপীঠ বঁটা লাভ । অসমীয়া সাহিত্যজগতত প্ৰথম জ্ঞানপীঠ বঁটা লাভ কৰিছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই । ১৯৭৯ চনত 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে এই বঁটা লাভ কৰা ভট্টাচাৰ্যদেৱৰ পাছতে মামনি ৰয়ছম গোস্বামী এতিয়া দ্বিতীয় নাম । মামণি ৰয়ছম গোস্বামীক কোৱা হয় দুঃসাহসী লেখিকা । সত্য উপস্থাপনত আপোচবিহীন এই লেখিকাগৰাকীৰ গদ্যশৈলী যথেষ্ট জটিল্ । দুঃসাহস প্ৰদৰ্শনৰ বাবে তেওঁ প্ৰচলিত বিশ্বাসতো কুঠাৰঘাত কৰিবলৈ পিছ হোহকা নাই । বাস্তৱ অভিজ্ঞতাই মামণি ৰয়ছম গোস্বামীৰ সাহিত্য সৃষ্টিৰ মূল বিষয়বস্তু বুলি কব পাৰি । জীৱনলৈ অহা সংঘাতক 'চেলেঞ্জ' হিচাপে লোৱা এইগৰাকী লেখিকাক গল্পলেখিকা অথবা ঔপন্যাসিকা হিচাপে যিদৰে অভিহিত কৰা হয় ; ঠিক সেইদৰে অভিহিত কৰা হয় ৰামায়ণী সাহিত্যৰ গবেষিকা হিচাপে । ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এইগৰাকী সাহসী লেখিকালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হৈছে ।

#### মামণি ৰয়ছমৰ গ্ৰন্থপঞ্জী

*গল্প সংকলন ঃ*

১। চিনাকী মৰম, ১৯৬২; ২। কইনা, ১৯৬৬; ৩। হৃদয় এক নদীৰ নাম, ১৯৯০; ৪। মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প, ১৯৯৮ ।

*উপন্যাস ঃ*

১। চেনাবৰ সোঁত, ১৯৭২;
২। নীলকণ্ঠী ব্ৰজ, ১৯৭৬;
৩। অহিৰণ, ১৯৮০;
৪। মামৰে ধৰা তৰোৱাল, ১৯৮০;
৫। বুদ্ধসাগৰ ধূসৰ গইসা আৰু মহম্মদ মুছা (মামৰে ধৰা তৰোৱাল গ্ৰন্থৰ অন্তৰ্ভুক্ত);
৬। দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, ১৯৮৮,
৭। আধা লেখা দস্তাবেজ (আত্মজীৱনীমূলক);
৮। সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ ইত্যাদি (তিনিখন উপন্যাস সংগ্ৰহ), ১৯৮৯;
৯। জখমী যাত্ৰী (ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি' গ্ৰন্থ অন্তৰ্ভুক্ত) ১৯৯০;
১০। তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (চাৰিখন উপন্যাস আৰু দুটা গল্প-সংগ্ৰহ);
১১। উপন্যাস সমগ্ৰ (বাৰখন উপন্যাসৰ সংগ্ৰহ), ১৯৯৮ ।
১২। ছিন্নমস্তাৰ মানুহটো (২০০১ ডিচেম্বৰ)

*জীৱনী-গ্ৰন্থ ঃ*

১। মহীয়সী কমলা (ড০ কমলা ৰত্নমৰ জীৱনী) ১৯৫৫;

*গৱেষণা - গ্ৰন্থ ঃ*

১। Ramayana from Ganga to Brahmaputra ১৯৯৬

*বিভিন্ন ভাষাৰ পৰা অনূদিত ঃ*

১। প্ৰেমচান্দৰ চুটিগল্প, ১৯৭৫;
২। আধা ঘন্টা সময় (মালায়ালম উপন্যাস Aranazhikaneram অনুবাদ) ১৯৭৫;
৩। জাতক কথা; ৪। কলম (হিন্দী, উৰ্দু, পাঞ্জাবী আৰু বঙালী গল্পৰ অনুবাদ) ।

*ইংৰাজীলৈ অনূদিত ঃ*

১। The Shadow of the Dark God and the Sin ('নীলকণ্ঠী ব্ৰজ'ৰ অনুবাদ) ১৯৮৬;
২। Selecited works of Indira Goswami, ১৯৮৮;
৩। An Unfinished Autobiography ('আধা লেখা দস্তাবেজ'ৰ অনুবাদ) ১৯৯০;
৪। Saga Of South Kamrup ('দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ অনুবাদ) ১৯৯৩;

*হিন্দীলৈ অনূদিত ঃ*

১। Neel Kanthi Braya , ১৯৮৮;
২। Jivan Koi Sauda Nahin ১৯৯২;
৩। Dakshini Kamrup Katha ১৯৯৭ ।


*জীৱনৰ নেপথ্যত মামণি ৰয়চম ঃ*

১৯৪২ চন ঃ জন্ম গুৱাহাটীত ।
১৯৫৭ চন ঃ মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ, গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় পৰা ।
১৯৬০-৬৩ চন ঃ বি. এ. আৰু এম. এ. ডিগ্ৰী লাভ ।
১৯৬৫ চন ঃ মাধৱেণ ৰয়ছম আয়েংগাৰৰ স'তে বিবাহ ।
১৯৬৭ চন ঃ স্বামী মাধৱেন ৰয়ছমৰ দুৰ্ঘটনাত মৃত্যু ।
১৯৬৮ চন ঃ গোৱালপাৰা সৈনিক স্কুলত শিক্ষয়ত্ৰী হিচাপে যোগদান ।
১৯৬৯ চন ঃ গৱেষণাৰ বাবে বৃন্দাবনলৈ যাত্ৰা
১৯৭১ চন ঃ দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে যোগদান ।
১৯৭৩ চন ঃ পি. এইচ. ডিগ্ৰী লাভ (ৰামায়ণী সাহিত্য বিষয়ত)
১৯৮৩ চন ঃ 'মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ ।
১৯৮৮ চন ঃ অসম সাহিত্য সভাৰ বঁটা লাভ ।
১৯৮৯ চন ঃ ভাৰত নিৰ্মান বঁটা লাভ, দিল্লী ।
১৯৮২-৯২ চন ঃ সদস্যা, গৱেষণা সমিতি, দিল্লী বিশ্ববিদ্যালয় ।
১৯৯২ চন ঃ সৌহাৰ্দ্য বঁটা, উত্তৰ প্ৰদেশ হিন্দী সংস্থা ।
১৯৯৩ চন ঃ কথা বঁটা লাভ, দিল্লী ।
১৯৮৮-৯৩ চন ঃ সদস্যা, উপদেষ্টা সমিতি (অসমীয়া), সাহিত্য অকাডেমী
১৯৯০-৯৫ চন ঃ সদস্যা, ভাৰতীয় লেখিকা সংস্থা, নতুন দিল্লী ।
১৯৯৬ চন ঃ কমল কুমাৰী ফাউণ্ডেচন বঁটা লাভ ।
১৯৯৮ চন ঃ স্পেইনৰ ত্ৰিনিদাদ চহৰ ৰামায়ণী সাহিত্য সম্পৰ্কীয় আন্তঃ ৰাষ্ট্ৰীয় আলোচনা চক্ৰত সঞ্চালিকা হিচাপে যোগদান
১৯৯৮ চন ঃ মিৰ্জা গালিবৰ দ্বি-শতবাৰ্ষিকী উৎসৱ উপলক্ষে সাহিত্য অকাডেমী আৰু উৰ্দু অকাডেমীৰ আয়োজন কৰা সভাত সঞ্চালিকা হিচাপে অংশগ্ৰহণ
১৯৯৯ চন ঃ ভাৰত আন্তৰ্জাতিক কেন্দ্ৰত হিন্দী আলোচনা সভাত সঞ্চালিকা হিচাপে যোগদান
২০০১ চন ঃ জ্ঞানপীঠ বঁটা লাভ ।

*সংগ্ৰাহক ঃ পদ্ম বিকাশ কোঁচ*

সম্পাদকৰ নিৰ্বাচিত শিতান

# অনুভৱৰ দুটা তৰংগ



ধৰণী লাহন

(১)

## নদী আৰু জীৱন

নদী আৰু জীৱনৰ মাজত কিবা পাৰ্থক্য আছেনে ? নিশ্চয় নাই। নদী আৰ জীৱন মূলত: একেই । নদী প্ৰকৃতিৰ অনবদ্য সৌন্দৰ্য। জীৱন মানৱ জাতিৰ এক ৰহস্যপূৰ্ণ সত্ত্বা । অৱশ্যে সকলো প্ৰাণীৰেই জীৱন আছে যদিও; ইয়াত কেৱল মানৱ জীৱনৰ কথাই কোৱা হ'ব । নদী আৰু মানুহৰ জীৱনে আচলতে একো একোটা ৰহস্যপূৰ্ণ দিশৰে ইংগিত বহন কৰে । জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ আচল স্বৰূপ । কিন্তু মৃত্যুক নেওচিও আচলতে জীৱনে আগবাঢ়ি যাব পাৰে । কিন্তু নদী ? নদী সদায় সাগৰমুখী । জীৱনৰ দৰে নদীৰো এটা নিজস্ব গতি আছে । জীৱন মৃত্যুলৈ আগবাঢ়ি যোৱাৰ দৰে নদী আগবাঢ়ি যায় সাগৰলৈ । সেয়ে কবিয়ে কৈছে - "নদী, সাগৰ মুখী যাৰ অনন্ত গতি .........।"

মানুহৰ জীৱন যিদৰে এটাই, ঠিক সেইদৰে নদীও একেখনেই । কিন্তু এই দুয়োটাৰে স্বৰূপ সময়ে সময়ে সলনি হয় । পৰিবেশ পৰিস্থিতিয়ে মানুহৰ জীৱনক বিভিন্ন ৰঙৰ কৰি তোলাৰ দৰে নদীকো পৰিবেশ পৰিস্থিতিয়ে কেতিয়াবা একো একোটা বেলেগ ৰূপ প্ৰদান কৰে । কিন্তু এই ৰূপৰ মাজতো নদী আৰু জীৱনে মৌলিক লক্ষ্য প্ৰাপ্তিৰ সন্ধানত আত্মনিয়োগ কৰে । সাগৰ যিদৰে নদীৰ শেষ লক্ষ্য ; ঠিক সেইদৰে মৃত্যু জীৱনৰ অন্তিম সত্য । পাঁখিলগা কাঁড়ৰ দৰে ইহঁতৰ এক অবিৰত যাত্ৰা । সংঘাত, সংশয়, ধুমুহা বৰষুণ অথবা অজস্ৰ বাধা বিঘিনিকো নদী আৰু জীৱনে নেওচিব পাৰে । এইবোৰক নেওচিব পৰাৰ বাবেই জীৱন আৰু নদীৰ সৌন্দৰ্য আছে আৰু আছে একো একোটা মায়াবী সংজ্ঞা ।

জন্মৰ পৰা মৃত্যুলৈকে - এই সময়ছোৱাকে যিহেতু জীৱনৰ ভিতৰত আৱদ্ধ কৰা হয়, সেয়ে জীৱনক আমি বিভিন্ন দৃষ্টিকোণৰ পৰা চাব পাৰো। এজন মানুহৰ জন্মৰ পৰা মৃত্যু ক্ষণলৈকে এটা দীঘলীয়া পথ । এইপথত বিভিন্ন স্তৰ থাকে আৰু থাকে শত সহস্র বাধা বিঘিনি । শৈশৱ, কৈশোৰ, যৌৱন, বৃদ্ধ — জীৱনৰ এই চাৰিটা বিশেষ স্তৰ । প্ৰতিটো স্তৰৰ মাজতে জীৱনৰ কেইবাটাও বসন্তৰ সুদৃশ্য দেৱাল । এই দেৱালক অতিক্ৰম কৰি জীৱন আগবাঢ়ি যায় । জীৱনৰ এই চাৰিটা স্তৰক উপলব্ধি কৰাৰ ক্ষেত্ৰত বাস্তৱ পৃথিৱীখনৰে মূখ্য ভূমিকা থাকে । পৃথিৱীখন যদি ৰঙীন হয়, ইয়াৰ স্বৰূপ যদি সদায় একেই থাকে তেনেহ'লে জীৱনৰো উপলব্ধি মানুহৰ বাবে একেই হয় । ৰঙৰ তাৰতম্যৰ বাবেই আমাৰ চকুৰ আগত থকা অলেখ বস্তুৰ মাজত প্ৰভেদ অনুভৱ কৰাৰ দৰে জীৱনতো এই ৰঙৰ প্ৰভাৱ পৰে ।

নদীও জীৱনৰে অন্য এটা ৰূপ । অলেখ সলিল ৰাশিৰ সমষ্টি নদী । কিন্তু এই সলিল ৰাশিৰ ৰূপ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ হয় । নদী এখন সাগৰ মুখী গতিৰে গৈ থাকোতে অলেখ গাঁও, চহৰ, অৰণ্য, পৰ্বত, পাহাৰ আদিৰ মাজেৰে আগবাঢ়ি যাব লাগে । যিদৰে জীৱনটো আগবাঢ়ি যাওঁতে অতিক্ৰম কৰিব লাগে ইয়াৰ নিজস্ব স্তৰ বোৰক । নদী এখনে সাধাৰণতে গাঁৱৰ মাজেৰে গ'লে যিটো ৰূপ লয়, চহৰৰ মাজেৰে গ'লে সেইটো ৰূপ নলয়। একেখন নদী হ'লেও গাঁৱৰ মাজেৰে যোৱা নদীখনে ইয়াৰ বুকুত লৈ যায় পাৰৰ গাওঁ সমূহত বসবাস কৰা কৃষক ৰাইজৰ মুক্ত হাঁহি, নাঙল ধোৱা পানী অথবা মুনিহ তিৰোতা, ডেকা গাভৰু আদি সকলৰ দেহৰ অলেখ গোন্ধ । কিন্তু চহৰৰ মাজেৰে বৈ যাব লগা হ'লে চহৰবাসীয়ে' পেলোৱা জাবৰ জোথৰ অথবা পেলনীয়া বস্তু কিছুমানক বুকুত লৈ নদীখন আগবাঢ়ি যাব লাগে । নদী বেদনা গধুৰ হয় চহৰৰ মাজত । কিন্তু অৰণ্যৰ মাজ পোৱাৰ লগে লগে নদীয়ে নিজৰ ৰূপ সলনি কৰি পেলায় । অৰণ্যৰ মাজত নদীয়ে অৰণ্যৰ গভীৰতাৰ স'তে একাকাৰ হৈ পৰে । একো একোটা ভয়াৰ্ত স্বৰূপক প্ৰতিনিধত্ব কৰে নদীয়ে । পৰ্বত পাহাৰৰ মাজতো নদীৰ এই স্বৰূপ প্ৰত্যক্ষ কৰা হয়। প্ৰকৃতিৰ ৰহস্যপূৰ্ণ সৌন্দৰ্য নদীয়ে আচলতে অন্য অৰ্থত জীৱনৰ সংজ্ঞাকেই প্ৰতিনিধিত্ব কৰে। জীৱনলৈ নানা সংঘাত অহাৰ দৰে নদীৰ বুকুলৈও আহে সংঘাত অথবা দুৰ্যোগ। বাৰিষা, খৰাং ইত্যাদিবোৰ হ'ল নদীৰ বাবে একো একোটা দুৰ্যোগ। বাৰিষা বতৰত যৌৱন প্ৰাপ্ত নদীখনে কেতিয়াবা পৰ্বত পাহাৰ, চহৰ অথবা গাঁৱৰ মাজত পাৰ্থক্য একাকাৰ কৰি পেলায় । জীৱনে বাস্তৱ পৃথিৱীখনৰ সৈতে যুঁজি যুঁজি মৃত্যুৰ পথলৈ আগবাঢ়ি যোৱাৰ দৰে নদীও অলেখ বাধা বিঘিনি অতিক্ৰম কৰিহে সাগৰলৈ বৈ যায় । নদী আৰু জীৱন-সংগ্ৰামৰো অন্য এটা নাম। নিজৰ লক্ষ্য প্ৰাপ্তিৰ বাবে দুয়োবিধৰে সংগ্ৰাম প্ৰায় সমপৰ্যায়ৰ হয়।

জীৱন আৰু নদী এই দুয়োটাৰে এটা উমৈহতীয়া লক্ষ্য আছে । সেয়া হৈছে মহাজীৱনৰ সন্ধান। নদীয়ে যিদৰে মহাজীৱনৰ সন্ধান কৰে, ঠিক সেইদৰে জীৱনেও সন্ধান কৰে মহাজীৱনৰ। এই দুয়োটাই পৃথিৱীত নিজৰ নাম যুগমীয়া কৰি যাবলৈ বিচাৰে। প্ৰকৃতিৰ বুকুত যিদৰে নদীৰ নাম চিৰশাশ্বত হয়, ঠিক সেইদৰে জনঅৰণ্যৰ বুকুতো কিছুমান মানুহৰ নাম চিৰ যুগমীয়া হয়। জীৱনৰ প্ৰকৃত সৌন্দৰ্য সন্ধান কৰিব জনা সকলৰ বাবেহে এয়া সম্ভৱ। জীৱন আচলতে মৰণ বিজয়ী সাধনা। মৰণে আৱৰা মৰুৰ মাজতো যি জীৱনৰ মূৰ্চ্ছনা তুলিব পাৰে সেয়াই হৈছে প্ৰকৃত অৰ্থত জীৱন। জীৱনৰ অনুপম সৌন্দৰ্য উপলব্ধি কৰিবলৈ হ'লে প্ৰকৃতিৰ অন্য এক সৌন্দৰ্য নদীৰ বিষয়েও জানিব লাগিব। নদী আৰু জীৱনৰ মাজত যি সকলে সাদৃশ্য বিচাৰি নাপায়, তেওঁলোকৰ কাৰণে জীৱন নিষ্প্ৰাণ, নিৰস আৰু অনুভূতিহীন।

(২)

# জীৱন আৰু সংঘাত

মানুহৰ জীৱনটো বাৰু কিহৰ সমষ্টি ? কেৱল সুখ আৰু দুখৰ সমষ্টিয়েই মানুহৰ জীৱন নেকি? নিশ্চয় নহয়। মানুহৰ জীৱনত আৰু বহুত কিবা কিবি থাকে। থাকে সেউজীয়াৰ গভীৰতা অথবা নীলাৰ বেদনা। কিন্তু এইবোৰৰ বাহিৰেও মানুহৰ জীৱনত আৰু এবিধ সদৰ প্ৰভাৱ থাকে। সেয়া হৈছে সংঘাত। সংঘাত নহ'লে মানুহৰ জীৱনৰ কোনো অৰ্থই নাথাকে। সংঘাত থকাৰ বাবেই পৃথিৱীৰ কোটি কোটি মানুহৰ জীৱন ৰসময় হৈছে; জীৱনে পূৰ্ণতা লাভ কৰিব পাৰিছে। সংঘাত বিহীন জীৱন নিৰস, নিষ্প্ৰান, একঘেয়ামী । সংঘাতেই মানুহৰ জীৱনলৈ কঢ়িয়াই আনিব পাৰে সুখৰ অলেখ সেউজীয়া । সংঘাতৰ বাবেই পৃথিৱীত মহৎ সাহিত্য অথবা শিল্প কৰ্ম আদিবোৰৰ সৃষ্টি হৈছে ।

সংঘাত এটা বিমুৰ্ত্ত বস্তু । ই মানুহৰ জীৱনলৈ প্ৰত্যাশিত অথবা অপ্ৰত্যাশিত ভাবেও আহিব পাৰে । নিজৰ ব্যক্তিগত জীৱন যাত্ৰাত কৰা কৰ্ম চিন্তা চৰ্চা আদিবোৰৰ সৈতেই সংঘাতৰ প্ৰসংগটো জড়িত হৈ আছে । এজন মানুহৰ জীৱনত সংঘাতৰ অপ্ৰত্যাশিত আগমন হ'লে সেই সংঘাতক জীৱনৰ 'চেলেঞ্জ' হিচাপে গ্ৰহণ কৰিব পৰাটোহে মানুহৰ জীৱনৰ আচল স্বৰূপ । প্ৰত্যাশিত সংঘাতৰ ক্ষেত্ৰত মানুহৰ ধৈৰ্য, সাহস আৰু সহনীয় গুণৰ খুবেই প্ৰয়োজন । পৃথিৱীত এনে মানুহো আছে যি মানুহে সংঘাতৰ কবলত পৰি জীৱনৰ সৰ্বস্ব হেৰুৱাই পেলোৱাৰ পাছতো জীৱনক হাঁহিৰে ওপচাই ৰাখিব পাৰিছে । সংঘাতৰ কবলত কাবু নহৈ সাহসেৰে আগবাঢ়ি গ'লেই মানুহৰ জীৱন সুখ অথবা আনন্দৰ সমষ্টি হয় ।

অসমীয়া সাহিত্যৰ বহুতো মহৎ সাহিত্য কৰ্ম কেৱল সংঘাতৰ প্ৰসংগৰ বাবেই চিৰন্তন আবেদনেৰে মহীয়ান হৈ আছে । প্ৰেমৰ ক্ষেত্ৰত অহা সংঘাতৰ সুন্দৰ বৰ্ণনা আৰু ইয়াৰ কৰুণ পৰিণতিৰ স্পষ্ট ছবি অংকনৰ ক্ষেত্ৰত সাৰ্থক হোৱা বাবেই ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' আজিও এখন সৰ্বজন সমাদৃত উপন্যাস । বীনা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসতো "তগৰ" ৰ জীৱনলৈ অহা সংঘাতে চৰিত্ৰটোৰ উজ্জ্বলতা চিৰন্তণ কৰি ৰাখিছে । ঠিক সেইদৰে জীৱনৰ দুৰ্গম যাত্ৰাপথত সংঘাতৰ দেওনা পাৰ হোৱাৰ সাহস থকাৰ বাবেই মামণি ৰয়ছম গোস্বামীৰ দৰে সাহসী লেখিকাই সাফল্যৰ উচ্চ শিখৰত আৰোহন কৰিব পাৰিছে । জীৱনৰ আদবাটতে সংঘাতৰ সন্মুখীন হোৱাৰ পাছতো বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে প্ৰকৃতি আৰু চৰাই বিষয়ক কবিতা লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে । জীৱনৰ সৈতে সংঘাতৰ ওতপ্ৰোত সম্পৰ্ক থকাৰ বাবেই বোধহয় গায়কেও গাইছে ।

"সংঘাতে যদি হয় চিৰলগৰীয়া
দৃঢ়তাৰে তাকেই কৰা...........................।"

মানুহৰ জীৱনলৈ সংঘাত আহিলে মানুহ সাধাৰণতে দুৰ্বল হৈ পৰে । চৌপাশৰ ধুনীয়া পৃথিৱীখন সংঘাতৰ বাবেই ধুসৰ হয় । উজ্জ্বল পোহৰ ক্ৰমান্বয়ে ম্লান হৈ আউসীৰ আন্ধাৰে মানুহৰ দুচকু ছানি ধৰে । কিন্তু এইবোৰ কোনো কাৰণতেই গ্ৰহণীয় নহয় । মানুহৰ জীৱনলৈ যিমানেই সংঘাত নাহক কিয়, সেই সংঘাতক অতিক্ৰম কৰি যাব পৰাতেই মানুহৰ জীৱনৰ আচল সাৰ্থকতা । এই প্ৰসংগত আমি প্ৰকৃতিৰ সৈতে মানুহৰ জীৱনক তুলনা কৰি চাব পাৰোঁ । প্ৰকৃতিৰ বুকুলৈ যেতিয়াই ফাগুণ আহে, তেতিয়াই গছ বনৰ পাত সৰি সকলোবোৰ লঠঙা হয়। মানুহৰ জীৱনটোও আচলতে এই প্ৰকৃতিৰ দৰেই । ফাগুনত লঠঙা হোৱা প্ৰকৃতি ৰাজ্য বসন্তৰ পৰশত ন' সাজেৰে সাজোন কাচোন হৈ ওলোৱাৰ দৰে সংঘাতৰ পাছতেই মানুহে জীৱনক গঢ়িব পাৰে । জীৱনক গঢ়াৰ বাবে মানুহৰ জীৱনত সংঘাত অপৰিহাৰ্য। বাস্তৱৰ সৈতে ক্ষণে ক্ষণে যুঁজ দিব পাৰিলেহে মানুহৰ জীৱন এটা সময়ত সুখৰ সমষ্টি হ'বগৈ পাৰে । সেয়ে নীলমনি ফুকনৰ দৰে জনপ্ৰিয় কবিয়েও কৈছে -


"হাতত খোলা তৰোৱাল লৈ আহিবা বেদনা যি তৰোৱালৰ ধাৰ।" - ইয়াত খোলা তৰোৱাল অথবা তৰোৱালৰ ধাৰ জীৱনলৈ অহা সংঘাতৰে সমষ্টি । কবিয়ে জীৱনৰ পূৰ্ণতাৰ বাবে এই সংঘাতক স্ব-জ্ঞানেৰে আমন্ত্ৰণ জনাইছে।

" কাম বহুত, সময় তাকৰ, জীৱন চুটি"- সূৰ্য কুমাৰ ভূঞা

## সম্পাদকৰ নিৰ্বাচিত শিতান

# অধ্যক্ষ মহোদয়লৈ মুকলি চিঠি ঃ

নমস্কাৰ গ্ৰহণ কৰিব। মই আপোনাৰ মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাত থকা এজন ছাত্ৰ। যোৱা পাঁচটা বছৰ ধৰি মই এই মহাবিদ্যালয়ত অধ্যয়ন কৰি আছোঁ। মহাবিদ্যালয়াযনৰ প্ৰাকৃতিক পৰিবেশ আৰু শৈক্ষিক দিশটোৱে মোক সদায়ে আকৰ্ষিত কৰি আহিছে। শতাব্দী প্ৰাচীন তৈলনগৰী ডিগবৈৰ উচ্চশিক্ষাৰ পুৰণি শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খনৰ যি অতীত ইতিহাস, সেই ইতিহাসো মোৰ কম-বেছি পৰিমানে জ্ঞাত। মহাবিদ্যালয়ৰ এজন সচেতন ছাত্ৰ হিচাপে যোৱা তিনিটা বছৰত যিখিনি অভিজ্ঞতা আহৰণ কৰিলোঁ, তাৰ ওপৰত ভিত্তি কৰিয়েই ইয়াত কিছু কথা মুকলিকৈ লিখাৰ প্ৰয়াস কৰা হৈছে।



নিম্নলিখিত বিষয়সমূহ মোৰ ব্যক্তিগত চিন্তাচৰ্চাৰ ফচল যদিও মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ - ছাত্ৰীৰ ৰাজহুৱা স্বাৰ্থও ইয়াৰ লগত জড়িত নথকা নহয়।

ছাত্ৰ - ছাত্ৰীসকলৰ সামাগ্ৰিক স্বাৰ্থ আৰু মহাবিদ্যালয় খনক ভৱিষ্যতে উজ্জ্বল কৰি তোলাৰ মানসেৰেই এই বিষয়সমূহ অৱতাৰণা কৰা হৈছে।

আশা ৰাখিছোঁ, মহোদয়ে সকলো বোৰ বিষয় চালি জাৰি চাই একো একোটা কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ চেষ্টা কৰিব।

১. মহাবিদ্যালয়খনৰ বয়সে সাতত্ৰিছ বছৰ বয়সত ভৰি দিলেও আজিলৈকেপতি ছাত্ৰসকলৰ বাবে 'ছাত্ৰ নিবাস' নিৰ্মান নোহোৱাটো

অতি পৰিতাপৰ কথা বুলি আমি ভাবোঁ । ডিগবৈ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ কথা বাদ দিও দূৰ-দূৰণিৰ বহুতো ছাত্ৰৰ শিক্ষাৰ ভেটি এই ডিগবৈ কলেজ । তেনে ছাত্ৰৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি এটা ছাত্ৰনিবাস নিৰ্মাণ কৰাটো অতি দৰকাৰী কথা । ভাৰপ্ৰাপ্ত মহোদয়ে এই ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে অন্য এক ফালৰ পৰাও মহাবিদ্যালয়খন আকৰ্ষণৰ বস্তু হৈ পৰিব ।

২. মহাবিদ্যালয় এখনৰ ছাত্ৰ - ছাত্ৰীৰ সকলৰ শৈক্ষিক আৰু অন্যান্য প্ৰতিভা বিকাশৰ বাবে কেৱল মহাবিদ্যালয় সপ্তাহটোৱেই যথেষ্ট নহয় । মহাবিদ্যালয় সপ্তাহৰ ওপৰিও মহাবিদ্যালয় সমূহত মাজে মাজে ৰাজ্যিক অথবা জিলা ভিত্তিত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা (তৰ্ক, কুইজ আদি), আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি ছাত্ৰ - ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধন কৰাত অধ্যক্ষ মহোদয়ে গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে । দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ৰ এনে কোনো অনুষ্ঠান আজিলৈকে উপভোগ কৰিব পোৱা নাই । এয়া আমাৰ দুৰ্ভাগ্যৰ কথা বুলিয়েই আমি গণ্য কৰিছোঁ ।

৩. মহাবিদ্যালয়ৰ কিছুমান বাৰ্ষিক অনুষ্ঠান সমূহ নিয়মীয়া ভাৱে উচিত সময়ত অনুষ্ঠিত কৰিবলৈ আমি অধ্যক্ষ মহোদয়ক বিনম্ৰ অনুৰোধ জনাইছে । এইক্ষেত্ৰত বিশেষকৈ মহাবিদ্যালয় সপ্তাহ, মহাবিদ্যালয় নিৰ্বাচন আদি সময়মতে অনুষ্ঠিত নহ'লে এই কাৰ্যই ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক দিশটোৰ ওপৰত বহুখিনি নেতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থাকে ।

৪. ছাত্ৰ - ছাত্ৰীসকলৰ মাজত অধ্যয়নৰ প্ৰতি এটা প্ৰবল স্পৃহা জগাই তোলাত বঁটা, পুৰস্কাৰ আদিয়ে উল্লেখনীয় ভূমিকা পালন কৰে । এই বঁটা সমূহ শিক্ষাৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা (যেনে ব্যতিক্ৰমী ফলাফল, সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত) প্ৰকাশ কৰা ছাত্ৰ-ছাত্ৰী সকলক প্ৰদান কৰা হয়, কিন্তু দুৰ্ভাগ্যৰ কথা যে আমাৰ মহাবিদ্যালয়ত আজিলৈকে এনেধৰণৰ কোনো বঁটা প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই । গতিকে মহোদয়ে এই ক্ষেত্ৰত কিছু চিন্তা-চৰ্চা কৰিব বুলি আশা ৰাখিলো ।

৫. এখন মহাবিদ্যালয়ৰ আলোচনীখনেই হৈছে মহাবিদ্যালয়খনৰ দাপোন। কিন্তু দুখৰ বিষয় যে কোনো জন সম্পাদকেই নিজ কাৰ্যকালৰ সীমাৰ ভিতৰত নিজৰ কাৰ্য সম্পাদন কৰিবলৈ সমৰ্থ হোৱা নাই। এইক্ষেত্ৰত কেৱল সম্পাদকেই দায়ী নহয়। সভাপতি হিচাপে অধ্যক্ষ মহোদয়ৰো কৰণীয় থাকে বহুত। যাৰ অবিহনে সম্পাদক অচল। গতিকে অধ্যক্ষ মহোদয়লৈ এটি বিনম্ৰ অনুৰোধ, তেখেতে যেন ভবিষ্যতে আলোচনী সম্পাদকক পূৰ্ণ সহযোগিতা আগবঢ়াই আলোচনীখন সময়মতে পোহৰলৈ অহাত সহায় কৰে।

৬. আমাৰ মহাবিদ্যালয়ৰ লাইব্ৰেৰী কাৰ্ড দিয়াৰ ক্ষেত্ৰত কিছু আসোঁৱাহ বোধ কৰিছো। 'মেজৰ' থকাসকলক দুখন আৰু নথকা সকলক এখন কাৰ্ড দিয়াৰ ব্যৱস্থা আছে। কিন্তু সি ছাত্ৰ- ছাত্ৰীৰ অভাৱ পূৰণৰ ক্ষেত্ৰত যথেষ্ট বুলি মনে নধৰে। গতিকে অধ্যক্ষ মহোদয়ে এই ব্যৱস্থাৰ কিছু সাল - সলনি ঘটাই মেজৰ থকা ছাত্ৰ - ছাত্ৰীক তিনিখন আৰু নথকা সকলক দুখনকৈ কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিলে ছাত্ৰ - ছাত্ৰীৰ পৰম উপকাৰ সাধন কৰা হ'ব। প্ৰসংগ ক্ৰমে লাইব্ৰেৰী কাৰ্ড সম্পৰ্কীয় আৰু এটা কথা উনুকিয়াই থৈছো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্ড ঘূৰাই লোৱাৰ অন্তিম সময় সীমা হৈছে 'ফাইনেল' পৰীক্ষাৰ 'ফৰ্ম -ফিলাপ'ৰ প্ৰাক্ মূহুৰ্ত্ত। এনে কৰাৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই দুৰ্ভোগ ভুগিব লগা হৈছে। গতিকে অধ্যক্ষ মহোদয়ে এইক্ষেত্ৰত কিছু গুৰুত্ব প্ৰদান কৰি লাইব্ৰেৰী কাৰ্ডসমূহ অন্ততঃ ছাত্ৰ - ছাত্ৰীসকলৰ প্ৰৱেশ পত্ৰ দিয়া সময়লৈকে বঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

৭. শতাব্দী প্ৰাচীন তৈল নগৰী ডিগবৈৰ পুৰণি শিক্ষানুষ্ঠান হিচাপে ডিগবৈ মহাবিদ্যালয়ত এটা স্থায়ী প্ৰেক্ষাগৃহ নথকাটো অতি দুৰ্ভাগ্যজনক কথা। সেয়েহে অধ্যক্ষ মহোদয়ে এটা সম্পূৰ্ণ স্থায়ী প্ৰেক্ষাগৃহৰ কথা চিন্তা কৰাটো আমি গুৰুত্বপূৰ্ণ বুলিয়েই বিবেচনা কৰিছো।

বিনীত<br>
ৰাজীৱ ভট্টাচাৰ্য্য<br>
ছাত্ৰ, ডিগবৈ মহাবিদ্যালয়

# ডিগবৈ মহাবিদ্যালয়ৰ

## ২০০০ - ২০০১ বৰ্ষৰ ছাত্ৰ একতা সভা



সভাপতি
মনেশ্বৰ বৰ্মন


উপ-সভাপতি
নৱীন দুবে



সাধাৰণ সম্পাদক
ৰাজীৱ ভট্টাচাৰ্য্য


আলোচনী সম্পাদক
ধৰণী লাহন


গুৰু খেল বিভাগৰ সম্পাদক
চিৰজিৎ কুমনেন


তৰ্ক আৰু আলোচনাবিভাগৰ
সম্পাদক
অজয় ছেত্ৰী


লঘু খেল বিভাগৰ সম্পাদক
পাপু সোনোৱাল



সাধাৰণ খেল বিভাগৰ সম্পাদক
ৰুণু হাজৰিকা





শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
অতুল দাস


সমাজ সেৱা বিভাগৰ সম্পাদক
মানস প্ৰতীম দাস

*বি. দ্ৰ. - সংগীত বিভাগ, ছাত্ৰ জিৰণি চ'ৰা বিভাগ আৰু ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদক সকলৰ ফটো যথাসময়ত সংগ্ৰহ কৰিব নোৱাৰাৰ বাবে প্ৰকাশ কৰিব পৰা নগ'ল.* — সম্পাদক



মহাবিদ্যালয়ৰ পুথি ভঁৰাল



মহাবিদ্যালয়ৰ বাণিজ্য ভৱন




মহাবিদ্যালয়ৰ তোৰণ



অধ্যক্ষৰ দ্বাৰা ৩৬ তম মহাবিদ্যালয় সপ্তাহৰ শ্বহীদ তৰ্পন



বদন কটকীৰ দ্বাৰা ১৯৯৯ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনী উন্মোচন

# মহাবিদ্যালয়ৰ প্ৰতিভা- ২০০০-২০০১




**Subhajeet Debnath** **Krishna Dey**

**— The best Quiz Group of the College —**

Their remarkable achievement during the session 200'01 are as follows :-

1) Raihan Shah Memorial Inter College quiz Competition organised by Doom-Dooma College ( 1st Prize ).
2) Amarjeet Talukdar Memorial All Assam Inter College Quiz Competition organised by Digboi Regional Students Union, Digboi (1st Prize)
3) Rabindra Jayanti Quiz Competition Organised by India Club, Digboi (1st Prize).
4) All Assam Inter College Quiz Competition Organised by Tinsukia District Students Union (3rd Prize)

May the competitor have bright future.



**Sri Dharani Lahan**

**— Best Debator, 2000-'01 year —**

* First Prize Winner, Inter College Speech Competition of 2000-2001 among the college under Dibrugarh University, Organised by "Anirvan Sanskruti Gosthi" of Teok, Jorhat.
* Second Prize Winner
Prize-money Story Competition (Script)
Organised by "Gramaya Sanvadik Santha" Asom
* Winner of 1st Prize in Quiz Competition (Double)
2nd Prize in Prize-money Debating Competition (at 2nd Digboi Book Fair. Undivided Dibrugarh District Level)
* 1st Prize Winner in Eassy Competition organised by IOC (AOD), Digboi

May the Competitor have a bright future.



**Neelutpal Saikia**
**Best Athelete, 2000-'01 Year**



**Dipen Das**
**Best Actor, 2000-'01 Year**



**Subhajeet Debnath**
**Best Singer, 2000-'01 Year**



**Jainath Singh**
**Mr. Digboi College, 2000-'01 Year**




# সাধাৰণ সম্পাদক

জয়জয়তে মোৰ প্ৰতিবেদনৰ আৰম্ভণিতেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ সন্মানীয় শিক্ষাগুৰু কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক শুভেচ্ছা আৰু সশ্ৰদ্ধ নমস্কাৰ জ্ঞাপন কৰিছোঁ। ২০০০- ২০০১ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰা বাবে মই সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলৈ হিয়া ভৰা মৰম ও ধন্যবাদ যাচিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰি সাধাৰণ সম্পাদক হিচাপে মই আপোনালোকলৈ তথা ডিগবৈ মহাবিদ্যায়লৈ কিছু সেৱা আগবঢ়োৱা প্ৰয়াসেৰে মই আনন্দিত হৈছিলো। কিন্তু মোৰ সম্পূৰ্ণ কাৰ্য্যকালত মই ছাত্ৰ একতা সভাৰ অতি আদৰৰ আৰু চেনেহৰ এই আসন খনৰ সদ ব্যৱহাৰ কৰিব পৰিলোনে নাই সেইয়া আপোনালোকৰ বিচাৰ্য। তথাপিও মই মোৰ বিভাগীয় কামবোৰ কৰি তুলিবৰ বাবে সকলো প্ৰকাৰে চেষ্টা কৰিছিলো।

সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথমে "৩৬ তম মহাবিদ্যালয় সপ্তাহ" ইং ০৫ -০১- ০১ তাৰিখৰ পৰা ১০ -০১- ০১ তাৰিখলৈ মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্য, সদস্যাৰ তৰুণ প্ৰতিভাৰ সম্পূৰ্ণ বিকাশ আৰু সঠিক মূল্যায়নৰ লক্ষ্যৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰো। ইং ১৫-০১-০১ তাৰিখে ছাত্ৰ একতা সভাৰ সমূহ বিভাগীয় সম্পাদক সকলৰ লগত এখন সভা অনুষ্ঠিত কৰিছিলো আৰু উক্ত সভাতে মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ - অভিযোগৰ পূৰণৰ বাবে ১১ দফীয়া দাবী চনদ অধ্যক্ষ মহোদয়লৈ প্ৰেৰণ কৰিছিলো। শ্ৰী শ্ৰী সৰস্বতী আইৰ চৰণত এপাহি গন্ধ - পুষ্প দিয়াৰ বাবে ইং ২৯-০১-০১ তাৰিখে সৰস্বতী পূজা কিছু উলহ মালহেৰে উদ্‌যাপন কৰা হয়। ইং ১০-০২-০১ তৰিখে উচ্চতৰ মাধ্যমিক

আৰু চূড়ান্ত বৰ্ষৰ ছাত্ৰ - ছাত্ৰীক বিদায় সম্বৰ্ধনা জনাবৰ বাবে বিদায় সভা অনুষ্ঠিত কৰিছিলো । আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকলে শিক্ষা বা বিভিন্ন দিশত সন্মুখিন হোৱা বিভিন্ন সমস্যা সমূহ মুকলিভাবে আলোচনা কৰি ইয়াৰ সমাধান কৰাৰ বাবে এখন সাধাৰণ সভা অনুষ্ঠিত কৰিছিলো । এই বিলাকৰ ওপৰিও মাজে সময়ে ছাত্ৰ একতা সভাৰ সভাপতি তথা বিভাগীয় সম্পাদক সকলৰ সৈতে বিভিন্ন দিশৰ ওপৰত আলোচনা কৰাৰ বাবে সভা অনুষ্ঠিত কৰা হৈছিল । মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকলৰ বিভিন্ন ধৰণৰ সমস্যা মই যিমান পাৰিছিলো সমাধা কৰাৰ বাবে চেষ্টা কৰিছিলো ।

বাজেট : ছাত্ৰ একতা সভাৰ বিভিন্ন কাম কাজবোৰ ভালদৰে চলাই যাবৰ বাবে উন্নত বাজেটৰ প্ৰয়োজন হয় । আমাৰ মহাবিদ্যালৰ ছাত্ৰ - একতা সভাৰ বাজেটৰ মূল্য কম হোৱা বাবে মহাবিদ্যালয়ৰ বিভিন্ন উন্নয়নমুলক কাম কাজ কৰিব বাবে বেলেগৰ ওচৰত হাত পাতিব লগা হয় । মোৰ কাৰ্যকালৰ বাজেটৰ পৰিমাণ আৰু তাৰ খৰছৰ এটি চমু হিচাপ দাঙি ধৰিছো ।

২০০০ - ২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মুঠ বাজেটৰ পৰিমাণ আছিল ১,৩৮,১৯০ টকা । আৰু তাৰে ২৩,৫৭০ টকা সাধাৰণ সম্পাদকৰ বিভাগত আছিল । উক্ত টকাৰে সাধাৰণ সম্পাদকৰ কাৰ্যকাল চলোৱাত বহুতো কষ্ট হয় যদিও মই সেই টকাৰে যিমান পাৰো কৰিছিলো ।

১. মহাবিদ্যালয় সপ্তাহত খৰছ হোৱা টকা মুঠ - - - - - ১২,৮০০ টকা
২. সমাজ সেৱা সম্পাদকক সৰস্বতী পূজাৰ বাবে - - - ৫০০ টকা
৩. বিদায়ী সভাৰ বাবে খৰচ হোৱা টকা মুঠ - - - - - - ৪,৪০০ টকা
৪. আদৰণি সভা বাবে খৰছ হোৱা টকা মুঠ - - - - - - ৫,৫০০ টকা
৫. সাধাৰণ সভাৰ বাবে খৰছ হোৱা টকা মুঠ - - - - - - ৩৭০ টকা

---

মুঠ খৰছ পৰিমাণ হৈছে-- ২৩,৫৭০ টকা

মোৰ বিভাগত টকা বাহী হোৱা নাছিল । কিন্তু তাৰোপৰি কিছু টকা বেছিকৈ খৰছ হৈছিল । তাৰ হিচাপ দেখুৱা হোৱা নাই । মোৰ কাৰ্যকালৰ কেইটামান উল্লেখযোগ্য সফলতাৰ ভিতৰত হ'ল : --

১. মহাবিদ্যালয়ৰ ৰাস্তাৰ মেৰামতি কৰা ।
২. মহাবিদ্যালয়ৰ খেল পথাৰ কিছু মেৰামতি কৰা ।

৩. মহাবিদ্যালয়খনৰ নতুনকৈ ৰং কৰা ।
৪. মহাবিদ্যালয়ৰ দুটা নতুন শ্ৰেণী কোঠা নতুকৈ নিৰ্মাণ কৰা ।
৫. মহাবিদ্যালয়ৰ শ্ৰেণী সমুহ নিয়মীয়া কৰা আৰু শিক্ষাৰ ক্ষেত্ৰতো মহাবিদ্যালয়ত বহুতো নিয়ম সলনি কৰা ।
৬. মহাবিদ্যালয়ত দুটা লেটাৰ বক্স স্থাপন কৰা ।
৭. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ মেৰামতি কৰা ।
৮. মহাবিদ্যালয়ৰ ৰেগিং বন্ধ কৰা হয় ।
৯. মহাবিদ্যালয়ত সাজ- পোছাক বাধ্যতামূলক কৰা ।
১০, মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ নতুন কৈ ৰং কৰা হয় ।
১১. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা গুজৰাটৰ ভুমিকম্প আৰু আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ ছাত্ৰৰ অকাল বিয়োগৰবাবে সাহায্যমূলক অনুদান আগবঢ়োৱা হয় ।

**কৃতজ্ঞতা স্বীকাৰ :-** বিভিন্ন দিশত মোক সততে সহায় সহযোগ আৰু দিহা - পৰামৰ্শৰে অনুপ্ৰেৰণা যোগোৱা সাধাৰণ সম্পাদকৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰী যুত উপেন কোঁৱৰ চাৰলৈ, মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰলৈ, মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষা গুৰু কৰ্মচাৰী বৃন্দলৈ, মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ - বন্ধু পান্না, অজয়, দিজু, জয়ন্ত, বাসৱ, দুৰ্লভ, জয় প্ৰকাশ, ধৰণী আৰু বান্ধৱী তৃষ্ণা, নীৰা, যমুনা, মৌচুমী, পাপৰী, নন্দনিতা, দীপান্বিতা লৈ লগতে যিসকল বন্ধু - বান্ধৱী, ছাত্ৰ-ছাত্ৰী য়ে সহায় কৰিছিল তেওঁলোকলৈয়ো মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল ।

সৰ্দো শেষত অজানিতে যদি মোৰ কাৰ্যকালত কিবা ভুল ত্ৰুটি হৈ গৈছে তাৰবাবে সকলোৰে ওচৰত ক্ষমা মাগিছো । পুণৰ ডিগবৈ মহাবিদ্যালয়ৰ সৰ্দোটিলৈকে শ্ৰদ্ধা ও আন্তৰিক কৃতজ্ঞতা যঁচাৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰনি মাৰিলো --

ধন্যবাদেৰে
শ্ৰী ৰাজীৱ ভট্টাচাৰ্য
সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা
২০০০-২০০১

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম ।

প্রতিবেদন

# সমাজ সেৱা সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদক হিচাপে সমূহ শিক্ষাগুৰু কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱ ও ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো । ডিগবৈ মহাবিদ্যালয়ৰ ২০০০ - ২০০১ বৰ্ষৰ সমাজসেৱা সম্পাদক হিচাপে কিমানদূৰ কৃতকাৰ্য্যতা লাভ কৰিলোঁ সেইটো মই নাজানো । মোৰ কাৰ্যকালৰ সময়ছোৱাত যদি কিবা ভুল - ত্ৰুটি হৈছিলে তাৰ বাবে মই সমূহ শিক্ষাগুৰু, ছাত্ৰ - ছাত্ৰী ও বন্ধু বান্ধৱৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

সমাজ সেৱা সম্পাদক হিচাপে দ্বায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । উক্ত মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত কোনো খেল ধেমালী নাছিল যদিও বিভিন্ন বিভাগৰ সমূহ সম্পাদকক মই পৰ্য্যাপ্তমানে সহায় কৰিছিলো আৰু সুন্দৰভাৱেই আমাৰ মহাবিদ্যালয় সপ্তাহখনি পাৰ হৈ যায় । মহাবিদ্যালয় সপ্তাহৰ পাছতেই মোৰ বিভাগৰ এটি বৃহৎ কাৰ্য্য আহি পৰে সেইটো হ'ল আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাখনি । যদিও মহাবিদ্যালয়ৰ পূজাখনি অনুষ্ঠিত কৰাতো মোৰ বিভাগৰ তথাপিও সমূহ বিভাগীয় সম্পাদক, বন্ধু- বান্ধৱী ছাত্ৰ - ছাত্ৰী তথা যি সকল বন্ধু-বান্ধৱী, ছাত্ৰ - ছাত্ৰীয়ে মোৰ কাৰ্য্যভাৰ চলাই নিয়াত বিশেষ ভাৱে সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈ মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ লগতে তেওঁলোকৰ ভৱিষ্যত জীৱন উজ্বল হোৱা, আৰু মহাবিদ্যালয়খনিলৈ যাতে সুনাম কঢ়িয়াই আনে তাৰেই কামনা কৰোঁ ॥ আৰু মোক বিভিন্ন কামত দিহাপৰামৰ্শ তথা সহায় আগবঢ়োৱা শিক্ষাগুৰু সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । মোক বিভিন্ন কামত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা আমাৰ অধ্যক্ষ মহোদয় শ্ৰী যুত মনেশ্বৰ বৰ্মন দেৱলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে

গৌৰী চাৰ, পাৰ্থ চাৰ, মৃণাল চাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ এই সকল শিক্ষাগুৰুৱে মোক বিভিন্ন কামত যি সহায় আগবঢ়ালে মই তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । চেদাই চাৰে যি দিহা-পৰামৰ্শ তথা সহায় কৰিলে তাৰবাবে মই তেওঁলৈ আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । সেইদৰে সকলোফালৰ পৰা সহায় আগবঢ়োৱা মোৰ সতীৰ্থ আৰু বন্ধু বান্ধৱী সকল - ৰাজীৱ, অজয়, জয়ন্ত, পদ্ম, পাপু ছেত্ৰী, নাছিৰ, পাপৰি, মৌচুমী, অপৰাজিতা, জয়ন্তী, পদ্মজা, ৰূপালি, কৰিনা, কৃষ্ণা চাওলা, দ্বীপাজ্যোতি আৰু ছাত্ৰীনিবাসৰ সমূহ ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ এটা অনুৰোধ তেওঁলোকে যাতে কেৱল পঢ়া শুনাতে ব্যস্ত নাথাকি মহাবিদ্যালয়ৰ সামাজিক দিশলৈও অলপ মন-কান দিয়ে । আৰু ক্ৰিয়া জগতলৈও যাতে সুনাম কঢ়িয়াই আনি মহাবিদ্যালয় খনিলৈও সুনাম কঢ়িয়াই আনে ।

প্ৰতিবেদনৰ সামৰণিত ডিগবৈ মহাবিদ্যালয়ৰ ভৱিষ্যত জীৱন উজ্বল হোৱাৰ মানসেৰে ।

" জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

জয় আই অসম ।।

শ্ৰী মানস প্ৰতীম দাস

সমাজ সেৱা সম্পাদক




# SECRETARIAL REPORT- Minor Games

*At the very starting of this report I convey my sincere respect to honorable Principal, Vice Principal and the teaching and office staff. Paying love wishes and thanks to secretaries, students and friends for electing me as a minor games secretary of D.C.S.U 2000-2001.*

*I had tried my best to perform the duties through out the session taking the responsibility in my hand I can't say myself about the extent of my success. Hence leaving this opinion to your. But I want only to say that I feel grateful that I got twice golden chance to serve for the welfare of Digboi College. Badminton and Volleyball had been organised in the Annual College week celebration under minor games. But remains a faith that the volleyball has not reaches final due to the programming of several games at the same time.*

*The immense required helps I have got from various sides following my secretarial duties and got much encouragement from my prof in-charge (Mr. Timsina Sir) students Union's president and principal ( Mr. M. Borman) the student are Nitul Kr. Dhingia, Nayan Jyoti Borman, Jayanta Borah, Debojit Wakel, Sirojit Kumran, Sunmoni Saikis, Pratim Baruah, Manos Nath, Indrojit Gogoi, Prahled Baruah and Secretaries have halped me greatly from different directions for those I shall ever remain grateful.*

*At last with the aid of this report I would like to recommend that all the students may take part in social works as well as games and sports following with their good studies which shall prove to earn the proudness of Digboi College performing their intensity and potentiality in the competitions of coming Annual College week celebration.*

*I seek the excuse for any mistakes under my tenure, conveying heartiest love for all members of Digboi College. Wishing for the bright future of Digboi College.*

YOUR SINCERELY
PAPU SONOWAL
*Minor Games Secretary.*

প্রতিবেদন

## Debate and Symposia Secretary

*At the very onset of my report, I would like to impart my gratitude to all my dearest colleague for giving me an opportunity to spend my few movement with "Digboi College Students Union" for the session of 2000-2001. I shall remain ever grateful to our honourable principal, Lecturers, College Staff and specially to my Prof-In-Charge honourable Mr. P.K. Knound Sir, which let me feel proud of our college.*

*After a few days to taking our on us 36th annual college week held on 05.01.01 to 10.01:01 and as much as I can try to do my obedience with my dearest and nearest one. The college week is one of the remarkable occasion to student for total and all- round development of personality and develops their all the qualities of head and heart. Here I would like to congratulate to all the champions and winner and to them who were participated in different section in this college week.*

*I express my high Sense of gratitude to friends, Padma B. Konch, Dharani Lahan, Rajiv, Diju, Durlov Sonowal, Robin, Utpal, Jayanta Buragohain, Monoj Bezbourah, Neera, Yamuna, Kalpana, Sova for advising and helping me to carry on my works successfully. After all without them no worked had been in possible for me.*

*Lastly, with deep and special thanks to those who have help me directly and indirectly for making my job complete.*

*"Long Live Digboi College"*

*"Long Live Digboi College Student Union"*

*With regards*

*Sri Ajay Chetry*
*Debate and Symposia Secretary*
*(DCSU 2000-2001)*




# গুৰু খেল বিভাগৰ সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু আৰু ছাত্ৰবন্ধু সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ । গুৰু খেল বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই ৩৬ তম্ মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগত থকা খেল সমূহ যেনে- ফুটবল, ক্ৰিকেট আদি সুচাৰুৰূপে পালন কৰিবলৈ নিষ্ঠাসহকাৰে যত্ন কৰিছিলোঁ । যদি তাত কিবা ভুল ভ্ৰান্তি ৰৈ গৈছে তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ ।

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰ হাত আগবঢ়োৱা সভাপতি শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰ, মোৰ বিভাগৰ তত্বাৱধায়ক অৰুণ শৰ্মা চাৰ আৰু বন্ধু ৰাজীৱ, পদ্ম, অজয়, দ্বিজু, অশ্বিনী , ৰোহিত, মিনতি বুমনেন, মামনি, বাসৱ আদিলৈ মোৰ আন্তৰিক শুভেচ্ছা ও চিৰ কৃতজ্ঞতা জনাই মোৰ বছেৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিছোঁ ।

।। জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ছাত্ৰ সন্থা ।।

ধন্যবাদেৰে

চিৰজিৎ বুমনেন্

সম্পাদক : গুৰু খেল বিভাগ

২০০০-২০০১

প্র প্র প্র
তি তি তি
বে বে বে
দ দ দ
ন ন ন

# সাধাৰণ খেল বিভাগৰ সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষা গুৰু সকললৈ মোৰ আন্তৰি ক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ । মহাবিদ্যালয়ৰ ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সধাৰণ খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল ধন্যবাদৰ পাত্ৰ ।

নিৰ্বাচনত জয়ী হৈয়ে মই মহাবিদ্যালয়ৰ ৩৬ তম্ বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগত থকা আটাইবিলাক খেলৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ । প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা তেনেই কম আছিল যদিও, সফল বুলিয়েই ক’ব পাৰি । মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগৰ খেল সমূহ পৰিচালনা কৰাত বিশেষভাৱে সহায় সহযোগ আগবঢ়োৱা তত্বাবধায়ক মহোদয় শ্ৰীযুত টি. টি. বৰুৱা চাৰ , গৌৰি বুঢ়াগোহাঁই চাৰ, পাৰ্থ নৰহ চাৰ, পবিত্ৰ ভঁৰালী চাৰ আৰু অন্যান্য সকলোলৈকে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ । কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ কল্যান, ৰাতুল আদি বন্ধু সকললৈ । তদুপৰি আটাইবোৰ কামতে বিশেষ ভাৱে সহায় সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰলৈ কৃতজ্ঞতা জনাই মোৰ বছেৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিছোঁ ।

।। জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ছাত্ৰ সন্থা ।।

ধন্যবাদেৰে

ৰণু হাজৰিকা

সম্পাদক : সাধাৰণ খেল বিভাগ·




# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক আস্থা সহকাৰে ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি তথা সহযোগিতা আগবঢ়াই মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিয়া সতীৰ্থ সকলোলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ বাবে কেনেধৰণৰ সেৱা আগবঢ়াব পাৰিলো তাৰ থতিয়ান আপোনালোকৰ হাতত পেলালো । মোৰ কাৰ্যকালত ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ দায়িত্বত থকা কেৰম, ডবা, টেবুল টেনিছ আদি প্ৰতিযোগিতা মহাবিদ্যালয় সপ্তাহত সুচাৰুৰূপে অনুষ্ঠিত কৰিছিলোঁ ।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা সভাপতি তথা অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰ , ৰাজীৱ ভট্ৰাচাৰ্য, বাসৱ ডেকা, সাগৰ গিৰি, পদ্ম, অজয়, ধৰণী, দ্বিজু, দুৰ্লভ আৰু বহুতো বন্ধুবান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিংবা ভুল ত্ৰুটী হৈছে, তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰনি মাৰিছো ।

ধন্যবাদেৰে।

।। জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ছাত্ৰ সন্থা ।।

অনিৰুদ্ধ গগৈ

সম্পাদক ছাত্ৰ জিৰণী কোঠা




# সংগীত বিভাগৰ সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদক হিচাপে সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্ধ, বন্ধু বান্ধৱ তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো । মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু সহপাঠী বন্ধু-বান্ধৱীৰ অনুপ্ৰেৰণাত ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদকৰ পদত বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হওঁ । ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসৰি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৩৬ তম্ মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচী হাতত লব লগা হয় । কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ । এই সপ্তাহত মোৰ শিতানত পাতিব লগীয়া সকলো সংগীত প্ৰতিযোগীতা পাতিবলৈ স্থিৰ কৰা হৈছিল । এই সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠ গায়ক হিচাপে নিৰ্বাচিত হৈছিল শ্ৰী সুভজিৎ দেৱনাথ ।

মোৰ কাৰ্য্যকালত কি কৰিলো বা নাই কৰা সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয় । মোৰ কাৰ্য্যকালত সকলো সময়ত দিহা পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্বাবধায়ক শ্ৰী বৰুণ দেৱ চাৰৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰলৈ অশেষ কৃতজ্ঞ । তাৰোপৰি সকলো সময়তে সকলো ফালৰ পৰা সহায় আগবঢ়াই অহা বন্ধুবৰ্গ ৰাজীৱ, অজয়, প্ৰহ্লাদ, প্ৰকাশ, পিটো, দুৰ্লভ, পদ্ম, চাইনুল্লা আৰু বান্ধৱী মাইনু, পল্লৱী সীমা, দময়ন্তী, কল্পনা, নিবেদিতা আৰু বহুতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলো ।

সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিম্বা ভুল ত্ৰুটী হৈছে, তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰনি মাৰিলো ।

।। জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।।

ধন্যবাদেৰে

উৎপল গগৈ

সম্পাদক সংগীত বিভাগ




# CULTURAL SECRETARY

*At the very beginning of this letter. I would like to thanks all the student of Digboi college, respective secretaries, all the teachers specially Prof. M Gogoi and my class mates for their kind co- operation all through year. Without whom, no work had been possible.*

*I have really get a nit experience for me to spend my few moments with Digboi College student's Union. I have also got help from president (DCSU) and Principal of Digboi college. I feel proud they Co- operated when I need.*

*Its my Heartiest Thank to Hira, Punam, Asha, Santana, Sudeep, Govind, Anupama, Dhiraj, Binod, Swapan, Rajesh, Jay for giving me there kind co-operation at the time of need. and also all student of Digboi college.*

*Lastly my Special thanks to "Dharani Lahan" the magazine secretary for including my letter in this college magazines.*

*Thanking you all.*

*Om Kumar Thapa*

*Cultural Secretary.*

*D.C.S.U - 2000 - 2001*

# Result of the 36th Annual College Week Celebration 2000-2001

## Gymnasium Section

WRESTLING COMPETITION (MEN) BELOW 55 KG CATEGORY.

First : Pankaj Gogoi
Second : Krishna Das.
Third: Pallav Baruah.

WRESTLING COMPETITION (MEN) 56-65KG. CATEGORY.

First : Pankaj Pradhan.
Second : Anupom Dowarah.

ARM WRESTLING COMPETITION (MEN) ABOVE 66 KG CATEGORY.

First : Debendra Raj Dulal.
Second : Alam Khan
Third : Indrajit Baruah.

ARM WRESTLING COMPETITION (WOMEN) BELOW 50KG CATEGORY.

First : Miss Rekha Moni Diang.
Second : Miss Runu Devi.
Third : Miss Bobita Das.

ARM WRESTLING COMPETITION (WOMEN) 51 KG CATEGORY.,

First :Miss Mitali Ligira.
Second : Miss Minati Kumnen

**POWER LIFTING COMPETITION BELOW 50KG GROUP**

1st : Mukesh Chand Mall. 282.5 kg.
2nd : Jitender Yadav. 145 kg

**20 POWER LIFTING COMPETITION 50-60 KG GROUP**

1st : Atul Das 295 kg.
2nd : Apurba Saikia 280 kg.
3rd : Krishna Das 265kg.

**POWER LIFTING COMPETITION 60 TO 70 KG GROUP**

1st : Prasanta Borgohain 365 kg.
2nd : Khuku Phukan 317.5 kg
3rd : Jainath Singh 260 kg.

**POWER LIFTING COMPETITION 70 TO ABOVE**

1st: Ravi Sonowal 315 kg.
2nd : Bikram Nath 307 kg.
3rd : Biju Phukan 295 kg.

**POWER LIFTING COMPETITION**

STRONG MAN OF DIGBOI COLLEGE 200-2001
Sri Pasanta Borghain. (Total Lifted 365 kg)

**BODY BUILDING COMPETITION :**
**MR. DIGBOI COLLEGE 2001**

Sri Jainath Singh.
Sri Mukesh Chand Mall -Runners Up (1st)
Sri Atul Das (runner up (2nd)

***Mukesh Chand Mall***
***- BEST POSER & BEST MUSCLE MAN 2001***

**RESULTS OF BOYS COMMON ROOM SECTION**

WINNER --- Sri Robi Sonowal
RUNNERS UP --- Sri Soman Roy.

**DOUBLES CARROM**

WINNER
Sri Robi Sonowal.
Sri Pankaj Tamuli.

RUNNERS UP
Sri Joyanta Borah.
Sri Litifur Rahman.

**SINGLE TABLE TENNIS**

WINNER
Sri Pankaj Gogoi

RUNNERS UP
Sri Ashwani Kochari

**DOUBLE TABLE TENNIS**

WINNER
Sri Pankaj Gogoi.
Sri Arabin Mishra.

RUNNERS UP
Sri Pallob Gogoi.
Sri Ashwani Kochar

**CHESS**

WINNERS
Sri Reddeep Sharma.

RUNNERS UP
Sri Milon Gogoi.

# Result of the 36th Annual College Week Celebration 2000-2001

## General Sports



**BOY'S 100 MT RACE**

1st :- Diganta Sonowal.
2nd :- Neelutpal Saikia.
3rd :- Nitumoni Gogoi.

**200 MT RACE**

1st :- Neelutpal Saikia.
2nd :- Prahlad Baruah.
3rd :- Deepak Kumar Agrawal.

**1000 MT RACE**

1st :- Diganta Sonowal
2nd :- Abhijan Gogoi.
3rd :- Amul Dhan Chakma
4th :- Uttam Das.

**1500 MT RACE**

1st :- Abhijan Gogoi.
2nd :- Amul Dhan Chakma.
3rd :- Chirajit Kumnen.
4th :- Abhijeet Borah.

**LONG JUMP**

1st :- Nelutpal Saikia.
2nd :- Nitumoni Gogoi.
3rd :- i) Gogon Sonowal
ii) Santi Adhikari.

**HIGH JUMP**

1st :- Prahlad Baruah
2nd :- Amuldhan Chakma.
3rd :- i) Neelutpal Saikia.
ii) Amar Upadhay.

**TRIPLE JUMP**

1st :- Neelutpal Saikia.
2nd :- Prahlad Baruah.
3rd :- Amar Upadhay

**DISCUSS**

1st :- Prahlad Baruah
2nd :- Neelutpal Saikia.
3rd :- Debajit Wacket.

**SHOT PUT**

1st :- i) Robin Sonowal.
ii) Aravinda Mishra.
2nd :- Prabin Chetia.
3rd :- Robindra Kumar Sonar.



**GIRL'S 100 MT RACE**

1st :- Mousumi Kalita.
2nd :- Tilottama Boro
3rd :- Mayuri Buragohain.

**200 MT RACE**

1st :- Minati Kumnen
2nd :- Mitali Ligira
3rd :- Tilottama Boro.
4th :- Sangeeta Saikia.

**DISCUSS**

1st :- Minati Kumnen
2nd :- Sujeta Singh.
3rd :- Mitali Ligira.

**LONG JUMP**

1st :- Mayuri Bura Gohain.
2nd :- i) Tilottama Boro
ii) Madhumita Bura Gohain.
3rd :- Minati Kumnen

**JAVELINE**

1st :- Madhumita Bura Gohain.
2nd :- Suyeta Singh.
3rd :- Arunima Saikia.

**SHOT PUT**

1st :- Madhumita Bura Gohain.
2nd :- Suyeta Singh.
3rd :- Mitali Ligira.

***Best Athelete of this Session :- Sri Neelutpal Saikia.***



## *MUSIC SECTION*

Borgeet :-
1st :- Aparajita Hazarika
2nd :- Mousumi Kalita
3rd :- Surajeet Kalita.

**Gazal**

1st :- Subhajeet Debnath.
2nd :- Indrajeet Sengupta.
3rd :- Binita Upadhaya and Sanjay Gupta.

**JYOTI SANGEET**

1st :- Subhajeet Debnath.
2nd :- Mousumi Kalita.
3rd :- Aparajita Hazarika.




RABHA SANGEET

1st :- Subhajeet Debnath.
2nd :- Surajeet Kalita.
3rd :- i) Mousumi Kalita.
ii) Aparajita Hazarika.

LOKA GEET

1st :- Subhajeet Debnath.
2nd :- Surajeet Kalita.
3rd :- Mousumi Kalita.



MODERN SONG

1st :- Subhajeet Debnath.
2nd :- Binita Upadhaya.
3rd :- i) Utpal Gogoi.
ii) Aparajita Hazarika.

BIHU GEET

1st :- Utpal Gogoi.
2nd :- Anirudha Gogoi.
3rd :- Mousumi Kalita.

BIHU DANCE

1st :- Rubi Khanikar.
2nd :- Lipika Gohain.
3rd :- Chanda Sonowal.

***BEST SINGER OF THIS SESSION :- Subhajeet Debnath.***

## *DEBATE & SYMPOSIA SECTION*

EXTEMPORE SPEECH

1st :- Roshmi Dutta.
2nd :- Dharani Lahan
3rd :- Shanjana Marya.

QUIZ

1st :- i) Subhajeet Debnath.
ii) Dipa Das.
2nd :- i) Bikash Sharmah.
ii) Aswini Kachari.
3rd :-
a) i) Aswni Kumar Kachari.
ii) Manjit Sonar.
b) i) Gobil Thapa
ii) Jyotishman Saikia.

DEBATING

1st :- Dharani Lahan
2nd :- Rashmi Dutta.
3rd :- i) Pompi gohain.
ii) Shanjana Morya.

***BEST DEBATOR OF THIS SESSION.:- Dharani Lahan***

## CULTURAL SECTION

RECITATION (ENGLISH )

1st :- Rashmi Dutta
2nd:- Mousami Kalita.
3rd :- Dipak Agarwal.
Aswini Borthakur.

RECITATION ;-( ASSAMESE)

1st :- Arunima Saikia.
2nd :- Dharani Lahan.
3rd :- Binita Upadhaya.

RECITATION (HINDI)

1st :- Jitendra Singh
2nd :- Ajoy Mariya.
3rd :- Navanita Chakraborty.

LITERACY COMPETITION

ESSAY

1st :- Mousumi Kalita.
2nd :- Dharani Lahan.
3rd :- Sanjana Mariaya.
Consolation :- Girish Saikia.

SHORT STORY

1st :- Dharani Lahan
2nd :- Ashwini Saikia.
3rd :- Mausumi Kalita.

SELF COMPOSE POEM

1st :- Santosh Kumar.
2nd:- i) Ajoy Mariya.
ii) Joy Prakash Roy.
3rd :- Mousumi Kallita.

ART COMPETITION.

1st :- Kishor Kumar Singh.
2nd :- Sivanathan Pather
3rd :- Dibangshu Rakshit

DRAMA COMPETITION.

1st :- Kaun Banega Crorepati
2nd :- Hunmainar Biya.

***BEST ACTOR :- Dipen Das***

# OUR EX-EDITORS

| | | | |
|---|---|---|---|
| 1. | Damboru Saikia | ______ | 1972-73 |
| 2. | Siva Prasad Talukdar | ______ | 1975-76 |
| 3. | Pradip Phukan | ______ | 1976-77 |
| 4. | Ajit Kr. Borah | ______ | 1978-79 |
| 5. | Ramesh Gogoi | ______ | 1980-81 |
| 6. | Robin Roy | ______ | 1981-82 |
| 7. | Narendra Hazarika | ______ | 1982-83 |
| 8. | Prabin Momin Rajkhowa | ______ | 1983-84 |
| 9. | Arun Paul | ______ | 1984-85 |
| 10. | Ranjit Phukan | ______ | 1985-86 |
| 11. | Prabitra Kr. Gogoi | ______ | 1986-87 |
| 12. | Dipen Kr. Borah | ______ | 1987-88 |
| 13. | Noyan Moni Borah | ______ | 1988-89 |
| 14. | Kamala Kanta Buragohain | ______ | 1989-91 |
| 15. | Rudra Bahadur Chetry | ______ | 1991-92 |
| 16. | Gonesh Bahadur Chetry | ______ | 1992-93 |
| 17. | Dipak Kr. Chetry | ______ | 1993-94 |
| 18. | Ramoni Buragohain | ______ | 1994-95 |
| 19. | Rajiv Saikia | ______ | 1995-96 |
| 20. | Pritam Kr. Khaund | ______ | 1996-97 |
| 21. | Bhupendra Sharmah | ______ | 1997-98 |
| 22. | Prafulla Sonowal | ______ | 1998-99 |
| 23. | Neelutpal Saikia | ______ | 1999-00 |

## EDITOR OF THIS ISSUE
## DHARANI LAHAN

আলোচনী সম্পাদনাৰ
সীমিত অভিজ্ঞতা,
জ্ঞান আৰু অজ্ঞতাৰ
হেতু আলোচনীখনত
যদি অজানিতে
কিংবা ভুল হৈ গৈছে,
তাৰ বাবে
সকলোৰে ওচৰত
ক্ষমা বিচাৰিছোঁ

— সম্পাদক

